নামৰূপত বেংক ডকাইতি

# প্ৰান্তিক

৫ম বছৰ ৮ম সংখ্যা ১৬-৩১ মাৰ্চ '৮৬



আদৰ্শ কাৰাগাৰ

ভাৰতীয় নৱজাগৰণ আৰু অসম

OLDISCD

AUDITYA FINANCE AND INVESTMENT (INDIA) LTD.

GLORIOUS 2ND YEAR OF A TYA, NORTH EASTERN REGION

BEST WISHES TO ALL OUR INVESTOR'S AND ALL WELL WISHERS FROM THE CHAIRMAN, BOARD OF DIRECTOR'S AND ALL EMPLOYEES OF NORTH EASTERN REGION.

WE PROUDLY ENTER INTO GLORIOUS 2ND YEAR IN NORTH EASTERN REGION WITH 54 BRANCHES AND OVER ONE THOUSAND EMPLOYEES.
ITS ALL BUT POSSIBLE BY THE KIND AND SYMPATHETIC CO-OPERATION AND GOOD WISHES OF OUR VALUED INVESTORS AND WELL WISHERS AND HARD WORKING OF OUR EMPLOYEES.

OUR IMMEDIATE AIM IS TO COMPLETE ONE HUNDRED BRANCHES IN NORTH EASTERN REGION BY THE END OF 1986, WITH THE HELP OF WELL WISHERS AND HARD WORKERS OF AUDITYA.

| OUR SCHEME | FACILITIES | BACK GROUND |
|---|---|---|
| 1. HELPING HAND PLAN. | 1. SECURED LOAN. | 1. Rs.50,0000000 INSURANCE FOR ALL MEMBER'S EMPLOYEES ALL OVER INDIA. |
| 2. AUDITYA FIXED DEPOSIT SCHEME. | 2. UNSECURED LOAN. | 2. BANK GUARANTY TO MEMBER. |
| 3. JANATA FIXED DEPOSIT SCHEME. | 3. NATURAL DEATH BENEFIT. | 3. SECURITY TO ALL MEMBER. |
| 4. QUICK RETURN PLAN. | 4. PERSONAL ACCIDENT BENEFIT | 4. A PUBLIC LIMITED COMPANY UNDER THE DIRECTIVES OF RESERVE BANK OF INDIA. |
| 5. AUDITYA SALARY SAVING SCHEME. | 5. INSURANCE BENEFIT. | |

| FURURE | BRANCHES IN NORTH EASTERN REGION | | |
|---|---|---|---|
| 1. CHILDREN EDUCATION. | 1. GUWAHATI. | 19. TINSUKIA | 37. NA-KACHARI |
| 2. FAMILY PROTECTION. | 2. GOLAGHAT | 20. SONARI | 38. TANGLA |
| 3. MARRIAGE | 3. JORHAT | 21. BISWANATH | 39. CHANDRAPUR |
| 4. INCOME ON PERSONAL DISABLEMENT. | 4. SIBSAGAR | 22. NAMRUP | 40. NAHARKATIA |
| 5. EARNING WHEN UNEMPLOYED. | 5. DHEMAJI | 23. BORHOLA | 41. NARANGI |
| | 6. DIBRUGARH | 24. DHAKUAKHANA | 42. DISPUR |
| | 7. BOKAKHAT | 25. DOOMDOOMA | 43. BAIHATA |
| | 8. BARPETA | 26. BORGANG | 44. GOALPARA |
| | 9. TITABAR | 27. BIHUPURIA | 45. DULIAJAN |
| | 10. DERGAON | 28. JONAI | 46. MALIGAON |
| | 11. MARIANI | 29. DEMOW | 47. LALUK |
| | 12. BOKAJAN | 30. NARAYANPUR | 48. MAKUM |
| | 13. DIPHU | 31. JAMUGURIAHAT | 49. DIGBOI |
| | 14. MAJULI | 32. RANGIA | 50. TEOK |
| | 15. LAKHIMPUR | 33. NALBARI | 51. TALAP |
| | 16. MORAN | 34. BARPATHAR | 52. BANDARMARI |
| | 17. NAZIRA | 35. MANGALDOI | 53. JANGRAIMUKH |
| | 18. AMGURI | 36. NAGAON | 54. DUMUNI |

AUDITYA
BOMBAY

MAKE "AUDITYA" THE LARGEST GROUP OF FINANCIAL ORGANISATION BY INVESTING SMALL AND HUGE AMOUNT AND MAKE YOUR CARRIER A BRIGHTER ONE.

AUDITYA FINANCE AND INVESTMENT (INDIA) LIMITED.
(A PUBLIC LIMITED COMPANY - UNDER THE DIRECTIVE OF RESERVE BANK OF INDIA)

CENTRAL OFFICE
3/11/12, NAVJIVAN,
LAMINGTON ROAD,
BOMBAY-400 008.

ADMINISTRATIVE AND CONTROL OFFICE
NORTH EASTERN REGION
WARD STREET,
UZAN BAZAR,
GUWAHATI-781 001.

REGIONAL OFFICE
NORTH EASTERN REGION
TRINCAS BUILDING
M.R.M.B.ROAD, FANCY BAZA
GUWAHATI -1.

AUDITYA - THE SYMBLE OF PROSPERITY WITH TOTAL SECURITY INVEST WITH AUDITYA



প্ৰান্তিক

৫ম বছৰ ৮ম সখ্যা ১৬—৩১ মাৰ্চ '৮৬ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা ঃ পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

গড়ুগুসদৃশ খেলুৱৈ ছাৰ চৈয়দ ছাদুল্লা, গোপীনাথ বৰদলৈ, বেণ্টিংক চাহাব, পি.ছি. ৰয়, হেমন্ত লাহিৰি আদিৰ মাজত প্ৰবীণ ফুকন আছিল টিপচি চৰাই। কিন্তু ফুকলীয়া বলুৱৈ ফুকনৰ বলত প্ৰবীণ খেলুৱৈসকল পকা আম সৰা দি সৰি পৰিছিল। প্ৰবীণ ফুকনে পৰিকল্পিতভাৱে লিখা-পঢ়া কৰা নাছিল। যেতিয়া মন যায়, তেতিয়াহে তেওঁ লিখে। খুচিকা বাত হাতীকা দাঁত। ...যতীন্দ্ৰনাথ দুৱৰাৰ সভাপতিত্বত বহিব লগীয়া অসম সাহিত্য সভাৰ বছৰেকীয়া অধিবেশন ...চকুৰে সৰিয়হ ফুল দেখিছিলো ... বিপাঙত পৰি মূৰ পোলোকা মাৰি থকা প্ৰবীণ ফুকনৰ মূৰত সম্পাদকৰ দায়িত্ব জোৰেৰে জাপি দিলো। বুদ্ধিমান ফুকনে হাত দীঘল ভুবনেশ্বৰ বৰুৱাক হাতত লৈ সৃষ্টিৰ বাহ বুদ্ধিৰে কাটিলে।...

প্ৰবীণ ফুকনৰ জীৱনক কেন্দ্ৰ কৰি **সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাই** দিয়া গুৱাহাটীৰ একালৰ সাংস্কৃতিক পৰিৱেশৰ বৰ্ণনা

**স্মৃতিৰ পাপৰিত প্ৰবীণ ফুকন**

শিয়ালৰ চোকা দাঁতৰপৰা নিজৰ কোমল মঙহকণ ৰক্ষা কৰিবলৈ কাছটোৱে চলং পালে; সিংহৰপৰা সাৰিবলৈ হৰিণাই তীব্ৰগতিৰে দৌৰাৰ ক্ষমতা পালে। সি নিজক ৰক্ষা কৰাৰ কৌশল আয়ত্ত কৰিব নোৱাৰিলে, সি কালক্ৰমত লুপ্ত হ'ল। মানুহে বাচি থাকিবলৈ কি পাইছে?
**ডঃ লক্ষ্মী প্ৰসাদ দত্তৰ প্ৰবন্ধ ঃ এখন কৌটিকলীয়া যুদ্ধ**

অসমৰ নিবনুৱা সমস্যাই জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। **নিবনুৱাৰ বৰ্তমানৰ অৱস্থিতি সম্পৰ্কে লিখিছে বিপুল মহন্তই।**

**ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প**

## এই সংখ্যাত

যি পৰিস্থিতিত প্ৰেছিডেণ্ট আলি নাছেৰ মহম্মদ হাছানিক ক্ষমতাচ্যুত কৰি প্ৰধান মন্ত্ৰী হায়দৰ আবুবক্কৰ আল আটাচক দক্ষিণ য়েমেনৰ প্ৰেছিডেণ্টৰ পদত অধিষ্ঠিত কৰা হ'ল, সেই পৰিস্থিতিত সেই কাৰ্যক ক্ষমতা দখলৰ বাবে শাসকদলৰ মাজত নেতৃত্বৰ নামত চলা সাধাৰণ কাজিয়া বুলিব নোৱাৰি। কিয়নো, মাৰ্ক্সবাদী দুটা গোষ্ঠীৰ আদৰ্শগত এই কাজিয়াখনৰ পৰিসৰো ব্যাপক হৈ পৰিছে। বিশ্ব পৰিক্ৰমাত
**য়েমেনত পটপৰিবৰ্তন ঃ গৃহযুদ্ধ ডঃ সুনীল পৱন বৰুৱা** ।১৪।

এটা শুদ্ধ মনক যদি কোনো শুদ্ধ চিন্তা-চৰ্চাত আবদ্ধ ৰখা নহয়, তেন্তে সি দুষিত হোৱাৰে সম্ভাৱনা অধিক। কিন্তু এটা দুষিত মনক সংশোধন কৰিবলৈ হলে তাক অকল ভাল চিন্তা-চৰ্চাত ব্যস্ত ৰাখিলেই নহ'ব, সি যে ভুল পথে পৰিচালিত হৈছে সেইটো তাক বুজোৱাৰ উপৰিও বিকল্পপথ তাৰ আগত দাঙি ধৰিব লাগিব। সমাজৰ অপৰাধী অথবা দোষী বুলি সাব্যস্ত লোকসকলক প্ৰয়োজনীয় সংশোধনী-চিকিৎসা কৰা আৰু শুদ্ধ পথ দেখুউৱাৰ বাবে থকা কাৰাগাৰসমূহে এই দায়িত্ব সুচাৰুৰূপে পালন কৰিছেনে? এই সম্পৰ্কত **ত্ৰিদিব শৰ্মাৰ প্ৰবন্ধ ঃ আদৰ্শ কাৰাগাৰ** ।১৬।

ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ ইতিহাসত উনবিংশ শতিকাই এক গৌৰৱময় স্থান অধিকাৰ কৰি আছে। ভাৰতীয় জাতীয় জীৱনৰ বিস্ময়কৰ বিকাশ আন আন যুগতো হৈছিল। কিন্তু উনবিংশ শতিকাটো বিশেষভাৱে তাৎপৰ্যপূৰ্ণ এইবাবেই যে এইসময়তে ভাৰতবৰ্ষত আধুনিক মনৰ বিকাশ ঘটে, ভাৰতীয় মানসিকতাৰ নৱজাগৰণৰ সূত্ৰপাত হয়।
**উনবিংশ শতিকাৰ ভাৰতীয় নৱজাগৰণ আৰু অসম ঃ শৈলেন ভৰালী** ।২২।


ঘটনা-প্ৰবাহ ।৪। পত্ৰালাপ ।৬। ধ্বনি-প্ৰতিধ্বনি ।৮। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। নামৰূপৰ বেংক ডকাইতি ।১১। বিশ্ব পৰিক্ৰমা ।১৪। আদৰ্শ কাৰাগাৰ ।১৬। উনবিংশ শতিকাৰ নৱজাগৰণ ।২২। সুগন্ধি আগৰ ।২৫। বিজ্ঞান ।২৯। জীৱনৰ দীঘ আৰু বাণি ।৩৩। দৈনন্দিন ।৪০। উপন্যাস ।৪২। কবিতা ।৪৮। গল্প ।৪৯। কলা-সংস্কৃতি ।৫২। ক্ৰীড়াংগন ।৫৫। বিক্ৰম ।৫৬। শেষ পৃষ্ঠা ।৫৮।



মুখ্য সম্পাদক ঃ ডঃ ভবেন্দ্ৰনাথ শইকীয়া
নিবন্ধকাৰ ঃ কুলদীপ নায়াৰ * বদন বৰুৱা * ডঃ নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ডঃ দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ডঃ কৃষ্ণগোপাল ভট্টাচাৰ্য * ডঃ সুনীল পৱন বৰুৱা * ডঃ কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ
সহকাৰী সম্পাদক ঃ ইমৰান হুছেইন
অংগসজ্জা দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা আলোকচিত্ৰ ঃ দীপক বেজবৰুৱা
মুদ্ৰাংকন ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত
যোগাযোগৰ ঠিকনা ঃ পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

Vol V No. 8 16—31 March '86

Prantik
The Assamese Fortnightly,

P.O. Silpukhuri, Guwahati—781003 Phone: 28751

# গণ পৰিষদ চৰকাৰে প্ৰত্যাশা বঢ়াইছে

অসম গণ পৰিষদ চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণৰ মাজত জগাই তোলা নতুন প্ৰত্যাশা আৰু উদ্দীপনা সময় বাগৰাৰ লগে লগে বাঢ়িছেহে আৰু সেইটোৱে নতুন চৰকাৰটোৰ সঠিক পদক্ষেপৰ ইংগিত বহন কৰিছে;— ডিচেম্বৰৰ ঐতিহাসিক নিৰ্বাচনটোৰ প্ৰায় আঢ়ৈ মাহৰ মূৰত পাৰ হৈ যোৱা পষেকটোত অনুষ্ঠিত কলিয়াবৰ আৰু গোলোকগঞ্জ বিধান সভা সমষ্টিৰ নিৰ্বাচনৰ ফল সেই দিশৰ পৰা ৰাজ্যখনৰ সবাতোকৈ উল্লেখযোগ্য আৰু তাৎপৰ্যপুৰ্ণ ঘটনা। ডিচেম্বৰত যাৰ যিকণ দ্বিধা আছিল মাৰ্চত সেইকণো আঁতৰিল। কলিয়াবৰত ই কংগ্ৰেছৰ পৰাজয়ৰ ব্যৱধান ডিচেম্বৰত প্ৰায় ৩ হাজাৰ ভোট আছিল আৰু মাৰ্চত প্ৰায় ২৫ হাজাৰ ভোট হ'ল; তেওঁলোকৰ জনসমৰ্থন অভাবনীয় ভাৱে খহিল। সংখ্যালঘু মৰ্চায়ো ডিচেম্বৰতকৈও কম ভোট পাই আমানত হেৰুৱালে। সংখ্যালঘু অধ্যুষিত গোলোকগঞ্জ সমষ্টিত প্ৰদত্ত বৈধ ভোট ৬৫ হাজাৰৰ মাত্ৰ ১ হাজাৰ সংখ্যালঘু মৰ্চাই আৰু প্ৰায় ৪ হাজাৰ ই-কংগ্ৰেছে পায়।

নিৰ্বাচনৰ এই ফলে বহুতো প্ৰশ্নৰ সমাধান দিলে বুলি পৰ্যবেক্ষকসকলে মত প্ৰকাশ কৰিছে। অসম গণ পৰিষদ চৰকাৰে ভুল বুজাবুজি, সন্দেহ আৰু অবিশ্বাসৰ ভাব আঁতৰাই শান্তি, ঐক্য আৰু সমৃদ্ধিৰ ভেটিত এখন নতুন আৰু বৃহৎ অসমীয়া সমাজ গঢ়াৰ পথত থকা বহুত আউল এই ফলে আঁতৰালে। ই-কংগ্ৰেছ আৰু সংযুক্ত সংখ্যালঘু মৰ্চাৰ বিভেদ, চক্ৰান্ত আৰু সাম্প্ৰদায়িকতাৰ ৰাজনীতিৰ কিবা মোহিনী-মায়া অৱশিষ্ট আছিলগৈ যদিও কলিয়াবৰ আৰু গোলোকগঞ্জই তাৰ মুদা মাৰি থ'লে বুলি বিশ্বাস কৰা হৈছে।

### অসমীয়া আকৌ বাধ্যতামুলক

এইটো শিক্ষা-বছৰৰ পৰা অনা-অসমীয়া মাধ্যমৰ স্কুলবোৰত অসমীয়া তৃতীয় ভাষা হিচাপে বাধ্যতামূলক কৰি নিৰ্দেশ জাৰি কৰা হৈছে। অসম মাধ্যমিক শিক্ষা পৰিষদে ২৮ ফেব্ৰুৱাৰীত এই সম্পৰ্কীয় অধিস্চনা জাৰি কৰিছে। উল্লেখযোগ্য যে অনা-অসমীয়া মাধ্যমৰ স্কুলত অসমীয়া তৃতীয় ভাষা হিচাপে বাধ্যতামূলক আগেয়ে আছিল, কিন্তু ১৯৮৫ চনৰ ১৮ জানুৱাৰীত তেতিয়াৰ চৰকাৰে অধিসুচনা জাৰি কৰি ব্যৱস্থাটো উঠাই লৈছিল। অসম গণ পৰিষদ চৰকাৰে ব্যৱস্থাটো পুনৰ প্ৰবৰ্তন কৰাত বংগভাষী অসমীয়া সন্থাই আদৰণি জনাই অসমৰ সকলো জনগোষ্ঠীক নিজৰ সুবিধাৰ্থে এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছে।

> অসমৰ সংগীত-শিল্পজগতৰ লগত ঘনিষ্ঠভাৱে জড়িত ৰাজনীতিক আৰু উদ্যোগপতি প্ৰফুল্লচন্দ্ৰ বৰুৱাৰ যোৱা পষেকত মৃত্যু হয়। অসম সাহিত্য সভাই স্বৰ্গীয় বৰুৱাৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ সকলো দিশ প্ৰকাশ পোৱাকৈ পূৰ্ণাংগ জীৱনী এখন সোনকালে কৰিব লাগে বুলি গুৱাহাটীত থকা প্ৰফুল্ল চন্দ্ৰ বৰুৱা সোঁৱৰণী সভাত এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয় (১০।৩।৮৬)।

### চুক্তিঃ শেহতীয়া পৰিস্থিতি

অসম চুক্তিমতে কেন্দ্ৰৰ ভাগত পৰা কামখিনি কেন্দ্ৰই আন্তৰিকতাৰে সম্পাদন কৰিবলৈ নোলোৱাৰ গুৰুতৰ অভিযোগ উঠিছে,—বাতৰি কাকতত‍ো আৰু লোকসভাৰ মজিয়াতো। কেন্দ্ৰীয় আৰু অৰ্ধকেন্দ্ৰীয় কাৰ্যালয়ৰ, কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ নিগম, উদ্যোগ আৰু প্ৰতিষ্ঠান আদিৰ চাকৰিয়ালৰ ক্ষেত্ৰত কোনো এটা শান্তি-ব্যৱস্থাই তুলি লোৱা হোৱা নাই বুলি দীনেশ গোস্বামীয়ে লোকসভাত কৈছে। ইপিনে অসমৰ বাতৰিকাকতত শংকা প্ৰকাশ কৰা হৈছে যে অসম-বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰখন হয়তো নহ'বগৈও পাৰে; মাত্ৰ পথটোহে নিৰ্মাণ কৰা হ'ব। সেই কামতে ৩/৪ বছৰ লাগি যাব আৰু তাঁৰবেৰৰ কথা তল পৰিবগৈ পাৰে।

মেঘালয়ৰ পৰা বহিষ্কৃত হোৱা কিছু সংখ্যক নেপালী আৰু বাংলাদেশী লোক অসমত সোমাইছেহি বুলি ওলোৱা বাতৰিয়ে দুশ্চিন্তাৰ উদ্ৰেক কৰিছে।

১৯৮৩ চনৰ অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্ণয়) আইনখন উপযুক্তভাৱে সংশোধন কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাই প্ৰধানমন্ত্ৰীৰ ওচৰত দাবী উত্থাপন কৰিছে।

ইপিনে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে অসম গণ পৰিষদ চৰকাৰক এইবুলি সকিয়াই দিছে যে ন্যস্তস্বাৰ্থ থকা ই-কংগ্ৰেছ আৰু তেওঁলোকৰ কেন্দ্ৰীয় চৰকাৰটোৱে পঞ্জাব-চুক্তি কাৰ্যকৰী নকৰাদি অসম-চুক্তিখনো কাৰ্যকৰী নকৰিব পাৰে, গতিকে সেই দিশত সজাগ হোৱাৰ প্ৰয়োজন।

### অৰ্থনৈতিক দিশত পদক্ষেপ

বেলিকৈ হ'লেও অসম গণ পৰিষদে কেন্দ্ৰীয় চৰকাৰে পেট্ৰলজাত সামগ্ৰীৰ মূল্য বৃদ্ধি কৰাৰ প্ৰতিবাদত আৰু লগতে থাকুৱা তেলৰ ক্ষেত্ৰত বৰ্দ্ধিত হাৰত ৰয়েলটি নিদিয়াৰ প্ৰতিবাদত ১৯ মাৰ্চত অসম জোৰা প্ৰতিবাদ দিবস পালন কৰিবলৈ লৈছে। উল্লেখযোগ্য যে অসম গণ পৰিষদে সৰ্বভাৰতীয় দলবোৰে ২৬ ফেব্ৰুৱাৰীত আহবান কৰা 'ভাৰত বন্ধ'ত যোগ নিদিলে, আনকি নিজাববীয়াকৈও একো কাৰ্যসূচী নল'লে আৰু মূল্য বৃদ্ধি ঘোষণাৰ প্ৰায় ২৩ দিনৰ মূৰতহে প্ৰথম প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে।

১৯ মাৰ্চৰ কাৰ্যসূচীত অন্যান্য দাবী সমূহ হলঃ প্ৰাকৃতিক গেছৰ উপযুক্ত ব্যৱহাৰৰ বাবে উদ্যোগ স্থাপন, বিদ্যুৎ পৰিষদলৈ বিনামূলীয়াকৈ প্ৰাকৃতিক গেছৰ যোগান, চন্দ্ৰপুৰ তাপ বিদ্যুৎ কেন্দ্ৰলৈ এল. এইছ. এছ. ডি. তেল ৰেহাই মূল্যত যোগান অব্যাহত ৰখা আৰু ৰাজ্যৰ সকলো গেছ টাৰবাইন প্ৰকল্পৰ কাম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ জৰিয়তে কৰোৱা।

গণ পৰিষদে ৰাজ্যৰ বাহিৰলৈ চালান হৈ থকা চাহ, মৰাপাট, থাকুৱা তেল, কাঠ, প্লাইউদ আদি সামগ্ৰীৰ ক্ষেত্ৰত 'প্ৰস্থান/কৰ' লগাবলৈ চৰকাৰক পৰামৰ্শ দিয়াটো আন এটা অতি গুৰুত্বপুৰ্ণ পদক্ষেপ।

এই প্ৰসংগতে চাহ উদ্যোগৰ সকলো কাম এতিয়াৰ দৰে কলিকতাৰ পৰা নকৰি অসমৰ পৰা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে চাহ ব'ৰ্ড আৰু চাহ কোম্পানিসমূহলৈ আহ্বান জনোৱাটো অতি সময়োপযোগী কথা হৈছে।

অসম চুক্তিত প্ৰস্তাৱ কৰা আই. আই. টি. খন অসমৰ থলুৱা মানুহ খিনিৰ স্বাৰ্থত স্থাপন কৰাৰ পক্ষে এখন অভিবৰ্তনত মত প্ৰকাশ কৰা হৈছে। অভিবৰ্তনৰ সিদ্ধান্তসমূহ এই কেইদিনতে ৰাজ্য চৰকাৰৰ ওচৰত দাখিল কৰাৰ কথা।

### শ্বাহ মন্ত্ৰীসভা বৰ্খাস্ত

দেশৰ সবাতোকৈ স্পৰ্শকাতৰ ৰাজ্য জম্মু আৰু কাশ্মীৰত প্ৰায় দুবছৰ ধৰি এলানি অতি শোচনীয় পৰিস্থিতি সৃষ্টি কৰিবলৈ এৰি দিয়াৰ মূৰত কেন্দ্ৰীয় চৰকাৰে বৰ বেলিকৈ হ'লেও গোলাম মহমদ শ্বাহৰ মন্ত্ৰীসভাখন বৰখাস্ত কৰিছে। শ্বাহক মুখ্যমন্ত্ৰী হিচাপে থপাত এসময়ত আগপাছ ধৰি দিয়া ৰাজ্যপাল জগমোহনে বহু দিনৰ আগৰে পৰা দুৰ্নীতিত পোত যোৱা আৰু একেবাৰে অপদাৰ্থ মন্ত্ৰীসভাখন আঁতৰাবলৈ পৰামৰ্শ দি আহিছিল; শেহত ৰাজ্যখনৰ কংগ্ৰেছেও শ্বাহৰ বিৰুদ্ধে সাম্প্ৰদায়িক আৰু বিভেদকামী শক্তিৰ লগত হলিগলি কৰা আৰু সিবিলাকক উৎসাহ যোগোৱাৰ অভিযোগ তোলে। পোনতে কংগ্ৰেছে শ্বাহ মন্ত্ৰীসভাক দি অহা সমৰ্থন প্ৰত্যাহাৰ কৰে আৰু লগে লগে ৰাজ্যপালে মন্ত্ৰীসভাখন বৰখাস্ত কৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ইন্দিৰা গান্ধীয়ে ১৯৮৪ চনৰ জুলাইত অতি অন্যায় কৌশল প্ৰয়োগ কৰি তেতিয়াৰ মুখ্যমন্ত্ৰী ফাৰুক আব্দুল্লাক আঁতৰাই তেওঁৰ ঠাইত তেওঁৰ ভিনিহীয়েক শ্বাহক গাদীত বহুৱায়। সেই সময়ত গুণী-জ্ঞানী বহুতেই ইন্দিৰা গান্ধীক সেই কাৰ্য ব্যৱস্থা লোৱাৰ পৰা বিৰত কৰিব খুজিছিল, কিন্তু তেওঁ নুশুনিলে। অভিযোগ মতে দেশৰ স্বাৰ্থতকৈ তেওঁ দলৰ স্বাৰ্থৰ কথাহে তেতিয়া বেছি ভাবিলে। তেওঁক সেই কাৰ্যত পুৰ্ণ সমৰ্থন জনাইছিল ৰাজীৱ গান্ধী আৰু তেওঁৰ তৰুণ উপদেষ্টাসকলে। সেই সময়ত ইন্দিৰা গান্ধীৰ ধাৰণা বুলি প্ৰচাৰ কৰা হৈছিল যে ফাৰুকে ৰাষ্ট্ৰবিৰোধী আৰু পাকিস্তানপন্থী আৰু লগতে শিখ উগ্ৰপন্থীক উৎসাহ যোগাইছিল আৰু তাৰ বাবে দেশৰ সেই অঞ্চলৰ নিৰাপত্তা বিঘ্নিত হ'বৰ উপক্ৰম হৈছিল। কিন্তু শ্বাহে ৰাষ্ট্ৰ বিৰোধী শক্তিক দমন কৰক ছাৰি সিবিলাকৰ পৰিবৰ্ধনতহে সহায় কৰিলে;—ফাৰুকে নিষিদ্ধ কৰা কেইবাটাও ৰাষ্ট্ৰবিৰোধী সংগঠন পুনৰ মুক্ত কৰি দিলে।

এতিয়া ফাৰুকে ভিনিহীয়েক আৰু কংগ্ৰেছৰ সমৰ্থনত পুনৰ চৰকাৰ গঠন কৰাৰ আহ্বান প্ৰত্যাখ্যান কৰি পুনৰ নিৰ্বাচন পাতিবলৈ দাবী জনাইছে। তেওঁ স্পষ্টভাষাত কৈছে যে তেওঁ কংগ্ৰেছক বিশ্বাস নকৰে;— তেওঁলোকে ১৯৭৭ চনত দেউতাক শ্বেখ আব্দুল্লাক যিটো কৰিছিল এতিয়া শ্বাহকো তাকে কৰিলে।

### মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীৰ পদত্যাগ

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী শিৱাজীৰাও পাটিল নিলংগেকাৰ আৰু তেওঁৰ জীয়েকে বোম্বাই বিশ্ববিদ্যালয়ৰ এম. ডি পৰীক্ষাৰ ফলৰ ক্ষেত্ৰত সালসলনি ঘটাইছে বুলি যুক্তিসংগতভাৱে ধাৰণা কৰাৰ থল আছে বুলি বোম্বাই উচ্চ ন্যায়ালয়ে ৰায় দিয়াৰ মূৰত মুখ্যমন্ত্ৰীজনে পদত্যাগ কৰে। তেওঁৰ ঠাইত কেন্দ্ৰীয় গৃহমন্ত্ৰী এছ. বি. চৱনক নতুন মুখ্যমন্ত্ৰী পতা হৈছে। যদিও ন্যায়াধীশে ৰায়ত জীয়েকৰ পৰীক্ষাৰ ফল অনুকূল কৰাত নিলংগেকাৰ জড়িত থকাৰ 'প্ৰত্যক্ষ প্ৰমাণ' পোৱা নাই বুলি কয়, তথাপি তেওঁ এই সিদ্ধান্তত উপনীত হয় যে নিলংগেকাৰ আৰু তেওঁৰ জীয়েকৰ নিৰ্দেশতে পৰীক্ষাটোৰ ফলৰ ক্ষেত্ৰত কাৰচুপি কৰা হৈছে বুলি ধাৰণা কৰাটো যুক্তিসংগত হ'ব।

এই ঘটনা প্ৰসংগত মহাৰাষ্ট্ৰৰ ৰাজ্যপালজনৰ ভুমিকাক বাতৰি কাকতে সমালোচনা কৰিছে। ৰাজ্যপালজনৰ বিৰুদ্ধে অভিযোগ হ'ল, শুনানী আৰম্ভ হোৱাৰ সময়ৰে পৰা তেওঁ বিশ্ববিদ্যালয়খনৰ ওপৰত তেওঁলোকৰ স্থিতি সলনি কৰিবলৈ, উকীল বদলি কৰিবলৈ আৰু গোচৰটোৰ লগত জড়িত গুৰুত্বপুৰ্ণ তথ্যপাতি লুকুৱাই থ'বলৈ প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা চলাইছিল। বিশ্ববিদ্যালয়খনৰ আচাৰ্য হিচাপে তেওঁৰ যি পদমৰ্যাদা তাক তেওঁ নিলংগেকাৰৰ পক্ষৰ এজন মধ্যস্থতাকাৰী হিচাপে অপব্যৱহাৰ কৰিছিল। ৰাজ্যপাল পদৰ পৰা তেওঁক আঁতৰাই নিব লাগে বুলি বাতৰি কাকতে দাবী তুলিছে। তেওঁ আন্টুলেৰ সমৰ্থনতো এটা ভূমিকা লৈছিল বুলি আঙুলিয়াই দিয়া হৈছে।

* ভাৰতীয় দূৰদৰ্শনে হঠাৎ 'ৰাজীবছ ইণ্ডিয়া' নামৰ ছবিখনৰ প্ৰদৰ্শন বন্ধ কৰি দিলে। ছবিখনত ইন্দিৰা গান্ধীক সমালোচনা কৰা হৈছে আৰু সেইটো সহিব নোৱাৰি ছবিখনৰ প্ৰদৰ্শন বন্ধ কৰা হ'ল। এটা দেওবাৰে প্ৰদৰ্শন কৰা হ'ব বুলি ঘোষণা কৰিও আগদিনা 'নিউ দিল্লী টাইমছ' নামৰ হিন্দী ছবিখনৰ কাৰ্যসূচী হঠাৎ বাতিল কৰা হৈছে।

OKDISCD

## 'ফ্লিম্মি' ৰীতি ঃ দ্বৈত ভূমিকাত ৰাজীৱ গান্ধী

...১৯৮৬ চনৰ ৫ ফেব্ৰুৱাৰীৰ দিনটো স্বাধীন ভাৰতৰ ইতিহাসত এটা স্মৰণীয় দিন হৈ থাকিব। কাৰণ এই দিনটোতে ৰাজীৱ গান্ধীয়ে বোধকৰোঁ তেওঁৰ বন্ধু অমিতাভ বচ্চনৰ দ্বাৰা অনুপ্ৰাণিত হৈয়ে এটা দ্বৈত ভূমিকাত ৰূপদান কৰিলে; —কংগ্ৰেছ সভাপতি হিচাপে তেওঁ ৰাজীৱ গান্ধীয়ে নেতৃত্ব দিয়া চৰকাৰটোৰ নীতিসমূহ নিন্দা কৰিলে আৰু তাৰ পাছত তেওঁ প্ৰধানমন্ত্ৰী হিচাপে কংগ্ৰেছ সভাপতি ৰাজীৱ গান্ধীৰ নিৰ্দেশসমূহ পালন কৰিলে। অতীতত কেইবাটাও উপলক্ষ্যত মই আঙুলিয়াই দেখুৱাই আহিছোঁ যে নতুন দিল্লীত ক্ষমতাত অধিষ্ঠিত হৈ থকাসকলৰ বাবে চমক-চাতুৰী জীৱনৰ এটা পদ্ধতি হৈ পৰিছে। ৫ ফেব্ৰুৱাৰীত ঘটি যোৱা ঘটনাৱলীৰ পাছত, ৰাষ্ট্ৰৰ বিষয়সমূহ পৰিচালনাৰ বেলিকা অকল চমক-চাতুৰীৰ ওপৰতে নিৰ্ভৰ কৰিবলৈ লোৱা হৈছেনেকি বুলি মই অবাক হৈ ভাবিবলৈ আৰম্ভ কৰিছোঁ।

...বিশ্বৰ বজাৰত খাৰুৱা তেলৰ দাম হঠাৎ পৰি গৈছে। যিটো সময়ত গোটেই বিশ্বৰ মানুহে পেট্ৰলজাত সামগ্ৰী আগতকৈ সস্তা দৰত কিনিবলৈ আশা কৰিছে, সেইটো সময়ত ভাৰত চৰকাৰে ডিজেল, পেট্ৰল, কেৰাছিন, আৰু ৰন্ধন গেছ অধিক মৰগীয়া কৰিবলৈ ল'লে। পেট্ৰলজাত সামগ্ৰীৰ মূল্য বৃদ্ধি কৰাৰ কেইদিনমানৰ আগেয়ে খাদ্যশস্যৰ দাম বাঢ়িল। ইয়াৰ আগেয়ে বাজেট অধিবেশনৰ আগে আগে ৰাতিটোৰ ভিতৰতে জীৱন নিৰ্বাহ ইমান মহঙা কেতিয়াও হোৱা নাছিল। কিছু দিনৰ আগৰেপৰা প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ কাম-বনবোৰত ওলাই পৰা সংসদৰ প্ৰতি মূলতে অশ্ৰদ্ধাৰ ভাবটো ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহত হোৱা ঘটনাৱলীত একেবাৰে প্ৰকট হৈ পৰিছে। ভাৰতীয় গণতন্ত্ৰৰ ইতিহাসত আগেয়ে কোনেও কাহানিও নোপোৱা বৃহত্তম সংসদী সমৰ্থন হাতৰ মুঠিত ৰখা প্ৰধান মন্ত্ৰীজনে যেতিয়া সংসদীয় নিয়ম-নীতিৰ প্ৰতি অশ্ৰদ্ধা দেখুৱায়, তেতিয়া আতংকিত হ'ব লগা হয়। ভাৰতৰ প্ৰধানমন্ত্ৰীজনে অমিতাভ বচ্চন-ৰীতিৰ 'ফ্লিম্মি' চমক-চাতুৰী আৰু ফিকিৰ গ্ৰহণ কৰিব নোৱাৰে।

...ধুমুহাৰ দিনবোৰ আহিব লাগিছে। বতাহ আৰু জোৱাৰ কম্পিউটাৰেৰে চম্ভালিব নোৱাৰি।...

['ছানডে'ত শুভব্ৰত ভট্টাচাৰ্য।]

## বন্থবন্ধী সেনাপতি ঃ সাংবাদিকৰ প্ৰশ্ন

...চীনাসকলৰ যেতিয়া ১৯৬২ চনৰ অক্টোবৰত আমাক এখুন্দা দিয়াৰ পাছত আকৌ আমাৰ ওপৰত আক্ৰমণ চলোৱাৰ কোনো আগ্ৰহ নাই, তেনেস্থলত ভাৰত-চীন সীমান্তত কিয় বছৰ বছৰ ধৰি সৈন্য অস্ত্ৰ-শস্ত্ৰ খৰচ কৰি থকা হৈছে (আমাৰ সৈন্যবাহিনীৰ প্ৰায় অৰ্ধেক পৰ্বত শিখৰবোৰত আবদ্ধ হৈ আছে) সেই কথা দেশৰ বহুতেই জানিবলৈ বিচাৰে। সকলো বিশ্লেষণেই কয় যে ভাৰতে যদি হেৰুউৱা ৰাষ্ট্ৰাঞ্চল পুনৰুদ্ধাৰ কৰিবলৈ চেষ্টা নকৰে তেতিয়াহ'লে চীনে আক্ৰমণ নকৰে। নতুন দিল্লীৰ শাসকসকলে তেওঁলোকৰ সেইটো কৰাৰ ইচ্ছা নাই বুলি স্পষ্ট কৰি দিছে যেতিয়া, সৈন্যবাহিনীৰ ইজনৰ পাছত সিজনকৈ হোৱা মুখ্য অধিনায়কসকলে তেওঁলোকৰ ৰাজনীতি ভিন্ন ধৰণে প্ৰস্তুত কৰি যোৱা ২৩ বছৰত ব্যয় হোৱা কোটি কোটি টকা নবচায় কিয়?

...যদি জেনেৰেল সুন্দৰজী সংবাদ মাধ্যমবোৰত ওলাবলৈ খুব আগ্ৰহী, তেতিয়াহ'লে এতিয়াও মানুহে ভাবি উৱাদিহ নোপোৱা বিষয়বিলাকৰ বিষয়ে তেওঁ ক'ব লাগে।....

...['বিটুইন দি লাইনছ' শীৰ্ষক সাপ্তাহিক শিতানত কুলদীপ নায়াৰ] ॥

## অপৰ্ণা সেন ঃ পৰমা-সংস্কৃতি

... অপৰ্ণা সেন সম্পৰ্কে পুৰুষসকল যিমান আগ্ৰহী, মাইকী মানুহবোৰ সিমান স্পৰ্শকাতৰ। পৰমাৰ যৌন বিদ্ৰোহত বাংলা সংস্কৃতিৰ মহন্তসকলে যেনেকৈ অপৰ্ণাৰ ব্যক্তিগত মূল্যবোধৰ বিভ্ৰান্তি দেখিবলৈ পায়, তেনেকৈ এলিট মহিলাসকলৰ মানত সেয়া হ'ল নাৰীপ্ৰগতিৰ পতাকা; যদিও সেয়া মীনকেতন ছবি— আন একো নহয়।

কিয় পৰমাই পৰপুৰুষৰ ওচৰত দুৰ্বলতাৰ বাবে এবাৰ ক্ষমা খোজে আৰু পাছ মুহূৰ্ততে বিদ্ৰোহীৰ কণ্ঠেৰে কয়, ইয়াৰ বাবে তেওঁৰ ভিতৰত কোনো ফাল্টু অপৰাধবোধ নাই! এই লৈ যি যিমানেই বিপন্ন বোধ নকৰক কিয়, অপৰ্ণাই একে লগে সংস্কাৰ আৰু ৰক্ষণশীলতাৰ অচলায়তন ভাঙিছে, সেই কাৰণেই 'পৰমা' ফেমিনিষ্ট ছবি নেকি?

অপৰ্ণাই ক'লে, তাৰ কাৰণ আমাৰ পুৰুষশাসিত সমাজত ল'ৰাবোৰতকৈ ছোৱালীবোৰেই বহু বেছিকৈ সমাজৰ জাপি দিয়া এই ভূমিকাটো মানি চলিব লগা হয়। সেয়ে 'পৰমা'। কিন্তু এই কথাটোৱেতো উনবিংশ শতাব্দীৰ প্ৰগতিশীল দাৰ্শনিকৰপৰা আৰম্ভ কৰি চিমন দ্য বোভোৱা বা আজিৰ শীলা ৰোবোথামৰো নাৰী মুক্তিৰ স্বপক্ষে বক্তব্য। ইমান দিন পৰ্যন্ত মাইকী মানুহৰ ওপৰত পুৰুষকেন্দ্ৰিক নানা প্ৰতিষ্ঠান আৰু সংস্কাৰৰ অত্যাচাৰ চলোৱা হৈছে।.....

কিন্তু ফেমিনিজম মানে কেৱল ফিফথ এভিনিউলৈ গৈ ব্ৰা পোৰাটোৱেই নেকি— নে লেছবিয়নিজম? নাৰীৰ সমকামিতা? টেনিছ-তাৰকা বিলি নেকি!

'এণ্ড নৰ ইজ ইট প্ৰমিছকুইটি; য'তে ত'তে যাৰে তাৰে লগত ৰাতি কটোৱাটো ফেমিনিজম নহয়। অন্ততঃ মই সেই বুলি নাভাবোঁ।'

['আলোকপাত'ত 'পৰমা' ছবিৰ পৰিচালিকা অপৰ্ণা সেন ঃ সাক্ষাৎকাৰ লওঁতাৰ প্ৰশ্নৰ উত্তৰত।]





## এইখন অসমহে!

১৫।১১।৮৫ তাৰিখে নগাঁও জিলাৰ নগাঁও-মৰিগাওঁ পথৰ কোনো এখন গাড়ীত নগাঁৱলৈ বুলি যাত্ৰা কৰিছিলো। কোন ঠাইত এই চিঠিৰ নায়কজন বাহত উঠিল কব নোৱাৰোঁ। নগাঁও পাবলৈ কেই কিল'মিটাৰমান বাকী। গাড়ীত যাত্ৰীৰ ভিৰ প্ৰায় নাছিল বুলিয়েই কব পাৰি। এখন আসনত এগৰাকী মহিলা আৰু সেই নায়ক যুবকজন বহি আছিল। মহিলা গৰাকী ৰাজস্থানী যদিও অসমৰে বাসিন্দা বুলি ধৰিব পাৰি। হঠাতে সেই মহিলা গৰাকীয়ে নানা অকথ্য কথাৰে যুৱক জনক গালি পাৰিবলৈ ধৰিলে। যুৱকজনো মহিলাগৰাকীৰ লগত তৰ্কযুদ্ধত প্ৰবৃত্ত হৈ পৰিল। কি হ'ল একো ধৰিব নোৱাৰি মই আগুৱাই যোৱাত মহিলা গৰাকীয়ে আকুল কণ্ঠেৰে কলে যে যুৱকজনে কু-অভিপ্ৰায় চৰিতাৰ্থ কৰিবৰ বাবে তেওঁক দিগদাৰ দি আহিছে। ইতিমধ্যে গাড়ীৰ আন আন যাত্ৰীসকলো ঘটনাটোত জাণ্ডুৰ খাই উঠিল। মহিলা গৰাকীয়ে ঠোকাঠুকি মাতেৰে কলে যে যুৱকজনে এবাৰ নহয় দুবাৰ নহয় কেইবাবাৰো তেওঁক আমনি কৰিছে; তেতিয়াহে তেওঁ মুখ খুলিছে। এই খিনিতে পাঠকক সেই যুবকজনে তৰ্কৰত অৱস্থাত ব্যৱহাৰ কৰা বাক্য এষাৰ উদ্ধৃত কৰিছোঁঃ "এইখন ৰাজস্থান নাপাবা। এইখন অসমহে।"

এই কথাষাৰৰ অৰ্থ কেনে ভয়াবহ আৰু লজ্জাজনক পাঠকে নিশ্চয় বুজিছে। অৰ্থাৎ এইখন অসম; ইয়াত অকলশৰীয়া ভদ্ৰ মহিলাক তেনেদৰে অকলশৰীয়া অৱস্থাত পালে তেনে আচৰণ কৰাটো সাধাৰণ কথা। ৰাজস্থানত নচলিলেও অসমত এনেকুৱা চলেই। তেতিয়ালৈ মহিলাগৰাকীৰ চকুপানী ওলাইছিল। ইতিমধ্যে গাড়ীৰ ভিতৰত বেছ হুলস্থুলৰ সৃষ্টি হৈছিল। ময়ো ভাবিলো— এনে কুকাৰ্যৰ লগে-লগে কিবা এটা হোৱা উচিত। যুৱকজনে ব্যৱহাৰ কৰা বাক্য কেইষাৰ শুনি মোৰ খং দুগুণে চৰিছিল।

খণ্ডতে একো নাই হৈ ময়ো যুৱকজনক তীক্ষ্ণ ভাষাৰে গালি পাৰিলো। (আন যাত্ৰীসকলেও অৱশ্যে তেওঁক বেয়া ব্যৱহাৰ নকৰা নহয়)। সি আকৌ মোৰেই লগত তৰ্ক কৰাত মোৰ বন্ধুজনৰ সহযোগত তাক একেবাৰে গাড়ীৰ পৰা গতিয়াই বাজ কৰি দিলো।

শিক্ষিত বুলি চিনাকি দিয়া আমাৰ সমাজখনত এনেকুৱা আৰু বহুত কুকাৰ্য চলি থাকে। আমাৰ সকলোৰে প্ৰিয় আলোচনী "প্ৰান্তিক"ৰ যোগেদি মই আপোনালোকক কব খুজিছোঁ যে আমি সকলোৱে এনে কাৰ্যৰ বিৰুদ্ধে তৎকালীন ব্যৱস্থা লব লাগে আৰু বাটে-ঘাটে অসমৰ সুনাম প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিব লাগে।

—বিৰিঞ্চি কুমাৰ, বাৰপূজীয়া, নগাঁও

## অন্যায় প্ৰভুত্ব

যোৱা কালি পূজাৰ সময়ত কোকৰাঝাৰত এখন মেলা অনুষ্ঠিত হৈ গ'ল। মেলাত নানা ধৰণৰ দোকানৰ লগতে "ভাগ্য পৰীক্ষা" বুলি কৈ চকা ঘূৰাই টকা ঘটি নিছিল কিছুমান ব্যৱসায়ীয়ে। এখন নিচেই সৰু ভাগ্য নিৰ্ণয়ক খেল দেখুউৱা মানুহ এজন খেলাখনৰ এটা চুকত বহিছিল। তেওঁৰ খেলখনৰ দাম মাত্ৰ দহ পইচাকৈ আছিল।

এজন পুলিছৰ লোকে তেওঁৰ আগত থিয় হৈ ক'লে, "এই, বেছি দেৰি নকৰিবি। সোনকালে মোক দুটকা দে?" মানুহজনে ক'লে,— "ছাৰ, মাফ কৰিব আজি মোৰ টকা মুঠেই নাই। ৰাতিপুৱাৰ পৰা মাত্ৰ এটকাহে পাইছোঁ। আপোনালোকক দিলে মোৰ নিজৰে নিমিলে ছাৰ।" পুলিছৰ মানুহজনে ক'লে,— "অ'ই, তই তেনেকৈ কলেই হ'বনে? এতিয়া কিমান বাজিল মালুম আছেনে? পোনে বাৰটা। দে দে বেছি দেৰি কৰিলে তোৰ দিগদাৰ হ'ব।" মানুহজনে কলে,— "ছাৰ আপুনি কিয় তেনেকৈ কয়? ইমান সময় হ'লেও যে মোৰ ভাওকেইটাৰেই দাম হোৱা নাই!" কথাষাৰ তেওঁ বৰ দুখেৰে ক'লে। পুলিছৰ মানুহজনে "বেছি দেৰি কৰিলে দিগদাৰ"— বুলি কৈ লাঠিডাল ওপৰলৈ তুলিলে।

তেতিয়া ভয়ে ভয়ে মানুহজনে দুটকীয়া এখন নোট অফিচাৰজনক দি দিলে। অফিচাৰজন লগে লগে গুচি গ'ল। পুলিছে এনেকৈ সাধাৰণ প্ৰজাৰ ওপৰত অন্যায় প্ৰভুত্ব চলোৱাটো শেষ কৰিবলৈ আজি সকলো একগোট হ'ব লাগে।

—ত্ৰৈলোক্য নাথ বেজবৰুৱা, কোকৰাঝাৰ থানা ৰোড

## প্ৰগতিশীল দৃষ্টি-ভংগী

উক্ত শিৰোনামাৰে লিখা চিঠিখন (১।১।৮৬) সম্পৰ্কে দুটামান কথা লিখাৰ লোভ সামৰিব নোৱাৰিলোঁ।

বহু বিতৰ্কিত ছি. পি. এম দলে অসমৰ স্বাৰ্থত কাম কৰা নাই। এই কথাটো পত্ৰলেখকে কেনেকৈ প্ৰমাণিত কৰিলে? দিল্লী আৰু দিছপুৰ কোনোটোৱে ছি. পি. এম দলে আজিলৈকে দখল কৰিবপৰা নাই। তেনে ক্ষেত্ৰত ছি. পি. এম দলে অসমৰ স্বাৰ্থত কাম কৰা নাই কথাটো কেনেকৈ প্ৰমাণিত হয়? যোৱা ছবছৰীয়া আন্দোলনৰ কালত একমাত্ৰ ছি. পি. এম দলৰে বক্তব্য স্পষ্ট। আনহাতে ছি. পি. এম দলৰ বক্তব্য স্পষ্ট বাবেই সিহঁতক বদন, বাঙালীৰ দালাল, আৰু অসমৰ একমাত্ৰ শত্ৰু স্বৰূপে গণ্য কৰা হৈছিল বা হৈ আছে। আন্দোলনৰ আৰম্ভণিৰে পৰা ছি. পি. এম দলে ১৯৭১ চনৰ ২৫ মাৰ্চ তাৰিখকে সময় সীমা হিচাপে মানি লব লাগে বুলি কৈ আহিছিল। নীতিগতভাৱে আন্দোলনৰ নেতাসকলে ৭১ চনৰ ২৫ মাৰ্চৰপৰা বিদেশী বহিষ্কাৰ কৰা হব বুলি চুক্তি স্বাক্ষৰিত কৰিলে। এই ক্ষেত্ৰত বাঙালীৰ দালাল বুলি ভাবি থকা ছি. পি. এম সকলৰ কথাটোহে বাস্তৱ হ'ল।

—ত্ৰৈলোক্য কুমাৰ দাস, সৰভোগ

## লোকেল টেক্স বনাম বিক্ৰিদাম

দুদিন মানৰ আগতে গড়আলিৰ এখন ফাৰ্মাছিত গ্লিছাৰিণৰ বটল এটা বিচাৰি সোমালো। দৰৱ বেচা ল'ৰাজনে সৰু বটল এটা দিলেহি। দাম সুধিলত দুটকা বুলি কলে। মই বটলটো ঘূৰাই-পকাই চাই "লিখাদাম ১·২৫ টকা হে", বুলি কোৱাত, তেওঁ ঘপহকৰে কিবা এটা হিচাপ কৰি ১·৬০ টকা বুলি কলে। ফাৰ্মাছিষ্ট (নে ডাক্তৰেই কব নোৱাৰোঁ) এজন ওচৰতে নিৰৱ দৰ্শক হৈ আছিল। মই আৰু আপত্তি নকৰিলো, কিন্তু বটলটোৰ দামৰ ওপৰত ২৮% টেক্স লোৱাটো কিমান যুক্তিসংগত বুজি নাপালো।

কথাহ'ল, বস্তুৰ কিনাদামৰ ওপৰত টেক্স কিমান লব লাগে বা লোৱা উচিত এইকথাটো সকলো গ্ৰাহকৰ বাবে জ্ঞাত নহয়। এই অজ্ঞতাৰ সুবিধা লৈ সৰ্বসাধাৰণৰপৰা ব্যৱসায়ীসকলে অধিক দাম লোৱাটো অনুচিত। এনে কামে ব্যৱসায়ী সকলৈ দুৰ্নামহে চপাই আনিব।

—জ্যোতি প্ৰসাদ দত্ত, খনামুখ

## "ৰাংগপাটা / ৰাংপতা"

শ্ৰীগোলাপ খাউণ্ডৰ উক্ত শিৰোনামাৰ চিঠিৰ (১৬।১১।৮৫) সন্দৰ্ভত আমি কব খোজোঁ যে ৰাংগপাটা বা ৰাংপতা কোনো ঘৰ সজা সামগ্ৰী নহয়; ই হল এবিধ ৰঙৰ নাম। মাধৱদেৱে বৰপেটাত (মতান্তৰে গণককুছিত) নাচ, ভাওনা, গীত আদি প্ৰদৰ্শনৰ বাবে সজোৱা "ৰঙ্গীয়াল গৃহ"ৰ খুটা, চটি, কামি, বেৰ, দুৱাৰ আদিত বিভিন্ন ৰং লগাইছিল। ঘৰটোৰ ওপৰৰ ছাৱনী আছিল বগা ৰঙৰ ফুলা খেৰৰ। আনকি বেতেৰে দিয়া গাঠিবোৰো ফুলৰ আকৃতিৰ কৰি ৰং দিছিল। ঘৰটোত দিয়া ৰংবোৰ আছিল হেঙুল, হাইতাল, বালিচন্দা, খৈ মাটি, ৰাংপতা আদিৰ। এই ৰংবোৰৰ ভিতৰত বেছি টেকী আৰু মসৃণ হল ৰাংপতা ৰং। মাধৱদেৱে "ৰঙ্গীয়াল গৃহত" লগোৱা এই ৰাংপতা (পুৰণি অসমীয়াত ৰাংগপাটা) ৰঙৰ কথাহে কৈছে, কোনো ঘৰ সজা সামগ্ৰীৰ কথা কোৱা নাই। ৰং দিয়া, ৰং লগোৱা, ৰং মৰা আদি একে অৰ্থৰে ক্ৰিয়া। উল্লেখযোগ্য যে উক্ত 'ৰঙ্গীয়াল গৃহ'টি ৰাজৰোষৰ বাবে সুধানন্দ নামৰ তদন্তকাৰী ৰাজবিষয়াৰ আদেশত জুইত পুৰি পেলোৱা হয়।

—গোপাল চন্দ্ৰ হাজৰিকা অধিবক্তা, যোৰহাট

## ৮৬ বছৰত ধ্বনি কবি বিনন্দ বৰুৱা

ধ্বনি কবি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাৰ (অচ্যুত ভৱন, পো. টীয়ক পিন ৭৮৫. ১১২, যোৰহাট) পৰিয়ালৰ পৰা হৈ আপোনাক জনাওঁ যে শ্ৰীবৰুৱাই অহা ১৬ মাঘ ১৯০৭ শক, ইংৰাজী ৩০ জানুৱাৰী ১৯৮৬ চন, বৃহস্পতিবাৰৰ দিনা ৮৫ বছৰৰ দেওনা পাৰ হৈ সুন্দৰ স্বাস্থ্যৰ গৰাকী হৈ ৮৬ বছৰত খোজ পেলাব। অদম্য উৎসাহ, কৰ্ম-প্ৰেৰণাৰে ভৰপূৰ এই গৰাকী ব্যক্তিক বয়সে বলে পৰা নাই বুলি ক'ব পাৰোঁ।

এই বয়সত এই কবি গৰাকীক অনুপ্ৰেৰণা দিয়াৰ কিবা আঁচনিৰ কথা ৰাইজে চিন্তা কৰিব পাৰে বুলি ভাবি কথাখিনি জনালো। যোৱা সাধাৰণ নিৰ্বাচনত অসম গণ পৰিষদৰ টীয়ক সমষ্টিৰ প্ৰাৰ্থী শ্ৰীললিত ৰাজখোৱা (বৰ্তমান মন্ত্ৰী) আৰু লোক সভাৰ প্ৰাৰ্থী শ্ৰীপৰাগধৰ চলিহাৰ হৈ পুহৰ জাৰক আওকাণ কৰি, খোজ কাঢ়ি, গাঁৱে-গাঁৱে সভা-সমিতিত যোগ দি, প্ৰচাৰ কাৰ্য চলাই ফুৰোঁতে তেখেতক কোনো দিনেই ক্লান্ত হোৱা আমি দেখা নাছিলো।

গুৱাহাটীৰ ফালৰ ৰাইজে তেখেতৰ বিষয়ে জানিব খুজিলে তাতে থকা তেখেতৰ পুত্ৰদ্বয় শিল্পী শ্ৰীনীলপৱন বৰুৱা আৰু অধ্যাপক ড° সুনীল পৱন বৰুৱাক লগ ধৰিব পাৰিব।

—গোবিন্দ চন্দ্ৰ বৰুৱা বৰুৱাখৰ, তৰুণৰাম ফুকন পথ, যোৰহাট

## "চৰকাৰৰ অংগ ঃ বিষয়াসকল"ৰ প্ৰসংগত

শ্ৰীমতী ৰঞ্জিতা বিশ্বাসৰ "চৰকাৰৰ অংগ ঃ বিষয়াসকল" প্ৰবন্ধটোৰ (১।২।৮৬) প্ৰসংগত মই অন্য এটা দিশলৈ আঙুলিয়াব খুজিছোঁ। বৰ্তমান আমাৰ দেশৰ প্ৰতিজন চৰকাৰী বিষয়াই সোৰোপা, এলেহুৱা আৰু দুৰ্নীতি পৰায়ণ। কিন্তু এইসকল বিষয়াৰ মাজতো বহুতো সৎ আৰু বিবেকবান চৰকাৰী বিষয়া আছে। আজি যি অৱস্থাত আমাৰ দেশ উপনীত হৈছে, এচাম সৎ বিষয়া নথকা হলে অৱস্থা আৰু বেয়া হ'লহেঁতেন। দুৰ্নীতিপৰায়ণ বিষয়াসকলক বিচাৰি উলিয়াই শাস্তি বিহাটো একান্ত কাম্য। কিন্তু প্ৰতিনিধিজনে কৰব দৰে অতি গুৰুত্বপুৰ্ণ কামটো হৈছে বাকীসকলক, আনকি শাস্তি পোৱাৰ যোগ্যসকলকো সৎভাৱে সম্পূৰ্ণ সহযোগিতাৰে কাম কৰিবলৈ উদ্বুদ্ধ কৰাটো।

এই ক্ষেত্ৰত আমাৰ শেষ মন্ত্ৰী-বিধায়কসকলৰ দায়িত্ব বহুত আছে। তেওঁলোকে ইচ্ছা কৰিলেই বিষয়াসকলৰ পৰা আমাৰ দেশে বিচৰা ধৰণে সেৱা আদায় কৰিব পাৰে। কিন্তু বহু ক্ষেত্ৰত দেখা যায় যে মন্ত্ৰীসকলে এই দিশত বেছি মনোযোগ নিদিয়ে। মই এটা উদাহৰণ দিছোঁ ঃ অলপতে অসমৰ স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে গোটেই অসম ঘূৰি স্বাস্থ্য কেন্দ্ৰবোৰ চাই ফুৰিছে আৰু স্বাস্থ্য কেন্দ্ৰবোৰৰ অৱস্থা কেনেকুৱা বুজিবলৈ চেষ্টা কৰিছে। কামটো নিঃসন্দেহে প্ৰশংসনীয়। তেখেতসকলে এনে ধৰণে বছৰত ২/৩ বাৰ পৰিদৰ্শন কৰিলে স্বাস্থ্য কেন্দ্ৰবোৰৰ অৱস্থা বহু উন্নত হ'ব। কিন্তু বহু ক্ষেত্ৰত স্বাস্থ্য কেন্দ্ৰবোৰৰ দুৰৱস্থাৰ বাবে মন্ত্ৰী গৰাকীয়ে কেন্দ্ৰৰ মুখ্য বিষয়াগৰাকীকে দায়ী কৰা বুলি জানিবপৰা গৈছে। কিন্তু বিষয়াজনক দায়ী কৰিলেই সমস্যাৰ ওৰ নপৰে। বিষয়াজনে স্বাস্থ্য কেন্দ্ৰবোৰ চলাওঁতে কি কি অসুবিধা পাইছে বা তেওঁক কিমানখিনি সুবিধা দিয়া হৈছে, তাৰ খবৰ ৰখাটোও একান্ত প্ৰয়োজনীয়। সাধাৰণতে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এটা চলাওঁতে প্ৰধান বিষয়াগৰাকীয়ে পোৱা অসুবিধা সমূহ হ'ল ঃ (১) প্ৰয়োজনীয় দৰব-পাতি, আহিলা, যন্ত্ৰ-পাতিৰ অভাৱ; (২) প্ৰয়োজনীয় সংখ্যক নাৰ্চৰ অভাৱ; (৩) প্ৰয়োজনীয় সংখ্যক ৰোগীৰ বিছনাৰ অভাৱ আৰু (৪) তলতীয়া কৰ্মচাৰীৰ অনুশাসনহীনতা।

আমাৰ দেশত সকলোবোৰ অফিছ অনুষ্ঠানতে অনুশাসনহীনতা এটা সাধাৰণ ৰোগৰ নিচিনা হৈ পৰিছে। অফিছকেছাৰীলৈ অহাৰ নিৰ্দিষ্ট সময় আছে, কিন্তু কৰ্মচাৰীসকল নিৰ্দিষ্ট সময়ত নাহে। অনুশাসন ভংগৰ ক্ষেত্ৰত, যিসকল কৰ্মচাৰী স্থানীয় তেওঁলোক আগৰণুৱা এইসকল কৰ্মচাৰীয়ে বহু সময়ত ওপৰৱালাক বুঢ়া আঙুলি দেখুৱায়। তদুপৰি যিসকল কৰ্মচাৰীৰ ক্ষমতাত অধিষ্ঠিত ৰাজনৈতিক দলৰ কৰ্মীৰ লগত বন্ধুত্ব আছে, তেওঁলোকেও বহু সময়ত উচ্চ-বিষয়াসকলক মানিব নোখোজে।

স্বাস্থ্য কেন্দ্ৰৰ বিষয়াজনে অধস্তন কৰ্মচাৰীৰ অনুশাসনহীনতাৰ বাবে তেওঁৰ ওপৰৰ বিষয়াক জনাবহে পাৰে, কিন্তু নিজে শাস্তিমূলক ব্যৱস্থা লব নোৱাৰে। কিন্তু বহুক্ষেত্ৰত দেখা যায় যে স্বাস্থ্য কেন্দ্ৰৰ বিষয়াজনে অভিযোগ দিয়াৰ পাছতো, তেওঁৰ ওপৰৰ বিষয়াজনে কোনো ধৰণৰ শাস্তি-মূলক ব্যৱস্থা নলয়। স্বাস্থ্য কেন্দ্ৰত শৃংখলাহীনতাৰ ই'ও এটি কাৰণ।

এয়া এটা উদাহৰণহে। আমাৰ চৰকাৰী বিষয়াসকলৰ পৰা পূৰ্ণ সেৱা পাবলৈ হলে তেওঁলোকক উৎসাহিত কৰিব লাগিব। এই ক্ষেত্ৰত তেওঁলোকৰ লগত ঘনিষ্ঠভাৱে আলোচনা কৰিব লাগিব— কেনেদৰে অনুষ্ঠান বা অফিছ সুচাৰুৰূপে চলোৱা যায়। অৱশ্যে দোষীজনক দণ্ড বিহিবই লাগিব।

—কৃষ্ণ গোপাল শৰ্মা, ধুবুৰী

## অসমৰ বেচৰকাৰী কলেজ-শিক্ষকৰ অৱস্থা

ঔপনিবেশিক চৰকাৰ এথনে 'চৰকাৰী' আৰু 'বেচৰকাৰী' এই দুইশ্ৰেণী চাকৰিয়ালৰ মাজত আকাশ-পাতাল-সদৃশ পাৰ্থক্য ৰাখিছিল। চৰকাৰী চাকৰিয়ালসকলক নানা তৰহৰ সা-সুবিধা দি তেওঁলোকৰ পৰা চৰকাৰৰ প্ৰতি আনুগত্য আদায় কৰিছিল মূলতঃ শাসনৰ সুবিধাৰ্থে। বেচৰকাৰী চাকৰিয়ালসকলক নামমাত্ৰ (এবাৰ নোৱৰা বিধৰ) সুবিধা দি তেওঁলোকৰ পৰা কাম আদায় কৰাটো আছিল তেওঁলোকৰ উদ্দেশ্য। সেয়ে চৰকাৰী আৰু বেচৰকাৰী চাকৰিয়ালৰ মাজত এখন দেৱাল প্ৰতিষ্ঠিত হৈছিল। উদাহৰণ স্বৰূপে, চৰকাৰী কলেজ শিক্ষকক ভোগকৰিবলৈ দিয়া হৈছিল— কৰ্মৰত অৱস্থাত দৰমহা, মৰগীয়া বানচ, বাসগৃহ বানচ, চিকিৎসা বানচ, ভ্ৰমণ বানচ আৰু অৱসৰ গ্ৰহণত নিৰ্দিষ্ট হাৰত গ্ৰেচুইটি ধন আৰু আজীৱন পেনছন। তদুপৰি চৰকাৰী চাকৰিয়াল হিচাপে পোৱা পদোন্নতি আদিৰ সুবিধাও এইশ্ৰেণীৰ চাকৰিয়ালে ভোগ কৰে। আনহাতে, বেচৰকাৰী কলেজ শিক্ষকে ভোগ কৰে কেৱল কৰ্মৰত অৱস্থাত দৰমহা আৰু (চৰকাৰী সমপৰ্যায়ৰ চাকৰিয়ালতকৈও নিম্ন হাৰত। একেহাৰত হলেও দীৰ্ঘকাল অপেক্ষাৰ অন্তত পোৱা) মৰগীয়া বানচ। অৱসৰ গ্ৰহণত পায় মাত্ৰ চাকৰিকালত নিজৰ দৰমহাৰ শতকৰা ৬ ভাগ হাৰত কাটি ৰখা আৰু চৰকাৰৰ পক্ষৰ পৰা দিয়া সমান পৰিমানৰ ধন।

দেশ স্বাধীন হোৱাৰ পাছত যি স্বাধীন চৰকাৰ প্ৰতিষ্ঠিত হৈছিল সেই চৰকাৰেও ঔপনিবেশিক চৰকাৰৰ আৰ্হিকে শিৰোগত কৰি চৰকাৰী আৰু বেচৰকাৰী কলেজ শিক্ষকৰ মাজৰ সেই পাৰ্থক্য বাহাল ৰাখে। সমগ্ৰ দেশৰ লগতে অসম ৰাজ্যৰ চৰকাৰেও সেই একেই নীতিকে অনুসৰণ কৰি আহিছে। আমি জনাত অলপতে উক্ত নীতিৰ পৰা ফালৰি কাটি পশ্চিমবংগ আৰু কেৰালা চৰকাৰে উন্নত চিন্তাৰ পৰিচয় দাঙি ধৰিছে। শেহতীয়াভাৱে উক্ত সৎ চিন্তাৰ সমভাগী হৈছে মেঘালয় চৰকাৰ। এই তিনিওখন ৰাজ্যৰ চৰকাৰে সহানুভূতিসূচক আইন প্ৰণয়নৰ দ্বাৰা নিজ ৰাজ্যৰ কলেজ শিক্ষকৰ অৱস্থাৰ উন্নতি সধাৰ চেষ্টা কৰিছে। তিনিওখন ৰাজ্যই কলেজ শিক্ষকসকলক কৰ্মৰত আৰু অৱসৰ গ্ৰহণৰ পাছৰ অৱস্থাৰ উন্নতিকল্পে দৰমহা, মৰগীয়া বানচ, বাসগৃহ বানচ, চিকিৎসা বানচ, গ্ৰেচুইটি ধন, উন্নত হাৰত ভৱিষ্যনিধিৰ ধন দিয়া আৰু চাকৰিকাল বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিছে। কিন্তু আজিকোপতি অসমত কলেজ শিক্ষকৰ প্ৰতি বিশুদ্ধ ঔপনিবেশিক নমুনাৰ আচৰণ অব্যাহত আছে। আমাৰ বিশ্বাস, যিমান সোনকালে এই নীতিৰ অৱসান ঘটে সিমান সোনকালে দেশ তথা জাতিৰ মংগল। আমি সৰ্বান্তঃকৰণে আশাকৰোঁ ৰাইজৰ বহু আকাংক্ষিত অসম গণ পৰিষদ চৰকাৰে যেন ভাৰতৰে উক্ত তিনিখন পথ প্ৰদৰ্শক ৰাজ্যৰ আৰ্হিত অসমৰ বেচৰকাৰী কলেজ শিক্ষকসকলকো উন্নত সুবিধা ভোগ কৰাৰ সুযোগ দিয়ে।

—বলদেৱ শৰ্মা,
প্ৰবক্তা, নগাওঁ কলেজ

## বামুণী পাহাৰৰ ভাস্কৰ্য

যুৱবৰ্ষ শিতানত আমাৰ মাজৰে তিনিজন যুৱকে লিখা "বামুণী পাহাৰৰ ভাস্কৰ্য (৩০।৯।৮৫) নামৰ প্ৰবন্ধটো পঢ়িছিলো। তেওঁলোকে কিছু তথ্য আৰু বিশ্লেষণৰ জৰিয়তে লিখিছিল যে— বৰ্তমান তেজপুৰ চহৰৰ দক্ষিণৰ ব্ৰহ্মপুত্ৰ পাৰত থকা অগ্নিগড় নামৰ পাহাৰটো বাণ-জীয়ৰী উষাক লুকুৱাই ৰখা প্ৰকৃত অগ্নিগড় নহয়। বামুণী পাহাৰ বা উষা পাহাৰকহে প্ৰকৃত অগ্নিগড় বোলাৰ বহুতো যুক্তি আছে। এই বিষয়ে তেওঁলোকে প্ৰান্তিকৰ জৰিয়তে তথা পুৰাতত্ত্ববিদ সকলৰপৰা সবিশেষ জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। তেওঁলোকৰ লগত আমিও এই বিষয়ে সবিশেষ জানিবলৈ বাট চাই আছিলো; কিন্তু আজিলৈকে, প্ৰান্তিকৰ পাতত এই বিষয়ে একো নেদেখিলো। অসমত এনেকুৱা এজনো ব্যক্তি, পণ্ডিত তথা পুৰাতত্ত্ববিদ নাইনে যিজনে এই বিষয়ে প্ৰকৃত কথাখিনি কৈ সেই যুৱক কেইজনৰ লগতে আমাৰো কৌতূহলী মনক শান্ত কৰে?

—গোপাল কুৰ্মী,
চিনামৰা উচ্চ ইংৰাজী বিদ্যালয়,
যোৰহাট

## বৰদোৱা, আদি সত্ৰ

শ্ৰীভাৰত দাসে লিখা 'বৰদোৱা বৰদোৱা' শীৰ্ষক স্পষ্টীকৰণ (১।১১।৮৫) পঢ়ি বৰদোৱা আদি সত্ৰৰ সমসাময়িক বৰপেটাৰ পাটবাউসী সত্ৰৰ বিষয়ে দুষাৰ লিখাৰ তাড়না বোধ কৰিছো।

প্ৰায় পাঁচ শ বছৰ পুৰণি পাটবাউসী সত্ৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা অসমৰ প্ৰথম সত্ৰ। বৰদোৱা আৰু পাটবাউসী সত্ৰ দুয়োখন একেজন সত্ৰাধিকাৰ আৰু একেখন পৰিচালনা সমিতিৰ দ্বাৰা পৰিচালিত। গুৰুজনাৰ নিজৰ হাতৰ আৰু আদৰ্শৰ স্মৃতিৰে ঠাহ খাই থকা এই পাটবাউসীৰ বৰ্তমান অৱস্থা অতিশয় দুখজনক। তাহানিৰ ঘৰ, মঠ আৰু দৌল ভাগি-ছিগি উৰলি যোৱাৰ পাছতো ইয়াক মেৰামত কৰাৰ বা পুনৰনিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। বছৰত মাত্ৰ কেইবাৰমানহে মুকলি চোহদটো পৰিষ্কাৰ কৰা হয়। অথচ ৰাইজৰ মুক্তহস্তৰ দান-বৰঙণি আৰু অনুদানবোৰ কলৈ যায়, সেইটো সাঁথৰ হৈয়েই থাকে।

প্ৰান্তিকৰ যোগেদি আমি সত্ৰ পৰিচালনা সমিতি আৰু ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

—চাৰুপ্ৰভা কাকতী,
বিলত্তাৰী, বৰপেটা

## কাছাৰ/গোৱালপাৰা

শ্ৰীপৰাগ কুমাৰ দাসৰ, সংযুক্ত সংখ্যালঘু মৰ্চাৰ ৰাজনীতি আৰু সংখ্যালঘুৰ সমস্যা' শীৰ্ষক নিবন্ধটিৰ (১৬।১।৮৬) বাবে তেখেতলৈ ধন্যবাদ জ্ঞাপন কৰিলো। তেখেতৰ লগতে সুৰ মিলাই কওঁ যে, আমিও কাছাৰৰ শীঘ্ৰে পৃথকীকৰণ বিচাৰোঁ। আনহাতে গোৱালপাৰা জিলাখন এখন দ্বিতীয় কাছাৰ জিলালৈ পৰিণত হোৱাৰ আশংকা আছে। নতুন চৰকাৰে এই দুটা প্ৰধান সমস্যাৰ প্ৰতি অচিৰেই গভীৰ মনোনিবেশ কৰক।

—চাহজাহান আহমদ, যোৰহাট





# কুলদীপ নায়াৰৰ বিশেষ প্ৰবন্ধ

বাৰানসীৰ বুকুত এটা হিন্দু মন্দিৰ আৰু এটা মছজিদ একেটা হাউলিৰে দুপিনে দুভাগত আছে; দীৰ্ঘদিন ধৰি এটাই আনটোৰ ছাঁ-ত অৱস্থান কৰিছে, উভয় ধৰ্মৰ লাখ লাখ তীৰ্থযাত্ৰীয়ে বছৰ বছৰ ধৰি দুয়ো ঠাই পৰিদৰ্শন কৰিছে। শুকুৰবাৰৰ নামাজৰ কাৰণে গোট খোৱা মুছলমানসকলৰ যেতিয়া মন্দিৰৰ দেৱাললৈকে ভিৰ হয় তেতিয়া কাষত থকা হিন্দুৰ বজাৰবোৰ সম্মান প্ৰদৰ্শন কৰি নিৰৱ হৈ পৰে। উভয় সম্প্ৰদায়ৰ বহু অন্ধবিশ্বাসী মৌলবাদীয়ে এই সম্পৰ্কত যিহকে নাভাবক লাগে অঞ্চলটোৰ জনসাধাৰণে পৰস্পৰৰ প্ৰতি প্ৰেম আৰু সহিষ্ণুতা দেখুৱাই সভ্য মানুহে যিদৰে আচৰণ কৰা উচিত সেইদৰে আচৰণ কৰি আহিছে।

লক্ষ্নৌৰ ওচৰতে থকা অযোধ্যাত দুয়োটা সম্প্ৰদায় কমবেছি পৰিমাণে একেটা পৰিস্থিতিৰে সম্মুখীন হয় ভগবান ৰামৰ জন্মস্থান বুলি কথিত ৪৬৫ বছৰীয়া পুৰণি বাবৰি মছজিদৰ হাউলিটোত। ইয়াতো দুয়ো পক্ষ সহনশীল আছিল আৰু তেওঁলোকৰ মাজত এক ধৰণৰ এটা চুক্তি আছিল আৰু শ শ বছৰ ধৰি সেই চুক্তি কোনো পক্ষই ভংগ কৰা নাছিল। ১৮৭০ চন মানতে অস্থায়ী ছেটলমেণ্ট কমিছনাৰ পি. কৰ্ণিয়ে তেওঁৰ 'হিষ্টৰিকেল স্কেচ্ছ অৱ তহচিল ফৈজাবাদ' শীৰ্ষক গ্ৰন্থত লিখিছিল ঃ 'বৃটিছ শাসনৰ দিনৰেপৰা বিৰোধ-বিসম্বাদত বাধা দিবলৈ মছজিদটোৰ ভিতৰত এখন ডাংগড় দিয়া বেৰা সাজি দিয়া হয় আৰু এফালে মুছলমানসকলে নামাজ পঢ়ে আৰু বেৰাৰ বাহিৰত হিন্দুসকলে এখন বেদী সাজি তাত তেওঁলোকৰ পূজা দিয়ে।

১৯৪৯ চনত এই বন্দবস্তৰ অৱসান ঘটে; কাৰণ তেতিয়া মছজিদটোৰ বেৰাখনলৈ সোমোৱাৰ পথটো তলা মাৰি বন্ধ কৰি দিয়া হয়; —অৱশ্যে বেদীখনলৈ মুক্তভাৱে যোৱাৰ পথ খোলা থাকে। তেতিয়াৰ পৰাই বিৰোধটো এখন আদালতত বিচাৰাধীন হৈ আছিল। দিনদিয়েকৰ আগেয়ে তলাটো খোলা হয় আৰু সেই ঘটনাই পৰিস্থিতি সেই দিনবোৰলৈ ওভতাই লৈ যায়— যিবোৰ দিনত দুয়োটা সম্প্ৰদায় পৰস্পৰৰ বিৰুদ্ধে অভিযোগ লৈ থিয় দিছিল। যিহেতু বিষয়টো আদালতত বিচাৰাধীন হৈ আছে, গতিকে কোনো

## ধৰ্মবিভেদৰ পুনৰুত্থান

ধৰণৰ মন্তব্য কৰা উচিত নহ'ব। কিন্তু বাস্তৱ ঘটনা হ'ল এয়ে যে ১৯৮৪ চনৰ আগষ্টত বিহাৰত সীতামাৰিত আৰম্ভ হৈ তাৰ তিনিমাহৰ পাছত অযোধ্যাত উপনীত হোৱা 'মুক্তি' সমদলৰ হুৱাদুৱাৰ লগত স্থানীয় ৰাইজে নিজকে জড়িত কৰা নাছিল।

কিন্তু আদালতৰ বাহিৰত কথাটোৰ এটা মীমাংসা কৰিব পাৰিনে নোৱাৰি সেইটোৱেই হ'ল মূল প্ৰশ্ন। এনেকুৱাবোৰ পৰিস্থিতিত আদালতৰ ৰায়টোতকৈ পৰাজয় বা জয়ৰ বোধটো অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। দুয়োটা পক্ষক লগ লগাবলৈ আৰু বাৰানসীত হোৱাটোৰ লেখীয়া এটা চুক্তি কৰিবলৈ কোনো ব্যক্তি, ৰাজনৈতিক নেতা বা আনকি ৰাজ্যিক আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলে যোৱা ৩৭ বছৰ ধৰি কোনো প্ৰচেষ্টা নচলালে কিয়?

কিছুমান হিন্দুৱে দাবী কৰে যে মছজিদটো মূলতে এটা মন্দিৰ আছিল, কিন্তু মুছলমানসকলে সেইটো কথা অস্বীকাৰ কৰে। কেতবোৰ মছজিদ আৰু মন্দিৰৰ ইতিহাস, কল্প-কাহিনী আৰু পুৰ্বনিৰ্দিষ্ট ধাৰণাৰে ইমানে সনাপোতকা হৈ আছে যে প্ৰতিটো ক্ষেত্ৰতে ধানৰপৰা পতান বাছি উলিওৱা বৰ টান কাম। পুৰণি দন্দ-কাজিয়াৰ সূত্ৰ ধৰি লাভ নাই; অতীতত শাসকসকলে সকলো ধৰণৰ নিষ্ঠুৰ কাৰ্য সংঘটিত কৰিছিল আৰু স্বাধীন ভাৰতত সেইবোৰৰ আখেজ পুৰাবলৈ ল'লে দেশখনে শ শ বছৰজোৰা সাধনাৰে গঢ়ি তোলা সাংস্কৃতিক মোজেইক (mosaic) খন ভাগি থানবান হৈ যাব আৰু অৱশিষ্ট যি ৰ'বগৈ সি হিন্দু, ইছলাম বা খৃষ্টান ধৰ্মই প্ৰতিনিধিত্ব কৰা সবাতোকৈ নিকৃষ্টখিনিহে।

হিন্দুসকলৰ উদাৰতা, সাৰ্বজনীনতাই হৈছে, তেওঁলোকৰ শক্তি আৰু তেওঁলোক সংখ্যাগৰিষ্ঠ গুণে তেওঁলোকেই সংখ্যালঘুসকলৰ মাজত নিৰাপত্তাবোধ সুনিশ্চিত কৰিব লাগিব।

এটা কথা সঁচা যে বিভিন্ন ধৰ্মৰ অন্ধবিশ্বাসী মৌলবাদীসকলৰ আধিপত্য বাঢ়িছে; —এই ক্ষেত্ৰত সম্প্ৰতি শিখসকলে বোধকৰোঁ আনসকলোকে নিষ্প্ৰভ কৰি দিছে। প্ৰধানকৈ ৰাজহুৱা সম্পত্তিৰ মূল্যৰ বিনিময়ত মন্দিৰ, মছজিদ, গুৰুদ্বাৰ আৰু গীৰ্জাৰ সংখ্যাবৃদ্ধি ঘটিছে আৰু আনকি ধৰ্ম লৈ বেছি ধান্দা নথকা সকলো সেইবোৰক লৈ হোৱা বিৰোধ-বিসম্বাদত লিপ্ত হৈ পৰিছে। কিন্তু এইটো ঘটিছে ধৰ্মনিৰপেক্ষ শক্তিসমূহে নিজকে দৃঢ়তাৰে প্ৰতিষ্ঠা কৰিবলৈ এৰিছে কাৰণে; তেওঁলোকৰ মাজত এনেকুৱা এটা মনোভাব গঢ় লৈ উঠিছে যে তেওঁলোক দুৰ্বল; আৰু অতি বেয়া পৰিস্থিতিতো তেওঁলোকে মৌনতা অৱলম্বনেই শ্ৰেয় বুলি ভাবিছে।

আনহাতে ৰাষ্ট্ৰই অন্ধসংস্কাৰত বিশ্বাসীসকলৰ বিৰুদ্ধে সংগ্ৰাম চলাব লাগে; কিন্তু সকলো ধৰ্মক তোষণ কৰাৰ চেষ্টাহে ৰাষ্ট্ৰই চলাইছে। সমগ্ৰ বিশ্বতে পোপ এগৰাকী সন্মানীয় ব্যক্তি;



OKDISCD

কিন্তু ধৰ্মনিৰপেক্ষ চৰকাৰ এটাই যেতিয়া তেওঁৰ ভ্ৰমণৰ ক্ষেত্ৰত উদ্যোক্তাৰ ভূমিকা লয় তেতিয়া সেই চৰকাৰে ধৰ্মনিৰপেক্ষতাৰ অনুশাসনৰ ক্ষেত্ৰত আপোচ কৰে। পোপৰ ভ্ৰমণকালৰ ম্যাদ চমু আছিল, কিন্তু তেওঁৰ ওপৰত হেঁচা দি তাক ১০ দিনলৈ বঢ়োৱা হয়। পোপৰ ক্ষেত্ৰত যিদৰে কৰিলে সেইদৰে শীৰ্ষস্থানীয় হিন্দু, মুছলমান বা শিখ ধৰ্মীয় নেতাৰ ক্ষেত্ৰতো চৰকাৰে ৰঙা ঠঙা পাৰি আদৰণি জনাব বুলি কল্পনা কৰাই টান। কামটো ভাল কৰিলে নে বেয়া কৰিলে সেইটো প্ৰশ্ন নহয়, এনেবোৰ কামে আমাৰ ধৰ্মনিৰপেক্ষ নীতিসমূহ উলংঘা কৰিছেনে নাই সেইটোহে প্ৰশ্ন।

শেহতীয়াভাৱে দূৰদৰ্শন আৰু আকাশবাণীক হিন্দুৰ ধৰ্মশাস্ত্ৰবোৰ আৰু হিন্দুৰ বীৰ-বীৰাংগনাসকলক কেন্দ্ৰ কৰি ৰচা কাহিনীবোৰ প্ৰচাৰ কৰাত যি ধৰণে মুক্তভাৱে ব্যৱহাৰ কৰা হৈছে সেই কথাই মুছলমান আৰু খ্ৰীষ্টিয়ানসকলৰ কথাতো বাদেই, আনকি ধৰ্মনিৰপেক্ষ হিন্দুসকলৰ সূক্ষ্ম সংবেদনশীলতাকো কষ্ট দিছে। প্ৰয়াত ইন্দিৰা গান্ধীয়ে তেওঁৰ ক্ষমতাৰ দ্বিতীয় পৰ্বত হিন্দু ভোট আকৰ্ষণ কৰিবলৈ এইবোৰ প্ৰচাৰ আৰম্ভ কৰে; কাৰণ ই-কংগ্ৰেছৰ ভোট-বেংক সংখ্যালঘুসকল তেওঁৰ লগৰ পৰা আঁতৰি যাবলৈ আৰম্ভ কৰিছিল। ধাৰণা হয়,— সহজে প্ৰভাৱিত হোৱা ৰাজীৱ গান্ধী হয়তো এই যুক্তিত পতিয়ন গৈছে যে বৰ্ত্তমান যি কৰা হৈছে সি মূৰকত তেওঁৰ পাৰ্টিক লাভবান কৰিব। সেইটো হ'ব বুলি বিশ্বাস কৰাৰ কোনো যুক্তি নাই; কিন্তু হ'ব বুলি যদি ধৰিও লোৱা হয়, তেতিয়া-হ'লেও লাভ কি হ'ব তাৰ তুলনাত ৰাষ্ট্ৰৰ সংহতিৰ ক্ষতি হ'ব বেছি।

সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য যি আইনৰ বলত উচ্চতম ন্যায়ালয়ে চাহ বানুক (বিবাহিত জীৱনৰ ৪০ বছৰৰ পাছত গিৰিয়েকে পৰিত্যাগ কৰা মুছলমান মহিলা গৰাকী) খোৰাকী দিলে, সেই আইনৰ দ্বাৰা যাতে শাসিত হ'ব লগা নহয় তাৰ বাবে মুছলমানসকলৰ কাৰণে সুকীয়া আইনৰ যি চেষ্টা চলিছে তাৰ আঁৰতো বহুতে অনুৰূপ চিন্তাধাৰাৰ ইংগিত পাইছে। প্ৰস্তাৱিত আইনখনৰ গুণ যিয়েই নাথাকক সেইবোৰ পনীয়া হৈ যাব পাৰে যদি উদ্দেশ্যটো ৰাজনৈতিক হয়।

ইমানখিনি কোৱাৰ পাছতো মই এটা কথালৈ আঙুলিয়াই দিব লাগিব যে মুছলমানসকলে মোটামুটিভাৱে তেওঁলোকৰ সম্প্ৰদায়ত থকা অন্ধ-বিশ্বাসী মৌলবাদীসকলক সমালোচনা কৰিবলৈ ভয় কৰে। অন্ধবিশ্বাসী মৌলবাদ যে এটা ব্যাধিৰ লক্ষণহে মাত্ৰ আৰু এই ব্যাধিটো যে হ'ল মুছলমানসকলৰ নিৰাপত্তাহীনতাবোধ, সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু মই মন কৰিছো যে তেওঁলোকৰ মাজৰ অতি উদাৰনীতিকসকলেও আনকি সম্প্ৰদায়টোৱে এটা মইমতীয়া মনোভাব গ্ৰহণ কৰাৰ বেলিকাও নিজকে দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাৰ পৰিবৰ্তে নিৰৱ হৈ থকাটোকে শ্ৰেয় বিবেচনা কৰে, মুঠতে তেওঁলোকে মুখখুলি মাত দি ধৰ্মনিৰপেক্ষতাৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা সাব্যস্ত কৰিবই লাগিব। নহ'লে তেওঁলোক নিৰৱে থকাৰ কাৰণে আনকি সাধাৰণ হিন্দু-জনেও কয় যে সকলো মুছলমান একে। পাকিস্তানলৈ চাওক; —তাত আনকি মুছলমানসকলক কষ্ট কৰাৰ বিপদ মূৰ পাতি লৈও ইছলামৰ নামত চলোৱা তেওঁলোকৰ ভুৱা প্ৰচাৰক উদাৰপন্থী-সকলে আক্ৰমণ কৰিছে।

অলপতে সিদিনা আলিগড়ৰ কিছু-সংখ্যক ছাত্ৰই মোক লগ ধৰি কিছুমান মুছলমান নেতাই আকৌ পৃথকতাবাদৰ প্ৰচাৰ চলোৱা বুলি অভিযোগ কৰেহি। এই নেতাসকলে যে সম্প্ৰদায়টোক বিপথে চালিত কৰিছে সেই বিষয়ে বেলেগে কোৱাৰ সকাম নাই; কাৰণ মুছলমানসকলৰ ভৱিষ্যত বৰ্তিছে দেশৰ ঘাইস্মৃতিটোত যোগ দিয়াত আৰু দেশ-খনক প্ৰকৃত অৰ্থত ধৰ্মনিৰপেক্ষ কৰি তোলাত।

পেলেষ্টাইনীসকলৰ ভৱিষ্যত আৰু ইজৰাইলৰ আগ্ৰাসীভংগী অকল মুছলমান আৰু ইহুদীসকলৰ মাজৰ সমস্যাই নহয়। সেইবোৰ সকলো ভাৰতীয়,— আনকি সমগ্ৰ বিশ্বৰ লগত সম্পৰ্কিত সমস্যা; কাৰণ এইখিনি মানুহক তেওঁলোকৰ গৃহভূমিৰ পৰা বিতাৰিত কৰা হৈছে আৰু তেওঁলোকৰ মূৰ গুজিবলৈ ঠাই একণ নোহোৱা কৰা হৈছে।

মুছলমানসকলৰ নেতাসকলে অশান্তি আৰু বিভেদ সৃষ্টি কৰিবলৈ চেষ্টা কৰাৰ পৰিবৰ্তে তেওঁলোকৰ সম্প্ৰদায়টোক অনুন্নত কৰি ৰখা মৌলিক কাৰণবোৰ দূৰ কৰিবলৈ কাম হাতত লোৱা উচিত। মুছলমানসকলৰ মাজত সাক্ষৰতাৰ হাৰ কম হোৱাৰ বাহিৰেও (দেশৰ ৩৪ শতাংশ গড় হাৰৰ আধা) মোটামুটিভাৱে তেওঁলোকে প্ৰতিযোগিতামূলক পৰীক্ষাবোৰত অৱতীৰ্ণ হ'ব নোখোজে। এটা কথা সঁচা যে বহুক্ষেত্ৰত তেওঁলোকৰ বিৰুদ্ধে পক্ষপাতিত্ব হয়, কিন্তু তেওঁলোকে পাৰদৰ্শিতা অৰ্জন কৰিব খুজিলে তেওঁলোকে আনৰ সমানেই সুযোগ উলিয়াই ল'ব পাৰে।

শিক্ষাবিষয়ক সা-সুবিধাৰ কাৰণে মুছলমানসকলৰ মাজত কোনো ধৰণৰ আন্দোলন হোৱাৰ কথা মই এতিয়াও শুনা নাই। তেওঁলোকৰ নেতাসকল তেওঁলোকে 'ইছলামৰ ধৰ্মমতৰ বিৰুদ্ধে' বুলি লেবেল মৰা একোটা বিশেষ ঘটনা নিন্দা কৰাতহে কেৱল সন্মুখৰ শাৰীত থিয় হয়হি। সেইবোৰ কথাতকৈ ব্যৱসায় আৰম্ভ কৰাবলৈ ঋণ বিচাৰি, খাদ্য শস্যৰ বাবে উন্নততৰ বীজ বিচাৰি, বা স্কুল আৰু কলেজৰ বাবে অধিক মঞ্জুৰী বিচাৰি তেওঁলোকে অধিক হুৱাহুৱা কদাচিতহে লগায়।

অৱশ্যে তেওঁলোকে যুক্তি দিব পাৰে যে এইবোৰ কথাৰ বিষয়ে চিন্তা কৰিবলৈ তেওঁলোকক থানথিত ল'ব-লৈকে দিয়া হোৱা নাই। তেওঁলোকে ইমান অনিশ্চিত আশংকাত ভুগি আছে, ইমান নিৰপত্তাহীনবোধত ভুগি আছে, যে তেওঁলোকৰ ভৱিষ্যতৰ (শিক্ষা যাৰ মাত্ৰ এটা উপাদানহে) আঁচনি কৰিবলৈ সকাহেই পোৱা নাই॥



# নামৰূপৰ বেংক ডকাইতি আৰু আলফা

—প্ৰতিনিধি

ডিব্ৰুগড় জিলাৰ সীমামূৰীয়া নামৰূপ এখন মজলীয়া ধৰণৰ উদ্যোগ নগৰী। হিন্দুস্থান সাৰ নিগমৰ নামৰূপ সাৰ-কাৰখানা, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ তাপ বিদ্যুৎ কেন্দ্ৰ আৰু অসম পেট্ৰো-ৰাসায়নিক চক্ৰকে ধৰি বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগৰ সমাবেশত গঢ়ি উঠা নামৰূপ নগৰৰ মাজমজিয়াতে ভাৰতীয় ষ্টেট বেংকৰ নামৰূপ শাখাটো অৱস্থিত। শাখা হিচাপে ইয়াৰ আকাৰ আৰু ব্যৱসায়ো মজলীয়া ধৰণৰ। এই বেংকটোতে যোৱা ১ মাৰ্চৰ দিনা এক সাংঘাতিক ধৰণৰ বেংক ডকাইতি সংঘটিত হয়। তাৰ পৰিণতিত বেংক-টোৰ পৰা লুণ্ঠিত হ'ল ৪১ লাখৰো কিছু অধিক ধন আৰু অসমৰ আৰক্ষী বিভাগে হেৰুৱালে এজন ডেকা বিষয়াক।

নামৰূপ আৰক্ষী চকীৰপৰা মাত্ৰ এক ফাৰ্লংমান আঁতৰত অৱস্থিত এই বেংকটোত মাত্ৰ চাৰি বছৰৰ ভিতৰতে সংঘটিত হোৱা এইটো আছিল দ্বিতীয় ডকাইতি। ইয়াৰ আগেয়ে ১৯৮২ চনৰ নৱেম্বৰ মাহৰ শেষ সপ্তাহত ঘটা ডকাইতিটোত মাত্ৰ দুজনীয়া দল এটাই বেংকৰ ষ্ট্ৰংৰুমৰপৰা দুই লাখৰো অধিক টকা লুটি নিছিল, পিছে ভাগ্য সুপ্ৰসন্ন নথকাত অধিকাংশ ধন ৰাজ-পথতে এৰি এজন ডকাইত পলাই সাৰে আৰু আনজন সাৰকাৰখানাৰে এজন ডেকা কৰ্মীৰ অভাৱনীয় সাহসৰ ফলত কৰায়ত্ত হয়। সেইবাৰ সৌভাগ্য ক্ৰমে ঘটনাস্থলীত, পুলিছ নহয়, সাৰ-কাৰখানাৰ মুখ্য আবাসিক বিষয়াজন উপস্থিত হোৱাত তেওঁৰ লগত থকা বন্দুকধাৰী দেহৰক্ষীজনক দেখি পুলিছৰ লোক বুলি ভাবি ডকাইতে ধনৰ মোহতকৈ প্ৰাণৰ মোহক গুৰুত্ব দি পলায়ন কৰিছিল। আনজন ডকাইত কৰায়ত্ত হৈছিল যদিও কাৰাগাৰৰপৰা পলাই সাৰিল বুলি পাছত শুনিবলৈ পোৱা গৈছিল। সেইজন ডকাইতৰ গুলীত তেতিয়াৰ নামৰূপ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনৰ স্কুটাৰৰ লাইট-টোহে চূৰ্ণ-বিচূৰ্ণ হৈছিল, কিন্তু এইবাৰ এতিয়াৰ ভাৰপ্ৰাপ্ত বিষয়াজনৰ দেহত যেন গুলীৰ বৰষুণহে পৰিছিল। আগৰ বাৰ সফল নোহোৱা আৰু পুলিছৰ হাতত বিপৰ্যস্ত হোৱাৰ এইয়া প্ৰতি-শোধ নে কি? ডকাইতৰ শক্তিৰ অনুমান নকৰাকৈ সংঘৰ্ষত অৱতীৰ্ণ হ'বলৈ নিহত পুলিছ বিষয়াজনে আগৰ পুলিছ বিষয়াজনকে অনুকৰণ কৰিছিল নে কি? বেংকত নিয়োজিত ৰক্ষী আৰু ৱাইজৰ সহযোগত ডকাইত ইতিমধ্যে কৰায়ত্ত হৈছে আৰু তেওঁলোকক গ্ৰেপ্তাৰ কৰি কেৱল থানালৈ আনিবহে লাগে বুলি ধাৰণা লৈয়েই পুলিছ বিষয়াজনে লগত মাত্ৰ দুজনমান চিপাহী লৈয়েই অভিযান আৰম্ভ কৰিছিল নে কি? নামৰূপৰপৰা বাহি-ৰলৈ প্ৰস্থান কৰিব পৰা পথ চাৰিটা বন্ধ কৰি দি সশস্ত্ৰ চিপাহী, ছি. আৰ. পি. আদি লগত লৈ তেওঁ কিয় ডকাইতৰ সন্মুখীন হ'বলৈ নগ'ল? এনে এশ এটা প্ৰশ্ন নামৰূপবাসী ৰাইজৰ মনলৈ স্বাভাৱিকতে আহিব আৰু আহিছেও। কিন্তু তাৰ যথাযথ উত্তৰ পুতুল বৰা নামৰ উক্ত বিষয়া-জনেহে দিব পাৰিলেহেঁতেন। দৰং জিলাৰ চতিয়াৰ এই ডেকা আৰক্ষী বিষয়াজনে মাত্ৰ এমাহৰ আগেয়েহে নামৰূপ থানাত যোগ দিছিল। কাহানিও তামোল-ছিগাৰেটকে নোখোৱা, সততাত বিশ্বাসী সাহসী বৰাই গাভৰু পত্নী আৰু এটি শিশু কন্যা এৰি থৈ যায়।

অন্য দিনৰ তুলনাত কিছু অধিক ব্যস্ততাৰে, সেই দিনটোৰ কাম আৰম্ভ হৈছিল নামৰূপৰ ষ্টেট বেংকটোত। কাৰণ সেই দিনটো সাৰ কৰ্মচাৰীক বেতন দিয়াৰ দিন আছিল (বেংকৰ যোগেদি বেতন লোৱা কৰ্মচাৰীৰ সংখ্যা সহস্ৰাধিক।) আৰু তাতে দিনটো আছিল শনিবাৰ। দিনৰ দহ বজাত বেংকৰ প্ৰবেশদ্বাৰ খোলাৰ লগে লগে দুয়োখন টেলাৰ কাউণ্টাৰৰ সন্মুখত গ্ৰাহকৰ সুদীৰ্ঘ শাৰী গঢ়ি উঠিল। বেংকৰ ভিতৰত থকা কৰ্মচাৰী আৰু বিষয়াসকল গ্ৰাহকক সেৱা কৰিবলৈ বিলম্ব নকৰি ব্যস্ত হৈ পৰিল। শাৰীত থিয় হৈ থকা গ্ৰাহক আৰু বেংকৰ কৰ্মচাৰী-বিষয়াৰ মাজত দুই-এটা ৰসাল বাক্যালাপৰ মাজেদি কেইজনমান গ্ৰাহকে নিজৰ প্ৰাপ্যধন উলিয়াই নি ওলাই গৈছেহে, ঠিক এনেতে আহিল সেই বিভীষিকাপূৰ্ণ ক্ষণটো। কাউণ্টাৰলৈ ধন লবলৈ অথবা চেক আগবঢ়াই দিবলৈ সাজু হৈ থকা হাতবোৰ ওপৰলৈ দাঙি ৰখাৰ নিৰ্দেশ উচ্চাৰিত হ'ল গুৰুগম্ভীৰ স্বৰত। গ্ৰাহক-কৰ্মচাৰীসকলৰ ওপৰত পুনৰ নিৰ্দেশ জাৰি কৰা হ'ল— "যেয়ে য'তে আছে তাতে তলমূৰ কৰি ওপৰলৈ হাত তুলি বহি পৰক। ইফাল সিফাল কৰিলেই গুলী কৰিম।"

অৱৰুদ্ধ গ্ৰাহক-কৰ্মচাৰীৰ ভালেমান বিমানৰপৰা বোমা পৰিব বুলি আশংকা কৰি মুকলি পথাৰত বা পথত থকা লোকে মাটিতে পেট পেলাই, তললৈ মুখ কৰি থকাৰ দৰে থাকি ডকাইতৰ নিৰ্দেশ কাৰ্যকৰী কৰিবলৈ ধৰিলে। ওপৰলৈ মুখ কৰি কেইজননো ডকাইত আহিছে সেইটো চাব পৰা মানসিক দৃঢ়তা তেতিয়া কাৰো নাছিল। এনে-দৰেই কেইমিনিটমান থকাৰ পাছত বেংকৰ এটা কোণত গৰ্জি উঠা বন্দুকৰ শব্দই তেওঁলোকক কঁপাই তুলিলে আৰু তেতিয়ালৈকে মেলি ৰখা চকুবোৰো তেওঁলোকে জপাই দিলে।

বেংকৰ ভিতৰত ডকাইতৰ প্ৰবেশ ঘটিছিল প্ৰায় ১০—২৫ বজামানত।




OKDISCD

বেংকৰ এজন বিষয়া শ্ৰীপাচনিয়ে তললৈ মূৰ কৰি কাম কৰি থকা অৱস্থাতে, পিঠিত কিবা এটাই স্পৰ্শ কৰা অনুভৱ কৰি ওপৰলৈ মূৰ তোলাৰ লগে লগে নিৰ্দেশ পালে—"Hands up"। লগে লগে আন বিষয়াসকলকো একে নিৰ্দেশ দিয়া হ'ল। ভয়ত বিহ্বল হৈ পৰা, বিশেষকৈ মহিলা কৰ্মচাৰী কেইগৰাকীক সম্বোধি অসমীয়াতে ডকাইতৰ এজনে প্ৰবোধবাণী শুনালে, —"বাইদেউ, আপোনালোকে ভয় নকৰিব। আমি আপোনালোকৰ কোনো অনিষ্ট নকৰোঁ। কেৱল চৰকাৰৰ টকাহে নিম।" ভীতিগ্ৰস্ত গ্ৰাহকসকলক আন এজন ডকাইতে অভয় বাণী শুনালে, —"আমি দেশৰ বাবে চৰকাৰৰহে টকা নিম। আপোনালোকৰ ধনত আমি হাত নিদিওঁ। কিন্তু সাৱধান, আদেশ অমান্য কৰিলেই গুলী কৰিম।"

বেংকৰ ভিতৰত এই অৱস্থা চলি থকাৰ সময়তে অন্য দুজন ডকাইতে মেনেজাৰ শ্ৰীচন্দ্ৰৰ কোঠাত প্ৰৱেশ কৰিলেগৈ। মেজত থকা টেলিফোন বিকল কৰি প্ৰথমেই তেওঁলোকে নিৰ্দেশ দিলে ষ্ট্ৰংৰুমৰ তলা খুলি দিবলৈ। একাউণ্টেণ্ট আৰু হেড কেছিয়াৰৰ হাতত্তহে চাবি থাকে বুলি কোৱাত এজন ডকাইতে শ্ৰীচন্দ্ৰক বহি থকাৰপৰা তুলি আনিলে সংশ্লিষ্ট বিষয়া দুজনক দেখুৱাই দিবলৈ। আদেশ পালন কৰাৰ বাহিৰে সেই অৱস্থাত শ্ৰীচন্দ্ৰৰ বাবে কোনো বিকল্প নাছিল ফলত একাউণ্টেণ্ট শ্ৰীপ্ৰকাশ আৰু হেড কেছিয়াৰ শ্ৰীগোস্বামীক লৈ মেনেজাৰে বেংকৰ ষ্ট্ৰংৰুমৰ দুৱাৰ খুলি দিলে।

বেংকৰ বিষয়াকেইজনে বুদ্ধি কৰি প্ৰথমে কম মূল্যৰ নোট থকা ভল্টটোহে খুলি দিছিল। ডকাইতে বেছি মূল্যৰ নোট থকা ভল্টটো খুলিবলৈ চোকা নিৰ্দেশ দিলে। বিষয়া কেইজন সেই নিৰ্দেশো পালন কৰিবলৈ বাধ্য, কাৰণ পিঠিত যিকোনো মুহূৰ্ততে গুলী ওলাই আহিব পৰা বন্দুকৰ নলী তেতিয়াও লাগিয়েই আছে। উন্মুক্ত ভল্টৰপৰা ডকাইতে এটা ছিমেণ্টৰ খালী বস্তা আৰু পিঠিত ওলোমাই নিয়া কেইবাটাও মোনাত থাক থাককৈ সজাই থোৱা নোটৰ বাণ্ডিলবোৰ ভৰাই ললে। চকুৰ আগতে নিজৰ প্ৰতিষ্ঠানটোৰ এনে দুৰ্যোগ দেখি অথবা ডকাইতৰ বাসনা চৰিতাৰ্থ কৰাত নিজৰ ভূমিকাৰ কথা ভাবিয়েই হ'বলা তলা খোলোতে বিষয়া কেইজনৰ হাত থৰক-বৰক কৰিছিল। তাকে দেখি নিজকে দেশৰ সেৱক বুলি পৰিচয় দিয়া ডকাইতকেইজনে চিঞৰি উঠিছিল, —"নাৰ্ভাছ নকৰিব। Be quick, quick।"

বেংকৰ ভিতৰত অৱৰুদ্ধ সকলোৰে তেতিয়ালৈকে ধাৰণা হৈছিল বিনা ৰক্তপাতেৰেই ডকাইতৰ অভিযানৰ অন্ত পৰিব। কিন্তু কাৰ্যক্ষেত্ৰত সেয়া হৈ নুঠিল। ডকাইতে টকাবোৰ মোনাত ভৰাই থকা অৱস্থাত হঠাতে গৰ্জি উঠিল নিৰাপত্তাৰ দায়িত্বত থকা গাৰ্ডজনৰ এতিয়ালৈকে অব্যৱহৃত হৈ থকা বন্দুকটো। সেই গুলীয়ে ডকাইতৰ সলনি বেংকৰ বেৰতহে আঘাত কৰিলেগৈ। কিন্তু লগে লগে ভৰিত একাধিক গুলীৰ আঘাত লৈ সেই গাৰ্ডজন মাটিত ঢলি পৰিল। তেওঁৰ লগতে মূৰত গুলী লাগি আন এজন কেছিয়াৰ শ্ৰীকোঁৱৰো বাগৰি পৰিল। (দুয়োজনেই




এতিয়া অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে আৰু বৰ্তমান বিপদমুক্ত বুলি জানিব পৰা গৈছে।)

## পুলিছৰ ভূমিকা

থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পুতুল বৰাৰ মেজত থকা ফোনটো প্ৰায় ১০·৪৫ মান বজাত বাজি উঠিল। নামৰূপ ষ্টেট বেংকত ডকাইতি হোৱা বুলি জানি লগে লগে তেওঁ কাষতে পোৱা চিপাহী দুজনমানৰ সৈতে ট্ৰেকাৰখন লৈ বেংকৰ ফালে ঢাপলি মেলিলে। তেতিয়া ইউনিফৰ্মত নথকা ডি·এছ·পি· গোলাপ গগৈয়ে তেনে অৱস্থাৰেই বেংক অভিমুখে যাত্ৰা কৰিলে। বেংকৰ চৌহদৰ মূল প্ৰবেশদ্বাৰত তেতিয়া ৰাজপথৰ ফালে মু কৰি ইঞ্জিন চালু কৰি ৰখা এখন এম্বেছেদৰ গাড়ী। প্ৰবেশ দ্বাৰত অস্ত্ৰৰে সুসজ্জিত দুজন ডকাইতো থিয় হৈ আছে। অ'.ছি· বৰাৰ ট্ৰেকাৰ বেংকৰ প্ৰবেশ-দ্বাৰৰ ওচৰত ৰওঁতেই ডকাইতৰ স্বয়ং চালিত বন্দুকে গৰ্জি উঠিল অবিৰত ভাৱে। ট্ৰেকাৰৰ দ্বিতীয় ছিটত বহি থকা বৰাই নিজৰ অস্ত্ৰ প্ৰয়োগৰ সুযোগ পোৱাৰ পূৰ্বেই তেওঁৰ দেহ গুলীৰে ক্ষত-বিক্ষত হৈ পৰিল। লগত থকা এজন চিপাহীয়েও গুলীবিদ্ধ হৈ দৌৰি ওচৰৰ দোকান এখনৰ ভিতৰত আশ্ৰয় ললেগৈ। সেই সময়ত বেংকৰ সমুখত ৰৈ থকা এজন গ্ৰাহকৰ নিজা গাড়ীৰ চালক এজনৰ গাতো গুলী লাগে।

প্ৰতিপক্ষলৈ অবিৰামভাৱে গুলীবৰ্ষণ কৰি থকা অৱস্থাতে ভিতৰত থকা ডকাইতৰ দুজনে লুটি লোৱা ধনৰ মোনা কেইটা আনি গাড়ীত তুলিলে। এটা সময়ত গুলীৰ শব্দ কমি আহিল। তেনেতে "আলফা জিন্দাবাদ" ধ্বনি দি ডকাইতৰ দলটোৱে বেংকৰ চৌহদ ত্যাগ কৰে। যাবৰ সময়ত পুনৰ শূন্যলৈ গুলী চলাই তেওঁলোকে যেন বিজয় প্ৰতিপন্ন কৰি গ'ল। তেতিয়া প্ৰায় ১১ বাজি ১৫ মিনিট গৈছিল।

## ডকাইতৰ দলটো

সেইদিনা দিনৰ দহবজাৰ অলপ পাছতে বেংকৰ ওচৰত ব'গা-ছাইবৰণীয়া এম্বেছেডৰ গাড়ী এখন ৰোৱাটো বহুতৰে চকুত পৰিছিল। তাৰপৰা কেইজনমান যুৱক নামি নিজৰ জেপৰ পৰা ফণি উলিয়াই চুলি ঠিক কৰি লোৱাও কাৰো কাৰো চকুত পৰিছিল। দলটোৰ দুজনমানে বেংকৰ ওচৰত থকা সৰু সৰু দোকানবোৰলৈ গৈ ছিগাৰেট আৰু চানা কিনিলেগৈ। সময় আগবঢ়াৰ লগে লগে বেংকৰ চৌহদত গ্ৰাহকৰ ভীৰো ক্ৰমাৎ বাঢ়িল। ঠিক সেই সময়তে দোকানৰ সম্মুখত থকা যুৱককেইজনে দোকানীহঁতক দোকান বন্ধ কৰি ভিতৰত সোমাই থাকিবলৈ নিৰ্দেশ দিলে,—আদেশ অমান্য কৰিলেই গুলীৰে বিচাৰ কৰাৰ ভাবুকি প্ৰদান কৰি। হাতত থকা দীঘল মোনাৰপৰা উলিয়াই দেখুৱা মাৰাত্মক ধৰণৰ অস্ত্ৰই মৃত্যুৰ ভাবুকিযে নিৰৰ্থক নহয়, সেই কথা উপলব্ধি কৰিবলৈ নিৰস্ত্ৰ দোকানী পোহাৰীৰ অকণো সময় নালাগিল। ফলত যেনে আদেশ তেনে কাম।

প্ৰায় ২০ বছৰৰপৰা ৩০ বছৰ বয়সীয়া আঠজনীয়া ডকাইতৰ দলটো অসমীয়া আৰু পাহাৰী লোকেৰে গঠিত আছিল বুলি ধাৰণা কৰা হৈছিল। তেওঁলোকে স্পষ্ট অসমীয়া আৰু সলসলিয়াকৈ ইংৰাজী আৰু হিন্দীত কথা কৈছিল। প্ৰত্যেকৰে হাতত দুটাকৈ আধুনিক বন্দুক আৰু মোনাত হয়তো আছিল পৰ্যাপ্ত পৰিমাণে প্ৰয়োজনীয় গুলী।

প্ৰায় বিনা প্ৰতিৰোধে একচল্লিছ লাখৰো অধিক টকা লুট কৰি নিয়া দলটো নিৰ্বিঘ্নে নামৰূপৰ পৰা যোদৰ আলিয়েদি সোনাৰী অভিমুখে ওলাই গ'ল। সোনাৰী পোৱাৰ কিছু আগতে কানুবাৰী চাহ-বাগিছালৈ যোৱা পথেৰে গাড়ী চলাই নি বাটতে গাড়ীখন পৰিত্যাগ কৰি দলটো নগা পাহাৰৰ ফালে আগুৱাই যোৱাটো নিশ্চিত বুলি ইতিমধ্যে অনুসন্ধানকাৰীয়ে জানিব পাৰিছে। পৰিত্যক্ত গাড়ীখন উদ্ধাৰ কৰা হৈছে।

## বেংকৰ নিৰাপত্তা ব্যৱস্থা

মানুহে দেখি শিকে আৰু ঠেকি শিকে। মাত্ৰ চাৰিটা বছৰৰ ভিতৰতে দ্বিতীয়বাৰ ডকাইতৰ আক্ৰমণৰ স্থল হৈ উঠা ষ্টেট বেংকৰ নামৰূপ শাখাই লোৱা নিৰাপত্তা ব্যৱস্থাই কিন্তু এই প্ৰবচনৰ সত্যতা প্ৰমান নকৰিলে। আগৰবাৰ ডকাইতি হোৱাৰ পাছত কিছুদিনলৈ আধাডজন সশস্ত্ৰ পহৰাদাৰীয়ে পহৰা দিয়াৰ ব্যৱস্থা কৰা হৈছিল; কিন্তু বেংক কৰ্তৃপক্ষই দিন যোৱাৰ লগে লগে আগৰ ডকাইতিটোৱে সৃষ্টি কৰা দুঃস্বপ্নৰ কথাও এটা সময়ত পাহৰি পেলালে। আওপুৰণি বন্দুকেৰে সজ্জিত দুজন বা এজন নিৰাপত্তাৰ লোকেযে এটা বেংকৰ কৰ্মচাৰী অথবা ধনৰ সম্পূৰ্ণ নিৰাপত্তা দিব নোৱাৰে সেই কথা অনুভৱ কৰিবলৈ কৰ্তৃপক্ষ সক্ষম ন'হল। গ্ৰাহকৰ চহী একোটা অলপ হেৰফেৰ হলেই টকা দিবলৈ অমান্তি হোৱা প্ৰতিষ্ঠান একোটাই নিজৰ কৰ্মচাৰী আৰু বৃহৎ পৰিমাণৰ ধনৰ প্ৰতি লোৱা নিৰাপত্তা ব্যৱস্থাই ডকাইতহঁতকো বোধহয় প্ৰয়োজনীয় সাহস যোগাইছিল।

শেষত এটা কথাৰে প্ৰবন্ধৰ সামৰণি মাৰিব খুজিছোঁ। নিজকে আলফা (United Liberation Front of Asom) বুলি পৰিচয় দিয়া এই ডকাইতৰ দলটোৰ সেই পৰিচয়েই সত্য নে? আলফাৰ লগত অন্য কোনো সংগঠনৰো এই ডকাইতিত হাত আছিলনেকি? নে ডকাইতহঁতৰ কোনোৱেই আলফাৰ লোক নহয়, আন ব্যক্তি বা সংগঠনেহে আলফাৰ নামত এনে দুষ্কাৰ্য সংঘটিত কৰি চৰকাৰ আৰু ৰাইজৰ চিন্তা চৰ্চাক অন্য পথেদি নিব খুজিছে? এইবোৰ প্ৰশ্নৰ উত্তৰ সদ্যহতে পোৱা নগলেও চৰকাৰে সেইবোৰৰ উত্তৰ নিশ্চিত কৰাটো ৰাইজে আশা কৰে। লগতে বেংকবোৰত লোৱা নিৰাপত্তা ব্যৱস্থাৰ উন্নতি সাধন আৰু আৰক্ষী বিভাগৰ কৰ্মচাৰী বিষয়াৰ কৰ্তব্যবোধৰ ওপৰত ভেটি কৰি সুপৰিকল্পিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰাটোও ৰাইজৰ কাম্য।

# য়েমেনত পটপৰিৱৰ্তন ঃ গৃহযুদ্ধৰ ফল

ড° সুনীল পৱন বৰুৱা

দক্ষিণ য়েমেনৰ গৃহযুদ্ধত নিহত ১১জন ভাৰতীয়ৰ পৰিয়াললৈ ক্ষতিপূৰণ আগবঢ়োৱাৰ বিষয়টো বিবেচনা কৰিম বুলি সেই দেশৰ বৈদেশিক মন্ত্ৰীয়ে ভাৰতৰ বহিঃপৰিক্ৰমা দপ্তৰৰ বিষয়া এজনক আশ্বাস দিছে। এই প্ৰণিধানযোগ্য যে প্ৰায় ২ নিযুত লোকৰ বসতিপূৰ্ণ, পশ্চিম এছিয়াৰ অৱস্থানৰ দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ এই দেশখনত প্ৰায় তিনিহাজাৰ ভাৰতীয় লোকে বিভিন্ন বিভাগত সেৱা আগবঢ়াইছে। দক্ষিণ য়েমেনত বাস কৰা বিদেশী বৃত্তিজীৱী লোকসকলৰ ভিতৰত ভাৰতীয়সকলৰ স্থান দ্বিতীয়। বিদেশী নাগৰিকসকলৰ ভিতৰত সৰ্বোচ্চ সংখ্যক হ'ল ছোভিয়েট কাৰিকৰী তথা সামৰিক লোক। সম্প্ৰতি দক্ষিণ য়েমেনলৈ স্বাভাৱিক পৰিস্থিতি ঘূৰি আহিছে যদিও শাসনাধিষ্ঠ য়েমেন ছছিয়েলিষ্ট দলৰ দুটা গোষ্ঠীৰ মাজত ক্ষমতা দখলৰ বাবে চলা গৃহযুদ্ধৰ ফলত প্ৰায় বাৰ হাজাৰ লোক নিহত হোৱাৰ বাতৰি ওলাইছে। চৰকাৰী সূত্ৰই ক্ষয়-ক্ষতিৰ পৰিমাণ ব্যাপক বুলি স্বীকাৰ কৰিলেও সংঘৰ্ষত নিহত লোকৰ সংখ্যাটো অতিৰঞ্জিত বুলি অগ্ৰাহ্য কৰিছে। যি পৰিস্থিতিত দক্ষিণ য়েমেনৰ প্ৰেছিডেণ্ট আলি নাছেৰ মহম্মদ হাছানীক ক্ষমতাচ্যুত কৰি প্ৰধানমন্ত্ৰী হায়দৰ আবুব্বকৰ আল আটাচক প্ৰেছিডেণ্টৰ পদত অধিষ্ঠিত কৰা হ'ল, সেই কাৰ্যক ক্ষমতা দখলৰ বাবে শাসক দলৰ মাজত নেতৃত্বৰ নামত চলা সাধাৰণ কাজিয়া বুলি অভিহিত কৰিব নোৱাৰি। কিয়নো, মাৰ্ক্সবাদত বিশ্বাসী দুটা ৰাজনৈতিক গোষ্ঠীৰ এই কাজিয়াখন আদৰ্শগত বিৰোধৰ মাজতে আবদ্ধ থকা নাই। তাৰ পৰিসৰ ব্যাপক আৰু তাৰ বিশ্লেষণৰ প্ৰয়োজন আছে।

আনুষ্ঠানিকভাৱে য়েমেনে গণৰাজ্য বুলি স্বীকৃতি লাভ কৰিলেও সাধাৰণতে এই দেশখন দক্ষিণ য়েমেন নামেৰেহে অধিক পৰিচিত। ৰাজধানী বন্দৰ-নগৰী এডেন। আৰব ভূখণ্ডৰ দক্ষিণ-পূব অংশত অৱস্থিত য়েমেন গণৰাজ্যৰ পশ্চিম আৰু উত্তৰ-পশ্চিম সীমাত আছে উত্তৰ য়েমেন। উত্তৰত চৌডি আৰবিয়া, পূৰত ওমান আৰু দক্ষিণত এডেন উপসাগৰ তথা আৰব সাগৰ। দেশখনৰ মূল সীমাৰ লগত আৰব সাগৰ আৰু লোহিত সাগৰত সিঁচৰতি হৈ থকা এলানি দ্বীপপুঞ্জ লগ লাগিছে। মাটিকালি ১১১,০০০ বৰ্গমাইল। আৰব সাগৰ আৰু লোহিত সাগৰক সংযোগ কৰা ঐতিহাসিক বাবেল-মাণ্ডেব প্ৰণালীৰ পূবৰ গুৰুত্বপূৰ্ণ অঞ্চলত অৱস্থিত এই দেশখনে ১৮৩৯ খৃষ্টাব্দৰ পৰা পৰ্যায়ক্ৰমে বিকাশ লাভ কৰি আজিৰ যেমেন গণৰাজ্যৰ ৰূপ লাভ কৰিছে। ভাৰতবৰ্ষলৈ অহা-যোৱা কৰা বৃটিছ জাহাজবোৰৰ বাবে কয়লা যোগানৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ ১৮৩৯ খৃষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানিয়ে এডেন দখল কৰে। প্ৰায় ৭৪০ মাইল দীঘল উপকূল অঞ্চলৰ লগতে পাছলৈ সম্প্ৰসাৰণ ঘটা এডেন বন্দৰটোৱে ১৮৬৯ খৃষ্টাব্দত ছুৱেজ খাল নিৰ্মাণ কৰাৰ পাছত, আৰু কুৰি শতিকাৰ মাজভাগত পূব আৰবীয় আৰু পাৰচ্য উপসাগৰীয় অঞ্চলত তেল উৎপাদন আৰম্ভ হোৱাৰ লগে লগে ৰাজনৈতিক আৰু বাণিজ্যিক ক্ষেত্ৰত বিশেষ মৰ্যাদা লাভ কৰে।

এডেনৰ ওপৰত বৃটিছ শাসনৰ পোনপটীয়া প্ৰভাৱ পৰিলেও দেশখনৰ অভ্যন্তৰীণ তথা সাংস্কৃতিক দিশত বিশেষ সালসলনি নঘটিল। উত্তৰ অঞ্চলৰ অধিবাসীসকলৰ জনজাতীয় জীৱনধাৰা অব্যাহত থাকিল। অৱশেষ্য ১৯৬৭ চনত দেশখনত বৃটিছ শাসনৰ ওৰ পৰাৰ মাজেদি এক জাতীয় সংহতি প্ৰতিষ্ঠিত হ'ল। এডেনে জাতীয় ৰাজধানীৰ মৰ্যাদা লাভ কৰিলেও য়েমেন গণৰাজ্যৰ মূল প্ৰশাসনীয় ৰাজধানী হৈছে এডেন চহৰৰ অনতিদূৰত অৱস্থিত মদিনাত-আচ-চাব্বাহ। য়েমেনৰ জাতীয় অৰ্থনীতিৰ মূল উপাদান হৈছে কৃষি, পশুপালন আৰু মৎস ব্যৱসায়। বাস্তৱিকতে সমগ্ৰ দেশখনৰ অৰ্থনীতিৰ মান নিৰ্ণয় কৰে প্ৰাচুৰ্যপূৰ্ণ এডেন বন্দৰে। সেইকাৰণেই ষাঠীৰ দশকৰ শেহৰ ফালে আৰব-ইজৰাইল যুদ্ধৰ ফলত ছুৱেজ খাল সাময়িকভাৱে বন্ধ হৈ পৰোঁতে ইয়াৰ ৰাজনৈতিক গুৰুত্ব কমিছিল আৰু বাণিজ্যিক ক্ষেত্ৰতো ইয়াৰ ওপৰত বিশেষ প্ৰভাৱ পৰিছিল। প্ৰাচীন দক্ষিণ আৰবিয়াত সভ্যতাৰ অংগ হিচাপে দেশখনৰ এক চহকী ঐতিহ্য আছে। সম্প্ৰতি সৰ্বসাধাৰণৰ মাজত যোগাযোগৰ মাধ্যম আৰবী ভাষাই ৰাষ্ট্ৰীয় ভাষাৰো মৰ্যাদা লাভ কৰিছে। য়েমেন গণৰাজ্যৰ নিচেই কাষতে থকা উত্তৰ য়েমেনৰ (ৰাজধানী চানা) লগত ইয়াৰ এৰাব নোৱৰা সম্পৰ্ক আছে। তুৰ্কী সাম্ৰাজ্যৰ বিৰুদ্ধে ১৯০৪ চনতে বিদ্ৰোহ ঘোষণা কৰি উত্তৰ য়েমেনে ১৯১৮ চনত পূৰ্ণ স্বাধীনতা লাভ কৰে। অৱশেষ্য বৃটিছ সাম্ৰাজ্যৰ পোনপটীয়া দখলত থকা য়েমেনৰ (এডেন) লগত সেই দেশৰ সীমা বিবাদ ভালেমান দিনলৈ চলি আছিল। স্বাধীনতাৰ পাছত উত্তৰ আৰু দক্ষিণ য়েমেনৰ মাজত ঐক্য প্ৰতিষ্ঠাৰ প্ৰথম পদক্ষেপ হিচাপে দক্ষিণ য়েমেনে য়েমেন গণৰাজ্য নাম গ্ৰহণ কৰে। দুয়োখন দেশৰ চামিলকৰণে প্ৰশাসনীয়, ৰাজনৈতিক তথা সামৰিক ক্ষেত্ৰত ব্যয় হ্ৰাস কৰি এইক্ষেত্ৰত য়েমেনৰ জনসাধাৰণক ভালেখিনি সকাহ দিব পাৰে। বিশেষকৈ অভ্যন্তৰীণ আৰু বহিঃ নিৰাপত্তাৰ বাবে তেওঁলোকে সামৰ্থ্যতকৈ অধিক সংখ্যক সশস্ত্ৰ বাহিনী ৰাখিব লগা হৈছে। অৱশেষ্য ১৯৭২ চনত দুয়োখন দেশৰ চামিলকৰণৰ ক্ষেত্ৰত এক চুক্তিও স্বাক্ষৰিত হৈছিল; কিন্তু চুক্তি আৰু নতুন নামকৰণে উত্তৰ আৰু দক্ষিণ য়েমেনৰ সম্পৰ্কত বিশেষ উন্নতি সাধন কৰিবপৰা নাই। আনহাতে ৰাজনৈতিক পুনৰ-গঠনে কাষৰীয়া দেশসমূহৰ লগত সৃষ্টি কৰা সংঘৰ্ষয়ো দেশখনৰ অৰ্থনৈতিক জীৱনত প্ৰভাৱ পেলাইছে। ভালেদিনীয়া বৃটিছ যোগাযোগৰ বাবে য়েমেনৰ (এডেনৰ) লগত ভাৰতীয়সকলৰ এক বিশেষ ঘনিষ্ঠতা আছে। স্বাধীনতাৰ সময়লৈকে ভালেমান ভাৰতীয় লোকে জীৱিকাৰ বাবে সেইদেশলৈ ঢাপলি মেলিছিল।

প্ৰায় ১২৮ বছৰীয়া ঔপনিবেশিক শাসনৰ (১৮৩৯-১৯৬৭) ওৰ পেলাই বৃটিছ চৰকাৰে এডেন ত্যাগ কৰাৰ সময়ত য়েমেনৰ দায়িত্ব নেশ্যনেল লিবাৰেশ্যন ফ্ৰণ্টৰ হাতত শোধাই থৈ যায়। ক্ষমতা হস্তান্তৰত এই দলটোৱে সুবিধা পোৱাৰ কাৰণ হৈছে য়েমেনৰ মুক্তিৰ বাবে সংগ্ৰাম চলোৱা আন এটা ৰাজনৈতিক গোষ্ঠী অধিকৃত দক্ষিণ য়েমেন মুক্তি মৰ্চাৰ (Flosy) বিৰুদ্ধে ফেডাৰেল সৈন্য বাহিনীয়ে লিবাৰেশ্যন ফ্ৰণ্টক স্বাধীনতা সংগ্ৰামৰ শেষ পৰ্যায়ত পূৰ্ণ সমৰ্থন দিয়ে। স্বাধীনতাৰ পৰৱৰ্তী সময় ছোৱাত নেশ্যনেল লিবাৰেশ্যন ফ্ৰণ্ট আছিল দেশৰ একমাত্ৰ স্বীকৃত ৰাজনৈতিক দল। পূৰ্বৰ প্ৰশাসনৰ আমূল পৰিৱৰ্তন সাধন কৰি এই দলটোৱে এক কেন্দ্ৰীভূত শাসনৰ মাধ্যমত সিঁচৰতি হৈ থকা অঞ্চলসমূহ একত্ৰিত কৰি নতুন দক্ষিণ য়েমেন গণৰাজ্য আৰু পাছলৈ য়েমেন জন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ জন্ম দিয়ে। ঘটনা চক্ৰত য়েমেন ছছিলিয়েষ্ট দলে ক্ষমতা দখল কৰাৰ পাছত ইছলাম ধৰ্মৰ পীঠস্থান মধ্য প্ৰাচ্যত য়েমেন হৈছে একমাত্ৰ বৃটিছ উপনিবেশ— যি পোনপটীয়াভাৱে সাম্যবাদী শিবিৰত সোমাই পৰিছে। সম্প্ৰতি শাসনাধিষ্ঠ য়েমেন ছছিয়েলিষ্ট দলৰ নৰম আৰু চৰম পন্থীসকলৰ মাজত চলা মুকলি প্ৰতিদ্বন্দ্বিতাই হৈছে সদ্যসমাপ্ত গৃহযুদ্ধৰ মূল কাৰণ।

উল্লেখযোগ্য যে পাঁচ বছৰ মস্কোত নিৰ্বাসিত জীৱন যাপন কৰাৰ পাছত শাসনাধিষ্ঠ দলৰ নেতা প্ৰাক্তন প্ৰেছিডেণ্ট মি. আবদ আল-ফাটা ইছমাইল যোৱা বছৰৰ মাৰ্চ মাহত স্বদেশলৈ ঘূৰি অহাৰ লগে লগে সাম্প্ৰতিক গৃহযুদ্ধৰ সূচনা হৈছিল। এই কথা স্মৰণযোগ্য যে ১৯৭৯ চনত ছোভিয়েট ইউনিয়নৰ লগত এক মৈত্ৰী চুক্তি স্বাক্ষৰিত পোৱাৰ কিছুদিনৰ পাছতে তেতিয়াৰ প্ৰেছিডেণ্ট ইছমাইল ক্ষমতাচ্যুত হয় আৰু পাঁচবছৰৰ বাবে মস্কোলৈ নিৰ্বাসিত হয়। ১৯৮০ চনত দলৰ উগ্ৰপন্থী গোষ্ঠীক পৰাভূত কৰি শাসনাধিষ্ঠ দলৰ আৰবপন্থী নেতা আলি নাছেৰ মহম্মদ হাছানীয়ে য়েমেনত ক্ষমতা দখল কৰে। কিন্তু পাঁচ বছৰ বিৰতিৰ পাছত য়েমেন ছছিয়েলিষ্ট দলত নিৰ্বাসিত নেতা ইছমাইল পুনৰ প্ৰতিষ্ঠিত হোৱাত স্বাভাৱিকভাৱে তেওঁৰ জংগী সমৰ্থকসকল সক্ৰিয় হৈ পৰিল। যোৱা জানুৱাৰী মাহৰ দ্বিতীয় সপ্তাহত প্ৰেছিডেণ্ট মহম্মদ হাছানিক পদচ্যুত কৰিবলৈ চলোৱা এক ব্যৰ্থ প্ৰচেষ্টা চলোৱাৰ অভিযোগত প্ৰাক্তন প্ৰেছিডেণ্ট ইছমাইলকে ধৰি দেশৰ শীৰ্ষস্থানীয় চাৰিজন ৰাজনীতিবিদক মৃত্যু দণ্ডৰে দণ্ডিত কৰাৰ ঘোষণা প্ৰচাৰ কৰা হয়। তাৰ লগে লগে শাসক দলৰ প্ৰতিদ্বন্দ্বী গোষ্ঠী দুটাৰ মাজত গৃহযুদ্ধ আৰম্ভ হয়। ইতিমধ্যে সমাপ্ত হোৱা গৃহ যুদ্ধত মস্কোৰ ভূমিকা কিমান সেইটো উহ্য থাকিলেও, মস্কোপন্থী প্ৰাক্তন প্ৰেছিডেণ্টগৰাকী স্বদেশলৈ অহাৰ লগে লগে য়েমেনত অভ্যন্তৰীণ অশান্তি সৃষ্টি হোৱালৈ চাই এই ক্ষেত্ৰত ৰাজনৈতিক পৰ্যবেক্ষকসকলে ভালেমান জল্পনা-কল্পনা আৰম্ভ কৰিছে। শেহতীয়াভাৱে শাসক দলৰ মস্কোপন্থী গোষ্ঠীটোৱে গৃহযুদ্ধত আধিপত্য বিস্তাৰ কৰি নৰমপন্থী প্ৰেছিডেণ্ট মহম্মদ হাছানিক অপসাৰিত কৰি এক সমূহীয়া নেতৃত্বৰ শাসন প্ৰতিষ্ঠা কৰে। ক্ষমতাচ্যুত নেতাগৰাকীৰ বিৰুদ্ধে প্ৰধান অভিযোগ হৈছে একনীয়া শাসন প্ৰতিষ্ঠা কৰাৰ মানসেৰে তেওঁ পলিটবুৰ'ৰ সদস্যসকলক শাৰীৰিকভাৱে অপসাৰণ কৰিবলৈ বিচাৰিছিল। কিন্তু ঘটনা প্ৰবাহৰ গতিবিধি সাৱধানে লক্ষ্য কৰাসকলে এই পটপৰিৱৰ্তনৰ মাজত আন কিছু সম্ভাৱনাও দেখা পাইছে। বাস্তৱিকতে প্ৰেছিডেণ্ট মহম্মদ হাছানিয়ে দ্ৰুতভাৱে পৰিৱৰ্তন সাধন কৰা দেশৰ অভ্যন্তৰীণ তথা বৈদেশিক নীতিয়ে মস্কোৰ দৃঢ় সমৰ্থকসকলক চিন্তিত কৰি তুলিছিল। পশ্চিমৰ লগত বৃদ্ধি হোৱা বাণিজ্যিক হলিগলি, বিশেষকৈ য়েমেন গণৰাজ্যলৈ বৃটিছ, ফৰাছী, জাৰ্মান আৰু জাপানী কাৰিকৰী সামগ্ৰীৰ আমদানি, আৰু য়েমেনৰ প্ৰতিদ্বন্দ্বী উপসাগৰীয় ৰাষ্ট্ৰ ওমান আৰু উত্তৰ য়েমেনৰ বিদ্ৰোহীসকললৈ সাহায্য বন্ধ কৰা কাৰ্যই এনে ধাৰণাৰ সৃষ্টি কৰিছিল যে বিপ্লৱী মতবাদ প্ৰচাৰ কৰাত তেওঁ বৰ আগ্ৰহী নহয়। বিশেষকৈ ১৯৮৩ চনৰ শেহভাগত য়েমেন গণৰাজ্যৰ ভালেদিনীয়া শত্ৰু ওমানৰ লগত কূটনৈতিক সম্বন্ধ স্থাপন কৰা কাৰ্যই প্ৰমাণ কৰিলে যে প্ৰেছিডেণ্ট মহম্মদ হাছানি আৰব ৰাষ্ট্ৰসমূহৰ পুনৰ কাষ চাপিব খুজিছে। অৱশেষ্য য়েমেনৰ কেন্দ্ৰস্থল এডেন আৰু আৰব সাগৰত অৱস্থিত চকট্ৰা দ্বীপত ছোভিয়েট নৌবহৰে পূৰ্বৰ দৰে তেওঁৰ আমোলতো বিশেষ সুবিধা ভোগ কৰি আছিল। আনহাতে সম্প্ৰতি এডেনত প্ৰায় ১৮ হাজাৰ ছোভিয়েট সৈন্য আছে। আন এক সূত্ৰ মতে য়েমেনত ছোভিয়েটৰ লগতে কিউবা আদি আন কিছু ৰাষ্ট্ৰৰো প্ৰায় ৪০ হাজাৰ সৈন্যই খোপনি পুতিছে। ইফালে বাবেল-মাণ্ডেব প্ৰণালীৰ আনটো পাৰত থকা দুৰ্ভিক্ষপীড়িত ইথিয়'পিয়াতো এক বৃহৎ ছোভিয়েট ঘাটি থকাৰো বাতৰি প্ৰকাশ পাইছে। বিশেষকৈ আফগানিস্থানত প্ৰায় এক লাখ ৰুছ সৈন্যই গোড়া ইছলামিক মৌলিকতাবাদসকলৰ বিৰুদ্ধে এক অনিশ্চিত যুদ্ধত লিপ্ত হোৱা অৱস্থাত পশ্চিম এছিয়াত তেওঁলোকে নতুন এটা বিপদ চপাই ল'ব নোখোজে। প্ৰেছিডেণ্ট মহম্মদৰ দুৰ্ভাগ্য হৈছে—তেওঁ বিৰোধী পক্ষৰ শক্তিক গুৰুত্ব সহকাৰে লোৱা নাছিল। দক্ষিণ য়েমেনত প্ৰেছিডেণ্ট মহম্মদ হাছানিৰ পতন গুৰুত্বপূৰ্ণ অৱস্থানত থকা আন আন উপসাগৰীয় আৰব ৰাষ্ট্ৰসমূহৰ প্ৰতিও এক সকিয়নি হৈ পৰিছে।

OKDISCD

# আদৰ্শ কাৰাগাৰ

ত্ৰিদিব শৰ্মা

অতীতত দোষীক শাস্তি স্বৰূপে কাৰাগাৰত বন্দী কৰি ৰখা হৈছিল; কিন্তু বৰ্তমান যুগত ইয়াৰ প্ৰধান উদ্দেশ্য হ'ল সমাজৰ অপৰাধী অথবা দোষী বুলি সাব্যস্ত লোক সকলক প্ৰয়োজনীয় সংশোধনী-চিকিৎসা কৰা, কাৰিকৰী প্ৰশিক্ষণেৰে সহায় কৰা আৰু শুদ্ধ পথ দেখুওৱা— যাতে তেওঁ-লোকক আইন মানি চলা, আত্ম-সমৰ্থিত, উপকাৰী ব্যক্তি হিচাপে সমাজত পুনৰ সংস্থাপিত কৰিব পাৰি। সমাজৰ শিক্ষা-অনুষ্ঠানসমূহে সমাজৰ "ভাল" মানুহক শিক্ষা প্ৰদান কৰে, কিন্তু কাৰাগাৰে "বেয়া" বুলি সাব্যস্ত লোকক সংশোধন কৰে। সমাজ গঠনৰ প্ৰক্ৰিয়া আৰু তাৰ উন্নতিৰ বাবে ইয়াৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সেয়েহে কাৰাগাৰক এক অতি পৱিত্ৰ প্ৰতিষ্ঠান বুলি কব পাৰি—যাৰ দায়িত্ব অন্যান্য শিক্ষানুষ্ঠানতকৈও অধিক ব্যাপক আৰু গভীৰ।

কিন্তু এনে এক অনুষ্ঠানৰ এক বিশ্লেষণমূলক অধ্যয়ন হোৱা আজিলৈকে পৰিলক্ষিত হোৱা নাই আৰু কাৰাগাৰ প্ৰকৃততে যেনে হোৱা উচিত বাস্তৱত তাৰ বিপৰীত অৱস্থাতহে দেখা যায়। ই যেন সমাজৰ বহুতো নিৰ্দোষী-লোকক দেশৰ কুসন্তানলৈ ৰূপান্তৰিত কৰা এক কঠিয়াতলীহে। এনে অৱস্থাত এই প্ৰতিষ্ঠানটোৰ এক অধ্যয়ন কৰাটো অত্যন্ত প্ৰয়োজন হৈ পৰিছে। গুৱাহাটী জিলা কাৰাগাৰক ভিত্তি হিচাপে লৈ এই উদেশ্যত আগ-বাঢ়িবলৈ ওলাইছোঁ।

এই কাৰাগাৰত মুঠতে দৈনিক তিনিশ পঞ্চাছৰপৰা চাৰিশ পঞ্চাছৰ ভিতৰত বন্দী থাকে। ইয়াৰে শতকৰা ৬০ ভাগৰপৰা ৭০ ভাগলৈ বিচাৰাধীন বন্দী আৰু মাথো ১৫ ভাগৰপৰা ২০ ভাগলৈহে কাৰাদণ্ডিত বন্দী। বিচাৰাধীন বন্দীৰ শতকৰা ৫৫ ভাগৰপৰা ৬০ ভাগ চুৰ কৰা অভিযোগত গ্ৰেপ্তাৰ হোৱা। মুঠ কয়দীৰ প্ৰায় শতকৰা ৬০ ভাগ আজীৱন কাৰাবন্দী, অৰ্থাৎ হত্যাৰ অপৰাধত দণ্ডিত হোৱা লোক। ১।১।৮৬ আৰু ১।৬।৮৫ তাৰিখে কাৰাগাৰত কাৰাৰুদ্ধ হৈ থকা বিভিন্ন বন্দীৰ হিচাপ তলৰ তালিকাত দিয়া হ'ল।


১।১।৮৬ তাৰিখে কাৰাগাৰত চুৰ কৰা অভিযোগত আবদ্ধ হৈ থকা ১২৪ জনৰ ৮৬ জন বন্দীয়েই আগতে একাধিকবাৰ কাৰাগাৰলৈ আহি যোৱা। এওঁলোক একোবাৰত তিনিমাহৰপৰা ন মাহলৈ কাৰাগাৰত থাকে। আন নালাগে ৭ বছৰ কাৰাগাৰত থাকি যোৱা মহম্মদ ইদ্ৰিছ ওলাই যোৱাৰ দুবছৰৰ ভিতৰতে আগৰ দৰে ডকাইতি কৰাৰ অভিযোগত পুনৰ উলটি আহে। এই কথাই হয়তো ইয়াকে প্ৰমাণ কৰে যে এওঁলোকক সংশোধন কৰাত কাৰাগাৰ ব্যৱস্থা ব্যৰ্থ হৈছে। এই-খিনিতে এটা কথা উল্লেখযোগ্য: জীৱনৰ নিম্নতম আৱশ্যকীয় সামগ্ৰীৰ অভাৱত যিসকল বিপথগামী হয় তেওঁ-লোক কাৰাগাৰৰপৰা ওলাই যদি আকৌ একে পৰিস্থিতিতে পৰে, তেনে-হ'লে তেওঁলোকক কাৰাগাৰত বন্দী কৰি ৰাখি লাভ কি হ'ল? কাৰিকৰী প্ৰশিক্ষণ দি সমাজত সংস্থাপনৰ ব্যৱস্থা নকৰাৰ বাবেই এই লোকসকল হয়তো পৰিবৰ্তিত হোৱা নাই।

| | ১-১-৮৬ | | ১-৬-৮৫ | |
|---|---|---|---|---|
| | পুৰুষ | মহিলা | পুৰুষ | মহিলা |
| ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ বন্দী | ২ | ০ | ১ | ০ |
| হাজোতী | ২৪১ | ৯ | ২৪৭ | ৭ |
| সশ্ৰম কয়দী | ৫৭ | ১ | ৬৪ | ০ |
| মানসিক ভাৱে অসুস্থ লোক | ৪৩ | ১৩ | ৪২ | ১১ |
| শিশু | ৩ | ২ | ০ | ০ |
| অন্যান্য | ৮ | ৪ | ১৩ | ৩ |
| মুঠ | ৩৫৪ | ২৯ | ৩৬৭ | ২১ |

এটা শুদ্ধমনক যদি কোনো শুদ্ধ চিন্তা-চৰ্চাত আবদ্ধ ৰখা নহয়, তেন্তে সি দূষিত হোৱাৰে সম্ভাৱনা অধিক। কিন্তু এটা দূষিত মনক সংশোধন কৰিবলৈ হ'লে তাক অকল ভাল চিন্তা-চৰ্চাত ব্যস্ত ৰাখিলেই নহ'ব, সি যে ভুল পথে পৰিচালিত হৈছে সেইটো তাক বুজোৱাৰ উপৰিও বিকল্প-পথ তাৰ আগত দাঙি ধৰিব লাগিব। তাকে কৰিবলৈ যাওঁতে মানুহবোৰৰ মন পৰীক্ষা কৰি চাব লাগিব, কিয় তেওঁলোকে ভুল পথ ল'ব লগা হ'ল তাকো জানিব লাগিব। গতিকে এই স্তৰত মনস্তত্ববিদৰ সহায় প্ৰয়োজন হৈ পৰে। এটা কথা সদায় মনত ৰখা উচিত যে কোনো মানুহ জন্মতে বেয়া হৈ নোপজে, সমাজ তথা পৰিবেশে তেওঁক কেনে ৰূপ দিয়ে তাৰ ওপৰতহে নিৰ্ভৰ কৰে তেওঁৰ ভৱিষ্যতৰ স্বভাৱ-চৰিত্ৰ।

হত্যা কৰা অভিযোগত গ্ৰেপ্তাৰ হোৱা সকলৰ বাহিৰে, সৰহভাগ বন্দী বিপথগামী হোৱাৰ মূল কাৰণ: (১) অৰ্থনৈতিকে দুৰ্দশা (২) সংগ-দোষ আৰু (৩) আৱশ্যকীয় পথ-প্ৰদৰ্শনৰ অভাৱ। যেতিয়া মানুহৰ নিম্নতম প্ৰয়োজনীয় বস্তুৰ অভাৱ হয়, যেতিয়া জীৱন অতি সংঘৰ্ষময় আৰু কঠিন হয়। যেতিয়া জীৱনৰ প্ৰত্যেক মুহূৰ্ততে নাটনি হয়, তেনে অৱস্থাত সহজতে ধন উপাৰ্জন কৰিব পৰা কোনো পথ চকুত পৰিলে (সেই পথ ভুল হ'লেও) মানুহ সহজতে তাৰ প্ৰতি আকৰ্ষিত হয়। তেনে দুৰ্বল মুহূৰ্তত যদি তেওঁ কোনো বেয়া সংগৰ লগ লাগে তেনে-হ'লে সেইলোক বিপথগামী হোৱাৰ সম্ভাৱনা অধিক। তদুপৰি সমাজৰ যি নৈতিক স্খলন ঘটিছে, ই এই কাৰ্যক আৰু সহজ কৰি দিছে। দুৰ্ভাগ্যৰ কথা এয়ে যে, এবাৰ কোনো লোক পুলিছৰ চকুত দাগী হোৱাৰ পাছত তেওঁ জীৱনলৈ উদ্ধাৰ নাপায়। ৰাস্তাই-ঘাটে, উৎসৱে-পৰ্বে কিবা গণ্ডগোল হলেই পুলিছে সাধাৰণতে তেওঁলোকক গ্ৰেপ্তাৰ কৰে। কিন্তু তাৰ আগতে এবাৰো অনুসন্ধান কৰি চোৱা নহয়—যে প্ৰকৃততে সেই লোক জন কোনো অপৰাধৰ লগত জড়িত হয়নে নহয়। বহুতো ক্ষেত্ৰত এনেকুৱাও হয় যে মানুহে প্ৰাপ্য বস্তু ন্যায়সংগত উপায়েৰে নাপালে বে-আইনী পথ অৱলম্বন কৰে। তলৰ উদাহৰণটোকে চোৱা যাওক।

হৰিদাস, নলবাৰীৰ ওচৰৰ এখন গাঁৱৰ অতি দুখীয়া ল'ৰা। ঘৰত মাহী-মাকৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি অতি কম বয়সতে তেওঁ গুৱাহাটীলৈ পলাই আহে। গুৱাহাটীৰ এখন চাহ দোকানত তেওঁ কাম কৰিবলৈ লয়। বন্দবস্ত আছিল খোৱাবোৱাৰ উপৰিও মাহে ৫০ টকাকৈ পাব। পিছে মাহ গৈ বছৰত পৰিল, কিন্তু মালিকে আজি দিম কাইলৈ দিমকৈ তেওঁক প্ৰাপ্য টকা নিদিয়ে। শেষত অতিষ্ঠ হৈ তেওঁ দোকানৰপৰা ৫ কিল'গ্ৰামৰ এটা—ৎটমা চুৰ কৰে। কিন্তু তেওঁ ধৰা পৰিল আৰু মালিকে তেওঁক পুলিছৰ হাতত গটাই দিলে। ১৮ বছৰীয়া হৰিক নিৰ্মমভাৱে মাৰধৰ কৰি পুলিছে কাৰাগাৰলৈ প্ৰেৰণ কৰে। এতিয়া প্ৰশ্ন হ'ল তেওঁৰ হাতত বিকল্প কিবা আছিল নে? তেওঁ পুলিছ অথবা আইনৰ সহায় লোৱা উচিত আছিল নে কি? এজন সমৃদ্ধিশালী ব্যক্তিৰ বিৰুদ্ধে পুলিছৰ সহায় বিচৰাটো তেওঁৰ বাবে সম্ভৱপৰ আছিল নে? এক দুখৰ কাহিনীৰ এয়া মাথোন আৰম্ভনিহে।




ছমাহ মানৰ পাছত খালাচ হৈ, তেওঁ পুনৰ এখন দোকানত কাম কৰিবলৈ লয়। কিন্তু এমাহ নৌ হওঁতেই হৰিৰ ঘৰৰ ওচৰতে ৰাতি চুৰি হ'ল। পাছ-দিনা পুৱাতে হৰিৰ ঘৰত পুলিছ। আকৌ কাৰাগাৰ। কাৰাগাৰত দ্বিতীয় বাৰৰ বাবে পাই মই সোধাত তেওঁ কান্দি কান্দি এই কাহিনী শুনালে। তাৰ পাছত তৃতীয়, চতুৰ্থবাৰো মই তেওঁক কাৰাগাৰত পাওঁ। কিন্তু তেতিয়া আৰু তেওঁৰ মুখত কোনো দুখৰ আভাস নাছিল। সমাজ আৰু প্ৰশাসনে এই-দৰে এজন ক্ৰিমিনেলৰ জন্ম দিলে।

ডকাইতি হত্যাৰ অপৰাধত দণ্ডিত হোৱা লোকসকলৰ বাহিৰে আজীৱন কাৰাবন্দী প্ৰায় আটায়ে প্ৰকৃত ক্ৰিমিনেল নহয়; বৰং কোনো বিশেষ পৰিস্থিতিৰ বশবৰ্তী হৈহে তেওঁলোকে অপৰাধ কৰিছিল। আজীৱন কাৰাবন্দী বাপ কলিতাৰ ঘটনাটোকে চোৱা যাওক।

তিয়ক মৌজাৰ এজন খেতিয়কৰ বৰ পুত্ৰ হ'ল বাপ কলিতা। ওচৰ-চুবুৰীয়া ভদ্ৰেশ্বৰ ফুকনৰ লগত এডৰা মাটিলৈ তেওঁলোকৰ মনোমালিন্য আছিল। মাটিডৰাত বাপহঁতে খেতি কৰি আছিল। এদিন হঠাতে তেওঁলোকৰ অনুপস্থিতিত মাটিডৰা ভদ্ৰেশ্বৰহঁতে দখল কৰে। গোচৰ দিয়াত আদালতৰ নিৰ্দেশত পুলিছে মাটিডৰা ধান সহ জব্দ কৰে। তেনে অৱস্থাতে ভদ্ৰেশ্বৰহঁতে তাৰ পৰা ধান কাটি লৈ যায়। পিছে খবৰ দিয়াত পুলিছে সেই ধান পুনৰ জব্দ কৰে। ১৯৭২ চনৰ বহাগ বিহুৰ দিনাৰ কথা। বাপ পথাৰত আছিল। ৫/৬ জন মানুহসহ ভদ্ৰেশ্বৰ বাপৰ ঘৰলৈ আহি বুঢ়া বাপেকক মাৰ-ধৰ কৰে। তেওঁলোকে হয়তো ভাবিছিল—বলপ্ৰয়োগ কৰি, ভয় খুৱাই মাটিডৰা দখল কৰিব পাৰিব। ঘৰত চিঞৰ-বাখৰ হয়। হুলস্থূল শুনি বাপ ঘৰলৈ লৰ মাৰি আহে। ঘৰৰ চোতালতে এখন দীঘল নালৰ দা পাই বাপে সেইখনকে ঘূৰাবলৈ ধৰে। ভদ্ৰেশ্বৰহঁতেও তীৰ আৰু লাঠিৰে বাপক আক্ৰমণ কৰে। এই সংঘৰ্ষৰ ফলত ভদ্ৰেশ্বৰহঁতৰ এজন নিহত হয়। এই মৰ্মে আদালতত বাপে স্বীকাৰোক্তিও দিয়ে। বিচাৰত আদালতে বাপ আৰু দেউতাকক আজীৱন কাৰাদণ্ড দিয়ে।

ওপৰত উল্লেখ কৰা আজীৱন কাৰাবন্দীসকল প্ৰায়ে অতি ভদ্ৰ, নম্ৰ, সহানুভূতিশীল, স্পষ্টবক্তা। তেওঁলোকৰ চৰিত্ৰত ভণ্ডামীৰ লেশ মানো আভাস পোৱা নাযায়। সিদ্ধান্ত ভুল হ'লেও এক দৃঢ় সিদ্ধান্ত লৈ যি সাহস তেওঁলোকে দেখুৱাইছে, তেনে সাহস সমাজৰ কম মানুহৰহে আছে।

কাৰাগাৰৰ কয়দীসকলৰ বেছিভাগেই দুখীয়া আৰু অশিক্ষিত। তেওঁলোকক দেখিলে মনলৈ প্ৰশ্ন আহে—সমাজৰ ধনী লোকসকলে কেতিয়াও কোনো অপৰাধেই নকৰে, নে তেওঁলোক অপৰাধ কৰি সাৰি যায়? আইনে ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিতৰ মাজত বাছ-বিচাৰ কৰে নেকি? যদি দুখীয়াসকলৰ মাজতেই অপৰাধৰ হাৰ বেছি, তেনেহলে ই আকৌ প্ৰমাণ নকৰেনে যে অভাৱ তথা পৰিবেশেই এওঁলোক বেয়া হোৱাৰ মূল কাৰণ?

দৈনন্দিন ভৰণ-পোষণৰ বাবে; সমাজৰ প্ৰায়বোৰ পৰিয়ালেই এজন ব্যক্তিৰ ওপৰতেই নিৰ্ভৰশীল। এতিয়া ধৰক তেনে এক পৰিয়ালৰ ঘাই মানুহজন কোনো অপৰাধৰ লগত জড়িত সাব্যস্ত হোৱাত, সংশোধন কৰা উদ্দেশ্যেৰে তেওঁক কাৰাগাৰত আবদ্ধ কৰি ৰখা হ'ল। কিন্তু তেওঁৰ অনুপস্থিতিত তেওঁৰ পৰিয়ালবৰ্গই সৎ উপায়েৰে জীৱন নিৰ্বাহ কৰাৰ উপায় নাপালে ভুল পথ লবলৈ বাধ্য হব পাৰে। তলৰ উদাহৰণটোকে লক্ষ্য কৰক:

কামৰূপ জিলাৰ এখন ভিতৰুৱা গাঁওৰ বাসিন্দা আছিল দেৱ নাথ। দৈনিক হাজিৰা কাম কৰি তেওঁ পৰিবাৰ, ১৫ বছৰীয়া এজনী ছোৱালী আৰু ১২ বছৰীয়া এজন ল'ৰাৰ পৰিয়ালটো চলাইছিল। এক ডকাইতিৰ অপৰাধৰ লগত জড়িত থকাৰ বাবে তেওঁক আদালতে ৩ বছৰ কাৰাদণ্ড দিলে। ইফালে তেওঁৰ ঘৰখনক দুৰ্যোগে আগুৰি ধৰিলে। অনাহাৰে দিনৰ পাছত দিন পাৰ হ'বলৈ ধৰিলে। ডকাইতৰ পৰিয়াল বুলি সমাজেও তেওঁলোকক ঘৃণা কৰিবলৈ ললে; সহায়ৰতো প্ৰশ্নই নুঠে। ভাল মানুহৰ অভাৱ হ'লেও সমাজত কিন্তু দুৰ্বলীৰ দুৰ্বলতাৰ সুবিধা ল'বলৈ বিচৰা মানুহ বহুত ওলায়। কেইবাজনো তেনে লোকৰ প্ৰলোভনত পৰি দেৱনাথৰ কম বয়সীয়া জীয়েকজনী পৰিণত হ'ল সমাজৰ এজনী অতি ঘৃনণীয় ছোৱালীত। আনহাতে পুতেকজন হ'লগৈ এক গভাইত চোৰ। এতিয়া প্ৰশ্ন উঠে এই দুজন ক্ৰিমিনেলৰ জন্মৰ বাবে বাৰু কোন দায়ী? চৰকাৰ, সমাজ, আপুনি,ময়েই নহয়নে?

এই সন্দৰ্ভত ১৯৭৮ চনত অসম চৰকাৰে গঠন কৰা Assam Jail Reform Commission'অৰ প্ৰতিবেদনৰ একাংশ উল্লেখযোগ্য:

'One provisions shall be made for giving, so far is necessary and possible, material assistance for the subsistence of indigent dependants of an inmate under a sentance of imprisonment imposed on conviction for an offence, ...'

সেই প্ৰতিবেদন কাগজে-পত্ৰই থাকিল; তাক বাস্তৱলৈ ৰূপান্তৰিত কৰা নহ'ল।

ভাল মানুহসকলক বেয়া হোৱাৰপৰা ৰক্ষা কৰিবলৈ হ'লে এফালে তেওঁলোকক বেয়া মানুহৰ সংস্পৰ্শলৈ আহিবলৈ দিব নালাগিব আৰু আনহাতে গঠনমূলক ভাল চিন্তা-চৰ্চাত তেওঁলোকক ব্যস্ত ৰাখিব লাগিব। একে দৰে কম বেয়া মানুহসকলক বেছি বেয়া মানুহৰ পৰা পৃথক কৰি ৰখা অতি আৱশ্যক। প্ৰিজন এক্টৰ ২৭ নম্বৰ ধাৰাত আছে: 'সকলো কাৰাদণ্ডিত বন্দীক আদালতৰ দ্বাৰা মূলতে দুটা ভাগ কৰা হ'ব,— অভ্যাসগত বন্দী (habitual criminal) আৰু অন্যান্য (casual)। প্ৰত্যেক অভ্যাসগত বন্দীক পৰাপক্ষত অন্য বন্দীৰপৰা পৃথক কৰি ৰখা হ'ব।' বিচাৰাধীন বন্দীসকলকো একে দৰে শ্ৰেণীবিভক্ত কৰা অতি প্ৰয়োজনীয়। কিন্তু আৱশ্যক সুবিধাৰ অভাৱ আৰু বন্দীসকলক শ্ৰেণীবিভক্ত কৰাৰ ব্যৱস্থা নথকাৰ ফলত ইয়াক কাৰ্যকৰী কৰা হোৱা নাই। ইয়াৰ ফলত প্ৰত্যেক মুহূৰ্ততে ক্ষতি হৈ আছে।

লক্ষ্যৰ লগত সংগতি ৰাখি কাৰাগাৰ ব্যৱস্থাৰ আদৰ্শ কাৰ্যক্ৰম নিম্নলিখিত ধৰণৰ হ'ব লাগে:

(১) বন্দীসকলক শ্ৰেণীবিভক্ত কৰা আৰু বিভিন্ন শ্ৰেণীক অসৎ শ্ৰেণীৰ পৰা পৃথক কৰি ৰাখিব লাগে।

(২) মনস্তত্ত্ববিদৰ দ্বাৰা প্ৰত্যেক বন্দীক পৰীক্ষা কৰি কাক কি পদ্ধতিৰে সংশোধন কৰিলে ভাল ফল পোৱা যায় সেইটো নিৰ্ধাৰণ কৰিব লাগে।

(৩) সেই পদ্ধতিৰে সংশোধনী চিকিৎসা আগবঢ়োৱা আৰু লগতে শিক্ষা প্ৰদান কৰিব লাগে। কাৰাগাৰত থকা প্ৰত্যেক জন অন্তত পঢ়িব লিখিব আৰু সাধাৰণ গণিতৰ জ্ঞান সম্পন্ন হ'ব লাগিব। তদুপৰি সমাজৰ অথবা জাতিৰ প্ৰতি তেওঁৰ দায়িত্ব আৰু কৰ্তব্য, তেওঁৰ অধিকাৰসমূহ আদিৰ দিশত তেওঁক সচেতন কৰি তোলা প্ৰয়োজন।

(৪) কাৰিকৰী প্ৰশিক্ষণ আগবঢ়াব লাগে যাতে, মুক্তিৰ পাছত এই জ্ঞানৰ মাধ্যমেৰে নিজৰ জীৱিকা উপাৰ্জন কৰিব পাৰে আৰু লগতে সমাজৰ কল্যাণ সাধন কৰিব পাৰে। কাৰাগাৰ নিয়মাৱলীত এই কথাৰ উল্লেখ আছে: The main object of prison labour should be the reformation of the prisoner. Every effort should be made to provide the best available instruction in up to-date methods of labour, especially in jail industries, so as to enable the prisoner to command a living wage on release.'

(৫) বিভিন্ন গল্প, উপন্যাস, প্ৰবন্ধ আদিৰ কিতাপ, বাতৰি কাকত, আলোচনী আদি যোগান ধৰিব লাগে যাতে প্ৰত্যেক বন্দীয়ে পঢ়ি-শুনি জ্ঞান আহৰণৰ লগতে ভাল দৰে সময় অতিবাহিত কৰিব পাৰে।

(৬) খেল-ধেমালি তথা অন্যান্য আমোদজনক অনুষ্ঠানৰ ব্যৱস্থা কৰিব লাগে। বিভিন্ন খেল-ধেমালিয়ে তন-মন সুস্থ ৰখাৰ উপৰিও সেইবোৰ আনন্দৰ উৎস হ'ব। লগতে সময়ে সময়ে নাট-গীত-মাতৰ অনুষ্ঠান পাতি বিভিন্ন বন্দীৰ বিভিন্ন প্ৰতিভাৰ বিকাশৰ সুবিধা দিয়া উচিত। এইখিনিতে উল্লেখযোগ্য যে ১৯৮০ চনত তেতিয়াৰ মহা পৰিদৰ্শক মহোদয়ে সদৌ অসম ভিত্তিত কয়দীসকলৰ খেল-ধেমালিৰ প্ৰতিযোগিতা আয়োজন কৰি এই দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছিল। পিছে অজান কাৰণত ইয়াক অব্যাহত ৰখা নহ'ল।

(৭) বন্দীসকলে আহৰণ কৰা জ্ঞানৰ সহায়ত মুক্তিৰ পাছত জীৱিকা উপাৰ্জনৰ বাবে ক্ষুদ্ৰ উদ্যোগ খোলা নাইবা কোনো প্ৰতিষ্ঠানত তেওঁলোকৰ নিযুক্তিৰ ব্যৱস্থা কৰি সমাজত পুনৰ সংস্থাপিত কৰাৰ ব্যৱস্থা কৰিব লাগে। এই দায়িত্ব পালন নকৰালৈকে কাৰাগাৰৰ কৰ্তব্য কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে।

কিন্তু আজি কাৰাগাৰসমূহত কি চলি আছে তাৰে সামান্য আভাস পাঠকসকলক দিবলৈ চেষ্টা কৰা হ'ল।

কাৰাগাৰলৈ অহা বন্দীসকলক মূলতে ৩টা ভাগ কৰা হয়। ১২ বছৰৰ তলৰ এভাগ, ১২ৰপৰা ১৮ বছৰলৈ এভাগ, আৰু অন্যান্য সকলৰ এভাগ। প্ৰথম আৰু দ্বিতীয় ভাগক বেলেগে বেলেগে ৰখা হয়। বাকীসকলক কিছুমান অস্বাস্থ্যকৰ ঘৰত একেলগে ৰখা হয়। ২৪ ঘণ্টাৰ মাথোন ৫ ঘণ্টাৰ বাহিৰে সম্পূৰ্ণ দিনটো বন্দীসকলক এইবোৰত বন্ধ কৰি ৰখা হয়। পুথিভঁৰালৰ ভাল সা-সুবিধা নাই। বাতৰি কাকত আলোচনীও নাই। খেল-ধেমালিৰ সুবিধা নগণ্য। বিচাৰাধীন বন্দীসকলৰ বাবে শ্ৰম বাধ্যতামূলক নহয় আৰু যিহেতু তেওঁলোক সাধাৰণতে কম দিনৰ বাবে থাকে, গতিকে তেওঁলোকৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা নহয়; কাৰণ তাৰপৰা কাৰাগাৰৰ কোনো লাভ নহয়। অৰ্থাৎ কাৰাগাৰৰ লাভহে প্ৰধান লক্ষ্য। বন্দীৰ স্বাৰ্থ লক্ষ্য নহয়? কোনো নিপুনতাৰ প্ৰয়োজন নোহোৱা কামতহে এওঁলোকক নিয়োগ কৰা হয়। এজন শিক্ষকৰ বাবে চৰকাৰী অনুমোদন আছে যদিও অজান কাৰণত তাৰ সুব্যৱহাৰ কৰা হোৱা নাই। ফলত এই বন্দীসকলৰ বাবে দিনটোৰ সময় পাৰ কৰাৰ উপায় হ'ল জুৱা-খেলা, বাজে আলোচনা কৰা আৰু নিচা জাতীয় দ্ৰব্যত মগ্ন থকা। আলোচনাবোৰত সাধৰণতে বিভিন্ন চোৰ-ডকাইতৰ নিজৰ অভিজ্ঞতা আৰু জ্ঞানৰ আদান-প্ৰদান হয়। ইয়াৰ মাধ্যমেৰে বেয়াসকল সুসংগঠিত হয়, ভালসকল বেয়া হয় আৰু কম বেয়াসকল বেছি বেয়া হয়।

যেতিয়া কামৰ প্ৰতি উৎসাহ নাথাকে তেতিয়া বাহিৰৰপৰা জোৰ কৰি জাপি দিয়া কামে লাভতকৈ লোকচানহে বেছি কৰে। গতিকে এনেকুৱা পৰিবেশৰ সৃষ্টি কৰাৰ প্ৰয়োজন— যি এওঁলোকক কামৰ প্ৰতি আকৰ্ষিত কৰিব। এই উদ্দেশ্যে আগবাঢ়োতে নিম্নলিখিত দিশ কেইটাৰ প্ৰতি মনোযোগ দিয়া আৱশ্যক:

(১) সেই কামে বন্দীসকলক বাহিৰৰ জীৱনত কৰ্ম-সংস্থানৰ সুবিধা দিব লাগিব।

(২) তেওঁলোকক সন্তোষজনক হাৰত মজুৰী দিব লাগে।

(৩) বন্দীসকলক কামৰ বিনিময়ত ৰেহাই (remission) দিব লাগে।

বৰ্তমান কাৰাগাৰৰ উদ্যোগসমূহৰ প্ৰধান উদ্দেশ্য হ'ল কাৰাগাৰৰ লাভ অৰ্জন কৰা। কিন্তু তাত আহৰণ কৰা জ্ঞানেৰে বাহিৰৰ সমাজত বন্দীসকলে জীৱিকা উপাৰ্জন কৰিব পাৰিব নে নোৱাৰে, সেইটো চিন্তাৰ বিষয় নহয়। উদ্যোগো মাথোন ৪/৫ বিধহে আছে; তাতো অতি আদিম যন্ত্ৰপাতি আৰু কৌশলেৰে উৎপাদন চলোৱা হয়। উন্নত শ্ৰেণীৰ প্ৰশিক্ষণ দিয়াৰ ইয়াত কোনো ব্যৱস্থা নাই।

কাৰাগাৰৰ নিয়মাৱলী অনুসৰি কয়দীসকলে দৈনিক ৯ ঘণ্টা কাম কৰিব লাগে। (অৱশ্যে দেখা যায় যে ১২ মাহৰ প্ৰায় সময়তে এই উদ্যোগসমূহত পূৰ্ণগতিত কাম নচলে)। তাৰ উপৰিও কয়দীসকলে প্ৰতি ৰাতি ১ ঘণ্টাকৈ পহৰা দিব লাগে। তেওঁলোকে কৰা এই কামৰ বাবে সাধাৰণ বন্দীসকলে দিনে মজুৰী পায় মাথোন এটকা। দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীসমূহ কিনিবলৈ এই এটকাই তেওঁলোকৰ সৰ্বস্ব। ১৮৫০ চনতে ৰচা কাৰাগাৰ নিয়মাৱলী মতে এই মজুৰী ৬০ পইচাহে আছিল। পিছৰ চৰকাৰে ইয়াক মাথো এবাৰহে সলনি কৰে। ১৮৫০ চনৰ ভিত্তিত যি হাৰত মুদ্ৰাৰ মূল্য হ্ৰাস পাইছে তাৰ প্ৰতি লক্ষ্য ৰাখি, আৰু অন্যান্য দিশ চালি-জাৰি চাই এই মজুৰী অন্তত ২-৫০ টকালৈ বৃদ্ধি কৰাটো প্ৰয়োজন।

বন্দীৰ ব্যৱহাৰ-পাতি, কাম-বন আদিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰত্যেক মাহে ৰেহাই (ৰেমিছন) দিয়াৰ নিয়ম আছে (মুঠ ৰেহাই কাল কয়দীসকলৰ কাৰাদণ্ডৰ কালৰপৰা বিয়োগ কৰা হয়)। আৰু কাৰাগাৰ নিয়মাৱলীমতে তেওঁলোকে কিমান ৰেহাই পাইছে সেইটো প্ৰত্যেক সপ্তাহতে বন্দীসকলক জনোৱাৰ প্ৰয়োজন। কিন্তু ইয়াক কাৰ্যকৰী কৰা হোৱা নাই। চাৰি দেৱালৰ মাজত আবদ্ধ হৈ থকা বন্দী সাধাৰণতে খণ্ডাল আৰু সন্দেহপ্ৰৱন হয়। গতিকে নিয়মিত ৰেহাইসমূহ পাইছেনে নাই তাকে জনাই থাকিলে তেওঁলোকে সন্তোস পোৱাৰ উপৰিও কামকাজ কৰিবলৈ প্ৰেৰণা পাব।

সমাজৰ বিভিন্ন স্তৰৰ লগতে চৰকাৰী কৰ্মচাৰী সকলৰো আজি মানসিকতা দূষিত হৈছে। নৈতিকতাৰ পতন ঘটিছে। সমাজৰ প্ৰতি তেওঁলোকৰ যি দায়িত্ব তাক তেওঁলোকে প্ৰায়ে পাহৰে।

OKDISCD

কাম-বনত আগ্ৰহ নাই ; সেৱাৰ মনোভাব নাই। যি উপায়েৰেই নহওক, ধন উপাৰ্জন কৰাটোৱেই এক মাত্ৰ লক্ষ্য। কাৰাগাৰৰ বিষয়া কৰ্মচাৰীও ইয়াৰ পৰা মুক্ত নহয়। চৰকাৰৰ বিভিন্ন বিভাগৰ দৰে ইয়ো দুৰ্নীতিগ্ৰস্ত। কিন্তু এটা কথা মনত ৰখা আৱশ্যক যে কাৰাগাৰ বিভাগ সমাজৰ অন্য বিভাগতকৈ সুকীয়া। যিদৰে বিদ্যালয়ৰ শিক্ষক এজন আদৰ্শবাদী হোৱাৰ প্ৰয়োজন। তেওঁৰ ওপৰতেই ছাত্ৰ-ছাত্ৰীৰ বহু কথা নিৰ্ভৰ কৰে, ঠিক একে দৰেই কাৰাগাৰৰ বিষয়া-কৰ্মচাৰীৰ আদৰ্শ সেৱা মনোভাৱৰ ওপৰতো কয়দীসকলৰ মানসিকতা আৰু চৰিত্ৰ বহু পৰিমাণে নিৰ্ভৰ কৰে।

কাৰাগাৰৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলক ৱাৰ্ডাৰ বোলা হয়। দিনটোৰ প্ৰায় সময় বন্দীসকল এওঁলোকৰ সংস্পৰ্শতে থাকে। গতিকেই এই কৰ্মচাৰীসকলেই হ'ব লাগিছিল সংশোধন আৰু সুশিক্ষা প্ৰদানৰ কেন্দ্ৰ। কিন্তু দুখৰ কথা এয়ে যে তেওঁলোকক ব্যৱহাৰ কৰা হৈছে চকীদাৰ স্বৰূপে। বন্দীসকল যাতে কাৰাগাৰৰপৰা পলাব নোৱাৰে, ইয়েই হৈ পৰিছে তেওঁলোকৰ প্ৰধান কৰ্তব্য। তদুপৰি কৰ্ম-পৰিবেশ ; থকা-খোৱাৰ সুবিধা অতি শোচনীয় হোৱাৰ ফলত এওঁলোক আজি হতাশগ্ৰস্ত। নিযুক্তিৰ বাবে প্ৰৱেশিকাত উত্তীৰ্ণ হোৱাৰ প্ৰয়োজন যদিও এওঁলোকৰ দৰমহা কম। পদোন্নতিৰ সুবিধা নগণ্য। দৈনিক ১২ ঘণ্টাৰো অধিক সময় এওঁলোক কৰ্তব্যৰত অৱস্থাত থাকিব লাগে। ইয়াৰ পৰিণাম হৈছে— আদৰ্শ আৰু সেৱাৰ সলনি এওঁলোক দুৰ্নীতি আৰু অধঃপতনৰ গৰাহত পৰিছে।

কাৰাগাৰৰ বিষয়াসকলৰ বিৰুদ্ধেও কিছুমান গুৰুত্বপূৰ্ণ অভিযোগ আছে। তাৰে প্ৰধান কেইটা হ'ল:

(১) কাৰাগাৰ নিয়মাৱলীৰ ১৯৬ ধাৰাৰ মতে—'এজনকৈ শিক্ষিত ৱাৰ্ডাৰ দিনে ৰাতিয়ে, অনবৰতে কাৰাগাৰৰ গেটত প্ৰহৰাত থাকিব।' কাৰাগাৰলৈ কি আহিছে কি গৈছে, দৈনিক খৰচ-পাতি কি হৈছে আদি কাৰাগাৰৰ সকলো হিচাপ এই এই কৰ্মচাৰীজনৰ দায়িত্বত থাকে। কিন্তু দেখা গৈছে ৬০ জন ৱাৰ্ডাৰৰ মাজৰ, বিশেষভাৱে মনোনীত মাত্ৰ ৬।৭ জন কৰ্মচাৰীকহে এই দায়ীত্বত দিয়া হয়। অথচ নতুনকৈ নিযুক্তি পোৱা সকলো ৱাৰ্ডাৰেই প্ৰবেশিকাত উত্তীৰ্ণ হোৱা। এই কাৰ্যই বাকী ৱাৰ্ডাৰসকল আৰু সমূহ বন্দীৰ মনত গভীৰ সন্দেহৰ ছাঁ পেলাইছে। গতিকে এই কামৰ দায়িত্ব সকলো ৱৰ্ডাৰকে সমানে দিয়াটো অত্যন্ত আৱশ্যকীয় হৈ পৰিছে। তাকে কৰিলেই হয়তো কাৰাগাৰৰ দুৰ্নীতিৰ আধাখিনি হ্ৰাস পাব।

(২) সকলো বন্দীৰে আপত্তি এই যে খাদ্য যোগানৰ দায়িত্বত যিজন বিষয়াই নাথাকক কিয় তেওঁ দুৰ্নীতিত গভীৰ ভাৱে জড়িত হয়। এই বিভাগৰ দায়িত্বৰ বাবে বিষয়াসকলৰো বিশেষ আকৰ্ষণ দেখা যায়। সময়ে সময়ে খোৱা-কামোৰাও দেখা যায়। প্ৰকৃততে যিহকে নহওক এই কাৰ্যই সন্দেহৰ জন্ম দিয়াটো স্বাভাৱিক। সেয়েহে এই বিভাগৰ পৰিচালনাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা প্ৰয়োজন। এই বিভাগটোৰ কাৰ্যকলাপ, হিচাপ-পত্ৰ নিৰীক্ষন কৰিবলৈ বন্দীৰ মাজৰ, পৰা এখন সমিতি গঠন কৰিব লাগে। এক নিৰ্দিষ্ট সময়লৈ সেই সমিতিৰ ম্যাদ থাকিব লাগিব।

(৩) এজন-দুজন বিষয়াৰ বিৰুদ্ধে কিছুমান গুৰুত্বপূৰ্ণ অভিযোগ আছে। সেই বিষয়ে উচ্চ বিষয়াক একাধিকবাৰ অৱগত কৰাও হৈছিল। কিন্তু তাৰ কোনো প্ৰতিক্ৰিয়া পৰিলক্ষিত নহ'ল। বন্দীক মাৰধৰ কৰা, চৰকাৰী ধন আত্মসাৎ কৰা আৰু ধৰা পৰিলত ১৯৮৬ চনৰ ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহত তাৰে একাংশ পকেটৰ পৰা দি হিচাপ মিলোৱা এজন সহকাৰী কাৰাপালকৰ বিষয়ে বিভাগৰ উচ্চ বিষয়াসকলে জানে. অথচ কোনেও কাৰ্যকৰী ব্যৱস্থা নল'লে। এই কথাই ইয়াকে প্ৰমান কৰে যে প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক, কাৰাগাৰৰ বহু বিষয়া দুৰ্নীতিৰ লগত জড়িত। কাৰণ চোৰে চুৰ কৰা দেখি মনে মনে থকা কাৰ্য আইনমতে দণ্ডনীয়।

শেষত, সকলোতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল—কাৰাগাৰ কাৰ দায়িত্বত ? কাৰাগাৰ নিয়মাৱলীৰ ২১ নম্বৰ ধাৰাত আছে: 'The Board of visitors shall pay a joint visit of inspection to the jail every quarterly and individual visitors once a forthnight.' (৩০) ক ধাৰাত আছে —'The District Magistrate shall visit the jail atleast once in every month during which he is present. In every month during which he is absent, he shall depute the magistrate in charge of headquarters to visit in his stead.' (৩৮) ক ধাৰা অনুসৰি—On one morning in every week, which shall usually be monday, the superintendent shall hold an inspection parade of all persons at which the medical Health Officer should be present. At each such parade the superintendent shall satisfy himself that—(a) every prisoner is properly classified as provided for in the rules on that behalf; (b) every prisoner is provided with proper clothing and bedding; (c) the provisions of the remission rules are understood by the prisoners; (d) generally that the rules and orders applicable to prisoners are being duly carried out.

কিন্তু উক্ত নিয়মবোৰ নিয়ম হৈয়েই ৰ'ল ; ইয়াক বাস্তৱত পৰিণত কৰা নহ'ল। ই অৱহেলা আৰু মাথোন অৱহেলাৰ বাবেই ১৯৮৪ আৰু ১৯৮৫, —এই দুই বছৰেBoard of Visitors, জিলা দণ্ডাধীশ কোনেও এবাৰো কাৰাগাৰ পৰিদৰ্শন কৰা আৱশ্যকবোধ নকৰিলে। কাৰাগাৰ মহাপৰিদৰ্শক মহোদয়ৰো কোনো আগ্ৰহ দেখা নগ'ল। ভাব হয় কাৰাগাৰৰ প্ৰতি যেন কাৰো কোনো দায়িত্বই নাই ; ৰঙা দেৱালৰ ভিতৰত বন্দী সকলক সুমুৱাই দিয়াৰ পাছত সমাজ অথবা চৰকাৰৰ দায়িত্ব যেন শেষ হৈ যায়। আজি সমাজ গঠন প্ৰক্ৰিয়াত কাৰাগাৰে ল'ব পৰা ভুমিকা গুৰুত্ব সহকাৰে বুজাৰ চূড়ান্ত মুহূৰ্ত উপস্থিত হৈছে। সেয়েহে চৰকাৰ, সমাজ সেৱা সংগঠনসমূহ আৰু সাধাৰণ ৰাইজলৈ গোহাৰি, তেখেতসকলে এই দিশত যেন চিন্তা-চৰ্চা কৰে, ইয়াৰ বাবে আৱশ্যকীয় ব্যৱস্থা ল'বলৈ আগবাঢ়ি আহে।



**মুকলি কাৰাগাৰ ?** গুৱাহাটী চহৰৰ ঘন জনবসতিপূৰ্ণ অঞ্চলৰ মাজ ভাগতে অৱস্থিত কাৰাগাৰটোৰ বিভিন্নঅংশ চৌকাষৰ ওখ দালান বিলাকৰ পৰা স্পষ্টকৈ দেখা পোৱা যায়। কাৰাগাৰৰ ওখ দেৱালখনেই অপৰাধী আৰু নিৰপৰাধীৰ একমাত্ৰ সীমাৰেখা জানো ?

হীৰেন ভট্টাচাৰ্যৰ
নিৰ্বাচিত কবিতা
সুগন্ধি পাখিলা
মূল্য--২০'০০ টকা
পৰিবেশক/প্ৰকাশিকা গুৱাহাটী-১

জন মানসত
বিজ্ঞান সন্মত মনোভাব
গঢ়াৰ উদ্দেশ্যৰে
ডঃ কুলেন্দু পাঠকৰ
ৰচনা
হেলিৰ ধুমকেতু
বিজ্ঞান প্ৰকাশ, গুৱাহাটী-১
পৰিবেশক :
ত্ৰিমূৰ্তি
গোপীনাথ বৰদলৈ পথ
আমবাৰী, গুৱাহাটী-৭৮১০০১

# ঊনবিংশ শতিকাৰ ভাৰতীয় নৱজাগৰণ আৰু অসম

শৈলেন ভৰালী

ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ ইতিহাসত ঊনবিংশ শতিকাই এক গৌৰৱময় স্থান অধিকাৰ কৰি আছে। ভাৰতীয় জাতীয় জীৱনৰ বিস্ময়কৰ বিকাশ আন আন যুগতো হৈছিল। সেই হিচাপে ভাৰত বুৰঞ্জীৰ কোনো কোনো যুগক স্বৰ্ণযুগ বুলিও চিহ্নিত কৰা হৈছে। কিন্তু ঊনবিংশ শতিকাটো বিশেষভাৱে তাৎপৰ্যপূৰ্ণ এই বাবেই যে এইসময়তে ভাৰতবৰ্ষত আধুনিক মনৰ বিকাশ ঘটে, ভাৰতীয় মানসিকতাত নৱজাগৰণৰ সূত্ৰপাত হয়। এই সময়চোৱাত ভাৰতৰ সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক জীৱনত যি জাগৰণে দেখা দিছিল তেনে জাগৰণ ইয়াৰ আগতে কেতিয়াও সম্ভৱ হৈ উঠা নাছিল। এই জাগৰণৰ মূলতে আছিল ইংৰাজৰ সৈতে সম্পৰ্ক আৰু ইংৰাজী শিক্ষাৰ জৰিয়তে লাভ কৰা চেতনা আৰু চিন্তাধাৰা।

ঊনবিংশ শতিকাত বৃটিছ শাসন নিকপকপীয়া হোৱাৰ পাছৰে পৰা ভাৰতবাসীৰ মনত পৰাধীনতাৰ বেদনা অধিক স্পষ্ট হৈ উঠিছিল। ইংৰাজসকলে ভাৰতীয়সকলক দ্বিতীয় শ্ৰেণীৰ নাগৰিক বুলিহে বিবেচনা কৰিছিল। শাসক শ্ৰেণীৰ বৈষম্যমূলক আচৰণৰ পৰিণতিস্বৰূপে দেশীয় লোকসকল উপযুক্ত সা-সুবিধা আৰু ন্যায্য মৰ্যাদাৰ পৰা বঞ্চিত হৈছিল। ইয়াৰ প্ৰতিক্ৰিয়াস্বৰূপে ভাৰতীয়সকলে নিজকে উন্নত কৰি তুলিবলৈ মানসিক প্ৰস্তুতি চলালে; ইংৰাজৰ শক্তি-সামৰ্থ্যৰ অধিকাৰী হ'বলৈ আগ্ৰহ প্ৰকাশ কৰিলে। তেওঁলোকে উপলব্ধি কৰিলে যে উন্নতিশীল ইউৰোপৰ চিন্তা-চৰ্চাৰ সাধনা নকৰিলে সেই শক্তিৰ ভাগ ল'ব নোৱাৰি। গতিকে ইংৰাজী শিক্ষাৰ জৰিয়তে আধুনিক জ্ঞান-বিজ্ঞানৰ অন্বেষণ কৰিবলৈ তেওঁলোক আগবাঢ়ি আহিল। ইংৰাজ চৰকাৰে দেশীয় লোকসকলক ইংৰাজী শিক্ষা দিবলৈ ইচ্ছা প্ৰকাশ কৰা নাছিল। কাৰণ তেনে শিক্ষাই আওপকীয়াভাৱে তেওঁলোকক শাসকশ্ৰেণীৰ বিৰুদ্ধে উঠিবলৈ প্ৰেৰণা দিব পাৰে বুলি আশংকা কৰিছিল। বিদেশী চৰকাৰে ইচ্ছা নকৰিলেও ভাৰতীয়সকলে নিজেই ইউৰোপীয় পদ্ধতিৰ শিক্ষা ল'বলৈ ব্যৱস্থা গ্ৰহণ কৰিলে। ১৮১৭ চনত ৰামমোহন ৰায়ৰ যত্নত কলিকতাত হিন্দু কলেজ স্থাপিত হ'ল। ইয়াৰ পৰাই প্ৰকৃততে পশ্চিমীয়া জ্ঞানৰ ভাণ্ডাৰ মুকলি হ'ল. পৰাধীনতাৰ সজাত আৱদ্ধ হৈ পৰা দেশবাসীক কুসংস্কাৰৰ পৰা মুক্ত কৰাৰ অভিপ্ৰায়েৰে আধুনিক যুক্তিনিষ্ঠ মনৰ অধিকাৰী কৰাৰ প্ৰচেষ্টা চলিল। ইংৰাজ-শাসনৰ প্ৰধান কেন্দ্ৰ কলিকতাৰ বুদ্ধিজীৱীসকলে এই আন্দোলনত প্ৰধান ভূমিকা গ্ৰহণ কৰিলে। ৰামমোহন, ঈশ্বৰচন্দ্ৰ 'বিদ্যাসাগৰ, দেবেন্দ্ৰ নাথ ঠাকুৰ, কেশব চন্দ্ৰ সেন আদিয়ে নেতৃত্ব বহন কৰিলে। সামাজিক মূল্যবোধৰ নৱ-মূল্যায়ন আৰম্ভ হ'ল। ভাৰতীয় নৱজাগৰণৰ পথ প্ৰদৰ্শক আৰু আধুনিক ভাৰতৰ পিতৃস্বৰূপ ৰামমোহন ৰায়ে ১৮২৬ চনত 'ব্ৰাহ্ম সমাজ' প্ৰতিষ্ঠা কৰে। হিন্দুধৰ্মৰ ৰক্ষণশীলতা আৰু কুসংস্কাৰৰ বিৰুদ্ধে বিদ্ৰোহ সংঘটিত হ'ল। প্ৰচলিত অন্ধবিশ্বাসৰ বিপৰীতে যুক্তিবাদী চিন্তাৰ প্ৰসাৰ ঘটাবলৈ বিচৰা হ'ল। মানৱতাবাদ আৰু যুক্তিবাদৰ সহায়ত আধুনিক মানৱধৰ্ম প্ৰতিষ্ঠাৰ প্ৰতি আন্তৰিকতাপূৰ্ণ আগ্ৰহ উপজিল। বংগদেশে কাটি দিয়া বাট ক্ৰমে আন আন প্ৰদেশেও অনুসৰণ কৰিলে। 'ব্ৰাহ্ম-সমাজ'ৰ আদৰ্শতে ১৮৬৭ চনত বোম্বেত 'প্ৰাৰ্থনা সমাজ' আৰু ১৮৭৫ চনত পঞ্জাবত 'আৰ্য সমাজ' প্ৰতিষ্ঠিত হ'ল। ইংৰাজী ভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰাত বিভিন্ন ভাষিক সম্প্ৰদায়ৰ মাজত ঐক্যবোধৰ সৃষ্টি হ'ল। জাতীয়তাবোধ জাগ্ৰত কৰাৰ চেষ্টাৰে দেশৰ প্ৰাচীন গৌৰৱ আৰু ঐতিহ্যক নতুন শিক্ষাৰ পোহৰত বিচাৰ কৰি চোৱাৰ চেষ্টা চলিল। ঔপন্যাসিক বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ 'আনন্দমঠ'ত (১৮৮২) সন্নিবিষ্ট 'বন্দে মাতৰম' গীতে সমগ্ৰ ভাৰতে জাতীয়তাবাদী ভাবৰ বীজ সিঁচি দিলে। দেশৰ সৰ্বাংগীন উন্নতিৰ বাবে আৰু প্ৰধানকৈ জাতীয় সংস্কৃতিৰ বিকাশৰ হকে ভাষিক আৰু সাংস্কৃতিক অধিকাৰ প্ৰতিষ্ঠাৰ জৰিয়তে আত্মপৰিচয় প্ৰদানৰ মনোভাব স্পষ্ট হৈ উঠিল। শিক্ষা, সমাজ আৰু সংস্কৃতিৰ এই অভূতপূৰ্ব জাগৰণত লাহে লাহে ভালেমান লোকে সঁহাৰি জনালে আৰু ফলস্বৰূপে ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত এদল চিন্তাশীল যুগনায়কৰ— লেখক, সাহিত্যিক, দাৰ্শনিক, বিজ্ঞানীৰ আৱিৰ্ভাৱ হ'ল। এওঁলোকক ঊনবিংশ শতিকাৰ ভাৰতীয় নৱজাগৰণৰ সন্তান বুলি ক'ব পাৰি। এই প্ৰতিভাসম্পন্ন লোকসকলৰ সৰহ সংখ্যকেই বংগীয় নৱজাগৰণৰ কোলাত প্ৰতিপালিত হৈ সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰিছিল।

বংগদেশত আৰম্ভ হোৱা সংস্কাৰধৰ্মী আন্দোলন অসমতো গঢ় লৈ উঠিছিল। ইংৰাজী শিক্ষাৰ উপৰিও চুবুৰীয়া বংগৰ বিশিষ্ট নেতাসকলৰ অনুপ্ৰেৰণা জড়িত হৈ আছিল। অৱশ্যে অসমত এই আন্দোলনে বৰ ব্যাপকতা লাভ কৰা নাছিল। কাৰণ, অসম ইংৰাজৰ অধীনলৈ গৈছিল ১৮২৬ চনতহে —বংগদেশতকৈ প্ৰায় ঊনসত্তৰ বছৰ পাছত। গতিকে ইয়াত ইংৰাজী শিক্ষাৰ বিস্তাৰ পলমকৈ হৈছিল তদুপৰি, কলিকতা ইংৰাজ শাসন আৰু সংস্কৃতিৰ স্নায়ুকেন্দ্ৰস্বৰূপ আছিল। সেইবাবে বংগদেশক আধুনিকতাৰ ঢৌৱে পোনপটিয়াকৈ স্পৰ্শ কৰিছিল আৰু আধুনিকতাৰ বাবে প্ৰয়োজনীয় বৌদ্ধিক বাতাবৰণে তাত দ্ৰুতভাৱে গা কৰি উঠিবলৈ সুযোগ পাইছিল। শেহতীয়াকৈ ইংৰাজৰ অধীনলৈ যোৱা অসমত তেনে বৌদ্ধিক প্ৰচেষ্টাৰ বাবে উপযুক্ত পৰিবেশ গঢ়ি উঠা নাছিল। তথাপি ঊনবিংশ শতিকাৰ মাজভাগৰপৰাই খৃষ্টিয়ান মিছনেৰিসকলৰ সংবাদপত্ৰ 'অৰুনোদই'ৰ (১৮৪৬) জৰিয়তে আধুনিক যুক্তিবাদী চিন্তাৰ উন্মেষ হৈছিল। মিছনেৰিসকলে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অধিকাৰ প্ৰতিষ্ঠাৰ বাবেই যুঁজা নাছিল, বৈজ্ঞানিক ধ্যান-ধাৰণাৰে অসমীয়া মানুহৰ সৰ্বতোমুখী উন্নতি সাধিবলৈকো চেষ্টা কৰিছিল। 'অৰুনোদই'ত অন্ধবিশ্বাস, সামাজিক কুসংস্কাৰ আদিৰ বিপৰীতে বৈজ্ঞানিক দৃষ্টিভংগীৰ পোষকতা কৰি আৰু সকলো ব্যভিচাৰৰ প্ৰতিকাৰস্বৰূপে শিক্ষা-বিস্তাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰবন্ধ প্ৰকাশ কৰা হৈছিল। আনকি অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতা দূৰীকৰণৰ অৰ্থে কৃষি-উন্নয়ন আৰু উদ্যোগ-বিকাশৰ কামনা কৰি লেখা আলোচনাও 'অৰুনোদই'ৰ পাততে প্ৰকাশ পাইছিল। এইদৰে 'অৰুনোদই' কাকতত নৱজাগৰণৰ ভাৱে দেখা দিছিল যদিও নৱজাগৰণৰ সৈতে জড়িত যুক্তিবাদী, মানৱতাবাদী আৰু সংস্কাৰধৰ্মী আন্দোলনে স্পষ্টতা লাভ কৰিছিল কেইগৰাকীমান শিক্ষিত অসমীয়াৰ ৰচনা আৰু কৰ্মৰ মাজেদি। সেইসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ নাম চিৰস্মৰণীয়। ঊনবিংশ শতিকাৰ ভাৰতীয় বৌদ্ধিক পৰিবেশে এওঁলোকৰ জীৱনক গঢ় দিছিল। উল্লেখযোগ্য যে এওঁলোক কেউজনেই 'অৰুনোদই'ৰ লেখক আছিল।

গুৱাহাটীৰ ইংৰাজী স্কুল আৰু কলিকতাৰ হিন্দু কলেজত শিক্ষা লাভ কৰা আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯ —১৮৫৯) ইংৰাজ চৰকাৰৰ সুদক্ষ কৰ্মচাৰী আছিল। আধুনিক শিক্ষা আৰু বংগীয় নৱজাগৰণৰ প্ৰভাৱ তেওঁৰ ওপৰত সম্পূৰ্ণভাৱেই পৰিছিল। ইংৰাজ চৰকাৰৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিও ঢেকিয়াল ফুকনে অসমীয়াৰ আত্মপৰিচয়ৰ যুঁজত যুক্তি আৰু সাহসেৰে থিয় দিছিল; অসমত ইংৰাজ শাসন প্ৰবৰ্তিত হোৱাৰ অলপ পাছতেই স্কুল, আদালতৰপৰা অপসাৰিত হৈ ঘৰতে আলহী হোৱা অসমীয়া ভাষাৰ পুনৰ সংস্থাপনৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল। সেই উদ্দেশ্যে তেওঁ পঢ়াশলীয়া পাঠ্যপুথি লিখিছিল, মিছনেৰিসকলৰ সৈতে সহযোগ কৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে কাম কৰিছিল আৰু ১৮৫৩ চনত অসমৰ বিষয়ে প্ৰতিবেদন যুগুতাবলৈ অহা ম'ফাট মিলছৰ হাতত দাখিল কৰা বিস্তাৰিত স্মাৰকপত্ৰত অসমত শিক্ষাৰ প্ৰসাৰৰ বাবে অসমীয়া ভাষাক ন্যায্য মৰ্যাদা দান কৰিবলৈ আৰু লগতে সংস্কৃত বিদ্যালয় স্থাপন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। মিলছে এই পৰামৰ্শসমূহৰ গুৰুত্ব উপলব্ধি কৰি তেওঁৰ প্ৰতিবেদনত ঢেকিয়াল ফুকনৰ স্মাৰকপত্ৰ সন্নিবিষ্ট কৰিছিল। অসমীয়া ভাষা বঙালী ভাষাৰ উপভাষা বুলি কোনো কোনোৱে উত্থাপন কৰা কথাৰ প্ৰতিবাদস্বৰূপে তেওঁ ১৮৫৪ চনত লিখা 'A Few Remarks on the Assamese Language'অত অকাট্য যুক্তিৰে অসমীয়া ভাষাৰ স্বকীয়তা প্ৰতিপন্ন কৰিছিল। জাতীয়তাবাদী চিন্তাৰে অনুপ্ৰাণিত হৈ ঢেকিয়াল ফুকনে তেওঁৰ নিচেই চমু জীৱনকালত যি কৰি গ'ল সিয়েই ভৱিষ্যতে অসমীয়া ভাষাৰ মুক্তিৰ পথ-নিৰ্মাণত সহায় কৰিলে। সিমানেই নহয়, আধুনিক শিক্ষাৰে শিক্ষিত ঢেকিয়াল ফুকনে স্বদেশ আৰু স্বজাতিৰ কল্যাণৰ হকে সকলো কুসংস্কাৰৰ বিৰুদ্ধে মাত মাতি আৰু যুক্তিবাদী, বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণৰ পোষকতা কৰি আধুনিক অসম গঢ়াৰ সপোন ৰচনা কৰিছিল। অসমত কল-কাৰখানা, বেপাৰ-বাণিজ্য আদি গঢ়ি উঠা আৰু ৰেল-জাহাজ আদিৰ প্ৰচলন হোৱা দিনলৈকে তেওঁ আগ্ৰহেৰে বাট চাইছিল।

গুণাভিৰাম বৰুৱা (১৮৩৭—১৮৯৪) আৰু হেমচন্দ্ৰ বৰুৱাই (১৮৩৫-১৮৯৬) আনন্দৰাম ঢেকিয়াল ফুকনৰ পথেদি আগবাঢ়ি গৈ সংস্কাৰমূলক আন্দোলনত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল। প্ৰকৃততে এওঁলোকৰ জীৱন আৰু সাহিত্য-কৰ্মৰ মাজেদি নতুন যুগটোৰ চিন্তাধাৰা ফটফটীয়াকৈ প্ৰতিফলিত হৈছিল। গুণাভিৰাম বৰুৱাৰ সম্পাদনাত কলিকতাৰপৰা প্ৰকাশিত 'আসাম বন্ধু' (১৮৮৫) কাকতত নতুন, উদাৰ, মানৱীয় দৃষ্টিভংগীয়ে প্ৰকাশ লাভ কৰিছিল। ৰাজা ৰামমোহন ৰায় আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ মতাদৰ্শৰ দ্বাৰা তেওঁ গভীৰভাৱে অনুপ্ৰাণিত হৈছিল। ১৮৬৯ চনত তেওঁ ৰামমোহন ৰায়ে প্ৰতিস্থা কৰা 'ব্ৰাহ্ম সমাজ'ৰ সভ্য হৈছিল। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ বিধৱা-বিবাহৰ মত সমৰ্থন কৰি 'ৰাম-নৱমী' (১৮৫৭) নাটক ৰচনা কৰাৰ উপৰিও গুণাভিৰামে তেওঁৰ প্ৰথমা পত্নীৰ মৃত্যুৰ পাছত এগৰাকী বিধৱাৰ পাণি গ্ৰহণ কৰি আৰু তেওঁৰ বিধৱা জীয়েক স্বৰ্ণলতাক পুনৰ বিবাহ দি বাস্তৱ জীৱনত সেই মত কাৰ্যকৰী কৰিছিল। বিদ্যাসাগৰৰ প্ৰতি তেওঁৰ অকুণ্ঠ ভক্তিৰ চিন তেওঁৰ উল্লেখনীয় ৰচনা আৰু প্ৰথম আধুনিক অসমীয়া নাটকৰূপে স্বীকৃত 'ৰাম-নৱমী'ৰ পাততে জিলিকি আছে। নাটকখনৰ শেষ-দৃশ্যত এটি সপোনৰ সহায়েৰে বিদ্যাসাগৰক উলিয়াই বিধৱা-বিবাহৰ সপক্ষে সবল যুক্তিৰে বিপক্ষক তিৰস্কাৰ কৰোৱা হৈছে। একেটা সমস্যাক লৈ গুণাভিৰামে লেখা 'বিবাহ ৰহস্য নাটক' নামৰ আন এখন নাটকৰ অংশবিশেষো প্ৰকাশিত হৈছিল। বিদ্যাসাগৰৰ মৃত্যুত তেওঁ গভীৰভাৱে আঘাতপ্ৰাপ্ত হৈ 'বিজুলী'ত (১৮৯০) প্ৰকাশিত এটা কবিতাৰে সেই মনীষী গৰাকীৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছিল।

হেমচন্দ্ৰ বৰুৱাই পৰিয়ালৰ লোকে নজনাকৈ ঘৰতে মনে মনে ইংৰাজী





OKDISCP

পঢ়ি আধুনিক বৈজ্ঞানিক দৃষ্টিভংগীৰ পোষকতা কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকন আৰু গুণাভিৰাম বৰুৱাৰ দৰে তেওঁ কলিকতাত শিক্ষা লাভ কৰা নাছিল যদিও নৱজাগৰণৰ সৈতে জড়িত জাতীয়তাবাদী আৰু সংস্কাৰধৰ্মী আন্দোলনে তেওঁক বাৰুকৈয়ে স্পৰ্শ কৰিছিল। গুণাভিৰামৰ দৰে তেওঁ বিদ্ৰোহী আছিল; কিন্তু তেওঁৰ ৰচনা আৰু কাৰ্যকলাপৰ মাজেদি বিদ্ৰোহী মনৰ উগ্ৰতা প্ৰকাশ পাইছিল। বিদ্যাসাগৰে বিধবা-বিবাহৰ কাৰণে লোৱা প্ৰচেষ্টাক তেওঁ সমৰ্থনেই কৰা নাছিল, বিধবাক পুনৰ বিবাহৰ-পৰা বঞ্চিত কৰা প্ৰতিবাদত নিজে দ্বিতীয়বাৰ বিবাহ কৰিবলৈ অস্বীকাৰ কৰিছিল। অসমীয়া জাতীয় জীৱনৰ উন্নতি কামনা কৰি তেওঁ অসমীয়া সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ, ভণ্ডামি, বাহ্যিকতা আৰু দুৰ্বলতাৰ বিৰুদ্ধে অভিযান চলাইছিল, হেমচন্দ্ৰৰ ব্যংগ-ৰচনা 'বাহিৰে ৰং চং ভিতৰে কোৱা-ভাতুৰী' (১৮৭৬) আৰু নাটক 'কানীয়াৰ কীৰ্তন' (১৮৬১) এই অভিযানৰে ফলশ্ৰুতি। দুইখন পুথিতে ভণ্ড, অন্ধবিশ্বাসী, সোৰোপা অসমীয়াক নিৰ্মমভাৱে আক্ৰমণ কৰা হৈছে। অসমীয়াৰ সাহিত্যিক আৰু সাংস্কৃতিক পৰিচয়ৰ বাবে হেমচন্দ্ৰই জীৱনজোৰা সাধনা কৰিছিল। ইয়াৰ সাক্ষ্য বহন কৰিছে তেওঁৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভস্বৰূপ 'হেমকোষ' (১৯০০) অভিধানে। অসমীয়া ভাষাক বৈজ্ঞানিক পদ্ধতিত প্ৰতিষ্ঠা কৰাৰ বাট কাটিবলৈ আৰু অসমীয়া সমাজক বৈজ্ঞানিক চিন্তাধাৰাৰে আধুনিক যুক্তিবাদী পৰম্পৰাৰ অধিকাৰী কৰিবলৈ কলম ধৰি হেমচন্দ্ৰই জাতীয় জীৱনৰ মহৎ উপকাৰ কৰি থৈ গৈছে।

আনন্দৰাম ঢেকিয়াল ফুকনে সূত্ৰপাত কৰা আৰু গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই আগুৱাই নিয়া বৌদ্ধিক জাতীয়তাবাদী আন্দোলনে পূৰ্ণতা লাভ কৰে উনবিংশ শতিকাৰ শেষ-দশক আৰু বিংশ শতিকাৰ আদি ভাগত নৱজাগৰণৰ ধ্যান-ধাৰণাৰে পুষ্ট এচাম লেখকৰ জৰিয়তে। লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪—১৯৩৮), চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭—১৯৩৮) আৰু হেমচন্দ্ৰ গোস্বামী এই লেখক বাহিনীৰ অগ্ৰণীৰূপে বিশেষভাৱে স্মৰণীয়। উচ্চ শিক্ষা গ্ৰহণৰ বাবে কলিকতালৈ যোৱা এই ডেকাসকলে জাতীয়তাবাদী চিন্তাৰে উদ্বুদ্ধ হৈ অসমীয়াৰ সাহিত্যিক আৰু সাংস্কৃতিক পৰিচয়ৰ বাবে প্ৰেৰণাদায়ক কামত আত্মনিয়োগ কৰিছিল। সেই উদ্দেশ্যে কলিকতাত 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' (১৮৮৮) পাতি আৰু সভাৰ মুখপত্ৰ 'জোনাকী' (১৮৮৯) উলিয়াই এটি সাহিত্যিক আন্দোলনৰ সৃষ্টি কৰি আধুনিক পাশ্চাত্য সাহিত্যৰ বিভিন্ন দিশ অসমীয়া সাহিত্যলৈ আদৰি আনিছিল। এইদৰে গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই নিৰ্মাণ কৰা নতুন সাহিত্যৰ ভেটি এই লেখকসকলে সুদৃঢ় কৰি তুলিছিল। এওঁলোকৰ ৰচনাত ভাৰতীয় নৱজাগৰণৰ মানৱতাবাদী আৰু আঞ্চলিক জাতীয়তাবাদী চিন্তাৰ অপূৰ্ব সংযোগ সাধন হৈছিল। অসমীয়া সাংস্কৃতিক পৰম্পৰা সংৰক্ষণ কৰাৰ বাবে এওঁলোকে অসমীয়া লোক-সংস্কৃতিৰ সৈতে পাশ্চাত্য সাহিত্যৰ সমন্বয় ঘটাবলৈ বিচাৰিছিল। বেজবৰুৱাই এই সাহিত্যিক আন্দোলনত আটাইতকৈ সক্ৰিয় অংশ গ্ৰহণ কৰাৰ লগতে কৃপাবৰ বৰুৱা (পাছত বৰবৰুৱা) নামৰ এক অমৰ চৰিত্ৰ সৃষ্টি কৰি হাস্য-ব্যংগৰ অননুকৰণীয় কৌশলেৰে অসমীয়া সমাজৰ দুৰ্বলতাসমূহলৈ আঙুলিয়াই সংস্কাৰ-আন্দোলনতো ভাগ লৈছিল। বেজবৰুৱাৰ বিশাল, উদাৰ ব্যক্তিত্বই প্ৰায় তিনিটা দশকলৈ অসমীয়া সাহিত্যৰ গতিপথ নিৰ্ণয়ত এনেদৰে সহায় কৰিছিল যে সাহিত্যৰ বুৰঞ্জীত অনেকে সেই সময়ছোৱাক বেজবৰুৱাৰ যুগ বুলি চিহ্নিত কৰিছে। আধুনিক সাহিত্যৰ এনে এটি ঠাল নাই য'ত বেজবৰুৱাই হাত দিয়া নাছিল আৰু কিছু পৰিমাণে হ'লেও কৃতকাৰ্য হোৱা নাছিল। কিন্তু বেজবৰুৱাৰ আটাইতকৈ ডাঙৰ কৃতিত্ব এইটোৱেই যে য'তেই তেওঁ হাত দিছিল ত'তেই ফুটি উঠিছিল অসমীয়াৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ সৈতে তেওঁৰ গভীৰ পৰিচয়ৰ ছাপ। স্বদেশপ্ৰেম আৰু জাতীয়তাবোধ বেজবৰুৱাৰ ৰচনাৰ মূল অনুপ্ৰেৰণা আছিল। অসম আৰু অসমীয়াৰ প্ৰতি তেওঁৰ গভীৰ ভালপোৱা 'অ' মোৰ আপোনাৰ দেশ' গীতটোতেই ফট্‌ফটীয়া হৈ আছে। বেজবৰুৱাৰ আগতে কমলাকান্ত ভট্টাচাৰ্যই (১৮৫৩—১৯৩৬) জাতীয় চৈতন্য সঞ্জীৱিত কৰিবলৈ চেষ্টা কৰিছিল। বেজবৰুৱাই তাত বিশেষত্ব দান কৰে। অসমৰ গৌৰৱময় সাংস্কৃতিক ঐতিহ্য ৰক্ষা কৰাৰ অৰ্থে বেজবৰুৱাই অসমীয়া সাধুকথাসমূহ সংগ্ৰহ কৰি আৰু অসমীয়া সংস্কৃতিৰ দুই গুৰু শংকৰ-মাধৱ প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্মৰ তত্ত্বসমূহ বিশ্লেষণ কৰি অতীতৰ পুনৰনিৰ্মাণ কৰিছিল। বেজবৰুৱাৰ দেশপ্ৰেম আৰু জাতীয়তাৰ প্ৰবলতা অম্বিকাগিৰী ৰায়চৌধুৰী (১৮৮৫—১৯৬৭) প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট লোকৰ ৰচনা আৰু কাৰ্যত অনুভূত হৈছিল।


মাত্ৰ প্ৰথম বছৰতেই সকলো ৰেকৰ্ড ভংগ কৰি অভিলেখ সৃষ্টি কৰা

*কিংখাপ*

গণেশগুৰি, গুৱাহাটী–৬

অনুমোদিত বিক্ৰেতা ঃঃ

চিঙ্গাৰ (মেৰিট) চিলাই মেচিন, নিটিং মেচিন,

ওৰিয়েণ্ট—খৈতান ফেন

মহুৰা ক'টচ্‌ৰ সূতা আৰু বিভিন্ন ৰঙৰ পাৰি ইত্যাদি




# সুগন্ধি আগৰ

বন্দন বৰুৱা

এজন মানুহে তেওঁৰ চ'ৰা ঘৰটো নতুনকৈ সাজিছিল। ওচৰৰ গাঁৱৰ এজন মানুহ তেওঁৰ ঘৰলৈ কিবা সকামত আহক। ঘৰটোত লগোৱা এটা চ'তি দেখি মানুহজনে গৃহস্থৰপৰা চ'তিটো খুজি আনিলে। বিনিময়ত তেওঁ দিলে আন এটা একে জোখৰ চ'তি আৰু নগদ ৫০০ টকা। মানুহজনে চ'তিটোৰ পৰা নিশ্চয় কেইবাহাজাৰো উলিয়ালে ; কাৰণ সেইটোত 'আগৰ' আছিল।

'আগৰ' (কোনো কোনোৱে 'অগৰু' বুলিও কয়) পৃথিৱীৰ ভিতৰতে আটাইতকৈ দামী সুগন্ধি তেল। ইয়াৰ এটা বিশেষত্ব হ'ল— ইয়াৰ তেল আৰু কাঠ দুয়োটাই আপুৰুগীয়া আৰু মূল্যবান। ইয়াৰ উৎপন্ন হয় ঘাইকৈ অসমত। গাৰো পাহাৰ, ভূটান আৰু বৰ্মা সীমান্ততো কিছু পৰিমাণে হয় ; কিন্তু অসমতে আটাইতকৈ বেছিকৈ হয়। অৰুণাচলতো এতিয়া কিছু পোৱা গৈছে।

কিন্তু দুৰ্ভাগ্যৰ কথা অসম চৰকাৰে এই মূল্যবান সম্পদ আৰু শিল্পটো ৰক্ষণাবেক্ষণৰ একো চেষ্টা নকৰিলে। চৰকাৰৰ বন বিভাগৰ অৱহেলাত বৰ্তমান 'আগৰ'ৰ ব্যৱসায় অসমত নাই বুলিলেই হয়। থকা কেইটাও অৰুণাচল, বৰ্মা সীমান্ত আদিৰপৰা বেছিভাগ কাঠ আনি কোনোমতে চলাই ৰখা হৈছে।

আগৰৰ আদৰ আটাইতকৈ বেছি আৰব দেশসমূহত। নিজৰ বস্তু নিজে নাইকিয়া কৰি অসমৰ বন বিভাগ বেচ বিপদতো পৰি আছে। এবাৰ ভূতপূৰ্ব প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী আৰব দেশসমূহলৈ যোৱাৰ আগতে তাৰ নেতৃস্থানীয় লোকসকলক উপহাৰ দিবলৈ বুলি এক কেজিকৈ আগৰ তেল আৰু কাঠ অসমৰপৰা খুজি পঠালে। অসমৰ বন বিভাগ বিবুদ্ধিত পৰিল। প্ৰধান মন্ত্ৰীক নাই বুলিও কব নোৱাৰে, অথচ সামগ্ৰী দুইপদ তেওঁলোকৰ হাতৰ বাহিৰত। পাছত তেওঁলোকে হোজাইৰ চোৰাং (অৱশ্যে চোৰাং বুলিব নোৱাৰি — এই কথালৈ পাছত আহিম) বেপাৰীৰপৰা অধিক মূল্যত বস্তুখিনি কিনি দিল্লীলৈ পঠালে। টকা কেনেকৈ মিলালে জনা নাযায়। ইন্দিৰা গান্ধীয়ে আন পদ্ধতি নলৈ চৰকাৰকে বিচাৰিছিল ; কাৰণ তেওঁ সম্ভৱ ভাবিছিল বন বিভাগৰ হাতত আগৰ নিশ্চয় আছে।

১৯৮২ চনত এটা বাতৰিয়ে অসমতে নহয় বাহিৰতো খলক লগাইছিল। গুৱাহাটী শোধনাগাৰৰ জেনেৰেল মেনেজাৰৰ ঘৰ খানাতালাচী কৰি প্ৰায় ৫ লাখ টকা মূল্যৰ ৯.৫ কেজি আগৰ তেল পুলিছে উদ্ধাৰ কৰে। ক'ৰপৰা এইবিলাক কিনিছিল, কাক কিমান নম্বৰ বিয়েৰাৰ চেকেৰে টকা দিছিল এই বিলাকো প্ৰকাশ পাইছিল। শোধনাগাৰে ক্ৰয় তেওঁলোকে বস্তুটো কিনা হয়,— লুকুৱাবলৈ একো নাই। কিনিছিল ওপৰৰ নিৰ্দেশত— পঠাইছিল দিল্লীলৈ। তাৰপৰা উপহাৰ দিছিল আৰবৰ শ্বেখক— ভাৰত চৰকাৰৰ কোনো কোনো নেতাই। এটা কথাহে প্ৰকাশ নহ'ল— শোধনাগাৰে আগৰ তেলত লাখ লাখ টকা খৰচ কৰিবলৈ টকা কৰপৰা পাইছিল।

অসমৰ দুৰ্নীতি নিৰোধ পুলিছ শাখাই তদন্ত ভালকৈ চলাইছিল। পাছত সম্ভৱ দিল্লীৰ হেঁচাত তেওঁলোকে গা এৰা দিয়ে। কাগজৰ ভাষাত "The External Affairs Ministry has taken interest in the case and reportedly wants it to be ignored as far as possible because of the international implications.

অৱশ্যে অসমৰ বন বিভাগে জেনেৰেল মেনেজাৰজনক ৪০ টকা জৰিমনা কৰে। লাখ টকাৰ ব্যৱসায়ত ৪০ টকা জৰিমনা!

'আগৰ' হয় সাঁচি গছত। সাঁচি গছ অসমত আগতে অপৰ্যাপ্ত পৰিমাণে পোৱা গৈছিল। ইয়াৰ বাকলিতে পূৰ্বে পুথিও লিখা হৈছিল। আগৰ তেল কোনে কেনেকৈ কেতিয়া আৱিষ্কাৰ কৰিলে তাক বহুত চেষ্টা কৰিও জানিব পৰা নহ'ল। কিন্তু এটা কথা ঠিক,— ইয়াক আবিষ্কাৰ কৰাৰ পৰাই সাঁচি গছ ক্ৰমে নাইকিয়া হৈ আহি এতিয়া প্ৰায় শেষেই হ'ল।

আগৰ এটা অদ্ভূত বস্তু। সকলো সাঁচি গছতে আগৰ নহয়। কিছুমানতহে হয়। তাকো সৃষ্টি কৰে এবিধ পোকে। পোকে গছ ডালত সোমাই খুলি খায় আৰু গছ জোপা বেমাৰী কৰে। গা গছ ডালৰ মাজত হোৱা কাঠফুলা অংশই (fungus) আগৰ। কোনডাল গছত আগৰ আছে তাক অভিজ্ঞ লোকেহে ধৰিব পাৰে। ওপৰত উল্লেখ কৰা চ'তি অনা লোকজন অভিজ্ঞ। তেওঁ দেখিয়েই ধৰিব পাৰিছিল যে তাত আগৰ আছে।

অসমৰ বন বিভাগে আগতে 'আগৰ মহল' বিক্ৰি কৰিছিল। অসমত বোলে চাৰিটা মহল আছিল। মহল বিক্ৰি কৰা মানে ডাঙৰ ডাঙৰ এলেকা একোটা ২/৩ বছৰলৈ ঠিকাদাৰক দি দিয়া হয়। তাৰপৰা তেওঁলোকে সাঁচি গছ কাটি আগৰ আহৰণ কৰিব পাৰে। ঠিকাদাৰৰ লগত সাঁচি গছ কটা সম্পৰ্কে যোৰহাট বন বিষয়াৰ ১৬৩৮ নম্বৰ চুক্তিখন দেখিছিলো। এই চুক্তিমতে ঠিকাদাৰক ২১/১২/৭৭অৰ পৰা ২০/১১/৭৯ লৈ যোৰহাট মহকুমাত সাঁচি গছ কাটিবলৈ দিয়া হৈছিল মাত্ৰ ১২,০৫১ টকাত। তাকো দিবলৈ কোৱা হৈছে ৮ টা কিস্তিত। কেৱল আগৰ থকা গছহে কাটিব পাৰিব বুলি চুক্তিত কোনো কথা নাই। অৱশ্যে এটা কথা আছে —চাৰে চাৰি ফুট বেৰৰ গছহে কাটিব পাৰিব। কিন্তু ইমান বেৰৰ গছ সাধাৰণতে নাথাকে। আন গছ কাটিলে ১০০ টকাকৈ জৰিমনা হব। কিন্তু এই কথা পালন কৰা হৈছে নে নাই হোৱা সেইটো কোনে চায়? ঠিকাদাৰে এই চুক্তিৰ বলত এফালৰপৰা গছ কাটি যায়। তাতে ফালি আগৰ পালে লৈ আহে। নহলে এৰি থৈ আহে। এনে কৰোঁতে বনাঞ্চলত সাঁচি



OKDISCD

গছ শেষ। ফলত ১৯৭৯ চনৰপৰা আগৰ মহল নাইকিয়া হয়। যোৰহাটৰ বন বিষয়াই কোৱা মতে অৱশ্যে ৮৩ চনৰ জানুৱাৰী মাহলৈকে আছিল। কোটি টকা ব্যৱসায়ত বন বিভাগে পালে মাত্ৰ কেইহাজাৰমান টকা।

যি দেখা গৈছে বন বিভাগে গোটেই শিল্পটোকে বাদ দিলে। তেওঁলোকে এতিয়ালৈকে ক'তো সাঁচি গছৰ পুলি পৰিকল্পিতভাৱে ৰোৱা নাই। হোলোঙা পাৰ ৰিজাৰ্ভত বোলে আধা হেক্টৰ মাটিত সাঁচি গছ আছে। তাত ছিলভি-কালচাৰ বিভাগে কিবা গৱেষণা চলা-ইছে। বন বিভাগৰ সামাজিক বনানী-কৰণ বিভাগেও আজিৰ কাষত সাঁচি গছ ৰুব পাৰিলেহেঁতেন। বা গাঁৱৰ ৰাইজক খালীহৈ থকা মাটিত সাঁচি গছ ৰুবলৈ উৎসাহিত কৰিব পাৰিলে-হেঁতেন। এশ জোপাৰ পাঁচ জোপাত আগৰ লাগিলেও হাজাৰ হাজাৰ টকা ওলালহেঁতেন। জনামতে নামনি অসমত কিছু লোকে চেগুণ, শাল আদি গছ ৰোৱে। বিয়া সবাহ বা কিবা আপদ বিপদ হলে চেগুণ এজোপা দুজোপা কাটিয়েই ১০/১২ হাজাৰ টকা উলি-য়ায়। উজনিত এনে বিপদত মানুহে মাটিহে বেচে বা বন্ধক দিয়ে।

সাঁচি গছত সোমাই আগৰ কৰা পোকটোৰ বিষয়েও এতিয়ালৈকে কোনো ভাল গৱেষণা কৰা হোৱা নাই। কোনোবা এজননে দুজন বিজ্ঞানীয়ে ব্যক্তিগতভাৱে কিছুদিন চেষ্টা এটা চলাইছিল; কিন্তু সময় আৰু খৰচৰ অভাৱত তেওঁলোকে সেই কাম এৰি দিলে।

যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰে ৫/৬ বছৰৰ আগলৈকে বহুত নতুন নতুন তথ্য উদ্ভাৱন কৰিছিল। তেওঁ-লোকে সাঁচি গছৰ বিষয়েও গৱেষণা কৰা হলে দেশৰ বহুত উপকাৰ হল-হেঁতেন। এজনক সোধাত কলে,— "বহুত দিন লাগিব"। তেওঁ কিন্তু পাহৰি গল যে এজোজনে জীৱনটো গৱেষণা কৰিও কেতিয়াবা ফল নাপায়। কাঠৰ পৰা তেল উলিয়াওঁতে বোলে সাধা-ৰণতে শতকৰা ২০ ভাগ তেল কাঠত ৰৈ যায়। গুজৰাটৰ এটা কোম্পানিয়ে (যি যোৰহাটত আগৰৰ কাৰবাৰ কৰি-ছিল) গৱেষণাগাৰক অনুৰোধ কৰিলে— কেনেকৈ সকলো তেল উলিয়াব পাৰি তাৰ ব্যৱস্থা দিবলৈ। গৱেষণাগাৰে ৩ হাজাৰ টকা ফিজ ললে, কিন্তু একো সমাধান দিব নোৱাৰিলে। সাঁচি গছত পোকটো বা বেমাৰটো কেনেকৈ লগাব পাৰি তাৰ গৱেষণা কৰা অতীব প্ৰয়োজন।

অসমৰ হোজাইত এতিয়া আগৰ তেলৰ ব্যৱসায় চলি আছে। এওঁলোকে বোলে অসমৰ বাহিৰৰপৰা কাঠ আনে। সকৈ চলি আছে নাহৰণীত। ইয়াত প্ৰায় ৫০ টা মান শোধন কৰা কাৰ-খানা আছে। তাৰ পাছতে ৬ আছে নামতিত। এই দুই ঠাইত স্থানীয়ভাৱে কাঠ যোগাৰ কৰা হয়। কেতিয়াবা ঠিকাদাৰৰ পৰাও কাঠ কিনা হয়। নামতিৰ ফালে ঘৰে ঘৰে সাঁচি গছ ৰুইছেও। এই বিলাকৰ উপৰিও অ'ত ত'ত কাৰখানা ১/১ টা চলি আছে।

আগতেই কৈছো— আগৰ তেল উলিওৱাটো চোৰাং কাম নহয়। কাৰণ ইয়াৰ কাৰণে কোনো অনুমতি নালাগে। আমাৰ বন বিভাগে কেতিয়াবাই শিল্পটো নিয়ন্ত্ৰণ কৰিব পাৰিলেহেঁতেন। নিজেটো নকৰিলেই, এজনে আবেদন কৰাত বনৰক্ষকে (তেতিয়াৰ মুখ্য

Assam Schedule IA (PartII) Form No.1A

**GOVERNMENT OF ASSAM**

OFFICE OF THE.....CONSERVATOR OF FORESTS.........ASSAM.....

No. C-223/54-57/b....., dated Shillong, 4 th.June, 1956.

From THE CONSERVATOR OF FORESTS
ASSAM.

To

Subject:— Agar Oil Manufacture.

Reference:— Your petition dated 5.12.55.

Dear Sir,

With reference to your above mentioned petition, I am to inform you that no Government permission is necessary for manufacture of Agar Oil on cottage industry basis. You may, however, contact the Director of Cottage Industries, Assam, Shillong for advice if needed by you.

Yours faithfully,

for Conservator of Forests,
Assam.




আগৰ তেল উলিওৱা প্ৰথম ব্যৱস্থা। বাচনটো তামৰ। বহুতে বাঁহৰ নিৰ্গম নল ব্যৱহাৰ কৰিছিল। সংগ্ৰহ-পাত্ৰটো এটা পানীৰে ভৰা পাত্ৰৰ মাজত ৰাখিছিল। ঢাকনি, নলী আদিত সাধাৰণতে মাটি বা আটাৰ আঠা লেপি তাপ সোমাব নোৱাৰা কৰা হৈছিল।

বিষয়া) ১৯৫৬ চনতে উত্তৰ দিলে যে আগৰ তেল কৰিবলৈ কোনো অনুমতি নালাগে। ওপৰত উল্লেখ কৰা গুজ-ৰাটৰ কোম্পানিটোৱে কেইবছৰমানৰ আগতে ২/৩ খন চিঠি দি মুখ্য বন সংৰক্ষকৰপৰা কোনো উত্তৰ নাপালে।

ব্যৱসায়ীৰ ভাষাত আগৰ তেলযুক্ত সাঁচি গছৰ কাঠৰ অংশবোৰক 'কচ' বুলি কয়। 'কচ'ক তেওঁলোকে ৪ প্ৰকা-ৰত ভাগ কৰে: (১) পাহাৰী— ইয়াৰ ৰং ঘোৰ ক'লা আৰু উজ্জ্বল; (২) বৰ-জাতি— বৰণ ক'লা-মুগা আৰু আঁহযুক্ত; (৩) বাছুৱা আৰু (৪) কলাগাছি। শেষৰ দুবিধ সাধাৰণতে তেল যুক্ত হয়। ওপৰৰ কেইবিধ গোন্ধৰ বজা। ইয়াক 'কৃষ্ণ আগৰ' বুলিও কয়।


পাহাৰী আৰু বৰজাতিক সাধাৰণতে কাঠ হিচাপে ব্যৱহাৰ কৰা হয় আৰু ই অতি মূল্যবান। এনে কাঠৰ মূল্য ভাৰততে কেজিত ৪৫/৫০ হাজাৰ টকা। বম্বেৰ বেপাৰীয়ে আৰবৰপৰা কিমান দাম লয় জনা নাযায়।

এজোপা সাঁচি গছ কটাৰ পৰা তাৰ ভিতৰৰ কচ বছালৈকে ভালেখিনি কাৰিকৰী জ্ঞানৰ আৱশ্যক। অভিজ্ঞ মানুহে গছৰ কুণ্ডা কৰি ফালি-চিৰি, প্ৰয়োজন বোধে বটালি মাৰি কচ উলিয়ায়। তাৰ মাজত সেইবোৰ ভাগ কৰা হয়। এক আৰু দুই নম্বৰৰ কচবিলাকক আকৌ তিনিভাগে ভগোৱা হয়:— প্ৰথম, দ্বিতীয় আৰু তৃতীয়। তাৰ পাছত এইবিলাকক চাঁচি, চিকুণাই একোখন পাতল ফনি বা স্কেলৰ দৰে কৰা হয়। তাৰ পাছত বজাৰত দিয়া হয়। প্ৰকাৰ ভেদে ইয়াৰ দাম কেজিত ৩০ অৰ পৰা ৫০ হাজাৰ টকা হয়। এনে এটুকুৰা কাঠ কোঠাৰ ভিতৰত থলে কেৱল কোঠাটোৱেই নহয়— এটা ডাঙৰ এলেকা গোন্ধাই থাকে। এনে কাঠ পঠাওঁতে বোলে বাটত গোন্ধ নোলাবলৈ সাধাৰণতে বোকাৰে লেপি ভালকৈ পেক কৰি পঠোৱা হয়।


তেল উলিওৱাটো আৰু কষ্টকৰ। তেলযুক্ত অংশবোৰক দা আদিৰে কাটি টুকুৰা-টুকুৰ কৰা হয়। পাছত ঢেঁকী জাতীয় যন্ত্ৰৰে খুন্দি যিমান পৰা যায় গুড়ি কৰা হয়। তাৰ পাছত পানীত ডুবাই এটা বাচনত জাল দিয়া হয়। ভাপ-বিলাক নলীৰ মাজেদি নি তাক শীতল কৰিলে নিষ্কাশনকাৰী তেল পোৱা যায়।

এজন তেল নিষ্কাশনকাৰীৰপৰা জনা মতে ৮ কেজি কাঠৰপৰা সাধা-ৰণতে ২/২½ গ্ৰাম তেল পোৱা হয়। তাকো একেৰাহে ৭০ ঘণ্টালৈকে জুই

দ্বিতীয় পৰ্যায়: পদ্ধতি একেই। মাত্ৰ শীতলীকৰণ ব্যৱস্থাটো মাজলৈ (পানীৰ কনডেনছাৰ) অনা হ'ল। সংগ্ৰহ পাত্ৰ আগৰ দৰে পানীৰ মাজত নাথাকে। বাচন, নলী—সকলো তামৰ।




OKDISCD




আধুনিক পদ্ধতি। নতুনত্ব বিশেষ নাই। নলী, বাচন জলশীতক পাত্ৰ আদি সকলো ষ্টেইনলেছ ষ্টিলৰ হল।

দি। বাচন বিলাক সাধাৰণতে ৮ কেজি বস্তু ধৰা আকাৰৰ হয়। ইয়াৰ কাৰণ কিন্তু কোনেও কব নোৱাৰিলে। জুই সাধাৰণতে খৰিৰে দিয়া হয়। কয়লা ব্যৱহাৰৰ চেষ্টা কৰা হোৱা নাই। কোনোবা এজনে দুজনে গেছ ব্যৱহাৰ কৰি চাইছে। কিন্তু খৰচ বোলে বেছিহে পৰে। তেল নিষ্কাশন কৰা পুৰণি পদ্ধতিয়েই চলি আছে যদিও আহিলা-পাতি কিছু উন্নত হৈছে। তেল নিষ্কাশন কৰাৰ পাছত পোৱা কাঠৰ গুড়িবোৰৰো বজাৰ আছে। ইয়াক ধূপ কৰাত ব্যৱহাৰ কৰা হয়। কিন্তু পৰিমাণ কম কাৰণে ইয়াৰ বাবে সাধাৰণতে ক্ৰেতা নাহে। উল্লেখযোগ্য যে এই সকলো ক্ৰেতা বাহিৰৰ।

এই তেলৰ দাম প্ৰকাৰ ভেদে ১০ গ্ৰামত ১৫০০ টকাৰপৰা ২০০০ টকা অৰ্থাৎ কেজিত ডেৰ লাখৰপৰা দুই লাখ টকালৈকে হয়। ভাৰতত প্ৰস্তুত কৰা প্ৰায় সকলো সুগন্ধি তেলতে অগৰু ব্যৱহাৰ কৰা হয় আৰু এইবিলাক ভাৰতৰ বাহিৰলৈও যায়। গতিকে চাহিদা বৰ বেছি। ইয়াৰ বাবে দালাল ঘূৰিয়েই ফুৰিছে।

আগতে কোৱা হৈছে আগৰ তেল প্ৰস্তুতৰ কাৰণে কোনো অনুমতি নালাগে। বন বিভাগ বা অসম চৰকাৰৰ আন কোনো বিভাগৰে ইয়াৰ ওপৰত নিয়ন্ত্ৰণ নাই। গতিকে বছৰি লাখ লাখ টকা মূল্যৰ সামগ্ৰী ৰপ্তানি হ'লেও বিদেশী মুদ্ৰা আনৰ হাতলৈহে যায়, চৰকাৰে একেবাৰে নাপায়। তদুপৰি লাখ লাখ টকাৰ বিক্ৰিত অসম চৰকাৰে বিক্ৰিকৰো এক পইচাও নাপায়।

প্ৰকৃতিৰ দান এই মূল্যবান শিল্পটো অসমৰপৰা ক্ৰমে লোপ পাই আহিছে। কেইবছৰমানৰ পাছত সম্ভৱ একেবাৰে নাইকিয়া হব। ইয়াৰ প্ৰধান কাৰণ হ'ল চৰকাৰৰ বিশেষকৈ বন বিভাগৰ অদূৰদৰ্শিতা।

কেইজনমান ব্যৱসায়ীয়ে কোৱা মতে এতিয়া বোলে ভাৰতলৈ ছিঙাপুৰৰ পৰা একে তেল আহিছে। দামো প্ৰায় আধা। গতিকে অসমৰ তেলৰ চাহিদা কমি গৈছে। তাতে সাঁচি গছো পাবলৈ নাই। গতিকে কিছু লোকে এই ব্যৱসায় এৰিবলৈ বাধ্য হৈছে।


মইছুলৰ বিয়া হ'ল—
কাৰ লগত ?

ভাৰতৰ বিভিন্ন ঠাইৰ ১,২৫২ খন মঞ্চত অনুষ্ঠান পৰিবেশন কৰি চাউণ্ড এণ্ড কমেডিয়ে দহ বছৰত ভৰি দিলে।



আমাৰ এইবছৰৰ বিশেষ আকৰ্ষণ সমূহ হ'ল—
মইছুলৰ বিয়া, সংগদোষ, পত্নী-পত্নীৰ গৃহযুদ্ধ, আমি পাহৰি নাযাওঁ।

Sound & Comedy
Hedayetpur, Guwahati-781003
Phone No—R—27792
O—28361
28362






# মগজুৰ কছৰৎ

ড° অচিন্ত্য সুন্দৰ শৰ্মা

প্ৰাগৈতিহাসিক যুগৰ এটা শামুকৰ মগজু আধুনিক মানব-নিৰ্মিত সবাটোকৈ জটিল যন্ত্ৰটোতকৈয়ো বহুগুণে বেছি জটিল। ক্ৰমবিকাশৰ অতি নিম্নস্তৰত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ সৰলদেহী প্ৰাণীবোৰৰ পৰা আৰম্ভ কৰি মানুহলৈকে জীৱৰ সমস্ত ক্ৰিয়া-প্ৰতিক্ৰিয়াই মস্তিষ্কাশ্ৰয়ী। এই মস্তিষ্কৰ যোগেদিয়েই আমি বহিৰ্বিশ্বৰ বিভিন্ন পৰিঘটনৰ বিষয়ে অৱগত হওঁ, অনুভৱ কৰো আৰু বিচাৰ বিশ্লেষণেৰে যথোপযুক্ত সঁহাৰি দেখুৱাওঁ। অকল বহিৰ্জগতেই নহয়, অন্তৰ্জগত তথা মনোজগতৰ কাৰ্যকলাপসমূহো, অৰ্থাৎ মগজুৰ নিজৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াসমূহো নিয়ন্ত্ৰণ কৰে মগজুৱে নিজেই। মনোজগত আৰু বহিজগতত প্ৰতিনিয়ত উদ্ভৱ হোৱা বৃহৎ-ক্ষুদ্ৰ প্ৰতিটো সমস্যাৰ সমাধান বিচৰাটোৱেই হ'ল মগজুৰ দায়িত্ব। মগজুৰ গঠন আৰু গঢ়নৰ ক্ষেত্ৰত প্ৰাগৈতিহাসিক যুগৰ পূৰ্বপুৰুষ সকলতকৈ আমাৰ মস্তিষ্ক তুলনামূলকভাৱে বিশেষ উন্নত হোৱা নাই ; আনহাতে দায়িত্বৰ ক্ষেত্ৰত আমাৰ মগজুৰ বোজা অপেক্ষাকৃতভাৱে, অকল্পনীয় হাৰত বৃদ্ধি পাব লাগিছে। বিভিন্ন দিশত কৰ্মৰ পৰিসৰ বৃদ্ধি পোৱাৰ লগে লগে উদ্ভৱ হোৱা সমস্যাসমূহো অধিক জটিল হৈ পৰিছে। বৰ্তমানৰ প্ৰতিযোগিতামুখী পৰিবেশৰ সংঘাতপূৰ্ণ ধ্যান-ধাৰণাৰ আৱৰ্তত মানসিক স্থিতিসাম্য অক্ষুন্ন ৰাখি সামাজিক বা ব্যক্তিগত কোনো ন্যায়নীতিগত প্ৰশ্নৰ সমাধান কৰাটো ক্ৰমাগত অধিক দুষ্কৰ হৈ আহিছে। সেয়ে মগজুৰ কাৰ্যপদ্ধতিৰ বিষয়ে পুংখানুপুংখ ভাৱে অৱগত হোৱাটো আজিৰ মানুহৰ বাবে গুৰুত্বভাৱে প্ৰয়োজনীয় হৈ পৰিছে— যাতে মগজুৰ কাৰ্যদক্ষতাৰ উৎকৰ্ষণৰ বাবে এনে কিবা উপায় উদ্ভাৱন কৰিব পৰা যায় যাৰ সাহায্যত মস্তিষ্কৰ ধাৰণশক্তিৰ বৰ্তমানৰ সীমাবদ্ধতা অতিক্ৰম কৰি জ্ঞান-বিজ্ঞানৰ বিভিন্নক্ষেত্ৰত ক্ৰমাগত বিপুলভাৱে বিস্তৃত হবলৈ ধৰা জ্ঞাতব্য বিষয়সমূহ অধিক দক্ষতাৰে আয়ত্ত কৰি মহাদেশ-মহাশূন্যত মানব প্ৰতিভাৰ আৰু অধিক সজীৱ স্বাক্ষৰ ৰখাটো সহজেই সম্ভৱ হৈ উঠিব।

মগজুৰ কাৰ্যদক্ষতাৰ উৎকৰ্ষণৰ প্ৰশ্নটো লৈ বিজ্ঞানীসকলে বহু আগৰে পৰাই পৰীক্ষা-নিৰীক্ষা চলাই আহিছে। সাধাৰণতে লক্ষ্য কৰা যায় যে দীৰ্ঘদিন ধৰি চলা নিয়মিত শাৰীৰিক প্ৰশিক্ষণৰ ফলত শৰীৰৰ মাংসপেশীবোৰৰ বৃদ্ধি হয় ; লগে লগে শৰীৰ কৰ্মঠ আৰু দৃঢ় হয়। অনুৰূপ ভাৱে, মানসিক প্ৰশিক্ষণৰ ফলত মস্তিষ্কৰ কিবা বৃদ্ধি হয়নে ? আনহাতে দেখা যায় যে শৰীৰ চৰ্চা ব্যাহত হোৱাৰ লগে লগে মাংসপেশীসমূহৰ দৃঢ়তা আৰু পটুতা নিম্নমুখী হয় ; —শৰীৰ শিথিল হৈ পৰে। ঠিক তেনেকৈ বহুদিন ধৰি সমস্ত বৌদ্ধিক চিন্তা চৰ্চাৰপৰা সম্পূৰ্ণ বিৰত থাকিলে বুদ্ধিজীৱীসকলৰ মস্তিষ্কৰ কিবা অৱক্ষয় হয়নে ? —এই প্ৰশ্নবোৰৰ বৈজ্ঞানিক সমিধান বিচাৰি অষ্টাদশ শতিকাৰ মাজভাগত Michele Gaetano Mabacaine নামৰ এজন ইটালীয়ান শৰীৰ সংস্থানবিদে কিছু পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰিছিল। গৱেষণাৰ বাবে একে মাক-দেউতাকৰ আৰু একে বয়সৰ কেইটামান কুকুৰ পোৱালী আৰু কেইবিধমান বিশেষ বিশেষ প্ৰজাতিৰ চৰাই পোৱালি যোৰা-যোৰাকৈ লৈ তেওঁ প্ৰতিযোৰাৰে এটাক পৰীক্ষাগাৰত ৰাখি বিভিন্ন ধৰণে প্ৰশিক্ষণ দিছিল আৰু আনটোক মুক্তভাৱে অভিজ্ঞতা অৰ্জনৰ বাবে প্ৰাকৃতিক পৰিবেশত উন্মুক্ত কৰি দিছিল। কিছুদিন প্ৰশিক্ষণৰ পাছত প্ৰকৃতি-পালিত আৰু গৱেষণাগাৰত প্ৰশিক্ষণপ্ৰাপ্ত প্ৰতিটো পোৱালিৰে শিৰ ব্যৱচ্ছেদ কৰি চোৱাত দেখা গ'ল যে প্ৰকৃতিপালিতবিলাকতকৈ গৱেষণাগাৰত প্ৰশিক্ষণপ্ৰাপ্ত পোৱালি-বিলাকৰ মস্তিষ্ক অধিকপুষ্ট ; —বিশেষকৈ উচ্চ মস্তিষ্কৰ (cerebral cortex) ভাঁজবোৰ অধিক পুৰঠ আৰু তুলনামূলকভাৱে সংখ্যাটো যথেষ্ট ডাঙৰ। সেই সময়ত এই ধৰণৰ কটা-ছিঙা কামবিলাক সমাজে বৰ ভাল চকুৰে চোৱা নাছিল ; সেয়ে সামাজিক দৃষ্টি ভংগীৰ ৰোষত পৰি Mabacain অৰ গৱেষণা আৰু বেছি দূৰ আগুৱাব নোৱাৰিলে।

ইয়াৰ প্ৰায় দুই শতিকাৰ পাছত আমেৰিকাৰ কেলিফোৰ্নিয়া বিশ্ববিদ্যালয়ৰ এদল বিজ্ঞানীয়ে এন্দুৰৰ ওপৰত এলানি পৰীক্ষা চলাইছিল। তেওঁলোকে এন্দুৰবোৰক ভাগ ভাগ কৰি কেইটামান কাঠৰ বাকচত বেলেগ বেলেগ ধৰণে ৰাখিছিল। এটা বাকচ সম্পূৰ্ণ খালী আছিল। আন এটা বাকচত এনে কিছুমান খেলৰ সামগ্ৰী ৰখা হৈছিল যিবোৰে সিহঁতৰ কৌতুহল জগাই তুলিব পাৰে, আৰু সিহঁতে সেই সামগ্ৰীবোৰৰ যথাযথ ব্যৱহাৰ কৰিব পাৰে। তদুপৰি এই সামগ্ৰীবোৰ সঘনে সলাই থকা হৈছিল—যাতে নতুন নতুন সামগ্ৰীবোৰৰ সৈতে অভ্যস্ত হৈ সিহঁতে নতুন নতুন অভিজ্ঞতা লাভ কৰিব পাৰে। এনেদৰে দহ সপ্তাহ প্ৰশিক্ষণৰ শেষত মস্তিষ্ক ব্যৱচ্ছেদ কৰি চোৱাত দেখা গ'ল যে খালী বাকচটোত থকা এন্দুৰবোৰৰ তুলনাত নিতৌ নতুন নতুন সমস্যা সমাধানৰ জৰিয়তে অভিজ্ঞতা লাভৰ সুযোগ পোৱা এন্দুৰবোৰৰ উচ্চমস্তিষ্ক অধিক পুষ্ট।

আন এদল এন্দুৰক এটা বালিভৰ্তি বাকচত ৰখা হৈছিল যাতে গাত খন্দা, ঘৰ বনোৱা, শস্য জমা কৰা প্ৰভৃতি এন্দুৰৰ প্ৰবৃত্তিজাত আচৰণবোৰ অব্যাহত থাকে। এনে পৰিবেশত প্ৰশিক্ষণ প্ৰাপ্ত এন্দুৰবোৰৰ মগজুৰ ওজন তুলনামূলকভাৱে কৃত্ৰিম পৰিবেশত প্ৰশিক্ষণ প্ৰাপ্ত এন্দুৰবোৰতকৈ আৰু বেছি পোৱা গ'ল। উচ্চমস্তিষ্কৰ ভাঁজবোৰো অধিক পুৰঠ আৰু মস্তিষ্কৰ পৰিশোষণকাৰী কলা Glia ৰ অনুপাতো তুলনামূলকভাৱে যথেষ্ট বেছি। এই লানি পৰীক্ষাত দেখা গ'ল যে স্বাভাৱিক পৰিবেশত যদি প্ৰশিক্ষণৰ ব্যৱস্থা থাকে তেন্তে



OKDISCD

সি এন্দুৰৰ মস্তিষ্কবৃদ্ধিত প্ৰভূত পৰিমাণে সহায় কৰিব পাৰে।

মানৱ মস্তিষ্কৰ স্নায়ুকলাবোৰৰ গঠনো অন্যান্য স্তন্যপায়ী প্ৰাণীবোৰৰ দৰেই প্ৰায় একে ধৰণৰ। সেয়ে অন্যান্য স্তন্যপায়ী প্ৰাণীবোৰৰ বিষয়ে কৰা অধ্যয়নে মানুহৰ ক্ষেত্ৰতো অনুৰূপ সম্ভাৱনীয়তাকেই সূচায় যদিও ইয়াক প্ৰত্যক্ষভাৱে প্ৰমাণ কৰাটো অৱশ্যেই অসুবিধাজনক। বিশ্বৰ কৃতী শিল্পী-সাহিত্যিক, বৈজ্ঞানিক-দাৰ্শনিকসকলৰ মস্তিষ্ক জীৱন্তে ব্যৱচ্ছেদ কৰি নোচোৱালৈকে ইয়াৰ প্ৰত্যক্ষ প্ৰমাণ পোৱা নাযাব। সেই কাম নিতান্তই অকল্পনীয়। আনহাতে মৰণোত্তৰভাৱে কৰা পৰীক্ষাতো প্ৰকৃত তথ্য পোৱা নাযায়। কিয়নো আকস্মিক দুৰ্ঘটনাৰ বাহিৰে জৰা-ব্যাধিজনিত মৃত্যুত মগজুত অৱক্ষয়মুক্ত হৈ নাথাকে। পৰোক্ষ প্ৰমাণৰ ভিত্তিত যি দেখা যায়,— মস্তিষ্ক চৰ্চা যিমানেই বেছি কৰা হয় তাৰ কৰ্ম ক্ষমতা আৰু উৎকৰ্ষতা বৃদ্ধি পায়। অনুৰূপভাৱে কোৱা যায়,— মস্তিষ্ক চৰ্চা ব্যাহত হোৱাৰ লগে লগে মগজুৰ কাৰ্যদক্ষতাও ক্ৰমাগত স্তিমিত হৈ পৰে। বাৰ্দ্ধক্য-নিবাসৰ নিৰুত্তাপ পৰিবেশত জীৱন-কটোৱা বৃদ্ধসকললৈ লক্ষ্য কৰিলেই ইয়াৰ স্পষ্ট প্ৰমাণ পোৱা যায়। উত্তেজনাহীন পৰিবেশত জীৱনৰ ক্ষণ গণা এই সকল বৃদ্ধই কোনো অচিনাকি সমস্যা সমাধান কৰাৰ বা নতুন পৰিবেশৰ সৈতে অভ্যস্ত হোৱাৰ বা নিজাকৈ কোনো নতুন কৰ্মৰ সূচনা কৰাৰ মানসিকতা ক্ৰমাগত হেৰুৱাই পেলায়। নিষ্ক্ৰিয়তা আৰু অৱসাদগ্ৰস্ততাৰ বাবে সমস্ত সৃজনাত্মক চিন্তা ক্ৰমাগত লোপ পায়। আনহাতে নিজা পৰিয়ালবৰ্গ, বন্ধু বান্ধৱ তথা ইষ্টকুটুম্বৰ সৈতে উত্তেজনাপূৰ্ণ পৰিবেশত জীৱন অতিবাহিত কৰা বৃদ্ধসকলৰ অৱক্ষয়সূচক মানসিক প্ৰতিক্ৰিয়াসমূহৰ তীব্ৰতা তুলনামূলক ভাৱে বহু পৰিমাণে কম। বৃদ্ধ বয়সত নিষ্ক্ৰিয় জীৱন যাপন কৰিলে শৰীৰৰ পেশীসমূহৰ দ্ৰুত অৱক্ষয় আৰম্ভ হয়; তাৰ লগে লগে কাম কৰাৰ ক্ষমতাও কমি আহে। বেচ সুস্বাস্থ্যৰ মানুহ এজনো বহুদিন ধৰি শয্যাশায়ীহৈ থাকিলে শৰীৰৰ বিভিন্নতন্ত্ৰৰ কাৰ্যক্ষমতা ক্ৰমাগত হ্ৰাস পায়। অন্যান্য যন্ত্ৰ আৰু মানুহৰ দেহ যন্ত্ৰৰ মাজত এটা বিশেষ পাৰ্থক্য আছে; যেনে এটা ঘড়ি হৈছে "a static complex with interlocking arrangement of gear wheels;" আনহাতে মানুহ হৈছে "a dynamic complex, such as the organisation of a machine in which all the component parts function in three dimensions and are made of elastic." সেয়ে আন আন যন্ত্ৰবোৰ বহুদিন অচল অৱস্থাত থাকিলেও তাৰ কাৰ্যক্ষমতাৰ বিশেষ হ্ৰাস নাপায় বা বেছিকৈ চলালেও বৃদ্ধি নাপায়। কিন্তু আলস্য বা নিষ্ক্ৰিয়তাই মানুহৰ দক্ষতাৰ নিশ্চিত অৱনতি ঘটায়; আনহাতে যথোপযুক্ত চৰ্চাই মানুহৰ ক্ষমতা আৰু দক্ষতা ক্ৰমাগত উন্নততৰ কৰি তোলে। "The more you have, the more you use; the more you use, The more you grow. অৱশ্যে অকল ব্যৱহাৰ কৰিলেই নহ'ব, ব্যৱহাৰ প্ৰক্ৰিয়াটোও বিকাশমুখী হ'ব লাগিব। নহলে জীৱনৰ আগবয়সৰে পৰাই অফিছ কেছাৰীত কলমৰ কুস্তি কৰা প্ৰতিজন চাকৰীয়ালেই অৱসৰ গ্ৰহণৰ সময়লৈ একো একোজন লেখক বা গম্ভীৰ চিন্তাবিদহৈ উঠিলহেঁতেন। দেখা যায়, এই ধৰণৰ কামবোৰৰ বেছিভাগেই বৈচিত্ৰহীন· একঘেঁয়ী আৰু বিৰক্তিকৰ, সেইবোৰত উত্তৰোত্তৰ বিকাশৰ সুযোগ খুব কমেই থাকে। অন্যান্য দৈনন্দিন অভ্যাসৰ দৰেই এইবোৰো কিছুমান মাথো সৰল অভ্যাসহে হৈ পৰে। আনহাতে আইন-চিকিৎসা বা অন্যান্য যিবোৰ বৃত্তিত নিতৌ নতুন নতুন সমস্যাৰ বিষয়ে সিদ্ধান্ত লব লগা হয়, য'ত নিজস্ব যোগ্যতা পৰীক্ষা কৰি নতুন নতুন অভিজ্ঞতা লাভৰ সুযোগ আছে, তেনেধৰণৰ বিকাশমুখী বৃত্তিত সময়ৰ লগে লগে দক্ষতাও ক্ৰমাগত উন্নততৰ হয়। মস্তিষ্ক সক্ৰিয় ৰখাৰ অৰ্থই হৈছে নিত্য নতুন জিজ্ঞাসা নতুন আলোকৰ সন্ধান।

কোনো নতুন কথা আয়ত্ত কৰিবৰ সময়ত মস্তিষ্কৰ অভ্যন্তৰত কেনে ধৰণৰ পৰিবৰ্তনৰ সূচনা হয় বা কেনে পৰিবৰ্তনৰ প্ৰতিক্ৰিয়া প্ৰকাশ সম্ভৱ হয়?

গঠনৰ ফালৰপৰা দেখা যায় যে মস্তিষ্কৰ শ্বেত অংশ (white matter) টো বহু ট্ৰিলিয়ন স্নায়ুতন্তুৰে (nerve fibre) গঠিত। এই স্নায়ুতন্তুবোৰে মস্তিষ্কৰ বিভিন্ন অংশক পৰস্পৰৰ সতে আৰু স্নায়ুসংস্থাৰ অন্যান্য অংশৰ সৈতে সংলগ্ন কৰি ৰাখে। আনহাতে মস্তিষ্কৰ ছাইৰ নিচিনা (grey matter) অংশটোত প্ৰায় দহ বিলিয়ন কোষ আছে। এই কোষবোৰৰ প্ৰতিটোৱেই অন্য কেইবাহাজাৰো কোষৰ সৈতে সংযোগক্ষমতাসম্পন্ন। পাভলভীয় মত অনুযায়ী কোনো নতুন ধৰণৰ আচৰণ প্ৰকাশৰ ক্ষেত্ৰত মস্তিষ্কৰ স্নায়ুকেন্দ্ৰ বা স্নায়ুকোষবোৰৰ মাজত নতুন সংযোগ পথৰ সূচনা হয়। এইখিনিতেই কুকুৰৰ ওপৰত চলোৱা পাভলভৰ এটা বিখ্যাত পৰীক্ষাৰ কথা উল্লেখ কৰিব পৰা যায়। পৰীক্ষাটোত প্ৰথমে কুকুৰটোক এটা ঘণ্টা বজাই শুনোৱা হ'ল আৰু লক্ষ্য কৰা গ'ল যে ঘণ্টাৰ শব্দ শুনি কুকুৰটোৰ মুখৰ লালটি ওলোৱা হোৱা নাই। আনহাতে দেখা যায় যে আগত খাদ্যবস্তু দেখিলে কুকুৰটোৰ মুখত লালটি ওলাবলৈ ধৰে। এতিয়া ঘণ্টাতো বজাই ঠিক তাৰ পাছতেই খোৱাবস্তু দেখুৱাই চোৱা হ'ল। এনেকৈ কিছুদিনৰ পাছত দেখা গ'ল যে কেৱল ঘণ্টাৰ শব্দ শুনিলেই কুকুৰটোৰ লালটি ওলায়। ঘণ্টাৰ শব্দত কুকুৰটোৰ মনলৈ খাদ্যবস্তুৰ ধাৰণাটো অহাৰ ফলতেই লালটি ওলোৱা সম্ভৱ হয়, —এইটো হৈছে মনন ক্ৰিয়াৰ এটা প্ৰাথমিক উদাহৰণ। ইয়াৰ ব্যাখ্যা দি কোৱা হয় যে মুখত বা চকুৰ আগত



খাদ্যবস্তুৰ উপস্থিতিয়ে উচ্চমস্তিষ্কৰ একোটা বিশেষ স্নায়ুকেন্দ্ৰ বা কোষ সমষ্টিক উত্তেজিত কৰি তোলে। এই প্ৰাথমিক কেন্দ্ৰটোৰপৰা অহা স্নায়ুপ্ৰবাহে লালটিগ্ৰন্থিক উত্তেজিত কৰাৰ ফলত লালটিৰ নিঃসৰণ হয়। তেনেকৈ ঘণ্টাৰ শব্দয়ো মস্তিষ্কৰ অন্য এটা কেন্দ্ৰ উত্তেজিত কৰি তোলে। এতিয়া ঘণ্টাৰ শব্দ আৰু খাদ্যবস্তু একেসময়তে উপস্থাপন কৰাৰ ফলত মস্তিষ্কৰ দুয়োটা কেন্দ্ৰৰ মাজত সংযোগ স্থাপন হয়; সেয়ে ঘণ্টাৰ শব্দই প্ৰাথমিক কেন্দ্ৰটোকো উত্তেজিত কৰাৰ ফলত লালটিৰ নিঃসৰণ সম্ভৱ হয়। অৱশ্যে গোটেই প্ৰক্ৰিয়াটো বাস্তৱিকতে ইমান সৰল নহয়।

প্ৰশিক্ষণৰ ফলত সজীৱ মস্তিষ্কৰ অভ্যন্তৰত হোৱা পৰিবৰ্তনসমূহৰ বিষয়ে বিভিন্ন দৃষ্টিকোণৰপৰা চলোৱা অধ্যয়নত নতুন নতুন তথ্য উদ্ভাৱন হৈ আছে। প্ৰমাণ পোৱা গৈছে যে পুনঃ পুনঃ প্ৰশিক্ষণৰ ফলত বিশেষ বিশেষ মস্তিষ্ককোষৰ আয়তন বাঢ়ি পৰস্পৰৰ কাষ চাপি যোৱাৰ ফলত স্নায়ুপ্ৰবাহৰ গতি দ্ৰুত হয়। নতুন নতুন সংযোগ সেতু (synapse) গঠিত হয়; ফলত মস্তিষ্ককোষৰ মাজত নতুন সংযোগ পথৰ সূচনা হয়। যিমানেই বেছি আবৰ্তসংযোগ (connections circuit) গঠিত হবলৈ ধৰে, মস্তিষ্ককোষৰ সক্ৰিয়তাও সিমানেই বৃদ্ধি পায়। এই আবৰ্ত সংযোগ কোষটোৰ সক্ৰিয়তা অনুযায়ী মাথো কেইডজনমানৰপৰা আৰম্ভ কৰি প্ৰায় বিশ হাজাৰ মানলৈকে হ'ব পাৰে। তদুপৰি সংযোগ সেতুবোৰত উত্তেজনা সংবহনৰ বাবে থকা ৰাসায়নিক অনুঘটকবোৰৰ পৰিমাণ বৃদ্ধি পায়। মস্তিষ্ককোষৰ প্ৰ'টিনৰ সংযুক্তিও সালসলনি হয়। দেখা গৈছে যে প্ৰশিক্ষণৰ দ্বাৰা মস্তিষ্কৰ পৰিপোষণকাৰী কলা Glia ৰ বিকাশো বহুপৰিমাণে প্ৰভাৱিত হয়। অকল সেয়েই নহয়;—দীৰ্ঘদিনীয়া প্ৰশিক্ষণৰ ফলত DNA আৰু RNA ৰ গঠনো প্ৰভাৱিত হয় বুলি প্ৰমাণ পোৱা গৈছে।

এটা সময়ত মানুহৰ ধাৰণা আছিল —যিবোৰ মানুহৰ মূৰৰ আকৃতি ডাঙৰ, সিহঁতৰ মূৰত থকা মগজুৰ পৰিমাণ বেছি; গতিকে সিহঁত বেছি বুদ্ধিমান। কিন্তু কেইবাগৰাকীও অসাধাৰণ প্ৰতিভাসম্পন্ন বিজ্ঞানীৰ মৰণোত্তৰ পৰীক্ষাত দেখা গ'ল যে তেওঁলোকৰ মস্তিস্কৰ ওজনো অন্যান্য সাধাৰণ মানুহৰ সমানেই। সাধাৰণতে এজন প্ৰাপ্তবয়স্ক লোকৰ মস্তিষ্কৰ ওজন গড়ে চৈধ্যশ গ্ৰাম্। মণীষা আৰু নিবুৰ্দ্ধিতাৰ মাজৰ পাৰ্থক্যটো মস্তিষ্কৰ ওজন বা আকৃতিগত পাৰ্থক্যৰ সমানুপাতিক নহয়। এজন নোবেল বঁটা বিজয়ী বিজ্ঞানী আৰু এজন দিন-মজুৰৰ মস্তিষ্কত থকা কোষৰ সংখ্যা প্ৰায় সমানেই; —পাৰ্থক্যটো হৈছে সক্ৰিয় আৰু নিষ্ক্ৰিয় কোষৰ অনুপাত আৰু কোষসমূহৰ বিকাশৰ মাত্ৰা, —যিটো যথোপযুক্ত চৰ্চাৰ ফলত আৰু বিকশিত হোৱাৰ সম্ভাৱনা অহৰহ বিদ্যমান।

সাধাৰণতে মানুহৰ মস্তিষ্ক চল্লিছ বছৰ মানলৈহে বৃদ্ধি হয় বুলি থকা ধাৰণাটো কোনো বৈজ্ঞানিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। কিয়নো আৰু বিকশিত হোৱাটো একেবাৰে অসম্ভৱ হ'লে জীৱনৰ শেষদিন পৰ্যন্ত বাগদেৱীৰ নিৰলস সাধনা সম্ভৱ নহয়। অকল সাধনাই নহয়, শিল্প, সাহিত্য, বিজ্ঞান প্ৰভৃতি বিভিন্ন বিষয়ত মনন ক্ৰিয়াৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তি বহুক্ষেত্ৰত জীৱনৰ শেষ বয়সৰ ফালেই প্ৰকাশ হোৱা দেখা যায়। বিজ্ঞানীসকলৰমতে বাৰ্ধক্যজনিত শাৰীৰিক দুৰ্বলতা স্বত্ত্বেও সৃষ্টিৰ সম্ভাৱনীয়তা আৰু মনন শক্তিৰ তীক্ষ্ণতা অটুত থকাটো সম্ভৱ। অসাধাৰণ সৃজনশীলতাৰ স্বাক্ষৰ ৰাখিব পৰা ভালেমান ব্যক্তিৰ ক্ষেত্ৰতে বয়স বঢ়াৰ লগে লগে মনন শক্তিও ক্ৰমাগত তীক্ষ্ণতৰ হোৱা দেখা যায়। এশ বছৰ অতিক্ৰম কৰিও সক্ৰিয় জীৱন যাপন কৰা তিনিশতকৈও অধিক সফল পুৰুষৰ জীৱন অধ্যয়ন কৰি ভাৰ্জিনিয়াৰ গৱেষক Dr. Belle Boone Beard এ মন্তব্য কৰিছে: "The unlearned loose the power of clear thinking as they grow old, but scholars gain it as the years advance." ভালেমান বিশ্ববৰেণ্য মণীষীৰ জীৱনে এই মন্তব্যৰ যথাৰ্থতাকেই সূচায়। বিখ্যাত গ্ৰীক দাৰ্শনিক ছফোক্লিছে প্ৰায় নব্বৈ বছৰ বয়সত ঈডিপাছ এ্যাট কলোনাছ লিখিছিল। নোবেল পুৰস্কাৰ বিজয়ী বাৰট্ৰাণ্ড ৰাছেল ৯৮ বছৰ জীয়াই আছিল আৰু জীৱনৰ শেষ দিনলৈকে তেওঁৰ লিখনী সচল আছিল। বিখ্যাত জাৰ্মান কবি গ্যেটে মৃত্যুৰ আগে আগে, ৮৩ বছৰ বয়সত তেওঁৰ অমৰ কাব্য ফাউষ্টৰ দ্বিতীয়খণ্ড শেষ কৰিছিল। মণীষী উইল ডুৰাণ্টে ৯০ বছৰ বয়সত তেওঁৰ Story of Civilization অৰ একাদশখণ্ড প্ৰকাশ কৰিছিল। বিখ্যাত ঐতিহাসিক টয়েনবিয়ে তেওঁৰ বহুখণ্ডত প্ৰকাশিত Study of History মৃত্যুৰ আগমুহূৰ্তলৈকে লিখিছিল। মনঃ সমীক্ষক ছিগমণ্ড ফ্ৰয়েডে তেওঁৰ Moses and Monotheism ৮৩ বছৰ বয়সত লিখিছিল। কিউবিজিমৰ প্ৰবৰ্তক প্ৰখ্যাত চিত্ৰশিল্পী পাবলো পিকাছো, ইটালিৰ প্ৰখ্যাত শিল্পী টিছিয়ান আৰু মাইকেলএঞ্জেলো প্ৰায় এশ বছৰ মানলৈ জীৱনৰ শেষ দিন পৰ্যন্ত অবিশ্ৰান্তভাৱে চিত্ৰাংকণত লিপ্ত অছিল। বিখ্যাত জীৱনী লেখক Andrew Mawrois এ তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি Prometheus: The life of Balzac" লিখিছিল ৮০ বছৰ বয়সত। ৰুছ দেশৰ শ্ৰেষ্ঠ বিজ্ঞানী পাভলভ, মহাত্মা টলষ্টয়: জাৰ্মানিৰ সেনাপতি হিণ্ডেনবাৰ্গ, চেন্সেলাৰ এডেনয়েৰ, ফ্ৰান্সৰ শ্ৰেষ্ঠ লেখক ভল্টেয়াৰ, ভিক্টৰ হুগো; ইংলণ্ডৰ কবি টেনিছন, ৰাজনীতিবিদ গ্লেডষ্ট'ন আৰু চাৰ্চিল, নাট্যকাৰ বাৰ্নাৰ্ডশ্ব, শৰীৰ বিজ্ঞানী চাৰ্লছ শ্বেৰিংটন; মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাজনীতিজ্ঞ ফ্ৰেংকলিন, পৃথিৱী বিখ্যাত আবিষ্কাৰক এডিছন, মনস্বিনী মহিলা হেলেন কেলাৰ, বিজ্ঞানী আইনষ্টাইন, ভাৰতবৰ্ষৰ চৈতন্য-চৰিতা-

মৃতৰ ৰচয়িতা কৃষ্ণদাস কবিৰাজ ৯৮ বছৰ বয়সলৈকে, বিবাদ ভুংগাৰ্ণব প্ৰণেতা জগন্নাথ তৰ্ক পঞ্চানন ৯৬ বছৰ বয়সলৈকে, ৰবীন্দ্ৰনাথ ঠাকুৰ ৯০ বছৰ বয়সলৈকে আৰু সৰ্বপল্লী ৰাধাকৃষ্ণণ ৮২ বছৰ বয়সলৈকে সক্ৰিয় আছিল। এই ক্ষেত্ৰত ৰাজা গোপালাচাৰীৰ নামো উল্লেখযোগ্য। সুদীৰ্ঘ জীৱনৰ শেষ পৰ্যন্ত নিজ নিজ বিষয়ত অতি সক্ৰিয় আছিল। সেয়ে দেখা যায় 'চল্লিছত চলিহাই ধৰা'ৰ নিচিনা অৱস্থাটো অৱধাবিত নহয়; যথোপযুক্ত চৰ্চাৰে এৰাই চলাটো সম্ভৱ।

যুগ-যুগান্তৰ ধৰি হোৱা বিবৰ্তনৰ ফল, সৃষ্টিৰ শ্ৰেষ্ঠতম কম্পিউটাৰ মানব মস্তিষ্কৰ অতুলনীয় কৰ্মক্ষমতাৰ অধিকাংশই আমি এতিয়াও কামত লগাব পৰা হোৱা নাই। মগজুৰ অভ্যন্তৰৰ অধিকাংশই অব্যৱহৃত থকাৰ ফলত এক বিপুল পৰিমাণৰ মানসিক শক্তি এতিয়াও সুপ্ত আৰু সংৰক্ষিত। মস্তিষ্কৰ কোটি কোটি কোষৰ মাত্ৰ সামান্য অংশহে কামত লগোৱা হয়। মনোবিদ উইলিয়াম জেমছৰ মতে এজন সাধাৰণ মানুহৰ (average man) ক্ষেত্ৰত উচ্চমস্তিষ্কৰ দহবিলিয়ন কোষৰ মাত্ৰ দহ-শতাংশহে সক্ৰিয়; বাকী নবৈৰ শতাংশই সুপ্ত অৱস্থাত থাকে। মগজুৰ এই সুপ্ত অংশৰ ব্যৱহাৰৰ কৌশল আয়ত্ত কৰিব পাৰিলে মানুহ বিভিন্ন প্ৰকাৰৰ মননক্ৰিয়াৰ অধিকাৰী হ'ব পাৰিব। বিশেষজ্ঞসকলে চলোৱা বিভিন্ন পৰীক্ষাই মস্তিষ্কৰ অব্যৱহৃত অংশৰ ব্যৱহাৰ সম্পৰ্কে যথেষ্ট আশা-ব্যঞ্জক ফল দেখুৱাইছে। দেখা গৈছে যে প্ৰশিক্ষণৰ দ্বাৰা মস্তিষ্কৰ দুয়োটা গোলাৰ্ধকেই একেসময়তে পুৰ্ণ শক্তিত সক্ৰিয় কৰি তোলাটো সম্ভৱ। একে সময়তে দুয়োখন হাতেৰে দুটা বিভিন্ন ভাষাত বা দুটা বিভিন্ন বিষয়ৰ প্ৰবন্ধ লিখা, বা একে সময়তে কিতাপ পঢ়ি পঢ়ি অন্য এটা বিষয়ত আনৰ লগত আলোচনা কৰা, বা একে সময়তে দুটা পৃথক পৃথক সমস্যা সমাধানত মনোনিবেশ কৰা প্ৰভৃতি মস্তিষ্কৰ নতুন নতুন ব্যৱহাৰ কেৱল অভ্যাসৰ দ্বাৰাই আয়ত্ত কৰাটো সম্ভৱ। মানব মস্তিষ্কৰ অব্যৱহৃত অংশৰ ক্ৰমবৰ্ধমান ব্যৱহাৰে মানুহৰ বৌদ্ধিক বিবৰ্তনৰ ক্ষেত্ৰলৈ এক উজ্জ্বল সম্ভাৱনা আনিছে। সুপ্ত আৰু সংৰক্ষিত নতুন মানসিক শক্তি উদ্বুদ্ধ হোৱাৰ লগে লগে মনন ক্ৰিয়াৰ গুণগত উৎকৰ্ষতাও বৃদ্ধি পাব আৰু মানুহ অতি শীঘ্ৰেই এক অভাৱনীয় শক্তিৰ অধিকাৰী হৈ উঠিব।


হেমবৰুৱাৰ কবিতা

(বালিচন্দা, মনময়ূৰী আৰু অ-প্ৰকাশিত কবিতাৰ সংকলন)

মূল্য—৩৫ টকা

ৰঙা কৰবীৰ ফুল

মূল্য—১২ টকা

ক্ৰিকেটৰ সঁথৰ

মূল্য—১০ টকা

পুলক লাহিড়ীৰ


(অসমীয়া ভাষাত ক্ৰিকেট-কুইজৰ একমাত্ৰ কিতাপ)

*এলবিএছ পাব্লিকেশ্যন*

জি. এন. বৰদলৈ ৰ'ড

গুৱাহাটী-১









সাতচল্লিছ

# জীৱনৰ দীঘ আৰু বাণি

মহেশ্বৰ নেওগ



## পিৰ দেখন কী আসমৈন্

মহাপুৰুষ শংকৰদেৱ কোনো দিনে গুৰু নানকৰ দেশ পঞ্জাবলৈ যোৱা নাছিল। উত্তৰৰ বদৰিকাশ্ৰমলৈ গৈছিল, য'ত 'মন মেৰি ৰামচৰণ হিঁ লাগু' গীতটি ৰচনা কৰিছিল। হৰিদ্বাৰলৈও গৈছিল, য'ৰ 'কেৱা' লোকে গুৰুজনৰ সংগৰ এজন ভকতক মাছ ৰন্ধা দেখি 'মুছুলি খোৱা বনমানুহ' বুলি মাৰিবলৈ খেদি আহিছিল। আধুনিক পণ্ডিত ডক্টৰ মোহন সিংহ দিৱানাই খেদ কৰে, শিখসকলৰ পঞ্চম গুৰু অৰ্জুনদেৱে 'গুৰু গ্ৰন্থ-সাহিব' সংকলন কৰোঁতে শংকৰদেৱ-মাধৱদেৱৰ সুন্দৰ বৰগীতখিনিনো কিয় নাপালে। কাৰণ, পোৱা হ'লে তেওঁ শেখ ফৰিদ বা নামদেৱৰ দৰে আমাৰ গুৰু দুজনাৰ গীতো নিশ্চয় পৱিত্ৰ গ্ৰন্থত সামৰি ল'লেহেঁতেন। অধুনা কাললৈকে সেই দেখি গীতেৰেই হওক বা বাণীৰেই হওক, পঞ্জাবলৈ শ্ৰীমন্ত শংকৰৰ শুভাগমন হোৱা নাছিল। সেই শুভগমন পিছে হ'ল আকাশ-পথেদি— পদব্ৰজেও নহয়, ৰেল-গাড়ী, মটৰ-গাড়ীৰেও নহয়। তাহানি অসমৰ ক'লীয়াপানী বোলা উত্তৰ লখীমপুৰলৈ ৰেল-বাট হোৱাৰ আগতে ৰৰখন ৰণৰ দিনত আকাশ-পথহে মুকলি হৈছিল লীলাবাৰীত আকাশী জাহাজৰ ঘাটি কৰি। মহাপুৰুষ পঞ্জাবলৈআকাশ-পথেহে পোনতে গ'ল বুলিছোঁ, কাৰণ ১৯৬৭ চনতে চণ্ডীগড়ত ইণ্ডিয়ান এয়াৰ ফোৰ্ছত কাৰি-কৰি কাম কৰা দুজনমান অসমীয়া ডেকাই আগ-ভাগ লৈ গুৰু-তিথি পাতি শংকৰ জ্যোতি এছোছিয়েশ্যন নামে এটি অনুষ্ঠান গঢ়িলে। ১৯৭৪ চনত মহেন্দ্ৰমোহন চৌধুৰী পঞ্জাবৰ ৰাজ্যপাল হৈ গ'লত অসমীয়াৰ সেই একেটি অনুষ্ঠানে আদৰণি জনালে। চৌধুৰীদেৱেও ধুলিত পৰি থকা অনুষ্ঠানটি বুকলৈ তুলি ল'লে। সেইবাৰৰ গুৰু-জয়ন্তী উদ্‌যাপিত হ'ল মহানগৰৰ এক দেখনিয়াৰ কেন্দ্ৰ টেগোৰ থিয়েটাৰত। ১৯৭৫ত আৰু ১৯৭৬ত পটিআলাৰ পঞ্জাবী বিশ্ববিদ্যালয় আৰু এছোছিয়েশ্যনৰ যুটীয়া উদ্যোগত বিশ্ববিদ্যালয়ত মহা পয়োভৰেৰে জন্মোৎসৱ পালন কৰা হ'ল। ১৯৭৫ৰ ৫২৮তম জন্মোৎসৱ উপলক্ষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° কৃষ্ণনাৰায়ণ প্ৰসাদ 'মাগধ'ৰ হিন্দী গ্ৰন্থ "শংকৰদেৱঃ সাহিত্যকাৰ ঔৰ ৱিচাৰক", ড° কেশৱানন্দ দেৱ গোস্বামীৰ দ্বাৰা পঞ্জাবী ভাষালৈ অনূদিত "নামঘোষা" আৰু ড° জি. এছ্. আনন্দৰ পঞ্জাবী পুথি "শ্ৰীমন্ত শংকৰদেৱঃ জীৱনী অতে সন্দেশ" বিশ্ববিদ্যালয়ৰ তৰফৰপৰা প্ৰকাশিত হয়। ৫২৯তম জন্মজয়ন্তী পঞ্জাব বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° আৰ্. ছি. পালৰ আতিথ্যত এছোছিয়েশ্যনে চণ্ডীগড়ত উদ্‌যাপন কৰে। ইতিমধ্যেই মহেন্দ্ৰমোহন চৌধুৰীয়ে পঞ্জাবৰ ৰাজ্যপাল পদ পৰিহাৰ কৰি আহে। অহাৰ আগতেই তেওঁ পঞ্জাবী বিশ্ববিদ্যালয়ত ছেইণ্ট শংকৰদেৱ চেয়াৰ প্ৰতিষ্ঠাপনৰ দিহা কৰি আহে আৰু মই চেয়াৰত যোগ দিবলৈ যাওঁতে কৈ পঠিয়ায়, মই যেন এছোছিয়েশ্যনৰ যত্ন লওঁ। ইতিমধ্যে ১৯৭৫ আৰু ১৯৭৭ৰ পটিআলা আৰু চণ্ডীগড়ত হোৱা উৎসৱৰ মই আলোচনাত যোগ দি পাইছিলোঁ। প্ৰথমবাৰত চৌধুৰীৰ প্ৰভাৱত উছৱটি ৰাজসিক কৰ্মৰ দৰেই হৈছিল। দ্বিতীয় বাৰত দেখা পালোঁ, এছোছিয়েশ্যনে নিজৰ ভৰিত থিয় হ'বলৈ চেষ্টা কৰিব লাগিব। চণ্ডীগড়তে তাৰ থানা হ'ব লাগিব। তাতহে পঞ্জাবৰ অসমীয়া মানুহখিনিৰ সৰহভাগ থাকে।

১৯৭৮ৰ আগষ্টৰ শেহ পৰিছে। চণ্ডীগড়ৰপৰা দুজন 'দেশী ভাই' আহি কৈ গ'ল ৩ ছেপ্টেম্বৰত এছোছিয়েশ্যনৰ এক সভা। তাতে অহা গুৰু-জয়ন্তীৰ বিষয়ে আলচ হ'ব। আগদিনা চাৰি বজাত চণ্ডীগড় বাছ আড্ডা পোৱাকৈ মই যাব লাগে; তেওঁলোকে তাৰপৰা আগ বঢ়াই নিব। নিৰূপিত দিনা যাবলৈ ওলাওঁতেই আহিল দবা-পিটা বৰষুণ। দিয়া কথা এৰাব নোৱাৰি মূৰত ছাতি লৈ ওলালোহে হয়, গাড়ীত উঠাৰ আগতেই ভালকৈ তিতিলোঁ। ওভাৰনাইট বেগত লোৱা চোলা-চুৰিয়াও জেকিল। বাছো উৰুখিছিল। কোনোমতে চণ্ডীগড় পাই দেখোঁ মোক আগবঢ়াওঁতা কোনো নাই। বহুত পৰ বহিলোঁ। তেও কোনো নাই। মোৰ অৱস্থা দেখি এজন অচিনাকি লোক আগ বাঢ়ি আহি বুধি দিলে, 'আপুনি আন্ধাৰ হোৱাৰ আগতে টেক্সি এখন লৈ ক'লৈ যায় যাওক, এই বাৰিষাৰ সন্ধিয়া টেক্সিও নোহোৱা হ'ব।' ভাগ্যে মোৰ হাতত ঠিকনা এটা আছিল। বাটৰ ঠায়ে ঠায়ে একাঁঠুৱা পানী ভাঙি টেক্সিখনে সেই ঠিকনাত থৈ আহিল। দেশী ভাইসকলৰ তেতিয়াহে গালৈ গম আহিল। পাছদিনা সভা হ'ল আৰু মোক এছোছিয়েশ্যনৰ সভাপতি পাতিলে। আগদিনাৰ অভিজ্ঞতা সত্ত্বেও বহুত আশা কৰি দায়িত্বটো ল'লোঁ— জানোচা ঘৰৰপৰা আঁতৰি থকা প্ৰৱাসীসকলৰ মনত insular patriotism বা প্ৰৱসুৱা দেশপ্ৰেম জাগেই। কামটোত সেইদৰে যৎকিঞ্চিৎ লগা গ'ল গুৰুজনাৰ নামত, চৌধুৰীদেৱৰ কথাও সুঁৱৰি। ১৯৮১ৰ অক্টোবৰলৈ তিনি



OKDISCD

বছৰ কাল সভাপতি থাকিলো যদিও গুৰু-জন্ম-তিথি পালন কৰাৰ বাহিৰে একো কাম কৰিব নোৱাৰিলো। চণ্ডীগড়ত বহুতবোৰ ৰাজ্যৰ নিজা নিজা একোটি ঘৰ আৰু সক্ৰিয় একোটি অনুষ্ঠান আছে সিসকলৰ জাতীয় গুৰুৰ নামত। অসমীয়াসকলেও সেইটি কৰা উচিত আছিল। কিন্তু এতিয়ালৈকে সি হৈ নুঠিল।

১৯৭৮ৰপৰা ১৯৮২লৈ প্ৰতি বছৰ শংকৰদেৱৰ জন্মোৎসৱ পঞ্জাবী বিশ্ববিদ্যালয়ত শংকৰদেৱ চেয়াৰৰ উদ্যোগত আৰু চণ্ডীগড়ত শংকৰ জ্যোতি এছোছিয়েশ্যনৰ উদ্যোগত পালন কৰা হৈছিল। পটিআলা আৰু চণ্ডীগড়ৰ পণ্ডিতসকলে আৰু এয়াৰ ফোৰ্ছৰ অফিচাৰসকলে ৰংমনে তাত যোগদান কৰিছিল; সবদ-গায়িকাসকলে বৰগীত গাইছিল আৰু কমলাবাৰীৰ বাপুসকল গৈ মহাপুৰুষৰ “ৰুক্মিণী-হৰণ”, “পাৰিজাত-হৰণ” আৰু “ৰাম-বিজয়” নাটৰ ভাওনা দেখুৱাইছিল। বিশেষকৈ প্ৰত্যূষতে উঠি ভকতসকলে পুৱাৰ গীত গাই যেতিয়া পঞ্জাবী বিশ্ব-বিদ্যালয়ৰ টোলত ঘূৰিছিল, শুই থকা-সকল সেই মধুৰ গীতধ্বনি শুনি সাৰ পাই উঠিছিল। সিসকলৰ বাবে সেয়ে স্থায়ী সোঁৱৰণ আৰু আনন্দৰ সামগ্ৰী হৈ পৰিছিল। গীত-বাদ্য-ভাওনাৰ আস্বাদ এইদৰে পটিঅলীয়া, চণ্ডীগড়ীয়া আৰু এবাৰ লুধিয়ানাৰ কৃষি বিশ্ব-বিদ্যালয়ৰ লোকক দিয়াৰ আয়োজন কৰাত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ প্ৰধান উদ্যোক্তা আছিল; আৰু বিভাগৰ সঞ্চালক (ৰুদ্ৰ বৰুৱা আৰু সহ-সঞ্চালক আনন্দ ভাগৱতী) আৰু আন কি কলাকাৰ মন্ত্ৰী লক্ষ্যধৰ চৌধুৰীদেৱো নিজে গৈ আমাৰ উৎসৱত যোগ দিয়াটি আমাৰ আনন্দৰ কাৰণ হৈছিল। মহাপুৰুষৰ ধৰ্মতত্ত্ব আৰু কলাৰ দান সম্পৰ্কে এইভাৱেই গুৰু নানকৰ দেশৰসকলক সচেতন কৰা হৈছিল। এই চেতনাৰ সম্পৰ্কত ড° মোহন সিংহ উবেৰই দিৱানাৰ বক্তব্যটি মনত পেলাব লগীয়া: In full national pride I bow to Sri Sankaradeva of Assam, the real initiator of the new age, an age of the people, who infused a new spirit of indedendent thinking, of more fruitful social organisation and, finally of new creative adventure in drama and poetry. We must recall every year his four gifts to India: one, the replacement of the idol by the Holy Word; two, the replacement of Sanskrit by vernacular; three, the wedding of music and worship and the shedding of unnecessary ritual; four, his readiness to unite all sections of the people and present a heroic front to the forces of misrule, political, moral and social. All honour to those who are keeping aloft the banner not of reform but of re-creation. We are grateful to the distinguished sons and daughters of Assam, who have re-introduced Sri-Sankaradeva to us Panjabis, who gladly accept him as a guru, as a guide and a universal teacher. অশীতিবৃদ্ধ সন্ন্যাসীতুল্য এই বিদ্বান-গৰাকীৰ বাণীয়ে আমাক কৃতকৃত্য কৰিছিল। ৰাজ্যপাল চৌধুৰীৰ উদ্যোগ আৰু আমাৰ ক্ষুদ্ৰ যত্ন যেন তাতে সাৰ্থক হৈছিল।

শংকৰদেৱৰ “ভক্তি-ৰত্নাকৰ”ৰ পাঠ-সমীক্ষা কৰাৰ কথা কৈছোৱেই। ৮০ৰ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰৰপৰা সম্বল গোটোৱাৰ পাছত ভক্তিৰ ইতি-হাসৰ কথাৰে দীঘলীয়া এখন ভূমিকা প্ৰস্তুত কৰিলো। বছৰটোৰ শেহৰ ফালে সমস্ত পুথিখন (The Bhaktiratnakara of Sankaradeva and History of the Concept of Bhakti) ছপাখানাৰ কাৰণে সাজু কৰিব পৰা হ'ল। কিন্তু সিসকলৰ কামৰ ধৰণেই সুকীয়া। ছপাৰ দিহা কৰোঁতেই সময় পাৰ হৈ যাবলৈ ধৰিলে। শেহত কৰ্তৃপক্ষই কিতাপখন ছপাবলৈ থিৰাং কৰিলে আৰু মোকে আৰু বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিষ-য়াকে সদস্য কৰি ছপাখানা ঠিক কৰি-বলৈ এখন সমিতি পাতি দিলে। বিষয়াজন হ'ল সমিতিৰ উদ্যোক্তা। তেওঁ আকৌ সমিতিৰ সভা পাতিলে দিল্লীত। এদিন দিল্লীৰ শীশগঞ্জ গুৰদ্বাৰাত টোপোলা-টাপলি থৈ দুটা প্ৰেছলৈ গ'লো বিষয়াজনেৰে। এটা প্ৰেছৰ ঘৰ-দুৱাৰ ভাঙিছে। তাৰপৰা উভতিলো। দ্বিতীয়টোৱে নাগৰী আখৰৰ কিতাপ ছপাব পাৰে। কিন্তু ডায়েক্ৰিটিকেল চিন থকা ইংৰাজী কথা তুলিব নোৱাৰে। উদ্যোক্তাই সিমানতে ঘোষণা কৰিলে সমিতিৰ কাম সিদিনালৈ বুলি সমাপ্ত? পাছৰ অধিৱেশনৰ নতুন জাননী দিয়া হ'ব। কিন্তু সেই জাননী আৰু নাপালো। কথা বেগতিক দেখি মই নিজে প্ৰেছৰ কোটেশ্যন গোটালো। কলিকতাত তেওঁলোকৰ কাম দিবৰ ভাব নেদেখি দুশ মাইলমান বাছে গৈ পঞ্জাবৰ উত্তৰ ভাগৰ হোশিয়াৰপুৰৰ বিশ্বেশ্বৰানন্দ বৈদিক ৰিছাৰ্চ ইনষ্টিটিউটৰ প্ৰেছৰপৰা কোটেশ্যন এখন আনিলো। সেইবোৰ পৰীক্ষা কৰি-বলৈ নতুন সমিতি বহিল আৰু গৈ মাৰি শেহত ২৯ এপ্ৰিল ১৯৮২ত ঠিক হ'ল হোশিয়াৰপুৰৰ প্ৰেছতে কিতাপ ছপা হ'ব। ৰেজিষ্ট্ৰাৰৰ কথামতে মই খচৰা কৰি দিয়া চিঠিৰে প্ৰেছ-কপি প্ৰেছলৈ পঠিওৱা হ'ল। কিন্তু প্ৰেৰিত চিঠিখনৰ নকলটো পালত দেখিলো, তাত নতুন জেঙা লগাই দিয়া হৈছে। বুজিলো, সেইটি কাম প্ৰকাশন বিষয়ায়ে কৰিলে। মই এক মুহূৰ্ত পলম নকৰি ৰেজিষ্ট্ৰাৰক বাঘে ধৰাদি ধৰিলোগৈ। তেওঁ তৎ নাপাই মোক অনুৰোধ কৰিলে, হোশিয়াৰপুৰলৈ গৈ জেঙাটো ভাঙিবলৈ। এইবোৰ কৰি থাকোঁতেই জুনৰ মাজৰপৰাহে ছপা কাম আৰম্ভ কৰিব পৰা হ'ল। প্ৰুফ অহা-যোৱা কৰাত যি সময় লাগে, তাৰ হিচাপ কৰি দেখিলো, আহে ফেব্ৰুৱাৰীত মই বিশ্ববিদ্যালয় এৰাৰ পূৰ্বতে কিতাপ নোলায়! তেতিয়া নোলালে 'ওলাব কোন কাল!' ভাবি-চিন্তি উপা-চাৰ্য ড° ভগত সিংহৰপৰা এমাহ হোশিয়াৰপুৰত গৈ কাম কৰাৰ অনুমতি ল'লো। আমাৰ ডাক্তৰ পুৰীয়ে এমাহৰ জোখাৰে ঔষধ, ইনজেকশ্যনৰ ছিৰিঞ্জ আদিৰ টোপোলা এটা বান্ধি দিলে। ছিকিৰিওৰিটি অফিচাৰ কৰ্ণেল সিধুৱে এখন টেক্সি বন্দোবস্ত কৰি দিলে। যিটো অৱস্থাত মই হস্পিটাললৈ যোৱাহে উচিত আছিল, সেই অৱস্থাত টৌ-খুঁটি সকলো লৈ ১৬ জুলাইত হোশিয়াৰপুৰলৈ যাত্ৰা কৰিলো—ৰাজপুৰা, খৰাৰ, ৰোপাৰ, গড়শংকৰ আদি ঠাই, মাজে মাজে ঢল পানীয়ে ছিঙা কিন্তু বালিৰে ভৰা আলিছিগা-ৰোৰ (তেওঁলোকে সেইবোৰক ৰোলে ছোঁও), পাৰ হৈ মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰ মাজেদি দুৰণিত মাৰ যোৱা বেলিৰ প্ৰতিফলিত পোহৰত সোণ যেন হৈ জিলিকি উঠা পৰ্বতৰ বৰফে ঢকা শাৰীৰ ফালে আগ বাঢ়িলো। প্ৰকৃতিৰ এই ঐশ্বৰ্যবোৰৰ মাজত নিবৈশ্বৰ্য নিশ-কতীয়া দেহাৰ প্ৰতি দৃক্‌পাত কৰিবলৈ যেন পাহৰিয়ে গৈছিলো। হোশিয়াৰ-পুৰ নগৰ পাইহে চিন্তা হ'ল তাৰপৰা দুই কিলোমিটাৰৰ দূৰৰ বৈদিক ইনষ্টিটি-উটৰ স্থান সাধু-আশ্ৰমত গৈ থাকিব লাগিব, য'ত ডাক্তৰ-কবিৰাজ বুলিবলৈ নাই, কাৰণ সাধু-আশ্ৰমৰ কাৰো অসুখো নাই। আমাৰ বিশ্ববিদ্যালয়ৰ এটি ছাত্ৰীৰ পিতৃ প্ৰাণনাথ কাঁসৰাৰ ঘৰত সোমাই সেই দেখি প্ৰয়োজন হ'লে ডাক্তৰ বিচাৰি পঠিয়াবলৈ অনু-ৰোধ কৰি থৈ গ'লো। কিন্তু সাধু-আশ্ৰমত থকাত মোৰ কোনো ডাক্তৰৰ প্ৰয়োজন নহ'ল। প্ৰথম দুদিনমান কোঁহ-কাঁহ লাগিছিল যদিও কামৰ মাজত আৰু অতি মনোৰম প্ৰাকৃতিক পৰিৱেশ আৰু বেদ-মন্ত্ৰ-উচ্চাৰণ আদিৰ মাজত থাকি মোৰ শৰীৰটোও যেন সাধু হৈ পৰিল! সুলেখাৰ সহযোগত দিনে-ৰাতি প্ৰুফ চোৱা কাম চলে। প্ৰুফ আৰু প্ৰুফ। আমাক থাকিবলৈ কৰ্মীসকলৰ (শিক্ষক, ছাত্ৰ আদি) ঘৰৰ এমূৰৰ কোঠা এটা দিলে। তাৰ তলতে গাতে লগাকৈ পকা ভেটিৰ 'পঞ্চবটী'—সাধু-আশ্ৰমৰ মূল সাধু পাঁচজনে ৰোপণ কৰা আঁহত, বেল, বট, আম আৰু বকুল গছৰ সমাহাৰ। ইয়াৰ উপৰি চাৰিওফালে নানা ফুল-ফলৰ গছ। পুৱাতে আহি এহাল মানুহে বৰ বৰ পাচি ভৰাই ফুল পাৰি নি মন্দিৰে মন্দিৰে বেচেগৈ। জামুক-তলৰ জামুক খোৱা ল'ৰা-বুঢ়া মানুহ দিনটো। বট গছজোপাত কিমান বৰণৰ কিমান কণ্ঠস্বৰৰ কিমান চৰাইযে আহি মেল পাতেহি, অন্ত নাই—কুলি, কেতেকী, পাটমাদৈ, দহিকতৰা আদি চিনাকি চৰাইৰযে কথাই নাই, কত অচিনাকি চৰায়েও বড় গছৰ মিঠা গুটি খাই আমাক দিনটোৱে মিঠা গান শুনাই থাকেহি। মাথোন দেখিলো, কুলিজনী অহাৰ লগে লগে বাকীবোৰ চৰায়ে কোলাহল কৰি তাইৰ পিছত খেদা-কোৱা লগায়। এটা চৰায়ে—তাক পাতৰ আঁৰত দেখাই নাযায়—টল্ টললং-টললংলং কৰি তাৰ ঘণ্টাটো বজায়হি, দেখা হ'লে নিদিয়ে। মাজ নিশাও শুনা পাওঁ কপৌহালৰ বুকু-ভগা কুকলি—কিবা যেন বিক্ষত হিয়াৰ বাণী। ফুল আৰু চৰাইৰ এই অময়া সংগত এটা মাহযে কেনি আঁতৰি যায়, ক'বই নোৱাৰোঁ। ড° কে. ভি. শৰ্মা (যোৱা ডেৰ কুৰি বছৰৰ চিনাকি), মুনীশ্বৰ দেৱ, ৰাজেন্দ্ৰকুমাৰ শৰ্মা (এওঁ পঞ্জাবী বিশ্ববিদ্যালয়ৰ পি. এইচ্. ডি-ৰ ছাত্ৰও) আদিৰ লগত নানা আলাপ হয়। আমাৰ দূৰে দূৰে থাকি “কল্পসূত্ৰ”ৰ কাম কৰি থাকে মুজাফ্ফাৰ নগৰৰ কুন্দনলাল শৰ্মাই। ইনষ্টিটিউটৰ গ্ৰন্থাগাৰৰ সমুখত শিলত খোদিত গায়ত্ৰী মন্ত্ৰৰ লগত তাৰ দ্ৰষ্টা বিশ্বামিত্ৰ ঋষিৰ মূৰ্তি। গ্ৰন্থা-গাৰত ছাত্ৰ-শিক্ষক ভৰি থাকে পঢ়ি। বিয়লি হোৱাৰ লগে লগে নিজম আশ্ৰম আৰু নিজম পৰি যায়। সুলেখাই মোক টানি নি আশ্ৰমৰ চাৰিওকাষে ঘূৰায়। অতি বিনয়ী আৰু সংযত বিদ্যাৰ্থীসকলক ঠায়ে ঠায়ে লগ পাওঁ। বাটে বাটে নমস্কাৰ আৰু নমস্কাৰ। সংস্কৃত শিকি থকা এইসকল প্ৰায়ে হিমা-চল প্ৰদেশৰ নবীন; এজনহে দেখিলো পঞ্জাবৰ শিখ। মূল ইনষ্টিটিউটটো এতিয়া দুভাগত বিভক্ত হৈ (V.V.R.I. আৰু V.V.B.R.I. & I.S.) বাঢ়িছে। লুড্‌ৱিগ ষ্টাৰ্ণবাকে তেওঁৰ জীৱনৰ সঞ্চিত সকলো ধন-সম্পত্তি ইনষ্টিটিউটৰ নামত দি গৈছে। সেয়া মই থকাতে পেৰিছৰপৰা অনা হৈ আছিল। তেওঁৰ সুভাষিতাৱলীৰ পিছৰ খণ্ডবোৰো ছপা হৈ আছিল। এনে সুন্দৰ পৰিৱেশত কাম কৰিয়ে ভাল লাগিছিল। ১৭ আগষ্টৰ দিনা প্ৰেছৰ মেনেজাৰে মোৰ কিতাপৰ দুটা কপি বান্ধাই মোৰ হাতত দিলে। সুলেখাই বকুলৰ মালা গাঁথিছিল পুৱাৰপৰা। তাৰে মেৰিয়াই পুথিখন বুকত সাবটি ল'লো। আবেলি পটিআলাৰপৰা পঠিওৱা গাড়ীত পটিআলালৈ ঘূৰিলো।

গুৱাহাটী এৰি পটিআলালৈ যোৱা সময়তে এটি বিশেষ দায়িত্ব সামৰিব লগীয়া হৈছিল—ভাৰতীয় জ্ঞানপীঠৰ পুৰস্কাৰ-প্ৰদান সমিতিৰ সদস্য-পদ। সমিতিৰ আনসকল হ'ল ড° ভি. কে. গোকক (সভাপতি), ড° নীহাৰৰঞ্জন ৰায়, অধ্যা° এম. ভি. ৰাজাধ্যক্ষ, অধ্যা° জয়লাল কৌল, ড° ৰবীন্দ্ৰকুমাৰ দাশগুপ্ত, ড° মাচুদ হুছেইন, ড° নাৰায়ণ মেনন, (জ্ঞানপীঠৰ মূল ন্যাসৰ ফালৰপৰা) শ্ৰীমতী দুৰ্গা জৈন আৰু লক্ষ্মীচন্দ্ৰ জৈন। মোৰ প্ৰৱেশৰ আগলৈকে কোনো অসমীয়া লেখকে পুৰস্কাৰ পোৱা নাছিল। মই সোমোৱাৰ পাছত শেষ পৰ্যায়লৈকে দুজন লেখকৰ দুখন গ্ৰন্থ দুবাৰো উঠিছিল। কিন্তু পুৰস্কাৰৰ বিচাৰ গুণগতই হ'ব লাগে। ভাষাবোৰৰ প্ৰতিনিধিত্বৰ ভিত্তিত বিচাৰ নহয়। এঘাৰটা ভাষাৰ মাজত প্ৰতিযোগিতা হয়। শেষ পৰ্যায়ৰ বিচাৰলৈ অহা পুথি সদস্যসকলে ইংৰাজী বা হিন্দী





OKDISCD

অনুবাদত সমীক্ষা কৰিব লাগে ভাষা উপদেষ্টা সমিতিবোৰৰ মূল ভাষা জনাসকলৰ সমালোচনা আগত ৰাখি। মই সদস্য থকা প্ৰথম তিনি বছৰৰ পুৰস্কাৰ পাওঁতাসকল—বঙলা "প্ৰথম প্ৰতিশ্ৰুতি" উপন্যাসৰ বাবে শ্ৰীমতী আশাপূৰ্ণা দেৱী (১৯৭৬), কন্নড় উপন্যাস "মুকাজ্জিয় কানাসুগালা"ৰ বাবে কে· শিৱৰাম কৰন্থ (১৯৭৭) আৰু হিন্দী কবিতাৰ পুথি "কিতনী নাৱ মেঁ কিতনী বাৰ"ৰ কবি সচ্চিদানন্দ হীৰানন্দ ৱাৎস্যায়ন 'অজ্ঞেয়' (১৯৭৮)। এইদৰে ইতিমধ্যে তিনিবাৰকৈ জ্ঞানপীঠ বঁটা পোৱা শক্তিশালী এই তিনিটা ভাষা (হিন্দী, বঙলা, কন্নড়) ১৯৭৯ চনৰ পঞ্চদশ পুৰস্কাৰৰ প্ৰতিযোগিতাত নামিব নোৱৰা হ'ল। সেয়া বাদ দি নিৰ্বাচ্য আঠটা ভাষাৰপৰা অহা অনুমোদনৰ ভিতৰত আমাৰ সমিতিয়ে অসমীয়া, উৰ্দু, মাৰাঠী আৰু মালয়ালম ভাষাৰ চাৰিখন কিতাপ বাছি উলিয়ালে। শেষ পৰ্যায়লৈ অসমীয়া আৰু উৰ্দু খনেই থাকিল—বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাস "মৃত্যুঞ্জয়" আৰু কুৰাটুৱাল-আইন-হাইদৰৰ "পাতঝাৰ কী আৱাজ", গল্পৰ কিতাপ। কুমাৰী হাইদৰ বৰ শক্তিশালী গল্পলেখিকা আৰু তেওঁৰ পুথিৰ গল্পকেইটাও বাছকবনীয়া। আনফালে, অসমীয়া আৰু উৰ্দু, দুইটা ভাষাই তেতিয়ালৈকে পুৰস্কাৰ এবাৰো পোৱা নাই। সভাপতিয়ে ড° দাশগুপ্তক উপন্যাসখনৰ আৰু ড° হুছেইনক গল্পৰ কিতাপখনৰ একোটা মূল্যায়ন দিবলৈ অনুৰোধ কৰিলে, আৰু তেওঁলোক দুজনৰ সমালোচনা দুটা পালত দুইখন কিতাপৰ তুলনামূলক মান নিৰ্ণয় কৰাৰ ভাৰ মোৰ ওপৰত অৰ্পণ কৰিলে। টান কাম। দুইজন লেখক সমবয়সৰ। দুইজনৰ নিজ নিজ ভাষাৰ সাহিত্যত সমতুল্য আসন। দুইৰো কথন-ভংগি আৰু বিষয়-বিস্তাৰত পাৰদৰ্শিতা। মানুহৰ সহানুভূতিশীল চিত্ৰেৰে মানুহৰ কাহিনী কোৱাত দুইজনৰে ডাঠ অভিজ্ঞতা। হাইদৰে ভাৰতৰ আৰু বিদেশৰ (পাকিস্তান, ফিলিপাইন আদি) বৰ বৰ চহৰত সুস্পষ্ট চৰিত্ৰবোৰৰ লগত ঘূৰিছে, য'ত হয়তো পৃথিৱীৰ সেউজ লুপ্ত হৈ গৈছে। বীৰেন্দ্ৰকুমাৰ দেশৰ নিসৰ্গৰ মাজৰ দেশৰ মানুহৰ সুখ-দুখৰ লগতে আছে। সকলো ফঁহিয়াই মই দাশগুপ্তৰ কথা আনি শেহত ক'লো, 'যদিও "মৃত্যুঞ্জয়" মহৎ উপন্যাস নহয়, বিবিধ বিশেষত্ব-যুক্ত ই এখন ভাল উপন্যাস নিশ্চয়'; আৰু ইয়াৰ অন্বয়ৰত এক গাম্ভীৰ্য আৰু জীৱনৰ সূক্ষ্ম এটি দৰ্শন বৰ্তি থকা বাবে উপন্যাসখনিকে ওপৰ ঠাই দিব লাগিব। পুৰস্কাৰ প্ৰদান-সমিতিয়ে মোৰ অভিমত সহজভাৱে গ্ৰহণ কৰিলে। মোৰ পুৰণি ছাত্ৰ বীৰেনে পঞ্চদশ জ্ঞানপীঠ পুৰস্কাৰ লাভ কৰিলে। অন্তৰে হৰিষ।

কলিকতাৰ মহান ঐতিহাসিক ছাৰ যদুনাথ চৰকাৰৰ বাস-ভৱনটি দান-ৰূপে লৈ তাতে এটি সুন্দৰ গৱেষণা-প্ৰতিষ্ঠান গঢ় লৈ উঠিছে—চেণ্টাৰ ফৰ্ ষ্টাডিজ ইন্ ছোছিয়েল ছায়েন্সেজ্, কলিকতা। তাতে আমাৰ অসমৰ ড° অমলেন্দু গুহ ও অৰ্থনৈতিক ইতিহাসৰ অধ্যাপক। কলিকতাত বসবাস কৰা আৰু বঙলাত স্বদেশী আন্দোলনৰ প্ৰথম পুথি "দেশের কথা" লেখা আৰু যাদৱপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদৰ এজন শিক্ষক (ধৰ্মদত্ত কোশাম্বীৰ পিতৃৰ সহকৰ্মী) মহাৰাষ্ট্ৰী সখাৰাম গণেশ দেউস্কৰৰ নামত চেণ্টাৰে ভাৰতীয় ইতিহাসৰ বক্তৃতামালা এটি প্ৰতিষ্ঠা কৰিছিল। তাৰ প্ৰথম দুটা বক্তৃতাৱলীৰ বিশিষ্ট বক্তা আছিল বোম্বাইৰ অধ্যাপক এ.আৰ্. দেশাই (১৯৭৭) আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ অধ্যাপক ইৰ্ফান হবিব্ (১৯৭৮)। চেণ্টাৰে এতিয়া তৃতীয় বক্তৃতাৱলী দিবৰ বাবে মোলৈ আহ্বান পঠিয়ালে। অসম বুৰঞ্জীৰ এক অভুতপূৰ্ব কাহিনী মায়ামৰীয়া বিদ্ৰোহৰ সূত্ৰপাতৰ কথাকে ভাৰতীয় ঐতিহাসিকসকলৰ বিশেষ দৃষ্টিলৈ আনিবলৈ বুলি তাকে মোৰ বিষয়-বস্তু কৰি ল'লো। ১৯৮০ৰ ২৮ আৰু ২৯ জানুৱাৰীত মোৰ বক্তৃতা দুটা হ'ল—Socio-political Events in Assam leading to the Militancy of the Mayamariya Vaisnavas(Third Sakharam Ganesh Deuskar Lectures 1979 on Indian History) চেণ্টাৰে বক্তৃতা দুটা কিতাপ আকাৰে তেওঁলোকৰ প্ৰকাশক কে.পি. বাগচী এণ্ড কোম্পানিৰ হতুৱাই ছপা কৰাই উলিয়াইছে।

চণ্ডীগড়ত ভাৰতীয় বিদ্যাভৱনৰ এটি শাখা হৈছে। তাৰপৰা শংকৰদেৱ আৰু শংকৰদেৱৰ ধৰ্মশিক্ষা সম্বন্ধে তেওঁলোকৰ কথিকাৱলীত বক্তৃতা কৰিবলৈ নিমন্ত্ৰণ পৰিছিল। ৭৮ৰ ১৪ অক্টোবৰ তাৰিখে চণ্ডীগড়ৰ ডি·এ·ভি· কলেজত সেই বক্তৃতা হ'ল। দিল্লী বিশ্ববিদ্যালয়ৰ ভাৰতীয় আধুনিক ভাষা বিভাগৰ সিসকলৰ বিস্তাৰণ সেৱাৰ জৰিয়তে দুটা বক্তৃতা দিব লগীয়া হৈছিল—৮ মাৰ্চ ১৯৮০ত The contribution of the San karadeva movement to the culture and civilisation of India আৰু ২৫ ফেব্ৰুৱাৰী ১৯৮১ত The resuscia-tion of the Assamese by the American Baptists. ইতিমধ্যে অসমত চলি থকা বিদেশী-বিৰোধী আন্দোলন লৈ পঞ্জাবতো শিক্ষিতসকলৰ মাজত কৌতূহল উপস্থিত হৈছিল। বিশেষকৈ আন্দোলনটো বহিৰ্মুখী আৰু বিদেশী শক্তিৰ প্ৰভাৱিত— কাগজে-পত্ৰয় হোৱা এনে ধৰণৰ অপপ্ৰচাৰ শুনি সিসকলৰ সেই কৌতূহল বাঢ়িছিল। বহুতে নানা প্ৰশ্ন কৰিছিল লগ পালেই বা আঁতৰত বিৰূপ সমালোচনাও কৰিছিল। গতিকে বন্ধুসকলৰ আয়োজনমতে নৃতাত্ত্বিক ভাষাতত্ত্ব বিভাগৰ ১৯৮১ৰ ২৪ মাৰ্চৰ এক ছেমিঅটিক ছেমিনাৰত যি সম্বল হাতত পালো, তাৰেই আন্দোলন সম্পৰ্কে এটা সুস্থিৰ ধাৰণা দিবৰ যত্ন কৰিছিলো। তেতিয়া সহকৰ্মী অধ্যাপক ড° বিহাৰীলাল আৰিয়ে ক'লে, "গুৱাহাটী বা অসমৰ পাঁচজন লোকৰ নাম দিয়ক, যি আন্দোলনৰ বিষয়ে কৰ্তৃত্বেৰে ক'ব পাৰিব। আমি ইয়ালৈ তেওঁলোকক আনি কথা শুনিম।" মই কেইটামান নাম দিলো। আৰু চণ্ডীগড়ৰ অনুষ্ঠান চেণ্টাৰ ফৰ্ ৰিছাৰ্চ ইন ৰুৰেল এণ্ড ইণ্ডাষ্ট্ৰিয়েল ডেভেলপমেণ্টৰ লগত জড়িত। তেওঁ চেণ্টাৰৰ লগত কথা পাতিবলৈ চণ্ডীগড়লৈ গ'ল। কিন্তু ঘৰতো একো খবৰ-খাবাৰ নিদিয়াকৈ বাজে বাজে চেণ্টাৰৰ সঞ্চালক ৰসপাল মালহোত্ৰেৰে অসম পালোহি আৰু গুৱাহাটী, ডিব্ৰুগড় আৰু শ্বিলঙৰ বিশ্ববিদ্যালয়ৰ পণ্ডিতসকল আৰু আন্দোলনৰ নেতাসকলকো এখন ছেমিনাৰলৈ মাতি থৈ গ'ল। সেই আলোচনা-সত্ৰত নিতান্ত বিদ্যায়তনিক আলোচনা, বিশেষকৈ আৰ্থ-সামাজিক আলোচনা মাথোঁ কৰাই তেওঁলোকৰ ঘাই উদ্দেশ্য। ৮১ৰ ২৭ৰপৰা ৩০ এপ্ৰিললৈ যি আলোচনা হ'ল, সি বহুলভিত্তিক হৈয়ে হ'ল। পঠিত প্ৰবন্ধবোৰে সৈতে তাৰ প্ৰতিবেদন আৰিৰ সম্পাদনাত কিতাপ-ৰূপে (North-East Region : Problems and Prospects of Development) প্ৰকাশ পাইছে। তাক আগতে উল্লেখ কৰিছো। ছেমিনাৰত পঠিত মোৰ প্ৰবন্ধটো একাডেমিক প্ৰকৃতিৰ ভিতৰতে বৈছিল বুলি উদ্যোক্তাসকলে মত প্ৰকাশ কৰিছিল।

৮২ৰ শেহত অসম সাহিত্য-সভাৰ ডাক পৰিল ৰামেশ্বৰ বৰুৱা জন্ম-শতবাৰ্ষিকী বক্তৃতাৱলী কৰিবলৈ। সেইমতে অহা গ'ল আৰু যোৰহাট বেন্দুগুৰিৰ ল'ৰা হাই স্কুলৰ সমুখত সজা ৰভাত অসমীয়া প্ৰাচীন জীৱনী-সাহিত্যৰ বিষয়ে দুটা বক্তৃতা দিলো। সেয়ে "গুৰুচৰিতৰ ইতিকথা" নামে অসম সাহিত্য-সভাৰ প্ৰকাশন-ৰূপে প্ৰকাশ পাইছে।

গুৱাহাটীৰপৰা লৈ যোৱা কামবোৰেও মোক পিছে পিছে খেদি থাকে। তাৰে দুটা গধুৰ কাম—গুৱাহাটী বিশ্ববিদ্যালয়ৰ "চন্দ্ৰকান্ত অভিধান" আৰু "গুৰু-চৰিত-কথা"ৰ। প্ৰথমখনৰ কামৰ লগত খাপ খোৱা প্ৰুফ শুধৰাওঁতাৰ অভাৱত সেই কামো ময়ে সামৰিব লগীয়া হৈছিল, কিন্তু প্ৰেছৰ লগত চলি-কৰি অভিধানখন উলিওৱাই টান হৈছে। নিজৰো দৃষ্টি পৰি আহিছে, প্ৰুফ চোৱাৰ বাবে অনুপযোগী হৈছে। চৰিতখন ছপোৱাৰ কাম আকৌ বিশ্ববিদ্যালয় প্ৰেছে অৱসৰ-বিনোদনৰ দৰে মাহেকে-পষেকেহে কৰে। গতিকে দুইটা কামতে প্ৰচুৰ সময় লাগিছে। পটিআলাৰ প্ৰচণ্ড উত্তাপত (কোনোদিনা উচ্চতম তাপ ৪৩°/৪৪·৫° আৰু নিম্নতম ২৫°/২৬° ছেলছিয়াছলৈ উঠে। নিশা টোপনি নধৰিলে বাৰ-এক বজাত সাঁচিপাতৰ পুথিখন উলিয়াই কেঁচা ছপাত পাঠ মিলাওঁ আৰু সেই কামেই নিদ্ৰাৰ শান্তি আনে। কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰপৰা অৰ্থ সাহায্য লৈ গুৱাহাটীৰ সংগীত-সত্ৰ আৰু অসম সাহিত্য সভাৰ বাবে ইংৰাজী পাতনিৰে নাগৰী হৰফত "হস্তমুক্তাৱলী"ৰ এক সংস্কৰণ প্ৰস্তুত কৰোঁ। দিল্লীৰ সাহিত্য অকাদেমীৰ বাবে তেওঁলোকৰ ভাৰতীয় সাহিত্যকাৰ ছিৰিজত অসমীয়া "বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য" আৰু ইংৰাজীত "Anandaram Dhekiyal Phukan" আৰু "Nidhi Levi Farwell" (এইখন ৮৩ৰ ৫ আৰু ১৫ জানুৱাৰীৰ ভিতৰত লিখা) প্ৰণয়ন কৰি দিওঁ। দিল্লীৰ সংগীত নাটক অকাদেমী অনুৰোধত অসমীয়া অভিনয় সম্পৰ্কে এখন ইংৰাজী কিতাপ লিখি উলিয়াওঁ—"Bhaona, the Ritual Play of Assam", ভাৰত চৰকাৰৰ পাবলিকেশ্যন ডিভিজনে মোৰ হতুৱাই লিখাই প্ৰকাশ কৰে "Lachit Barphukan, the Victor of the Battle of Saraighat." দিল্লী-বাৰানসী আদি মহানগৰত বিস্তৃত দুই ককাই-ভাই প্ৰকাশন-প্ৰতিষ্ঠান মোতীলাল বানাৰসীদাস আৰু মুন্সীৰাম মনোহৰলালে বিচৰামতে প্ৰথমটোক মোৰ ডি· ফিল্. থিছিছৰ দ্বিতীয় সংস্কৰণ "Early History of the Vaisnava Faith and Movement in Assam : Sankaradeva and His Times' আৰু দ্বিতীয়টোক "The Religions of the North-East" (দেশ-বিদেশৰ গৱেষণা-পত্ৰিকাত ওলোৱা প্ৰবন্ধাৱলীৰ সংকলন) প্ৰকাশৰ বাবে দিওঁ। সুখ লাগে, দুইখন কিতাপেই চকুত লগাকৈ ছপা হৈ ওলাইছে। নেশ্যনেল বুক ট্ৰাষ্টৰ দ্বাৰা প্ৰকাশিত ইংৰাজী "Sankaradeva" খনো ৭৯তে দ্বিতীয় সংস্কৰণৰ ৰূপত ওলায়। ইতিমধ্যে তেওঁলোকে আনসকলৰ দ্বাৰা অনুবাদ কৰাই তাৰ অসমীয়া, বঙলা, হিন্দী, ওড়িয়া, মৰাঠী আৰু গুজৰাটী ৰূপ পোহৰলৈ আনিছিল। এইদৰে মোৰ নিজৰ পুথিৰ প্ৰকাশনৰ আঁচনিক তন্দ্ৰাই নধৰাকৈ ৰাখিছিলো বুলিব লাগে। অসম প্ৰকাশন পৰিষদৰ বাবে ডক্টৰ শ্ৰীমতী কপিলা ৱাৎস্যায়নেৰে যুটীয়াকৈ "Gita-Govinda in the Assam School of Painting" যুগুত কৰি ৩০ মাৰ্চ ১৯৭৯তে গুৱাহাটীলৈ পঠিয়াইছিলো। পৰিষদে কিতাপখন যন্ত্ৰস্থ কৰিলে। এতিয়াও সি যন্ত্ৰৰ যন্ত্ৰণাৰপৰা মুক্ত হৈ হোৱা নাই।

পঞ্জাৱী বিশ্ববিদ্যালয়ী আৰু সাহিত্যিক বন্ধুসকলৰ মাজত আহ-যাহৰ মাজেদি সামাজিক আদান-প্ৰদান বৰ্তাই ৰখা হৈছিল। তেওঁলোক সাধাৰণতে কথাচহকী আৰু হাঁহি হাঁহি ভাল পোৱা মানুহ। গতিকে তেওঁলোকৰ লগত মেল মাৰিলে মেলখনৰ সোনকালে পক ধৰে। চণ্ডীগড়ত থকা অসমীয়া পৰিয়াল দুই-এটি (আনন্দ হাজৰিকা, মিহিৰদেৱ ফুকন আদিৰ) আৰু চণ্ডীগড়ৰ ওৱাই· পি· এছত (য়াদৱিন্দ্ৰ পাবলিক স্কুল) বৃত্তি ধৰি পঢ়ি থকা অসমীয়া ল'ৰাকেইটি (মহাদেৱ, জ্যোতিৰ্ময়, মুস্তাফা, পৱন আদি) বন্ধ পৰিলে প্ৰায় আহে বাবে ঘৰুৱা পৰিৱেশ এটাও ইয়াৰ মাজতে বৰ্তি আছিল। গুৱাহাটীৰপৰা গৈ ভুমুকি মৰা মোৰ গৱেষণাৰ ছাত্ৰ কেইজনেও ইয়াৰ পৰিৱেশটি খন্তেকলৈ লগত লৈ যায়। বিশ্ববিদ্যালয়ত পঞ্জাৱী ইতিহাস সমাজ আদি অনুষ্ঠানৰ উৎসাহময় বৈঠক নিয়মীয়াকৈ বহিছিল। নাটক বিভাগৰ অভিনয়-সজ্জিয়া বহুত পাইছিলো। তদুপৰি বিবিধ ৰঙৰ গোলাপ আদিৰে ভৰা বিশ্ববিদ্যালয়



OKDISCD

টোলৰ গছ আৰু ফুলৰ শোভাইতো সকলো সময়তে সান্নিধ্য যাচিয়ে থাকে। বিশ্ববিদ্যালয়ৰ বিভিন্ন ঘৰবিলাকৰ স্থাপত্যীয় সৌন্দৰ্য আৰু গাম্ভীৰ্যও এক বিশেষত্ব। ইয়াৰ মাজতে উপাচাৰ্য ড° অমৃক সিংহৰ যত্নত ৮০ৰ মাৰ্চত আন্তৰ্জাতিক পৰ্যায়ৰ এক ভাস্কৰ্য-বিষয়ক ছিম্পজিয়াম হৈছিল ; ইউৰোপ, এমেৰিকা আৰু জাপানৰ ভাস্কৰসকলেও আহি তাত যোগ দিছিল। তেতিয়া কিন্তু সেই ৰুচিবান উপাচাৰ্যজন বিশ্ববিদ্যালয়ত নাছিল। আমাৰ বিশ্ববিদ্যালয়বোৰত অহৈতুকভাৱে জনিত তপত বতাহৰ উকমুকনিত তেওঁ অসময়তে উপাচাৰ্য পদ এৰি তেওঁৰ নিজৰ স্থায়ী বিষয় দিল্লীৰ এছোছিয়েশ্যন অব্ ইণ্ডিয়ান ইউনিভাৰ্ছিটিজৰ (আগৰ ইণ্টাৰ-ইউনিভাৰ্ছিটি বোৰ্ড) সচিব-পদলৈ ঘূৰি গৈছিল। উপাচাৰ্যৰ আসনখনেই 'মিউজিকেল চেয়াৰ'ত পৰিণত হৈছিল। ড° অমৃক সিংহৰ পিছত নবেম্বৰ ৭৯ত আহিল ড° ভগত সিংহ। তেওঁক চৰকাৰে ফেব্ৰুৱাৰী ৮১ত গুচাই (recall কৰি) ড° ৰামসেৱক সিংহক পাতিলে। ভগাজনাই পঞ্জাব-হাৰিয়ানা উচ্চ ন্যায়ালয়ত গোচৰ তৰিলে। গোচৰত জিকি তেওঁ তিনি মাহতে নিজৰ আসন ঘূৰাই পালে, কিন্তু ৮২ৰ মাজতে তেওঁৰ কাৰ্যকাল অন্ত পৰিল আৰু পঞ্জাবৰ শিক্ষাধিকাৰে বহুতকাল অংশকালীনভাৱে উপাচাৰ্যৰ কাম চলাব লগীয়া হ'ল। মই পটিআলা এৰিবৰ সময় হ'লতহে নতুন উপাচাৰ্য ড° সৰ্দাৰ সিংহ জোহলে কামত যোগ দিয়ে। এই সমস্ত কাল-ছোৱাত বিশ্ববিদ্যালয়ী ৰাজনীতিৰ উঠা পৰা চলি আছিল। বিশ্ববিদ্যালয়ৰ ভিতৰৰ কিছু লোক গোট খাই এখন শিশু কল্যাণ সমিতি আৰু এগৰাকী স্বৰ্গত পঞ্জাবী সাহিত্যিকৰ স্মৃতি-ৰক্ষাৰ্থে অধ্যাপক পূৰণ সিংহ স্মাৰক সমাজ গঠন কৰিছিল আৰু দুইখন অনুষ্ঠানৰে মোক স্থায়ী সভাপতি কৰিছিল। শিশু কল্যাণ সমিতিৰ বাবে বিশ্ববিদ্যালয়ে এডোখৰ মাটিও আমাক দিছিল। কিন্তু ভিতৰুৱা পৰিস্থিতিৰ বাবেই দুইটা অনুষ্ঠানৰ কাম আগ বঢ়াই নিয়া টান হ'ল। ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে বিভিন্ন সময়ত সিসকলৰ ভাৰতীয় ভাষা সমিতি আৰু ইউনেস্কোৰ (UNESCO) ভাৰতীয় কমিছনৰ সদস্য পাতিছিল ; কিন্তু সেই অনুষ্ঠানবোৰেই যেন আছিল জিৰণীয়া মৌ। আমি সেই মৌৰ পাখিৰ ধূলি এক বিন্দু হৈনো কিনো দৈৰাসনখন সাধিম ?

লাহে লাহে ওভতনি-যাত্ৰা আৰম্ভ হ'ল। ২২ অক্টোবৰ ১৯৮২। বিশ্ববিদ্যালয়ৰ বৃহৎ টেগ বাহাদুৰ হলটোলৈ আমাৰ কমলাবৰীয়া গায়ন-বায়নৰ জোৰাই বৰেণ্য ঐতিহাসিক ড° গাণ্ডা সিংহক আগ বঢ়াই আনিলে। হোশিয়াৰপুৰৰ বকুলৰ মালাৰে মেৰিয়াই থোৱা The Bhakti-ratnakara of Sankaradeva and History of the Concept of Bhakti খনি বিশিষ্ট অতিথি গৰাকীয়ে মুকলি কৰিলে। লগতে ড° কেশৱানন্দ গোস্বামীয়ে লিখি থৈ যোৱা শংকৰদেৱৰ সৰু জীৱনী এখনি। প্ৰকাশ-সম্পূৰ্ণ হ'বলৈ বাকী আছিল মাথোন সুলেখাই লেখি প্ৰায় শেষ কৰা "শিখ গুৰুসকলৰ ইতিহাস।"

১ নবেম্বৰ। গুৰু নানকদেৱৰ আৱিৰ্ভাৱৰ দিন। অৰ্ডাৰ দি নকৈ কৰাই লোৱা ট্ৰাংকত মোৰ নিজস্ব লাইব্ৰেৰিৰ কিতাপবোৰ সুমুৱাবলৈ আৰম্ভ কৰিলো...।

১ ডিচেম্বৰ। নিশা খাই শুইছোহে। এনেতে গাড়ীত মালবস্তু কঢ়িওৱা মানুহ আহি ঘৰত খলকনি তুলিলে। পূৰ্ণিমাৰ পোহৰত এঘণ্টামানে সাজু কৰি থোৱা বাকচবোৰ গাড়ীত তোলা হ'ল। আৰু গাড়ী ৰাওনা হ'ল গুৱাহাটী অভিমুখে।

২৮ ফেব্ৰুৱাৰীৰ দিনা চেয়াৰৰ দায়িত্ব গুৰু গোবিন্দ সিংহ বিভাগৰ প্ৰধানৰ হাতত গতাই দি মই মুকলি-মূৰীয়া হ'লো। পাঁচ বছৰ পটিআলাত থাকিও অমৃতসৰ দৰ্শন কৰা নাছিলো। এতিয়া সেই পৱিত্ৰ চহৰৰ লগতে অমৃতসৰ জিলাৰ আন আন শিখ কেন্দ্ৰবোৰ (বাবা বকালা, খাডুৰ ছাহিব, অংগোঠা ছাহিব, দমদমা ছাহিব, গুইণ্ডৱাল, তৰ্ণ তাৰণ, ভাই বুঢাৰ গুৰুদ্বাৰ আদি) আৰু ৱাঘাত (আট্টাৰি) ভাৰত-পাকিস্তান চকি চালোগৈ। মই কাম এৰাৰ পাছত যোগ দিয়া উপাচাৰ্য ড° সৰদাৰ সিংহ জোহলক লগ পাওঁতে তেওঁ ক'লে, তেওঁ আগতে মোক পোৱা হ'লে যাবলৈ এৰি নিদিলেহেঁতেন আৰু এতিয়াও আৰু দুবছৰ থকা কথা মই ভাবিলে ভাল। মই ক'লো, 'মোৰ বস্তু-বাহানি সকলো গুৱাহাটী পালেগৈ আৰু পটিআলাৰ জল-বায়ুৱে মোক সুগুজি তাল-ফাল লগাইছে। গতিকে, অশেষ ধন্যবাদ ; মোৰ ঠাইত এতিয়া এজন লোক বাছি আনিলেই সুখী হ'ম।' সৰদাৰ কৰ্তাৰ সিংহ শ্বেৰগিল নামৰ এজন অৱসৰপ্ৰাপ্ত অধ্যক্ষ আছিল "গুৰু-গ্ৰন্থ সাহিব" অসমীয়ালৈ অনুবাদ কৰাৰ এক আঁচনি লৈ মই দুবছৰমান ৰৈ যাব লাগে, এই প্ৰস্তাৱেৰে। তেওঁ মোক শিখ গুৰুদ্বাৰা প্ৰবন্ধক কমিটি, সন্ত লংগোৱাল আৰু তোহৰাৰ ওচৰলৈও লৈ যোৱাৰ প্ৰস্তাৱ কৰিলে। এই সুন্দৰ প্ৰস্তাৱতো মই 'না' বুলিব লগীয়া হ'ল। তথাপি শ্বেৰগিলে আঁচনিখন কি কৰিব পাৰি চাওঁ বুলি বিদায় ল'লে। ইতিমধ্যে পঞ্জাবৰ ৰাজনৈতিক জল-বায়ু অতি উষ্ম হৈ উঠিবলৈ ধৰিছিল। দুদিনৰ পাছতে time of the breaking of nations উপস্থিত-প্ৰায়। তাৰ আগতে মই পটিআলা এৰিলো।

পটিআলা এৰিলো ঠিকেই। কিন্তু ৪ এপ্ৰিলৰপৰা ২০ মেইলৈকে নতুন দিল্লীৰ ইউনিয়ন পাবলিক চাৰ্ভিছ কমিছনৰ ডেৰমহীয়া এটা ঠিকা ল'বগৈ লগীয়া হ'ল— আই. এ. এছ., আই. পি. এছ., আই. এফ. এছ. আদি বিভিন্ন লোক-সেৱাৰ প্ৰাৰ্থী-নিৰ্বাচনৰ পাৰ্ছনেলিটি টেষ্ট বা ব্যক্তিত্ব-পৰীক্ষা (সাধাৰণ ভাষাত ইণ্টাৰভিউ) ল'বৰ বাবে। পটিআলাৰপৰা আহোঁতেই শৰীৰ অথিৰঅথিৰ হৈ আহিছিল বাবে কমিছনৰ অতিথি-শালাত নিজৰ ৰন্ধন ব্যৱস্থা কৰিবৰ বাবে ৩১ মাৰ্চত পটিআলাত কাম শেষ পৰা সুলেখাক সাৰথি কৰি ল'লো। কমিছনৰ কাম আৰম্ভ কৰি দেশৰ উচ্চতম লোক-সেৱাৰ সেৱাৰ্থীসকলৰ সাক্ষাৎকাৰত আনন্দই লাভ কৰিছিলো। কিন্তু সাতোটামান সংহাৰকাৰী ৰোগে ফুকলীয়া অভিমন্যুক সপ্তৰথীয়ে আগুৰি ধৰাৰ দৰে মোৰ নিশকতীয়া শৰীৰ বেৰি ধৰিলে। ৯ এপ্ৰিলত কমিছনৰ ডাক্তৰে মোক ড° ৰাম মনোহৰ লোহিয়া হস্পিটাললৈ পঠিয়ালে। তাতে এম্.পি. দুবে নামৰ এগৰাকী সুচিকিৎসকৰ অধীনত থাকি ১৭ তাৰিখে অতিথি-শালালৈ ঘূৰি আহিলো যদিও ২৪ তাৰিখে মোক ড° টি.ডি. গুপ্ত নামে বন্ধুৱে দাংকোলাকৈ আকৌ দাঙি নি তাত থ'বগৈ লগীয়া হ'ল। কমিছনে নিজৰ দায়িত্বত সাধাৰণ আস্পতালৰপৰা নি মোক ড° লোহিয়া নাৰ্ছিং হোমত ভৰ্তি কৰালে, য'ত শীত-তাপ-নিয়ন্ত্ৰিত কোঠাটোৰ মোক শুবলৈ দিয়া বিছনাখনৰ দামেই বোলে এঘাৰ হেজাৰ টকা ! কোঠাটোও কেইমাহমান আগতে মাথোন দিল্লীত 'নাম' (Non-Aligned Meet) বহা উপলক্ষ্যে সকলো সুবিধাৰে সমৃদ্ধ কৰা হৈছিল। তাতে ডা° কে. কে. মালহোত্ৰ নামৰ ডাক্তৰজনৰ তত্ত্বাৱধানত বিশেষজ্ঞসকলে এইবাৰ চিকিৎসা আৰম্ভ কৰিলে। কাষৰতে ৰাষ্ট্ৰপতি, প্ৰধান মন্ত্ৰীৰ বাবেও আচুতীয়া কৰি থোৱা কোঠা দুটা আছিল। প্ৰধান মন্ত্ৰীৰ বাৰীৰপৰা নাৰ্ছিং হোমলৈ ৰজনীগন্ধা আদি ফুল একো বোজা আহিছিল। অসমৰ এম্.পি. সকল আৰু অসমৰপৰা যোৱা আনসকলে মোৰ খবৰ-বাতৰি লৈ থাকিল। বিশেষকৈ অৱন বৰপূজাৰি আৰু বন্তিয়ে পুত্ৰ অনুপলক লৈ সুলেখাক মোৰ কামত সহায় কৰি দিছিলগৈ। তাৰ মাজতে ২ মেই বিশেষ দিন হৈ পৰিল। সেই দিনা অতি পুৱাতে উশাহ-নিশাহৰ অলপ আহুকাল পাইছিলো। ডাক্তৰে অলপপৰ অক্সিজেনৰ মুখা লগাই দিয়াত ভাল হৈ উঠিলো। পিছে এবাৰ বিছনাৰপৰা নামি থিয় হ'লো, কিন্তু পুনৰ উঠিব নোৱৰা হ'লো। 'মা' বুলি এটা চিয়ঁৰ মাৰিলো। গা ধোৱা ঘৰৰপৰা সুলেখা আহি কোনোমতে মোক বিছনালৈ হেঁচি-ঠেলি তুলি লগে লগে ইলেকট্ৰিক বেল দীঘলীয়াকৈ বজাই দিলে। নাৰ্ছ লৰি আহিল। ওচৰত থকা সৰু ডাক্তৰ আহিল। লগে লগে মালহোত্ৰ আৰু কাৰ্ডিওলজিষ্ট আদি আঠজন বিশেষজ্ঞ আহি মোক বেৰি ধৰিলে। তেওঁলোকৰ হাতৰপৰা মোক কিহে নিব খুজিছিল, নিব নোৱাৰিলে। দুইমান বজাত অমায়ী ডা° মালহোত্ৰই মোৰ গালে-মুখে হাত ফুৰাই ক'লে, 'ছাৰ, আপুনি এতিয়া নিৰাপদ, সুস্থ। মই ঘৰৰপৰা আহোঁগৈ। লাগিলেই এওঁলোকে মোক মাতিব।' পাছত তেওঁ ক'লে, মোৰ অসাধাৰণ মনোবল আৰু সুলেখাৰ তালাপিয়ে মোক এইবাৰলৈ ৰাখিলে। ডা° মালহোত্ৰ আদি ডাক্তৰ, ডা° কিষাণ সিংহ মাহাৰ আদি ছিনিয়ৰ ৰেছিডেণ্টে অশেষ কষ্টেৰে মোক জীয়ালে। পাছদিনা ডাঙৰ এক অস্ত্ৰোপচাৰৰপৰা উঠা নাৰ্ছিংহোমতে থকা অক্ষৰ নামে চাৰি-বছৰীয়া এটি মহাৰাষ্ট্ৰী ল'ৰাই মোক বৰ এথোপা গোলাপ দি গ'লহি। তাৰ পাছদিনাহে সুলেখাই মোক কৈছে কেনেকৈ মই যাবই লগীয়া হৈছিল। তাতে মোৰ মনত পৰিল বাদ পৰি থকা এটি সৰু কাম— ড° নগেন শইকীয়াই সাহিত্য-সভাৰ প্ৰকাশন "ভগৱতীপ্ৰসাদ বৰুৱা"ৰ পাতনি বিচাৰি দিয়া টেলিগ্ৰাম পটিআলা এৰা মুহূৰ্তত পাইছিলো। চকু পিছে তেতিয়াও জলক-তবক। মই কৈ গ'লো। সুলেখাই লিখি গ'ল। পাতনিখন ডাকত দিয়ালো। সেইদিনাই অসমৰ বাহিৰৰ বাতৰি-কাকতত অসুখত মই নাৰ্ছিং-হোমত পৰি থকা খবৰ ওলাল। মংগল কামনা কৰাসকলৰ তাঁৰ আৰু চিঠি যাবলৈ ধৰিলে।

২০ মেই। কমিছনত মোৰ ঠিকাৰ শেষ দিন। মোক এখন গাড়ীৰে 'ডিউটি'লৈ লৈ গ'ল। লগতে বিশেষজ্ঞসকলৰ এক বৰভোজ। মই তাত যোগ দিব নোৱাৰি নাৰ্ছিং হোমলৈকে ঘূৰিলো। কমিছনৰ গাড়ী আৰু ডা° মাহাৰে ২১ মেই পুৱাতে আমাক পালামলৈ আগ বঢ়াই দিলে। কমিছনে দিল্লীস্থ অসমৰ কমিছনাৰ আৰু অসম ভৱনৰ যোগে অসম চৰকাৰৰ স্বৰাষ্ট্ৰ বিভাগ আৰু গুৱাহাটী মেডিকেল কলেজলৈ অনুৰোধ জনাই থৈছিল। বৰঝাৰৰ পৰা মেডিকেল কলেজৰ দুজন ডাক্তৰে মোক এখন ৰেড-ক্ৰছ ভানত তুলি কলেজৰ হস্পিটাল পোৱালেহি।

অসমৰ আকাশত তেতিয়া চপৰা-চপৰে মাতৃস্তন্যৰ দৰে পানীৰে ভৰা ডাৱৰ। —নাজানিলো সেইবোৰ সম্বৰ্তক নে পুষ্কৰাৱৰ্তক।

(আগলৈ)


আমাৰ প্ৰকাশিত গ্ৰন্থ ... ...

**ৰঞ্জু হাজৰিকাৰ ঃ**

* চিকাৰ-১০·০০
* ৰক্ত পিপাসু-৮·০০
* বিপন্ন নায়ক—১০·০০
* দুৰন্ত দস্যু —১০·০০
* নিশাৰ অতিথি—১২·০০
* মৃত্যুৰ সংগীত (উপন্যাস) ৮·০০

* শিশু সাহিত্যমালা * চিন্দবাদৰ ভয়ঙ্কৰ অভিযান * ঈচপৰ সাধু ॥

ব্যৱসায়িক যোগাযোগ ঃঃ
মৃণালী প্ৰকাশন,
প্ৰযত্নে, পাপু ৰিফিল ছ,
চাৰিআলি-৭৮৪১৭৬


OKDISCD

# টোপ

লক্ষীধৰ বৰদলৈ

মাছটো কেঁকো-জেকোঁকৈ কঢ়িয়াই আনি চোতালত আলফুলকৈ পেলাই দিলো। মোৰ পিছে পিছে এজাক ল'ৰা-ছোৱালী। সিহঁতে আগুৰি-পিগুৰি মাছটো চাইছে। মুনুৰ মাক গোহালি ঘৰৰপৰা গোবৰৰ পাচিটো লৈ ওলাই আহি মোক পদূলিমুখত দেখা পাই সেইফালে 'থৰ লাগি "আও ইমান ডাঙৰ মাছ" বুলি কৈ চোতাল পালেহি।

ডাঙৰ ৰৌ মাছ। এডাঙৰি মান ধানৰ ওজনৰ সমান। ইমান ডাঙৰ মাছ এইটোৰেই মই প্ৰথম ধৰিছোঁ। ইস ৰাম! সি পানীত কম অতপালি-খন কৰিলেনে! জাল ফালি তুটা পলহ ভাঙি দপদপাই ঘূৰি ফুৰিছিল। ময়ো ভাগ্যক্ৰমেহে ধৰিব পাৰিলোঁ।

সাৰ-সুৰ নোহোৱাকৈ চোতালত পৰি থকা মাছটোৰ ফালে চাওঁতে মাছটোৱে পানীত তাল-আফাল লগাই দপ দপাই থকা শব্দহে শুনিবলৈ পালোঁ; কিন্তু তাৰপৰা চকু ঘূৰাওঁতে হঠাতে সম্বিত পাই মুনুৰ মাকক কলো—"হেৰা! কানু আৰু মোক ভাত দিয়া। আমি এফালে যাব লাগিব।" মোৰ কথা শুনি মুনুৰ মাকে আচৰিত হৈ কলে, "এফালে যাব? মাছটো চোতালত এৰি থৈ একো গতি নলগোৱাকৈয়ে যাবনে? ইমান ডাঙৰ মাছ মই কটা-বছা কৰিম কেনেকৈ?" "সেইবোৰ চিন্তা কৰিব নালাগে। আগতে আমি ভাত খাই লওঁ।" —গম্ভীৰ হৈ মই উত্তৰ দিলোঁ।

খাই উঠিয়েই মাছটোৰ ফুল আৰু চকু ফুটাই ডাঙৰ ৰচি এডাল পাৰ কৰি ভালকৈ বান্ধি ললোঁ। ভাৰ বৈ লৈ যাবৰ কাৰণে সুবিধা কৰি মাছটোৰ ওজনৰ আন্দাজ কৰি কল গছ এটুকুৰা কাটি ৰিৰিয়া পাতেৰে কান্ধত লৈ কলো, "কানু! বাটলৈ ব'ল। বাছ ধৰিব লাগে।" মোৰ কাণ্ডকাৰখানা দেখি গোটেইবোৰ হতভম্ব হ'ল। মোৰ চকু মুখত খঙৰ ভাব ফুটি উঠিছিল হবলা, সেয়েহে মুনুৰ মাকেও তুই ৰামেই নকৰিলে। মাথো ভোৰ-ভোৰাই নিজে নিজে কলে, "যাৰ যি ইচ্ছা কৰি থাকক। আমাৰনো কি?"

মাছটো ভাৰ বৈ মই ওলাই আহিলোঁ। পদূলিমুখতেই বাছ। কানুৱে বেঙা-বেঙি কৰি মোলৈ চাই সুধিলে, "কলৈ যাবিনো পিতাই?" মই কলো, "টাউনলৈ যোৱা বাছ ৰাখিবি।" ইতিমধ্যে মুনুহঁতৰ লগৰ ল'ৰা-ছোৱালীৰ বাহিৰেও আগতকৈ বেছি মানুহ জমা হ'ল।

বাছত আহোঁতেও সকলোৰে চকু থিৰ। —বৰ ডাঙৰ মাছ— কেনেকৈ ধৰিলে? —বঢ়িয়া টে'ষ্ট হব দেই— হেৰি গোটে-গোটে বিক্ৰি কৰিবনে কাটি বিক্ৰি কৰিব? —নানান ধৰণৰ প্ৰশ্ন, আলোচনা।

টাউনত বাছখন ৰখোৱাৰ লগে লগে কানুক কলো, "আমাৰ গাঁৱৰ বালিৰাম পিয়নৰ কোৱাৰ্টাৰ চিনি পাৱ নহয়? এই খিনিতে ক'ৰবাত আছে। বলছোন! পাছৰ খিনি মই চিনি পাম।" তেতিয়াও সি মোৰ মনৰ কথা ধৰিব পৰা নাছিল। বেঙা-বেঙি কৰা যেন কৰিয়েই সি "অঁ পাওঁ। এইফালে আহ।" —বুলি কলে।

দেওবাৰ কাৰণে বালিৰামক সি থকা ঠাইতে পাম বুলি ভাবিছিলো। পিছে নাই। দুৱাৰত তলা। তাৰ বাৰান্দাতে অলপ বৈ কি কৰা যায় বুলি ভাবি চাধা এটা পকাই ললো। সেইটো হুপি শেষ কৰি কানুক কলো, "বল।" সি বোলে "এইবাৰ কলৈ?" "আহি থাকচোন মোৰ পিছে পিছে। মইহে মাছটো ভাৰ বৈছোঁ। তোৰ কান্ধ বিষাব কিয়?" ভেকাহি মাৰি কলোঁ। সি একো নকৈ তলমূৰ কৰি আহি থাকিল।

আমি দুয়োটা আহি মানুহ এঘৰৰ বাৰান্দাত উঠিলোহি। ইতিমধ্যে সেই ঘৰৰ পৰা ল'ৰা-ছোৱালী—কেইটামানে কল টুকুৰা আৰু মাছটোলৈ আঙুলিয়াই কিৰিলি পাৰিবলৈ ধৰিলে। মহিলা এগৰাকী ওলাই অহা দেখি ভাৰখন কান্ধত লৈয়ে নমস্কাৰ কৰি মই সুধিলো, —"গগৈ ছাৰ আছে নেকি?" মহিলা গৰাকীয়ে উত্তৰ দিবলৈ মুখ মেলোঁতেই মই গগৈক দেখা পালোঁ। গামোচা এখনেৰে মুখখন মোহাৰি মোহাৰি তেওঁ ওলাই আহিছে। মোক দেখা পাই "অ আপুনি? ঈস ৰাম! আহক, আহক বুলি ভিতৰলৈ মাতিলে। বাৰান্দাতে ভাৰখন থৈ ভিতৰলৈ সোমাই মই কানুক মাতিলোঁ, "অই ভিতৰলৈ আহ।"

গগৈয়ে হাঁহি মাৰি ক'লে,— "বহক! হে'ৰা চাহ এটোপা কৰাহে। আলহী আহিছে গাঁৱৰ পৰা।" তেওঁ দেখুৱাই দিয়া চকীত বহি চুৰিয়াখনৰ আগেৰে ঘাম মচি মচি মই কলো, "মানে, আজি মানে ৰাইজে বিল মাৰিছিল। ভাগ্যক্ৰমে পালো সেই মাছটো। কানুক বোলো ব'ল; তই ইন্টাৰভিউ দিয়া অফিছৰ বাবুসকলৰ লগত চিনাকি হৈ আহোঁগৈ। সি বৰ লাজকুৰীয়া। নাম শ্ৰীকানুৰাম বৰদলৈ। মোৰ ডাঙৰ ল'ৰা।" কানুৱে উঠি নমস্কাৰ কৰিলে।

"অ' এৰেঁই কানুৰাম বৰদলৈ? বৰ মৰম লগা ল'ৰা। ইন্টাৰভিউত ভালেই কৰিছে। ফাৰ্ষ্ট ডিভিজনত পাছ কৰা ল'ৰাতো! বৰ ভাল লাগিল।" অলপ পাছত চাহ-বিস্কুট আহিলত গগৈয়ে কলে, "আগতে চাহ খাই লওক। কানু, চাহ খোৱা।" আমি চাহত ধৰিলো। গগৈয়ে এবাৰ বাহিৰলৈ এবাৰ ভিতৰলৈ অহা যোৱা কৰি বোলে —"এঃ মাছটো বাৰান্দাতে···।" মই বিস্কুট এটাত কামোৰ মাৰি কলো, —"থাকক দিয়ক; ল'ৰা-ছোৱালীয়ে চাইছে; ৰং পাব।" গগৈ আকৌ আহি বহিলহি। চাহত সোহা এটা মাৰি কলে,— "ইন্টাৰভিউত ভালেই কৰিছে। বৰবাবুৰ হাতত লিষ্টখন দিছোঁ; এওঁৰ নামো আছে।"

"বৰ বাবু মানে হেমকান্ত বৰুৱা নহয় জানো?" —মই সুধিলোঁ। "হয়! তেওঁৰ কথাই কৈছোঁ।" উত্তৰ আহিল। চাহ খোৱা হল। "হেৰ! বৰবাবুৰ তালৈকো যাব লাগে ব'ল।" বুলি কানুক কৈ মই বহাৰপৰা একেচাবে উঠিলোৱেই। গগৈ অতি আচৰিত হৈ বহাৰপৰা থিয় হৈ আকৌ ৰহি পৰিল। মই নমস্কাৰ জনাই কলো,— "বাৰু এতিয়া যাওঁহে। আকৌ আহিম।" ভাৰখন লৈ মই কানুক কলো,— "বল"। গগৈ গগৈয়নী, ল'ৰা-ছোৱালী গোটেইবোৰে আমালৈ চাই থাকিল।

মাছৰ ফিচাই মোৰ চুৰিয়া খনত চেৰেক-চেৰেককৈ কোবাইছে। সেই ভাৰেই আহি মই বৰবাবুৰ বাৰান্দাত উঠিলোহি। তেওঁ বাৰান্দাতে চকীত বহি একান্তমনে বাতৰি কাকত পঢ়ি আছিল। তেওঁ এবাৰ মোলৈ আৰু এবাৰ মাছটোলৈ চাই হতভম্ব হোৱাৰ দৰেই হ'ল। "চিনি পোৱা নাই জানো— এমাহ মানৰ আগতে যে এদিন আমাৰ গাঁৱৰ বালিৰাম পিয়নৰ লগত ইয়ালৈ আহিছিলো!" এইবাৰ তেওঁ বুজি পাই হাঃ হাঃ কৈ হাঁহি— "এ-হে হে পাহৰিছিলোৱেই। আহক, আহক। অচিনাকি মানুহৰ দৰে বাহিৰতে ৰৈ আছে কিয়?" বুলি বাতৰি কাকত এৰি ভিতৰ পালেগৈ।

"মানে হেঃ হেঃ। আজি ৰাইজে বিল মাৰিছিল···" বুলি মই সেই গগৈৰ ঘৰত কোৱা কথাখিনিকে মুখস্থ মাতিলোঁ। তেওঁ একান্তমনে মোৰ কথা শুনিলে। অফিছৰ বহু নিয়ম-নীতিৰ কথাও কলে। আজি কালি যি প্ৰতিযোগিতাৰ দিন পৰিছে চাকৰি পোৱা আৰু সোণৰ খনি বিচৰা একে কষ্টৰ কথা হেনো।

আমাৰ চাহ-তাহ খোৱা হ'ল। গগৈৰ ঘৰতকৈ বৰুৱাহঁতৰ ঘৰ বেছি উৎসাহী। ঘৰখনৰ গোটেইবোৰে মাছটো জিৰিকি পিটিকি চাই মই কেনেকৈ ধৰিলো সুধিলে। ময়ো বিবৰি কলো।

এবাৰ বৰুৱাই হাঁহি হাঁহি কলে, "বাৰু; মই এওঁৰ বিষয়ে চাহাবৰ আগত কম।" মই বিনয় ভাৱেৰেই হাত উঠাই কলো,— "ভাল ছাৰ। আমি এতিয়া চাহাবৰ তালৈকে যাম। মই আকৌ আহিম।" বুলি ঘপকৈ উঠি কানুক কলো,— "হেৰ'! সুঠ কিয়?" মাছটো আকৌ কান্ধত ললো। বৰুৱাহঁতৰ সকলোৱে দুৱাৰমুখৰ পৰাই চাই থাকিল। কাৰো মুখত ৰাই-কুই নাই।

চাহাবৰ গেটত অলপ ৰব লগা হ'ল। প্ৰথমতে মানুহটোৱে মোক মাছ-বেপাৰী বুলি ভাবিছিল; পাছত বুজাই কওঁতে ভিতৰলৈ যাবলৈ দিলে। ল'ৰাৰ দৰে চুলি তুলি কটা, লংপেন পিন্ধা ছোৱালী এজনীয়ে দেখা পাই কাক লাগে সুধিলে। মই চাহাবৰ কথা কোৱাত আমাৰ ফালে আৰু মাছৰ ফালে চাই হাঁহি মাৰি "পাপা! পাপা!" বুলি ভিতৰ সোমাল গৈ। নানান ৰঙৰ ফুলেৰে ফুলি থকা বাগিছা যেন লুঙি এখন আৰু গেঞ্জি এটা পিন্ধি, ঢোল যেন পেটটো মোহাৰি মোহাৰি চাহাব ওলাই আহিল।

তেওঁ মাছটোৰ ফালে বহলকৈ চকু মেলি চাই আমাক ধুনীয়াকৈ সজাই থোৱা কোঠা এটাত বহিবলৈ কলে। কানুৱে বহোঁ নবহোঁকৈ চুচুক চামাক কৰিলে। মই নমস্কাৰ কৰি কলো,— "সেইটো মোৰ লৰা কানুৰাম বৰদলৈ ······।" তাৰ পাছৰ খিনি আকৌ আগৰ দৰেই মুখস্থ মাতিলোঁ।

চাহাবৰ ঘৰৰ ভিতৰৰ পৰা পৰ্দা দাঙি দাঙি চৈধ্যটা চকুৱে মাছটো চাই গলহি। আমি মনে মনে ৰলোঁ। চাহাবে একান্তমনে মাছটোৰ ফালে চাই চাই কিবা ভাবি বুজি পোৱাৰ দৰে সুধিলে, "মাছটোৰ ওজন কিমান?"

"নাজানো দিয়ক? জোখা নাই; এডাঙৰিমান ধানৰ ওজন আছে।" মই উত্তৰ দিলোঁ।

"বৰ্তমান ৰৌ মাছৰ কিলো কিমান?" তেওঁ পুনঃ প্ৰশ্ন কৰিলে।

"সেইটোও নাজানো দিয়ক। আমি কেতিয়াও ৰৌ মাছ কিনি খাব নোৱাৰোঁ; মাছ বিক্ৰিও নকৰোঁ।"

এইবাৰ তেওঁ দাঁত নিকতাই বুজিব নোৱৰা হাঁহি এটা মাৰিলে; —খুব বেছি ত্ৰিছ পঁয়ত্ৰিছ কেজি হ'ব। আজি কালি চাকৰি পোৱা ভীষণ কষ্ট। তথাপি মই চাম বাৰু" বুলি কৈ মাছটোৰ পৰা চকু ঘূৰাই মোলৈ চালে।

"হয় চাহাব। ভীষণ কষ্ট। পোষ্ট দুটা, চাকৰি দিব লগীয়া মানুহ বাইছটা। গতিকে মই বুজিছোঁৱেই। তদুপৰি মিনিষ্টাৰৰ কোনোবা আছে বুলিও শুনিছোঁ। ভিতৰি ভিতৰি এইবোৰ খা-খবৰ লৈ গম পাইছোঁ আপোনালোকৰ ভীষণ অসুবিধা, ভীষণ কষ্ট।" বুলি মই হয় ধৰি তেওঁৰ পৰা চকু ঘূৰাই মাছটোলৈ চাই ৰলোঁ।

মোৰদৰেই চাহাবেও মাছটোৰ ফালে চাই কলে,—"আপুনি বহু কথা জানেই দেখোন। মই বাৰু চাম।" এইবাৰ মই আনন্দ মনেৰেই কলো, "সেয়েহে আহিছিলো চাহাব আপোনাৰ তালৈ। কানুক চাকৰিটো দিব নালাগে।"

মোৰ কথা শুনি চাহাব উচাপ খাই উঠি "কি"? বুলি কওঁতে তেওঁৰ ফুলাম লুঙিখনো কঁপি উঠিল। মই একে সুৰতেই কলো, "ইয়াক চাকৰিটো দিব নালাগে বুলি কবলৈহে ইয়াত সোমালো। এতিয়া বাৰু ··· ···" নমস্কাৰৰ ভংগীত হাত দুখন ওপৰলৈ তুলিলো আৰু ঘপহকৈ বহাৰ পৰা উঠি ভাৰখন কান্ধত লৈ কলো,— "কানু ব'ল।"

---

### সম্পাদকৰ কোঠালিত

বন্ধু ঃ যোৱা দুদিনমান মই মহাভাৰতৰ কথাবোৰ ভাবিবলৈ লৈছিলো বুইছা। দ্ৰৌপদীৰ বেলিকা ভাবি পালো, —তেওঁৰ দুখ আছিল— পাঁচ-পাণ্ডৱৰ সেৱা কৰোঁতে তেওঁ এজন পুৰুষক আপোন কৰি লোৱাৰ আনন্দ নাপালে; আৰু তেওঁৰ সুখ আছিল— তেওঁ ভাগ্যক্ৰমে এশ কৌৰৱৰ হাতত নপৰিল!





OKDISCD



# এনাজৰী

যোগেশ দাস

সাত

পৰ্টিকোতে থিয় হৈ ছিগাৰেট হুপি থকা দত্তক লগ পাই ৰিমানে ইমান পলম হৈ যোৱা কাৰণে বাৰে বাৰে ক্ষমা খুজিলে। লগে লগে দীঘলীয়াকৈ ব্যাখ্যাও কৰিলে আমিনগাৰলৈ গৈ হৰলালকাৰ পৰিয়ালৰ সৈতে কাৰখানাৰ ছাইটটো কেনেকৈ পৰীক্ষা কৰিলে, প্ৰকাণ্ড হুছলীয়া ওখ ঘৰটোৰ ব্লুপ্ৰিণ্ট কেনেকুৱা হব তাৰ বিষয়ে থূলমূলকৈ আলোচনা কৰিলে, —বুঢ়া হৰলালকাই ইতিমধ্যেই মাটি কেইবিঘাৰ আকাৰ আৰু তাৰ মাজত কাৰখানাটো কেনেকুৱা হব তাৰ এটা আভাস দি উকা কাগজ এখিলাত পেন্সিলেৰে আঁকা নক্সা এটা হুলুৰ হাতত দিছেই, — ইত্যাদি কথা বৰ্ণনা কৰিলে।

তেওঁৰ কথাবোৰ কাণ পাতি শুনি পলাশ দত্তই ভিতৰ সোমাই গৈ ড্ৰয়িং-ৰুমতে বহিল। হুলুৰ কোৱা হ'লত দত্তই কলে। "ইমানবিলাক কাম কৰি আহিছা যেতিয়া অলপ সময় লাগিবই। আমাৰ একো অসুবিধা হোৱা নাছিল। মাৰাই মূয়ে বহি বহি, মাজে মাজে চাহ একাপো খাই লৈ, বহুত পুৰণা কথা পাতিলোঁ। একপ্ৰকাৰ লাভেই হ'ল আমাৰ; —বয়স হলে মানুহ তাৰ অতীতলৈ উলটি যায়; —আমাৰ কথাবোৰ কৈ শুনাবলৈ আৰু' কাকো নাপাওঁৰেই নহয়; —গতিকে নিজৰ ভিতৰতে কোৱাকুই কৰিলোঁ —আজি-য়েই এটা সুবৰ্ণ সুযোগ পালোঁ"।

"হুলু আহিলি ?" —এই বুলি মাত লগাই এনেতে নিজৰ কোঠাৰ পৰা শোভনা বৰুৱা ওলাই আহিল। তেওঁ এতিয়া সম্পূৰ্ণ সংযত। চকুপানী ওলোৱাৰ চিন ধুই আহিছে—আনকি গাৰ কাপোৰযোৰো সলাই আহিছে—যাতে অলপ আগতে হৈ যোৱা দৃশ্যটোৰ কোনো ঘটনাৰে চিনমোকাম লাগি নাথাকে। মুখত এটা সংযত হাঁহি।

"আহিলোঁ মা। দাদাক কৈছোঁ যে অলপ দেৰি হৈ গ'ল; —কাম ভালেখিনি আছিল; —পিছে দাদাই কৈছে যে কোনো কথা নাই তোমা-লোকে হেনো বহুত পুৰণা কথা পাতি-বলৈ এটা সুযোগহে পালা!"

শোভনা বৰুৱাৰ সযত্নে প্ৰস্তুত কৰা হাঁহিটো হঠাৎ বন্ধ হৈ গ'ল। তেওঁ চটকৰে দত্তৰ ফালে চালে। ইতিমধ্যে দত্তয়ো অনুভৱ কৰিছিল যে তেওঁ বোধ-হয় আৱশ্যকতকৈ বেছি কথা কৈ পেলাইছে। তেওঁলোক দুয়ো যে অতীত ৰোমন্থনেই কৰিছিল সেইটো সচাঁ। কিন্তু সেই বুলি অতীতৰ কথাকে আলোচনা কৰি সময় কটাইছিল বুলি কলে বিমানৰ মনত নানান সন্দেহ উপজিবও পাৰে। সেই বাবে দত্ত ইতিমধ্যেই সতৰ্ক হৈ উঠিছিল। চুভীৰ অৱস্থাটো বুজিব পাৰি তেওঁ এতিয়া কলে. "হুলুৱে ভাবিছে কিজানি আমি বুঢ়াবোৰ কাহানিও ল'ৰা নাছিলোঁ। হুলু বোপা যেতিয়া আমাৰ নিচিনা হ'বগৈ তেতিয়া তেওঁ আমাৰ কথাৰ অৰ্থ হৃদয়ংগম কৰিব পাৰিব। আমাৰ শৈশৱৰ দিনবোৰ কেনেকুৱা আছিল, আজি কেনেকুৱা হৈ গ'ল! এই চহৰ-খনেইবা কি আছিল—মাত্ৰ ২০/৩০ হাজাৰ মানুহ আছিল আৰু আজি মানুহৰ প্ৰতাপত খোজ এটাকে দিব নোৱাৰি। ইমান দ্ৰুত পৰিবৰ্তন কিজানি আজিৰ জেনেৰেছনে দেখিবলৈ নাপাব; সেই কাৰণেইতো আমাৰ কৌতুহল বেছি হোৱা স্বাভাৱিক, নহয়নে চুভী ?"

শোভনাই আকৌ হাঁহিলে। "মই চাহৰ পানী বহাই দিছিলোঁ। তোমা-লোকলৈ একাপ একাপ চাহ আনোগৈ ৰবা।"

তেওঁ পাকঘৰৰ ফালে গ'ল।

ইটো-সিটো কথাৰ পাছত বিমানে কলে, "দাদা, এটা কথা কওঁ বুলিছোঁ। বন্দনাহঁতে ডান্সৰ স্কুলৰ পৰা এটা পিকনিকৰ আয়োজন কৰিছে। মোকে লগত যাবলৈ ধৰিছে। মই যদিও সেইটো পাৰ্টিত যাবৰ যোগ্য নহওঁ তথাপি মোৰ গাড়ীখনৰ কাৰণেই মোক লগ ধৰিছে। মই যামনে বাৰু ?"

উত্তৰ দিবলৈ গৈ দত্তই অলপ সময় চিন্তা কৰিলে। "মোক যে সুধিছা, মই জানো তোমাৰ গাৰ্জেন ?"

এনেতে চাহ লৈ পাকঘৰৰ পৰা শোভনা বৰুৱা আহিল। তেওঁলৈ এবাৰ চাই দত্তই কলে, "তোমাৰ গাৰ্জেনকে সোধা।"

'কি হ'ল পলুদা ?" পলাশ আৰু বিমানৰ হাতত একো কাপ চাহ তুলি দি শোভনাই সুধিলে। দত্তই কথাটো বুজাই কলে। তেতিয়া শোভনাই সমি-ধান দিলে, "অ' সেইটো কথা। হুলুৱে মোক কৈছেই। হিয়াই হেনো ইয়াক কৈছে যেন দেউতাকৰ অনু-মতিটো হুলুৱেই লয়। এয়ে কথা। এতিয়া সকলো নিৰ্ভৰ কৰিছে তোমাৰ ওপৰত।"

এঢোক চাহ খাই লৈ দত্তই হাঁহি কলে, "সকলো ঠিকঠাক হোৱাৰ পাছত মই যদি পাৰ্মিছন নিদিওঁ গোটেই বদনামটো মোৰ ওপৰতে পৰিব।" তেওঁ আকৌ এঢোক চাহ খাই ললে; অলপ চিন্তা কৰিলে; তাৰ পাছত কলে, "মই বদনাম লোৱাত নাই হুলু। তুমি তোমাৰ গাড়ীৰে হিয়া-হঁতক পিকনিকলৈ যোৱাত সহায় কৰি দিব পাৰা। সিহঁতৰ সকলো দায়িত্বও তোমাৰ ওপৰতে ন্যস্ত হ'ল।"

হাত দুখন লগ লগাই পৰম সন্তোষ আৰু স্বস্তিৰে বিমান বৰুৱাই কলে, "অশেষ ধন্যবাদ দাদা, অশেষ ধন্য-বাদ।" এই বুলি পৰম আনন্দত উৎফুল্ল হৈ তেওঁ নিজৰ কোঠাৰ ফালে গ'ল; —যাওঁতে কৈ গ'ল, "একো চিন্তা নকৰিব দাদা, হিয়াহঁতৰ সকলো ভাৰ মই ললোঁ।"

শোভনা বৰুৱাই তীক্ষ্ণ দৃষ্টিৰে দত্তৰ ফালে লক্ষ্য কৰি আছিল। দত্তৰ প্ৰত্যেকটো ভংগী, প্ৰত্যেকষাৰ কথাৰ যেন প্ৰকৃত অৰ্থ তেওঁ উলিয়াবলৈ আপ্ৰাণ চেষ্টা কৰিছিল।

দত্তই একান্ত মনে চাহ খাই খাই নিজৰ আচৰণ বিশ্লেষণ কৰিছিল। তেওঁ কি শ'লঠেকত পৰা যেন হ'ল ? হিয়াক ইমান সহজে হুলুৰ লগত এইদৰে হলি-গলি কৰি দিবৰ মন তেওঁৰ নাই নেকি ? ভদ্ৰতাৰ খাতিৰতহে তেওঁ সেইদৰে অনুমতি দিলে ? সেই কাৰণেই কথা-খিনি সহজভাৱে কব পৰা নাছিল ?

কাপ-প্লেটবোৰ থবলৈ, ওলাই ইফালে-সিফালে চাওঁতে চকুত পৰিল ইমান পৰে মনে মনে চুভীয়ে তেওঁলৈকে চাই আছিল। ঠিক চকুৱে চকুৱে পৰিব খোজোঁতেই চুভীয়ে চকু আঁত-ৰাই ললে। অলপ আঁতৰৰ টিপয় এখনলৈ অলপ বেঙা মেলি কাপ-প্লেট-বোৰ তাত থৈ তেওঁ ভাবিলে এনে পৰিস্থিতিত কি কোৱা ঠিক হব ?

"চুভী মই যাওঁৰেই হবলা," ছিগাৰেট এটা উলিয়াই লৈ দত্তই গাটো ভাঙিলে, কলে, "ভালেমান দেৰি হ'ল। ঘৰত সুশীলাই চিন্তাই কৰিব।"

"দাদা যায়েইনেকি ?" এই বুলি নিজৰ কোঠাৰ পৰা বিমান আকৌ ওলাই আহিল। তেওঁ পায়জামা-পাঞ্জাবী এযোৰ সলাই আহিছে—ডিঙিত এখন প্ৰকাণ্ড বাথটাৱেল।

"যাওঁৰেই হুলু। তোমালোক দুয়ো আকৌ আহিবা আমাৰ ঘৰলৈ।"

শোভনা বৰুৱা দত্তৰ লগে লগে বাহিৰলৈ গ'ল। বিমান পাকঘৰৰ ফালে গ'ল।

বেন্দাঙে বোধহয় ৰামলালৰ লগত মেল মাৰি আছিল।

আন্ধাৰ চোতাল ডোখৰ পাৰ হৈ যাওঁতে শোভনাই কলে, "পলুদা, বন্দনাৰ কাৰণে চিন্তা নকৰিবা। হুলু বেয়া ল'ৰা নহয়।"

দত্ত ৰৈ গ'ল। "বেয়া নাপাবা চুভী। হুলু বেয়া ল'ৰা বুলি মই কেতিয়াও ভবা নাই। মোৰ কথাত হয়তো তোমাৰ কিবা সন্দেহ হৈছে। মই হয়তো পিতৃ আৰু অভিভাৱক হিচাপে অলপ সাৱধান হৈছোঁ।" আকৌ খোজ লৈ তেওঁ যোগ দিলে, "ল'ৰা-ছোৱালী বৰ ভাল হ'লেও জানো অভিভাৱকে সতৰ্ক ব্যৱস্থা গ্ৰহণ নকৰে ?"

লগে লগে গৈ থাকি শোভনাই বুজিবলৈ চেষ্টা কৰিলে—পলাশ দত্তৰ প্ৰশ্নটোৰ তাৎপৰ্য কি ? তেওঁ চুভীৰ বল কৰি পাতি দিয়া বিয়াখনক ইংগিত কৰা নাইতো ?

গাড়ীৰে অলপ দূৰ অহাৰ পাছতে কিন্তু দত্তৰ মনৰ পৰা সকলো চিন্তা নোহোৱা হৈ গ'ল। কিবা কাৰণত তেওঁৰ মনটো বৰ পাতল পাতল লাগিল। বেন্দাঙে নিৰৱে গাড়ী চলাইছিল। তাক মাজে মাজে সতৰ্ক কৰি দিয়াৰ কথাও দত্তই আজি পাহৰিলে। তেওঁ যি কথা জানিবলৈ ইমান দিনে অপেক্ষা কৰি আছিল আজি শোভনা বৰুৱাৰ স্বীকাৰোক্তিত তাক জানিব পাৰিলে।

চুভীয়ে বিয়াখনত সুখী নহ'লেও সন্তুষ্ট হ'ব পাৰিলেহেঁতেন। এনে বিয়া বহুত হৈছে—অৰ্থাৎ ল'ৰা বা ছোৱা-লীয়ে বিচৰাৰ বিপৰীতে অন্য ছোৱালী বা ল'ৰাৰ লগত বিয়া হৈ গৈছে। ঘৰে ঘৰে আলাপ-আলোচনা কৰি পতা বন্দবস্তী বিয়াবোৰো প্ৰায় তেনেকুৱাই। কিন্তু শোভনা বৰুৱাৰ তেনেকুৱা বিয়া-খন কৃতকাৰ্য হ'ল বুলি কব নোৱাৰি চুভী সুখী নোহোৱাটো অৱশ্যেই বেয়া কথা। কিন্তু বাস্তৱ বাস্তৱহে। তেওঁ গিৰিয়েকৰ পৰা পত্নীৰ সন্মান নাপালে—পালে মাত্ৰ এটা নাম, এখন নিজা ঘৰ, তিনিটা ল'ৰা-ছোৱালী। বুলু-হুলুক লৈ তেওঁ নিশ্চয় সুখী। এনে ল'ৰাক লৈ যি কোনো মাকেই সুখী হ'ব। সিহঁত সংসাৰত প্ৰতিষ্ঠিত হৈছে সিও আনন্দৰ বিষয়। কিন্তু জীৱনটোলৈ উভতি চাই পঠিয়ালে চুভীয়ে এটা বিৰাট শূন্যতাৰ বাহিৰে একোকে দেখিবলৈ নাপায়। তেওঁৰ নিজা জীৱন এটা তাত নাছিল। চুভীৰ নিজৰ মানুহজনী তাত হেৰাই গ'ল।

এই কথাকে পলাশ দত্তই ইমান দিনে জানিব খুজিছিল। তাকে তেওঁ মনে মনে আশাও কৰিছিল— যদিও সেই আশা আছিল অনুচিত। কিন্তু আশাৰ সত্যটো আৱিষ্কাৰ কৰি তেওঁ আজি উৎফুল্ল হৈ উঠিছে। ই যেন ব্যৰ্থতা আৰু পৰাজয়ৰ মাজত অকমান জয়ৰ ৰেঙণি।

খৃষ্টানবস্তিৰ ওচৰ আহি পোৱাত হঠাৎ দত্তই ষ্টিয়েৰিঙৰ ওপৰত হাত

OKDISCD

এখন থৈ কলে, "বেন্দাং ৰখা। অলপ মকবুলহঁতৰ তাত সোমাই যাওঁ।" ড্ৰাইভাৰ বেন্দাঙে জোৰেৰে ব্ৰেক দবাই ট্ৰেকাৰখন ৰখাই দিয়াত দুয়ো হামখুৰি খাই পৰিল—ভাগ্যে ক'ৰবাত ক'ৰবাত আশ্ৰয় কৰি বৈ গ'ল। "চালেহাই সিদিনাও মাতিছিল, কিন্তু যোৱাই হোৱা নাই।" দত্ত গাড়ীৰ পৰা নামিল। "তই গাড়ীতে থাক। গাড়ীখন ৰাস্তাতে এৰি থৈ যাব নালাগে। মই যিমান পাৰোঁ সোনকালে আহিম।" বেন্দাঙে একো নামাতি নিৰৱেই টৰ্চ এটা উলিয়াই জ্বলাই দেখুৱাই দত্তৰ হাতত দিলে।

পকী আলিৰ পৰা মকবুলৰ ঘৰলৈ সৰু বাটটোৱেদি ভালেখিনি সোমাই যাব লাগে। লাইট এবাৰ জ্বলাই এবাৰ নুমুৱাই ক্ৰমাৎ আগবাঢ়ি গৈ থকা দত্তলৈ বেন্দাঙে গাড়ীৰ পৰাই চাই থাকিল। সি কেতিয়াবা কেতিয়াবা মৰমিয়াল দাদাটোক চিনি নোপোৱা হৈ যায়। যেনে আজি দত্তৰ কোনো কথাৰে অৰ্থ সি উলিয়াব পৰা নাই।

ঘৰৰ চাৰিওফালে ওখ চকোৱা। তাৰ মাজতে কাঠৰ ফ্ৰেমত গজাল মাৰি ৰখোৱা এখন টিনপাতৰ দুৱাৰ। সেইখন খোলাই আছিল। ঠেলা মাৰি টৰ্চ জ্বলাই সোমাই যোৱা দত্তক প্ৰথমে চালেহায়েই দেখিলে। চালেহাই লেম এটা লৈ পাকঘৰৰ পৰা পিৰালিয়েদি ঘাইঘৰলৈ আহিছিল;—ঘাইঘৰৰ বাৰন্দাত উঠিয়েই চালেহাই কৈ উঠিল, "কোন?"

"মইহে চালেহা, দত্ত দাদাৰ," দত্তই কলে, "সিদিনা সোমোৱা নহ'ল। আজি এই পিনেদি আহিছিলোঁ— বোলোঁ মাত এষাৰকে দি যাওঁ।"

"ইয়ে সচাঁই দাদা চোন।" চালেহাই কৈ উঠিল, "আহক আহক—আমাৰ কি ভাগ্য—বাইটি!"

বাৰান্দাতে পাৰি থোৱা দুখন চকিৰ এখনত গৈ দত্ত বহিল। সাধাৰণতে তেওঁলোক আহিলে বাহিৰতে বহে। ঘাইঘৰৰ মাত্ৰ দুটা কোঠা। মকবুলৰ ল'ৰা-ছোৱালী তিনিটা; এতিয়া সিহঁতে বাওঁফালৰ কোঠাটোত পঢ়ি আছিল। পাকঘৰটো এচলীয়া। দত্তই জানে ঘৰ-বাৰী কৰিবৰ মন মকবুলৰ নাই। খালী থিয়েটাৰ—ছিনেমা।

"মকবুল নাই অহা?"

চালেহাই কলে, "আহিছিল দাদা। চাহ-নাস্তা খায়েই থিয়েটাৰ চাবলৈ দৌৰ। আজি বোলে ভ্ৰাম্যমানত শকুন্তলা পালা আছে,—আমাৰ দুষ্মন্ত আৰু ক'ত থাকে!"

ইটো কোঠাৰ পৰা বগা সাঙেৰে লপৰ-থপৰ শকত-আৱত বুঢ়ী এগৰাকী লাহে লাহে ওলাই আহিল। "চালেহা কোননো?"

"বাইটি আহ। শুলি বুলিয়ে ভাবিছিলোঁ;—যিহে নিমাওমাও হৈ আছ—দত্ত দাদা আহিছে।"

"দত্ত?" লেমৰ ক্ষীণ পোহৰত দত্তলৈ ভালকৈ চাবলৈ চেষ্টা কৰি বাইটিয়ে কৈ উঠিল, "ইয়ে আল্লা! আচানকনো ক'ৰপৰা ওলালাহি দত্ত? গাটো ভালকৈ ভাল পাইছানে।"

"আপোনাৰ দোৱাত পাইছোঁ বাইটি।" দত্তই কলে।

"আহাঁ আহাঁ বাহিৰত বহিব নালাগে। ভিতৰতে বহাঁহি। মই এনেই কাটি হৈ পৰি আছিলোঁ। গাটো তিমান ভাল নহয়। চালেহা চকি এখন ভিতৰলৈকে লৈ আহ। আহাঁ বোপাই।"

"হ'ব বাইটি ইয়াতে বহিলেও একো নহয়। মই যামেই নহয়। সৌ বাটেদি পাৰ হৈ গৈছিলোঁ, বোলোঁ মাতকে এষাৰ লগাই যাওঁ।"

পিছে বায়েক-ভনীয়েকে নুশুনিলে। লেম-চকি লৈ গৈ দত্তক ভিতৰত নি বহুৱালে। বাইটি বিছনাতে বহিল। সাধাৰণ ঘৰ। মাটি লিপা বেৰ। আচবাব বৰ বেছি নাই। এডাল আলনা, কিছুমান পুৰণা ট্ৰাংক ইত্যাদি মাত্ৰ। ঘৰৰ পাছফালে গড়ালবোৰৰ পৰা হাঁহ-কুকুৰা-পাৰৰ টেঁট-টেঁট, কক্ কক্, বকম্ বকম্ নানান শব্দ মাজে মাজে উঠে।

দত্তৰ প্ৰতিবাদলৈ আওকাণ কৰি চেনেহী বেগম বাইটিয়ে চিঞৰিলে, "চালেহা চাহ অলপ বহুৱাই দে। ঘৰত পাণচাগ আছেনে নাই? ইহঁতৰ ঘৰলৈ আহিলে মোৰ তামোলখনৰে দিগদাৰ হয় দত্ত বোপা। ইহঁতে ভাত খাই উঠি দৌৰ মাৰি পাণদোকানত তামোলখন খাই আহেগৈ। হেৰ অসমীয়াৰ ঘৰত যদি তামোলখনেই নাই তেনে আছে কি? মকবুলৰ পৰাতো একো আশাই কৰিব নোৱাৰি। চালেহাই ঘৰ চলোৱাৰ পৰা বজাৰ কৰালৈকে চব চম্ভালে। ল'ৰা-ছোৱালী কেইটাতো আছেই—দেখিছাই নহয় বোপা ৰাতিখন আলহি আহিলেও মৰদ মানুহটো ঘৰত নাথাকে। ডেকাল'ৰাই বায়েস্কোপ চাইছেগৈ।"

বাইটিৰ লেলপেল নিছিগা কথাৰ সোঁত দেখি দত্তই হাঁহি গ'ল মাত্ৰ। বয়স হৈছে কাৰণে বাইটিৰ কথাও বেছি হৈছে হবলা? মানুহজনীয়ে চোন উস-আসকৈও আছে।

চালেহা ইতিমধ্যে পাকঘৰলৈ গৈছিলেই। সেই সময়তে তাৰ পৰা আহি কলে, 'বায়েস্কোপ নহয় থিয়েটাৰ—থিয়েটাৰ। তেওঁ ভ্ৰাম্যমান থিয়েটাৰ চাবলৈহে গৈছে।'

"জানো ভ্ৰাম্যমানেই কি বোলে আমি বুঢ়া মানুহে জানিলেহে!"—চেনেহী বাইটি পৰম বিৰক্ত। "কি সোপানো চাবলৈ যায় জানো! মোকো এদিন বোৱাৰীয়ে টানি লৈ গৈছিল নহয়—শহীদে কাৰবালা নে কি হৈছিল কাৰণে চাই ভাল পাম বুলি—বুইছা দত্ত, মিছা নকওঁ এই ৰাতিকাল, সেই দিনা অন্তৰখন শাতঁ পৰি গ'ল! গোটেই মক্কা চৰীফ, মদিনা চৰীফ, ফোৰাত নদী, দুলদুল ঘোঁৰা—গোটেইখন চকুৰ আগতে দেখা যেন লাগিল! জীৱনততো আৰু হজ কৰিবলৈ যোৱা নহ'ল। ববাকে এৰি থৈ গ'লত কোনে মোক হজৰ বাবে টকা দিব? এতিয়া শৰীলো পৰি আহিল, আশা এৰিলোঁ। সেইগুণে থিয়ট্ৰৰতে সেইবিলাক দেখি বৰ ভাল লাগিল।"

এই বুলি বুঢ়ীয়ে চকু দুটাত আঁচল এটাৰে হেঁচা মাৰি ধৰিলে। দত্তই তলমূৰকৈ ভাবিলে, বাইটিৰ কথাৰো লৰ হৈছে।

চালেহাই মাত লগালে, "হৈছে হৈছে তোৰ খালী ভিনীটিৰ কথা কৈ চকুপানী টোকা। গাটো অলপ ভাল কৰি ল বুলি ইয়ালৈ লৈ আহিলোঁ, তই গা ভাল কৰিবি ক'ত—মোকে বকি বকি কিবা হৈছ। জানিছে দাদা—আমাৰ ইহঁতক বৰকৈ লাই দিয়া দেখি আজি কিবাকিবি কলোঁ—তাতে খং খাই এওঁ শুই আছিলহি।"

"এ যা মিছা কথা।"

দত্তই কলে, "বাইটি কথা এটা কওঁ। আপুনি হজলৈ যাব পাৰিম বুলি যদি ভাবে কওক, মই সকলো যোগাৰ কৰি দিম। আপুনি একো চিন্তা নকৰিব। ভাল লগ বিচাৰক। গা-মন ভাল কৰক। চব ঠিক হৈ যাব।"

বাইটিয়ে একেচাৰেই বিছনাৰ পৰা নামি আহি দত্তক সাৱটি ধৰিলে। তেওঁৰ মূৰটো বুকুতে ধৰি থাকি চকুলো বোৱাই কলে, "তুমি কোনোবা জনমত সচাঁই মোৰ ভাই আছিলা। মই হজৰ কথা কাহানিবাই এৰিলোঁ—এতিয়া গলে বোম্বাইমানতে খতম হম—তেওযে তুমি এনেকৈ কৈছা বোপা আন কোনে কৈছে? কোনে কৈছে? তুমি বহা, মই মানিকহঁতক এবাৰ চাই আহোঁগৈ। এতিয়াই আহিম। সিহঁতৰ মাত শুনা নাই এই বুলি বুঢ়ীয়ে আকৌ চকুত কাপোৰ গুজি দি ওলাই গ'ল।

মকবুলৰ বৰপুত্ৰ মানিক, তাৰ পিছত চাৰিফা, সদো শেষত আশ্ৰফা। এই সময়ত সিহঁতে নিৰলে পঢ়াশুনা কৰে। চালেহাৰ কঠোৰ নিয়ম। সেই নিয়মৰ ওপৰত হেতাওপৰা কৰা কাৰণেই আজি চেনেহী বাইটিৰ লগত চালেহাৰ কথা কটাকটি হৈছিল। যাৰ ফলস্বৰূপে ঠেহ পাতি বুঢ়ীয়ে দত্ত আহিবৰ সময়ত বিছনা লৈ আছিলগৈ। এইবোৰ কথাকে চালেহাই চাহ, গৰম গাখীৰেৰে চুজি আৰু তাৰ পাছত তামোল-মছলা আনি দি আলপৈচান ধৰাৰ মাজে মাজে দত্তৰ আগত বৰ্ণনা কৰিছিল।

আজিকালি চেনেহী বাইটিৰ পুতেক-বোৱাৰীয়েকহঁতৰ লগত কিবাকিবি লাগিয়েই থাকে। বুঢ়ী পৰি আহিছে কাৰণে পুতেক-বোৱাৰীয়েকে বৰকৈ নমনা হৈছে। অলপ কথাতে কাজিয়া কৰে। বুঢ়ীয়েও কৰ্তৃত্ব এৰিব খুখুজি হবলা উলটি তৰ্ক কৰে। এই পৰিস্থিতি চালেহাই তিনি দিন মান গৈ লক্ষ্য কৰিছিল। সেই বাবে তেওঁ গিৰিয়েকক কৈছিল যে দুদিনমান বাইটিক আনি লগতে ৰাখিলে বেয়া নহব। ঠাই সলনি হলে মনো ভাল হব। মকবুলেও আনিবলৈ কৈছিল। সেইবাবে আন এদিন বাইটিক আনিবলৈ গৈ চালেহাই দেখে বুঢ়ী কেঁকাই-গেঁঠাই পৰি আছে। গাৰ বিষ আৰু জ্বৰ। চালেহাই মোলায়েমকৈ কৈ-মেলি,—ওচৰতে চিনাকি ডাক্তৰ এজন আছে চাই দিবও পাৰিব—বাইটিক দুদিনমান আমাৰ তাতে ৰাখিমেই বুলি লৈ আহিছিল।

সেইটো ব্যৱস্থা ভালেই আছিল। কিন্তু বাইটিয়ে নিজেই সমস্যাবোৰ সৃষ্টি কৰি লয়। আজি এসপ্তাহমান হৈছে তেওঁ অহাৰ। দুদিনৰ পাছতে বুঢ়ীয়ে চালেহাৰ নিয়মবোৰ ভংগ কৰিবলৈ ধৰিলে। মকবুলতো ঘৰত নাথাকেই। গোটেইখিনি চালেহাই চম্ভালিব লাগে। ৰন্ধাবঢ়া, জা-জলপানৰ পৰা ল'ৰা-ছোৱালীলৈকে চেনেহী বাইটিয়ে নিজৰ মতামত ৰজাবলৈ আৰম্ভ কৰি দিলে। প্ৰথমে হাঁহি হাঁহি প্ৰশ্ৰয় দিয়েই গৈছিল; কিন্তু যেতিয়া মানিকহঁতক বুঢ়ীয়ে বৰকৈ আসৈ দিবলৈ ধৰিলে,—আনকি সিহঁতে পঢ়াশুনাতো গাফিলতি কৰিবলৈ ধৰিলে, তেতিয়া চালেহাই সহি থাকিব নোৱাৰিলে। বাইটিৰ কথাৰ ওপৰত কথা কবলৈ বাধ্য হ'ল। ৰাতি বুঢ়ীয়ে সৰু আশ্ৰফাক লগত লৈ শোৱে। আবেলি স্কুলৰ পৰা অহাৰ পাছত চৰিফা, আশ্ৰফা দুয়োজনী জেঠায়েকৰ পাছে পাছে ঘূৰি ফুৰে। ফলত চালেহাই প্ৰৱৰ্তন কৰা নিয়মত ঢিলা পৰিবলৈ ধৰিলে;—বাহিৰত খেলত মতলীয়া মানিকেও ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে,—বিশেষকৈ পঢ়াত ঢিলা পৰিলে সিহঁতে 'বেয়া পোৱাৰ' কোনো কাৰণ নাই। তেতিয়াই চালেহা বাজিল। বায়েকক অলপ টানকৈ কব লগা হ'ল। তাতে বাইটিৰ বেজাৰ। ফলত আজি ফুটগধূলিতে বিছনা লোৱা।

ইতিমধ্যে অৱশ্যে বাইটিৰ চিকিৎসা চলি আছিল। ওচৰৰে চিনাকি ডেকা চিকিৎসক ডাক্তৰ গোস্বামীক ঘৰলৈ আনি মকবুলেই দেখুৱালে। ডাক্তৰে চাই-মেলি সুধি-পুছি বিধান দিলে যে বৰকৈ ঘূৰাপকা কৰিব নালাগে, ডাঙৰ ডাঙৰ কামো কৰিব নালাগে, ৰেষ্টত এমাহমান থকা ভাল—তাৰ পাছত ভাল পাই যাব। বুঢ়ীয়ে চালেহাৰ তীক্ষ্ণ দৃষ্টি এৰাব নোৱাৰি ঔষধবিলাক গিলি আছে। লগে লগে ভোৰভোৰায়ো আছে—ৰেষ্টত থাকিব লাগে! কাম কৰিব নালাগে! আমাৰ নিচিনা মানুহে নমৰেমানে ৰেষ্টত থাকিব পাৰে? ঔষধৰ দৰে ডাক্তৰবোৰ আজিকালি ভেজাল হ'ল!

এই হ'ল আজিৰ চেনেহী বাইটি। চালেহাই কলে যে ঘৰতো এই নিয়ম। নাতিনিয়েকহঁতক লাই দি দি নষ্ট কৰিলে। সময়মতে ভাত নাখায়—নানীয়েকৰ লগত খাব। গা বেয়া কৰিছে, আজি স্কুল নাযায়—এই বুলি আইতাৰ গাৰ আৰ লব। সমুখৰ আলিবাটৰ সিপাৰে দুটা চানাচুৰৱালাই নিতৌ আবেলি ওখ ওখ মুঢ়াৰ ওপৰত জিভাৰ পানী-পেলোৱা বস্তুবোৰৰ আয়না-লগোৱা বাকচটোহঁত থয়হি;—বুঢ়ীয়ে প্ৰায়েই নাতিনিয়েকহঁতক চিঞৰি চিঞৰি মাতি দহপইচাটো, সিকিটো দি চানাচুৰ খাবলৈ মনে মনে পঠিয়াই দিয়ে। কেতিয়াবা মাকে ধৰা পেলায়, তোতেয়াই হৈ চৈ লাগি যায়ঃ এইসোপা খাই খায়েইটো ইহঁতি ভাত নোখোৱা হৈছে! ইফালে পেটৰ অসুখ নুগুচেই।




OKDISCD

হুদিনমানৰ পাছতে গেষ্টিক হ'বই হব! বোৱাৰীয়েকে টানকৈ কলে হুদিনমান নিতাল মাৰি থাকে। কিন্তু তাৰ পাছত বেমাৰ আকৌ উক দিবলৈ ধৰে। এদিন ল'ৰা-ছোৱালী মখাক গোটাই লৈ মেটিনি দেখুৱাবলৈ লৈ যায়— বিশেষকৈ কাৰোবাৰ মুখত যদি শুনে যে অমুক হলত টাৰজানৰ ছবি আহিছে বা আফ্ৰিকাৰ জংঘলৰ ছবি আহিছে। এইবিলাক বোৱাৰীয়েকেও ভাল পায় —ছল পালে "মা ময়ো ওলাইছো ব'লক" বুলি লগতে যায়হে। বোৱাৰীয়েকে ভাল পোৱাৰ কাৰণ কেইঘণ্টামান ল'ৰা-ছোৱালীৰ জঞ্জালৰ পৰা তেওঁ বাছে। পইচাও দিব নালাগে, চেনেহী বেগমে এইবিলাকত নিজৰ পইচা খৰচ কৰিবলৈ কাৰ্পন্য নকৰে। বুঢ়ীয়ে ভাড়াঘৰৰ পইচা এতিয়াও নিজেই লয়। টানত পৰিলে বা কিবা ভাল কামত আৱশ্যক হলে তেওঁ পুতেকক সেইবোৰ টকা উলিয়াই দিয়ে। যেনে ঘৰখনত মিলাদ পাতিলে চেনেহী বেগমে অকলেই সকলো খৰচ বহন কৰে। ধৰ্মত তেওঁৰ বৰ নিষ্ঠা। ক'ৰবাৰ পৰা ফকীৰ-চকীৰ আহি ওলালে এসাজ মুখুওৱাকৈ নপঠিয়ায়। স্থানীয় মৌলবীজনটো নিয়মীয়া অতিথি। স্কুললৈ নগলে দোষ নধৰা বুঢ়ীমাকজনীয়ে হলে নাতিনিয়েকহঁতক কোৰান চৰীফ শিকিবলৈ নিজেই তদাৰক কৰি পঠিয়াই দিয়ে।

চেনেহী বেগমৰ হুটামান কথা গোটেই এলেকাটোতে জনাজাত। আনকি দত্তয়ো তেওঁৰ ভাড়াঘৰত থাকোঁতে সেইবোৰ কথা শুনিছিল। ৰহমতুল্লা নামে আতৰ বেচা মানুহ এটা নিয়মীয়াকৈ চেনেহী বেগমৰ ওচৰলৈ আহিছিল---তেওঁক বহুত বয়সলৈকে মানুহে দেখি আছিল— এতিয়া টুকাল কি নিজৰ ঠাই লক্ষ্ণৌলৈ উলটি গ'ল হবলা; নেদেখা হ'ল। ৰহমতৰ লগত চেনেহী বেগমে তলে তলে কাৰবাৰ কৰিছিল বুলি মানুহৰ বিশ্বাস। ৰহমতুল্লা দেশলৈ গলে হেনো তেওঁ পাট আৰু মুগাৰ থান দি পঠিয়ায়। ৰহমতে


## খুচুৰা বিক্ৰেতা বন্ধু সকলৰ বাবে এটি শুভ খবৰ।
## কোহিনুৰ চামাৰ স্পেচিয়েল '৮৬



**বিক্ৰিৰ বাবে বিনামূল্যে পোৱা উপহাৰ**

* চাবলি ইন্টাৰলক ড্ৰয়াৰ আৰু ব্ৰিফচ্।
* গ্ৰীষ্ম কালিন শীতল ৰঙৰ গেঞ্জি।
* মহিলাৰ পেন্টিজ।

**আপুনি কি কৰিব লাগিব :**
ওপৰত উল্লেখ কৰা বস্তুবোৰ কিনাৰ সময়ত আপোনাৰ ডিলাৰৰ পৰা আধাখনিয়া আৰু সম্পূৰ্ণ কুপন লওক আৰু তলত দিয়ামতে কল্পনাতিত উপহাৰ লাভ কৰক।

৬০ টা সম্পূৰ্ণ বা ১২০ টা আধাখনিয়া কুপনৰ বাবে বিনামূল্যে উপহাৰ পাব। → এক ডজন ড্ৰয়াৰ কলাৰ ৰিব (যি কোনো চাইজৰ) এক ডজন মেট্ৰো কলাৰ এফ আৰ এন (চাইজ ৩০×৩৪)

১২০ টা সম্পূৰ্ণ বা ২৪০ টা আধাখনিয়া কুপনৰ বাবে বিনামূল্যে উপহাৰ পাব। → ১½ ডজন মেট্ৰো কলাৰ এফ আৰ এন (চাইজ ৩০×৩৪) ১½ ডজন মেট্ৰো বি এল এফ আৰ এন (চাইজ ৩০×৩৪) ১½ ডজন নতুন মেট্ৰো এফ আৰ এন (চাইজ ৩০×৩৪) ১½ ডজন ৬৬৬ বি এল আৰ এন (চাইজ ৩০×৩৪)

১৮০ টা সম্পূৰ্ণ বা ৩৬০ আধাখনিয়া কুপনৰ বাবে বিনামূল্যে উপহাৰ পাব। → ৩ ডজন মেট্ৰো কলাৰ এফ আৰ এন (চাইজ ৩০×৩৪) ৩ ডজন মেট্ৰো বি এল এফ আৰ এন (চাইজ ৩০×৩৪) ১½ ডজন নিউ মেট্ৰো এফ আৰ এন (চাইজ ৩০×৩৪) ১½ ডজন "Y" ফ্ৰন্ট বি এল (যি কোনো চাইজ) ১½ ডজন শ্ৰীমান MERCD বি এল আৰ এন (চাইজ ৩০×৩৪)

মনত ৰাখে যেন ৩০ এপ্ৰিল ১৯৮৬য়েই হৈছে শেষ দিন।

আমাৰ খুচুৰা বিক্ৰেতা সকললৈ এটি অনুৰোধ। যদি আপোনালোকে পলমকৈ বস্তু পোৱাৰ বাবত বা অন্য কোনো কাৰণে অসুবিধা ভোগ কৰে তেতিয়া অনুগ্ৰহ কৰি আমালৈ পোনপতিয়াকৈ যোগাযোগ কৰিব :

## কোহিনুৰ নিটিংগ মিলছ্

১১৩ মনোহৰ দাস কাত্ৰা, কলিকতা ৭০০০০৭
ফোন : ৩৩-৩৩১২ ● ৩৩-০৪৩৪




সেইবোৰ কাপোৰ উত্তৰ প্ৰদেশ আৰু দিল্লীত বিক্ৰি কৰি নিজে একো কমিছন নোলোৱাকৈয়ে চেনেহী বেগমক লাভসহ দাম দিয়েহি। এবাৰ তেওঁ ৰহমতক কাৰবাৰত খটাবলৈ ভালেখিনি নগদ টকা দিছিল। সেইবাৰ ৰহমত বহুত দিনলৈ অহা নাছিল। মানুহে বাইটিক কৈছিল যে পছিমীয়াটোৱে ঠগিলে। বাইটিয়ে সমিধান দিলে যে ৰহমত তেনেকুৱা মানুহ নহয়। তহুপৰি আল্লাৰ ওপৰত ভাৰসা ৰাখিব লাগে। পলমকৈ হলেও ৰহমতুল্লা ঘূৰি আহিছিল আৰু বাইটিৰ টকাও ঘূৰাই দিছিল। এই মানুহটোৰ যোগেদিয়েই ইয়াত পাবলৈ নোহোৱা ৰকম ৰকম ফেন্সি বস্তু আনি বাইটিয়ে ঘৰ ভৰাইছিল— ডাঙৰ আলহী আহি ভাত খাব লগা হলে বাইটিয়ে যিবোৰ ষ্টিলৰ বাছনহে উলিয়াই দিয়ে,—ডাঙৰ আলহিয়েই ক'ত পাইছে খবৰ লয়।

দ্বিতীয় এটা উল্লেখযোগ্য ঘটনা পহু মঙহ খোৱালৈ। বাইটিৰ ঘৰলৈ কাচিৎ কেতিয়াবা এই হুস্প্ৰাপ্য খাদ্য বিধৰ আমদানি হয়। আগতে বাৰিষা হ'লেই কোবাই টঙনিয়াই মৰা পহুৰ মাংস অসমৰ বজাৰবোৰত ওলাইছিল। আজিকালি নাই। নংপো, শ্বিলং, গাৰোপাহাৰতো নোপোৱা হ'ল। কিন্তু বাইটিৰ সংসাৰত কোনো দিনে পহু মাংসৰ উৱাদানি নাই। এইবিধ বস্তু পোৱাটো তেওঁৰ ঘৰত এটা পৰবৰ লেখীয়া। বাহিৰত কাৰোবাৰ কাৰোবাৰ ঘৰত এনে সুস্বাহু মূল্যবান বস্তু খোৱাৰ কথা শুনি আহি ঘৰত যদি বৰকৈ আলোচনা হয় তেনেহলে চেনেহী বেগম শেষত এদিন ঘৰৰপৰা ওলাই যায়। তেওঁৰ নিৰ্দিষ্ট এজন চিকাৰী আছে— মুছলমান মানুহ। তেওঁক কৈ আহে, পইচা-পাতি দি আহে। চিকাৰীয়ে সুবিধা বুজি যেনেকৈ পাৰে— বেছিভাগ চোৰাংকৈ পহু মাৰি আনে। তেওঁ অনাৰ সুবিধা এয়ে যে পহুটোৱে গুলী খাই ছটফটাই থাকোঁতেই ধৰ্মভীৰু চিকাৰীয়ে দৌৰি গৈ ডিঙিটোত চোকা চুৰীৰে ৰেপ দিয়েগৈ। সেই পহুৰ মাংস খোৱাত বাধা নাই। বাইটিয়ে সেই মাংসৰ বাহিৰে অন্য পহু মঙহ ঘৰলৈ আনিবলৈ নিদিয়ে।

চাহ খাই খাই দত্তই ভাবি ঠিক কৰিলে যে বাইটিয়ে এই শেষ বয়সতো কৰ্তৃত্ব এৰিব খোজা নাই। কিন্তু আনে তেওঁক কৰ্তৃত্ব দিব নোখোজে। দ্বিতীয়তে, ল'ৰা-ছোৱালীক বাইটিয়ে খুব মৰম কৰে; সিহঁতক আনকি ইচ্ছানুযায়ী চলিবলৈ দি ৰেয়া কৰিবলৈকো টান নাপায়; —সিহঁতক এৰি তেওঁ থাকিবই নোৱাৰে। তৃতীয়তে, মক্কা চৰিফ—মদিনা চৰিফ তেওঁৰ অন্তৰত এনেকৈ খোদিত হৈ গৈছে যে কোনোবাই পঠিয়ালে এই অৱস্থাতো তেওঁ যাবলৈ সাজু।

দত্তই চাহ খাই থাকোঁতেই ল'ৰা-ছোৱালী কেইটাক এৰি বাইটি এইটো কোঠালৈ আহিল। "দত্ত খাইছানে" বুলি কিনো খাইছে খবৰ লৈ চকুৱে-মুখে অসন্তোষ প্ৰকাশ কৰিলে। তামোল কাটি থকা চালেহালৈ হুবাৰমান খঙেৰে চাই পঠিয়ালে। তাৰ পাছত নিৰৱে কোঠাটোৰ পৰা ওলাই পাকঘৰৰ পিনে গ'ল। ক'লৈ গ'ল, কি কৰিবলৈ গ'ল একো নাভাবি দত্ত আৰু চালেহাই নানান কথা পাতি থাকিল; যেনে— ঘৰ-হুৱাৰবোৰৰ কোনো উন্নতি হোৱা নাই। সেই আগৰ দৰেই আছে। মেৰামতিৰ দৰকাৰহে হৈছে। মকবুলটোৱে ঘৰৰ একো খবৰ নাৰাখে। ইমান দিনে ঘৰটো পকা হৈ যাব লাগিছিল, লাইট আহি যাব লাগিছিল, পাৰ্মেনেণ্ট পাকঘৰ হব লাগিছিল--- আৰু এটা ৰুম নবঢ়ালে তিনিটাকৈ ল'ৰা-ছোৱালী ডাঙৰ হলে কেনেকৈ চলিব? "ময়েই কব লাগিব তাক," দত্তই শেষত কলে, "ট্ৰাক এখনৰ লোভ নেদেখুওৱা হলে সোণাপুৰৰ মাটিখিনিও নিকিনিলেহেঁতেন। এতিয়াও তেনেকুৱাই কিবা বুধি সাজিব লাগিব।"

দত্তৰ চাহ-জলপান খোৱা হৈছিল। চালেহাই তামোলৰ বটাটো আগবঢ়াই দিছিলেই--- এনেতে খুপি খুপি বাইটি সোমাই আহিল— হুয়ো হাতেৰে খুব সতৰ্কভাৱে কোৱাটাৰ প্লেট এখন দাঙি লৈ আহিছে : তাত হুটা সিজোৱা কণী, এজেবা নিমখ, এখন চামুচ।

"বাইটি!" দত্তই কৈ উঠিল।

"চালেহাই ভাবি চোৱা নাই যে তুমি জ্বৰৰপৰা উঠিছা মাত্ৰ। ভাল ভাল বস্তু খাব লাগে। বায়েৰে এই হুটা সিদ্ধ কৰি আনিছোঁ খোৱা। যাচোন চালেহা পানী বহাই দি আহিছোঁ ফচকৰে আৰু অলপ চাহ দত্তৰ কাৰণে কৰি আনগৈ।"

হুয়ো অবাক। চেনেহী বেগমে খুব সাৱধানে পিৰিচখন ওচৰৰ চকিখনৰ ওপৰতে থলে। চালেহা আকৌ পাকঘৰলৈ ওলাই গ'ল। দত্তই কলে, "ইমানবোৰ বস্তু খালে চোন পেট ফুটি মৰিব লাগিব বাইটি!"

বিছনাত বহি লৈ বাইটিয়ে কলে, "মুফুটে পেট। ক'ৰবাৰপৰা আহিছো বুলি কৈছা। নিশ্চয় ক'ৰবাত একাপ শুদা চাহ খাইছা যদি খাইছা। পেট নিশ্চয় খালী হৈ আছে। খোৱা।"

বিমানৰ ঘৰত বহুত সময় কটোৱা আৰু কেইবাবাৰো চাহ খোৱাৰ কথাটো কবলৈ দত্তৰ মুখলৈ আহিছিলেই। কিন্তু শেষ মুহূৰ্তত ঠিক নহব বুলি সেইটো কথা নকলে আৰু প্লেটখন লাহেকৈ তুলি ললে। এই বাৰ বাইটিয়ে কথাৰ বকলা মেলিলে। যিখিনি কলে তাৰ সাৰমৰ্ম হুটা : এক, বোৱাৰী মানুহ কেতিয়াও ভাল হব নোৱাৰে; হুই, দত্তটো হিন্দু নহৈ মছলমান হব লাগিছিল, তেতিয়া বাইটিয়ে তেওঁকে লৈ হজলৈ যাব পাৰিলেহেঁতেন।

দত্তই কণী হুটা খাই শেষ কৰিছে আৰু নতুন একাপ চাহ লৈ চালেহা সোমাইছে— এনেতে বেন্দাং আহি উপস্থিত। গাড়ীখন এৰি থৈ কিয় আহিল বুলি দত্তই সুধিলত বেন্দাঙে উত্তৰ দিলে যে মকবুল ভায়ে চাহ খাবলৈ পঠাই দিছে।

মকবুল? হয়, বেন্দাঙে জনালে, মকবুল থিয়েটাৰ চাই ঘূৰি আহিছিল।

৫২ পৃষ্ঠাত চাওক

## এটা কবিতা

**আনিছু উজ্জ জামান**

হ্ৰদটোৰ পাৰলৈ ফুৰিবলৈ গ'লেই
শেঁতা জোনটো প্ৰায়েই নামি অহা দেখোঁ
তুমি মোক সুধিব বিচাৰা নেকি
মোৰ বয়স কিমান

জ্বৰে ঘমাদি ঘামি যাওঁ
পাহাৰটোৰ কাষলৈ গ'লে
অলপ সময় পান কৰি
নিজকে পাহৰি থাকিব বিচাৰোঁ
সেউজীয়া

কেনেকৈ বাৰু দিনবোৰ কটাওঁ
এই চহৰৰ 'প্ৰাইভেট' গলিটোত
মানুহজনীৰ কলিজাফাটি যোৱা
চিঞৰটোৰ লগতে শুই পৰে
বসন্ত
আৰু হালধীয়া ঋতু

কোনে বাৰু তাইক গৈ সুধিব
ভায়েকটোক ক'ত এৰি থৈ আহিল!



## লাই হালে জালে

**যতীন বৰুৱা**

জিলিয়ে নে বাঁহীয়ে
ৰৈ ৰৈ মাতে
কোনে
উকা পৃথিৱীত
গোটেই নিশা

সজাত নে অৰণ্যত
বন্দী শিশুৰ
ইননি বিননি
ফৰিংফুটা জোনাকত
নে ধান দাই নিয়া
নবাণিত নে
বনভোজ খোৱা শিলনিত
কোনে
গীত জুৰিছে শাকনিত
ৰুণুক জুনুক আবেলি বেলি
লাই হালে জালে
লফা হালে জালে...॥

## দুটি কবিতা

**মোহন চন্দ্ৰ দেউৰী**

এক

তোমাৰ উজ্জ্বল ৰঙা চকুযুৰিত
সূৰুয ডুব গ'ল মোৰ
বোৰতী নৈত
থৰ লাগে তোমাৰ মুখ!

দুই

মোৰ উৰুঙা হৃদয়ত কিয় বিনালাহি;
এতিয়া সন্ধ্যা নামো নামো!

## শেৱালি

**পবিত্ৰ বৰাগোঁহাই**

শেৱালি পাহি ফুলে নিৰৱে
ৰাতি শীতল বতাহ লৈ,
মনৰ শেৱালি ফুলে,
মনৰ ফাগুন হ'লে।

তুমি কিয়
অজানিতে নিৰৱ হৈ,
ৰাতি উজাগৰে থাকা?

## অস্তিত্বৰ সময়

**লক্ষেশ্বৰ শৰ্মা**

এক

সুন্দৰ,
মোক অমিতাভ পৰশেৰে চুই দিয়া
মই এপাহ ফুল হওঁ!!

দুই

বুকুৰ ভিতৰত সাৰে আছে এটি কৰুণ শিশু;
ক্ৰমে ক্ৰমে সি এতিয়া নতুন যীশু॥







# হিপ্ হিপ্ হুৰ্ ৰে

**প্ৰশান্ত ৰাজগুৰু**

কিবা এটা কৰিব লাগিব। নহ'লে একো নহৈছেগৈ। এতিয়াই কৰিব নোৱাৰিলে আৰু কেতিয়াও কৰিবপৰা নাযাব। এইটোৱেই বয়স। ওঁ, এইটোৱেই সময়।

শৰীৰৰ সৰ্বাংগত সি অনুভৱ কৰিলে এক অদ্ভুত কুটকুটনি। তেজৰ ভিতৰত যেন কিছুমান নাম নজনা সৰু-সৰু পোকে বলিয়াৰ দৰে বিচৰণ কৰিছে। ক্ৰমাৎ যেন সিহঁত ধাবমান হৈছে মগজুলৈ। সিহঁতে কিলবিলাই ফুৰিছে ৰৌৰৌৱাই জ্বলিবলৈ ধৰা মগজুটোত। কাণ দুখন যেন সি স্পৰ্শ কৰিব নোৱাৰাকৈ পকা অঙঠাৰ দৰে গৰম হৈ গৈছে। সি স্পষ্ট শুনিবলৈ পালে— দুয়ো পাৰি দাঁতৰ কৰচনিৰ শব্দ। মুখেদি ওলাই আহিল অলপ গৰম বতাহ। উঃ, নাই, কিবা এটা কৰিবই লাগিব।

যোৱা ৰাতি তাৰ একেবাৰেই টোপনি নাহিল। বিছনাত চটফটাই চটফটাই অৱশেষত সি ওলাই আহিল আন্ধাৰতে।

আন্ধাৰতে সি ওলাই আহিল ৰাজ পথলৈ।

শেহ নিশাৰ কোমল বতাহত ৰাস্তাৰ কুকুৰবোৰো শুই পৰিছে।

তিনি আলিটো পোৱালৈকে সি সিদ্ধান্ত কৰিব পৰা নাছিল সি কোন ফালে যাব...। ঠিকেই, বাওঁফালে যোৱাই ভাল। সি কোবাকুবিকৈ ৰাস্তাটো পাৰ হ'ল। ভীষণ জোৰেৰে এখন অট'ৰিক্সা তাৰ কাষেদি পাৰ হৈ গ'ল। নিশাৰ বাছ-যাত্ৰীৰ ভাৰা ল'বলৈ আহিছে। ৰাস্তাটো পাৰ হৈয়েই সি বাঁওহাতে ঘূৰিল।

কিবা এটা কৰিব লাগিব। আজিয়েই। কালি অতনুৱে কৈছে,— সি ঠিকেই কৈছে; —বয়স, বয়স ৰৈ নাথাকে। তেজত পোকবোৰ পুনৰ বলিয়া হৈ উঠিল। দুয়োপাৰি দাঁত পুনৰ সংঘৰ্ষত লিপ্ত হ'ল।

সি 'যেতিয়া অভাৰব্ৰিজখনৰ ওচৰ পালেগৈ তেতিয়া ৰাতি পুৱাও পুৱাও হৈছে। ঠিকেই। ইয়াতেই। ইয়াতেই পোৱা যাব। ক্ৰমাৎ সি অভাৰব্ৰিজখনৰ ওচৰ চাপিল। ধীৰ গতিত সি অভাৰব্ৰিজখনৰ তললৈ সোমাই গ'ল। তাৰ সন্ধানী দৃষ্টিয়ে স্পৰ্শ কৰিলে তলত থকা প্ৰতিটো বস্তু। লাহে লাহে সি আগবাঢ়িল। ক্ৰমাৎ অভাৰব্ৰিজৰ আনটো প্ৰান্তলৈ। হঠাৎ তাৰ চকু পৰিল মানুহজনীত। তাইৰ মূৰৰপৰা ভৰিলৈকে সি দূৰৈৰপৰাই এবাৰ নিৰীক্ষণ কৰিলে। তাই শুই আছে। অভাৰব্ৰিজখনে নামি আহি য'ত ৰাস্তাটো স্পৰ্শ কৰিছে তাত সৃষ্টি হোৱা চুকটোত তাই শুই আছে। সি ক্ৰমাৎ তাইৰ ওচৰ চাপিল। ...“জীৰ্ণ বস্ত্ৰ, শীৰ্ণ গাত ক্ষুধাৰ কণ্ঠ ক্ষীণ”— নজৰুলৰ এনে উপমাও তাইৰ অৱস্থাটোৰ আগত ম্লান হৈ পৰিব।

তাৰ আগমন মানুহজনীয়ে গম পাইছিল। বৰ কষ্টেৰে মেলো-নেমেলোকৈ তাই চকুহাল মেলিলে। চকুৰ বগা অংশটোৱে যেন গোটেই মুখখনকে ঢাকি ধৰিব। সি তাইৰ চকুলৈ চালে। নিষ্পলক। লাহে লাহে সি তাইৰ কাষত বহিল। তাইৰ হাতখন এবাৰ সি চুই চালে। চেঁচা। বৰ ভয় লগাকৈ চেঁচা। নাড়ী পৰীক্ষা কৰাৰ উদ্দেশ্যে সি তাইৰ হাতৰ ঠাৰিডাল টিপি ধৰিলে। পৃথিৱীখন চুৰমাৰ হোৱাৰ দৰে এক বিৰাট শব্দ কৰি এখন ট্ৰাক অভাৰব্ৰিজৰ ওপৰেদি পাৰ হৈ গ'ল। উঃ ভগবান! তাৰ মনটোৱে এবাৰ তাক জোকাৰি দিলে। টিপ্ টিপ্...। ভয় লগা মন্থৰ গতিত মানুহজনীৰ তেজবোৰ সঞ্চালিত হৈছে। সি তাইৰ হাতখন এৰি দিলে। নিষ্পলক দৃষ্টিৰে তাই চাই আছে তালৈ। তাই মৰিব। আৰু মাত্ৰ এঘণ্টা বা ডেৰ ঘণ্টাৰ পাছতে তাই হয়তো মৰি থাকিব। তাইৰ ওঁঠ দুখন অলপ... নাই, ওঁঠ লৰোৱাৰ শকতিও তাইৰ নাই। চুলিবোৰ আঠা লগাৰ দৰে মুঠি মুঠিহৈ পৰিছে। সি তাইৰ চুলিখিনি এবাৰ চুই চালে। এক উৎকট গোন্ধ তাৰ নাকত লাগিল। নাই, কিবা এটা কৰিব লাগিব। আজিয়ে কৰিব লাগিব। এতিয়াই কৰিব লাগিব। সি লাহে লাহে তাইৰ বাউসীত হাত থলে! তাৰ হাতখন



OKDISCD

মন্থৰ গতিত তাইৰ বাহুৰ ওপৰেদি পিচলি গ'ল। তাৰ দাঁত হুপাৰি পুনৰ কৰচি উঠিল। তাইৰ চকুহাল মুদ খায়ে আছে। খৰধৰকৈ সি তাইৰ ব্লাউজটো খুলি পেলালে। তাইৰ উন্মুক্ত বুকুখনলৈ সি এবাৰ চালে। মানুহজনীয়ে তালৈ চাই আছে, এক অদ্ভুত দৃষ্টিৰে। তাই যেন ক'ব— "এয়া তুমি কি কৰিছা বোপা ?"

এটা সময়ত টানি আজুৰি সি গোটেই মানুহজনীকে নগ্ন কৰি পেলালে তাই প্ৰতিবাদ কৰিলে কেৱল চকুৰে ; একো লৰোৱাৰ শকতি তাইৰ নাই। বৰ কষ্টৰে দাঙি ধৰা চেঁচা হাতখনে তাক বাধা দিব নোৱাৰিলে। "নকৰিবা, কিয়, মোক কিয় এনেকুৱা কৰিছা মোৰ সোণটো ?" —তাই এবাহমান ক'ব পৰা হ'লে !

"ওৱাক থুই"— অভাৱব্ৰিজৰ ওপৰেদি যোৱা কোনোবা বাটৰুৱাই তললৈ থুৱাই দিলে।

হাতত লৈ থকা ফটা পেটিকোটটো দলিয়াই দি সি এটা দীঘলীয়া উশাহ টানি বহিল। মানুহজনীয়ে তালৈ চায়ে আছে।

ক্লিক্। ক্লিক্। ক্লিক। বলিয়াৰ দৰে সি কেমেৰাটো লৈ বিভিন্ন দিশৰ ছবি ল'লে।

ক্লিক। ক্লিক।

শেষ আৰু দৰকাৰ নাই। কেমেৰাটো সামৰি সি বেগত ভৰালে। চেঁচা বতাহ এজাকে তাৰ সৰ্বশৰীৰ স্পৰ্শ কৰিলে। যেন এক অৱসাদৰ সময়। এক গধুৰ নিশ্বাসৰ লগত সি শৰীৰত থূপ খোৱা ভাগৰবোৰ একেলগে এৰি দিলে। ঘৰঘৰাই শব্দ কৰি ৰেল এখন চলি আহিল। শব্দত ঠাইটুকুৰা কঁপি উঠিল। তাৰ শৰীৰটোৱেও জোকাৰণিৰ স্পৰ্শ পালে। সি চাই ৰ'ল একান্তমনে চলন্ত ৰেলখনৰ চকাবোৰলৈ। সি যেন চকাবোৰত দেখিবলৈ পালে তাৰ মুখৰ প্ৰতিচ্ছবি এক ভগা ভগা ৰূপত। ৰেলখন পাৰহৈ গ'ল। সি খৰখেদাকৈ ৰেল লাইনটো পাৰ হ'ল। এবাৰ ঘুৰি চালে মানুহজনীলৈ। তাৰ ভিতৰত এক চেঁচা চেঁচা সৰ্পিল অনুভূতি হঠাৎ ক্ৰিয়াশীল হ'ল। সি অনুভৱ কৰিলে তাৰ কামিহাড়েৰে আবৃত অংশটোৰ ভিতৰত যেন একো নোহোৱা হৈ গ'ল। সেই শূন্য সজাটোত যেন কিছুমান তপ্তবতাহ অহৰহ সঞ্চালিত হ'বলৈ ধৰিছে। কিবা এটা কৰিব পৰা হ'লে ! এৰা এই মানুহজনীৰ হৈ কিবা এটা কৰিব পৰা হলে! কি কৰিব ? মানুহজনী বাচিব জানো ? ওঁহো নাবাচে। তাইক যদি অলপ পানী খুৱাই দিয়া হয় তেনেহলে তাই বৰ বেছি আধা ঘণ্টা বেছিকৈ বাচিব। তাইক যদি হস্পিটেললৈ লৈ যোৱা হয়, তেতিয়া ? তেতিয়া তাই হয়তো দুদিনমান বেছিকৈ বাচিব পাৰে। অথবা তাইক যদি ঘৰলৈ লৈ যোৱা হয় ! ওহোঁ অসম্ভৱ। এক অনিবাৰ্য মৃত্যুৰ সম্ভাৱনাৰ সম্মুখত তাৰ সেইগতিময় দোকমোকালিটো হঠাৎ স্থবিৰ হৈ পৰিল। কেইটামান মুহূৰ্ত। সি ঘূৰি আহিল মানুহজনীৰ ওচৰলৈ। পুনৰ বহি পৰিল মানুহজনীৰ ওচৰত। তেজবোৰ ক্লান্ত নিৰুদ্বেগ। সি মানুহজনীৰ চুলিখিনিত এবাৰ হাত-বুলাই দিলে। ভেকেটা-ভেকেট সেই গোন্ধটো ! ক্ৰমাৎ তাৰ হাতটো পিচলি গ'ল তললৈ ; লাহে লাহে তাৰ বাঁওহাতটো আগবাঢ়িল। ···এক, দুই, তিনি, চাৰি···মাত্ৰ ত্ৰিছটা চেকেণ্ড। দুয়োটা হাতৰ বজ্ৰকঠিন মুঠিটোৰ মাজত মানুহজনীৰ ডিঙিটো স্পন্দনহীন হৈ পৰিল। মেলিব খোজা চকুৰ বগা অংশটো ওলাই পৰিল।

শেষ। সকলো শেষ।

মানুহজনী মৰিল। মানুহজনী তাৰ হাতত মৰিল।

সি এটা হত্যাকাণ্ড কৰিলে।

তৎ মুহূৰ্ততে তাৰ মগজুটো হৈ পৰিল এখন শুধ বগা কাগজ। মানুহজনীৰ মুৰটো শব্দহীনভাৱে এফাললৈ হালি পৰিল। ৰেলৰ এক দীঘলীয়া উকিয়ে তন্দ্ৰাৰ জালখন চিৰাচিৰকৈ ফালি পেলালে। তাৰ সিপাৰে ভয়ৰ কেটোৰ ক'লা এক বন্ধ কুঠৰী। দীঘল উশাহটোৱে নাকটোৰ ভিতৰখন ডেই পেলালে। মুহূৰ্তৰো বিলম্ব নকৰি সি পিছলৈ ঘূৰিল। জপিয়াই জপিয়াই পাৰ হ'ল ৰেল লাইনবোৰ। জাপ মাৰি পাৰ হ'ল বোকা অথবা পানী নামৰ অযোগ্য ক'লা পদাৰ্থৰ ডোঙাটো। পুলিছৰ পেট্ৰলভান নিশাৰ ডিউটি শেষ কৰি ধীৰ গতিত ঘূৰি যোৱাৰ মৃদু শব্দ সি শুনিবলৈ পালে। চিক্ চিক্ বিকৃত শব্দৰে চিকা এটা কাষৰ জোপোহাটোৰ মাজত সোমাই পৰিল। তাৰ শৰীৰৰ নিম্নাংশৰপৰা অতি সন্তৰ্পণে এটা জিকাৰ উজাই আহিল ; জোকাৰ খাই উঠিল তাৰ সৰ্বশৰীৰ। ৰাজপথলৈ উঠিয়েই সি ঘৰৰ ফালে খোজ ল'লে। গতি দ্ৰুতৰ পৰা দ্ৰুততৰ। কান্ধত ওলমি থকা বেগটোৰ অৱস্থান সি কেইবাবাৰো সলনি কৰিলে। চোলাৰ তলত অনুভূত এক সুৰসুৰণিত সি গম পালে সি ঘামিছে। কপালত হাত দিওঁতেই হাতখন পিচলি গ'ল। ঘাম।

ঘৰ্মাক্ত শৰীৰেৰেই সি বিচনাত বাগৰ দিলে। ঘৰৰ বাকী মানুহবোৰ নিদ্ৰামগ্ন; অলপ পাছতে আৰম্ভ হ'ল নৈমিত্তিক দিনটো। গোটেই দিনটো সি প্ৰচণ্ড উৎকণ্ঠাৰ মাজত কটালে। কাকো একো ক'ব নোৱৰাৰ অত্যাচাৰত বাৰম্বাৰ তাৰ বুকুখন উৎপীড়িত হ'ল ······ ।

কিবা এটা হ'লনে ? এৰা হ'ল। সাংঘাতিক কিবা এটা ? হয়তো হ'ল। ইত্যাদি বিভিন্ন প্ৰশ্নৰ মাজতে সি দিনটো কটাই দিলে। সেইনিশা চহৰত প্ৰচণ্ড বৰষুণ।

পাছদিনা পুৱা, কান্ধত কেমেৰাৰ বেগটো লৈ সি পুনৰ ওলাল অভাৱব্ৰিজৰ তললৈ। মানুহজনীৰ মৰাশটো একে ঠাইতে আছে। প্ৰচণ্ড বৰষুণৰ বাবে খালৰ পানী বৈ আহিছে। সেই পানীয়ে মানুহজনীৰ শৰীৰৰ একাংশ চুই গৈছে। পানীৰ স্পৰ্শ পোৱা অংশটো এজাক ভেনা-মাখিৰ বিচৰণ ক্ষেত্ৰত পৰিণত হৈছে। কালিৰ ভেকেটা-ভেকেট গোন্ধটো তাৰ নাকত লাগিল। দুটা বিভিন্ন কোণৰ পৰা সি দুখন ছবি ল'লে। এটা শিলগুটি মাৰি সি ভেনা মাখিবোৰ উৰুৱাই দিলে। মাখিবোৰে গোটেই মৰাশটো ছানি ধৰিলে। সুন্দৰ !! লৰালৰিকৈ সি কেইবাখনো ছবি ল'লে। আজি গোন্ধটোৰ বাহিৰে আন একোৱেই তাক আমনি দিব নোৱাৰিলে।

সেইদিনা ৰাতি মৌচুমীক লৈ কৰা কল্পনাবোৰ তাৰ মনত সজীৱ হৈ উঠিল। শুই থকা গাৰুটো পাঁচোটা আঙুলিৰে জোৰেৰে চেপি ধৰিলে। তেজবোৰ শান্ত। চকুৰ কোণত দুটোপাল পানী।

পাছদিনা পুৱা সি যথেষ্ট পলমকৈ সাৰ পালে, সেইদিনা সি অভাৱব্ৰিজৰ ওচৰলৈ যাব নোৱাৰিলে। গোটেই দিনটো কেমেৰাটোৰ ভিতৰত থকা ছবিবোৰৰ কথা চিন্তা কৰি বহি থাকিল।

তিনিদিনৰ মূৰত সি আজি ডাটি চিকুণালে। নিজকে তাৰ অলপ সতেজ-সতেজ লাগিল। গধুলিৰ আড্ডাতো কাকো সি এই কথাবোৰ ন'কলে। সমীৰ, দীপক, নাৰুহতে ফটোগ্ৰাফিৰে কিবাকিবি আলোচনা কৰি আছিল। মাজে মাজে নিজৰ কাগজ কেইখনৰ কথা আলোচনা কৰি আছিল। সিহঁতৰ আলোচনাৰ সুৰ যোৱা বহু কেইবছৰ ধৰি একে আছে। সি আজি সিহঁতৰ আলোচনাত অংশ ল'ব নোৱাৰিলে। সি কেৱল শুনি গৈছিল সিহঁতে কোৱা কথাবোৰ। মাজে মাজে চাইছিল হোটেলৰ মেনেজাৰৰ চকুলৈ, কেতিয়াবা চাইছিল কামৰ মেজৰ হেমন্তহঁতৰ আড্ডাটোলৈ, ছিনেমাৰ বিভিন্ন অভিজ্ঞতাৰ কথা খোনাই খোনাই কৈ যোৱা হেমন্তৰ কথাবোৰত মাজে মাজে সিহঁতৰ আড্ডাটো ফাটি পৰিছিল। এনেকৈয়ে পাৰ হ'ল গধূলিটো।

পাছদিনা দোকমোকালিতে সি পুনৰ খোজ ল'লে অভাৱব্ৰিজৰ ওচৰলৈ। মৃতদেহটো আজিও তাত থাকিব,— সি কল্পনাও কৰা নাছিল। আচৰিত ! বহুত দূৰৰ পৰাই তাৰ পৰিচিত গোন্ধটো নাকত লাগিল। মৃতদেহটো তাতে আছে। তিনিটা কুকুৰৰ তুমুল অত্যাচাৰত মানুহজনীৰ শৰীৰটোত মঙহৰ নামমাত্ৰহে আছে। কেং কেং শব্দ কৰি পগলাৰ দৰে সিহঁতে মানুহজনীৰ শৰীৰটো আজুৰি আছে। তাৰ তেজবোৰৰ উষ্ণতা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিলে। ৰক্তচাপত যেন মূৰটো ফাটি যাব। নিজকে এবাৰ সংযত কৰি সি কেমেৰাটো ঠিক কৰিলে। বহুত ছবি। আজি সি বহুত ছবি ল'লে। বিক্ষিপ্ত ভাৱে অ'ত ত'ত মঙহ লাগি থকা নৰকংকালটোৰ ছবি। এছাৰি এডাল হাতত লৈ সি কুকুৰকেইটা দূৰলৈ খেদি পঠালে। এই কংকালটো এসময়ত এজনী মানুহ আছিল। সৌ কুকুৰকেইটাই কঢ়া-আজোৰা কৰি থকা মাংস পিণ্ডটো তাইৰ হাত আছিল। সেইখন হাতেৰে তাই এদিন তাক স্পৰ্শ কৰিছিল। সৌ লাওখোলাটোৰ গাঁত দুটাত তাইৰ এহাল চকু আছিল। সি তাইৰ চুলিখিনিত হাত বুলাই দিওঁতে তাই চকুহাল মুদি দিছিল।

ক্লিক্। ক্লিক্।

মৰাশটোৰ পৰা দহহাতমান দূৰত কুকুৰ কেইটাই কঢ়া-আজোৰা কৰি থকা হাতখনৰ সি ছবি ললে। আজি হয়তো মিউনিছিপেলিটিৰ মানুহে মৃতদেহটো লৈ যাব। সি শেষবাৰৰ কাৰণে মৃতদেহটো এবাৰ চাই ল'লে।

ওঁহো নিনিবওতো পাৰে ! কিজানি আছে ! তেতিয়া নিশা এঘাৰ বাজি বিছ মিনিট গৈছে। সি অস্থিৰ হৈ পৰিল। অলপ থাকি গ'ল। আৰু অলপমান। বাহিৰৰ পৃথিৱীখনত যেন কেৱল সিহঁত দুটা। সি আৰু সেই কংকালটো। এটা জীৱিত আনটো ···। তেতিয়া মাজনিশা। পিট্ চ দিয়া ৰাস্তাত কেৱল তাৰ খোজৰ শব্দ।

আধা পোহৰ আধা ছাঁৰ মাজতে সি দেখা পালে মানুহজনীক। ঠিক মানুহজনী নহয় তাইৰ অৱশিষ্ট কংকালটো। মঙহ তাত অকণো নাছিল। হঠাত তাৰ এনে লাগিল যেন মানুহজনীৰ জীৱন্ত শৰীৰটোতকৈও এই কংকালটোৰ সৌন্দৰ্যই তাক বেছি আকৃষ্ট কৰিছে। কাৰোবাৰ বহু সাধনাৰ সৃষ্টি এই কংকালটো যেন ছাঁ আৰু পোহৰৰ অপূৰ্ব প্ৰেক্ষাপটত কোনোবাই প্ৰদৰ্শন কৰিছে। আ !! এনেকৈয়ে কিজানি মৃত্যু শিল্প হয় !

ক্লিক্। ক্লিক্। ক্লিক্। তাৰ অন্যমনস্কতাৰ মাজতে কেমেৰাটোৱে শব্দ কৰি উঠিল।

কোনেও দেখা নাইতো ? নাই কোনেও দেখা নাই। লাহে লাহে সি কংকালটোৰ ওচৰ চাপিল। গাৰ সৰ্বশক্তি প্ৰয়োগ কৰি সি কংকালটোৰ বুকুখনত এটা গোৰ মাৰি দিলে। কেছেককৈ এটা এটা শব্দ হ'ল। এবাৰ, দুবাৰ, ···সি বলিয়াৰ দৰে কংকালটোক গুৰিয়াবলৈ ধৰিলে। গছকি গছকি সি কংকালটোৰ হাড়বোৰ ছিন্ন ভিন্ন কৰি পেলালে।

কেমেৰাৰ শ্বাটাৰ খোল খালে। মানুহজনীৰ লগত তাৰ সম্পৰ্ক শেষ হ'ল।

এক নতুন প্ৰত্যুষক স্বাগতম জনাই চৰাইবোৰে যেন কিৰিলিয়াই উঠিল— হিপ্ হিপ্ হুৰ্ ৰে···

"থ্ৰি ছিয়েৰছ টু···" মৌচুমীয়ে চিঞৰি উঠিল।

"ধেৎ পাগলীৰ দৰে কি চিঞৰিছা ?" —সি প্ৰতিবাদ কৰিলে।

"আজি চাবানা, তোমাৰ প্ৰদৰ্শনীয়ে মানুহক পাগল কৰি দিব।"

"ধেৎ তুমি মানে একে বাৰে···"

"অঃ! ইট্ ছ ছিম্প্লি অৱণ্ডাৰ-ফুল মাই···"

"কি হ'ল ? বৈ গ'লা যে ? 'মাই কি ?"

"অসভ্যামি কৰিবলৈ বহুত ঠাই আছে বুজিছা। ইয়াত নহয়।"

তাৰ পৰিচিত অথচ সদায় নতুন যেন লগা এটা চাৰনি এপলক তাৰ চকুত বৈ গ'ল। মৌচুমী গুচি গ'ল।

এজন দুজনকৈ মানুহবোৰ আহি-





OKDISCD

বলৈ ধৰিছে। কোনোবাই তাক লগ ধৰিছে। অভিনন্দন, বিভিন্ন প্ৰশ্ন, বিভিন্ন শলাগ। এক অবিচ্ছিন্ন গুণ-গুণনিত কোঠাটো মুখৰ হৈ উঠিল। হঠাৎ সি অনুভৱ কৰিলে গোটেই প্ৰদৰ্শনী কোঠাটো যেন এক অদ্ভুত ধৰণে গোঙ্কাবলৈ ধৰিছে। ঠিক সেই

মানুহজনীৰ চুলিৰ পৰা ওলোৱা ভেকেটা-ভেকেট উঃ···! প্ৰতিটো উশা-হতে যেন সেই গোন্ধবোৰ তাৰ বুকুৰ ভিতৰলৈ সোমাই গৈছে। বুকুখন যেন ফুলি আহিছে। বুকুখন যেন এই মুহূৰ্ত্ততে এক বিৰাট শব্দ কৰি ফাটি যাব। ক'ত? ক'ত গোঙ্কাইছে? ক'ৰ পৰা ওলাইছে গোন্ধটো? সি এখন এখনকৈ ছবিবোৰলৈ চাই পঠালে।

সেইখন কি? মানুহবোৰে জুম বান্ধি কেৱল এখন ছবি চাই আছে। সিহঁতে গুণগুণাই কিবাকিবি কৈ আছে। কি কৈছে সিহঁতে? হয়, হয়, ঠিকেই··। সেইখন ছবিত তাই জীয়াই আছিল। তাইৰ গাত কাপোৰ নাছিল। তাইচোন··· আঃ··· এইয়া কি হৈছে? মানুহবোৰে অসভ্যৰ দৰে কি চাইছে? সেয়াতো সেই মানুহজনী নহয়! সেয়াচোন মৌচুমী! তাৰ মৰমৰ মৌচুমী! তাই নগ্ন কিয়? তাইৰ কাপোৰবোৰ কোনে খুলি পেলালে? তাইক মানুহে কিয় চাইছে? মানুহ বোৰে হাঁহিছে নেকি? মৌচুমী মৌচুমী··· এই গোটেই মানুহবোৰৰ আগত তুমি···তুমি···তোমাক কোনে·· তুমি কিয়··· ? মানুহবোৰে কিবা এটা গুণগুণাই আছে। হয় হয়, সিহঁতে কৈছে— হিপ···হিপ হুৰ্‌ৰে···থ্ৰি চিয়েৰ্ছ টু··· হিপ হিপ···।

গুণগুণনিটো যেন লাহে লাহে কোলাহলত পৰিণত হ'ল। কোঠাটোত আন এটা শব্দ নোহোৱা হৈ গ'ল হিপ হিপ··· গোটেই পৃথিৱীখনে শুনাকৈ যেন মানুহবোৰে চিঞৰি দিব —থ্ৰি চিয়েৰছ টু···।

৪৭পৃষ্ঠাৰ পিছৰ পৰা

গাড়ীত অকলে বহি থকা বেন্দাঙক পাই সকলো খবৰ ললে আৰু বহুত সময় হোৱা দেখি নিজে গাড়ীত বহি থাকিবলৈ বেন্দাঙক চাহ খাই আহিবলৈ পঠিয়াই দিছে।

সি দুৱাৰদলিৰে থিয় হৈ আছিল। বাৰান্দাত আন্ধাৰ। বহিবলৈও একো নাই। চেনেহী বেগমে কলে, "আহ বোপাই ভিতৰলৈকে আহ। চালেহা যা বেন্দাঙলৈকো চাহ নাস্তা লৈ আহগৈ।"

বেন্দাঙে ইতিমধ্যে ইফালে-সিফালে বিচাৰি চাই মুঢ়া এটা পাই সেইটোকে লৈ পোহৰৰ ফালে আহি বহি ললে। বুঢ়ীয়ে তাৰ লগতে কথাৰ বকলা মেলিলে। সিনো গাড়ীৰে সুশীলা, বন্দনা ইহঁতক লৈ তেওঁৰ তালৈ কেতিয়াবা যাব নোৱাৰেনে? নাই নোৱাৰে— সিও গেৰেজত কাম কৰিব লাগে নহয়! তাতে কেতিয়া দাদাক বা কাথহাজৰিকাক লৈ ক'ৰবালৈ যাব লগা হয় একো কব নোৱাৰি। সি আৰু নাগালেণ্ডলৈ নাযায় নেকি? নাই নাযায়। পাহৰত থাকিব নোৱাৰে ইম্ফলতে ডাঙৰ-দীঘল হৈছে, ভৈয়ামেই ভাল লাগে। তাতে দাদাক এৰি থৈ যাব নোৱাৰি নহয়। তাৰ যে ককায়েক এটা আছিল তাৰ কিবা খবৰ পায়নে? নাই কোনো খবৰ নাপায়। শুনিছিল ককাইটো হেনো ফিজোৰ দলত সোমাইছে। হ'ষ্টাইল হৈছে। ইমান দিনে মৰি থাকিব ভী পাৰে। সি নাজানে।

চালেহাই বেন্দাঙলৈ চাহ আৰু চুজি আনিলে।

ইতিমধ্যে চালেহাই কমাই দিয়া চাহ কাপ খৰখেদাকৈ শেষ কৰি দত্তই তামোল এখন মুখত ভৰাই সিটো কোঠাত সোমালগৈ। ল'ৰা-ছোৱালী কেইটাক ইমান পৰে মাত লগোৱাই নাই। অৱশ্যে সিহঁতে পঢ়ি আছিল। তেওঁক দেখি মানিক, চৰিফা, আশ্ৰফা তিনিও তৎপৰ হ'ল। চৰিফাই তাইৰ টুলখন এৰি থিয় হৈ থাকিল। দত্তই টুলখনতে বহি তাইক ওচৰ চপাই পিঠিয়ে-হাতে হাত বুলাই নানান কথা সুধিবলৈ ধৰিলে। কি কি পঢ়িছে, পঢ়ি কেনেকুৱা লাগে, কি পঢ়ি বেছি ভাল লাগে, অংক ভয় কৰেনেকি ইত্যাদিৰ পৰা মাণিকৰ খেলা আৰু ছোৱালী দুজনীৰ চিলাইলৈকে সকলো সুধি যাবলৈ ধৰিলে। পঢ়া-শুনা কথা-বতৰাত কেউটা ভাল। উচিত উচিত উত্তৰ দি গ'ল। ইহঁতৰ প্ৰত্যেকৰে জন্মৰ কথা দত্তই জানে। এসময়ত বাইটিও আহি লগ ললেহি। বেন্দাঙক পঠিয়াই চালেহা ভাত ৰান্ধিবলৈ পাক-ঘৰলৈ গৈছিল।

ল'ৰা-ছোৱালী কেইটাৰ জন্মৰ কথা কিয়, মকবুল আৰু চালেহাৰ বিয়াৰ গুৰিতো পলাশ দত্তৰ বৰঙণি আছিল।

তেতিয়া দত্তই বাইটিৰ ভাৰাঘৰ এৰিবৰ বেছ কিছু দিন হৈছিল। কিন্তু দুয়োৰে মাজত অহা-যোৱা চলি আছিল। বিশেষকৈ ঈদ আৰু বিহুত নিমন্ত্ৰণ কৰিবলৈ ইজনে সিজনক বিচাৰি যোৱাটো ধৰাবন্ধা আছিল। সেই সময়তে এদিন এটা বিশেষ কথা লৈ বাইটি দত্তৰ ঘৰলৈ আহিল।

চেনেহী বেগমহঁত গাঁৱৰ মানুহ। পুঠিমাৰী অঞ্চলৰ এখন গাঁৱৰ পৰাই চেনেহীক গুৱাহাটীৰ কাছাৰীত কাম কৰা ডেকা এজনে বিয়া কৰাই আনিছিল। গিৰিয়েকৰ গুৱাহাটীতে ঘৰ-দুৱাৰ থকাত চেনেহী লগৰীয়া হৈছিল। অৱশ্যে গাঁৱৰ ঘৰখনৰ লগত সম্বন্ধ ৰক্ষা কৰি আছিল। তেনেকৈ গিৰিয়েকেও গাঁৱৰ লগত সম্পৰ্ক ছিঙি পেলোৱা নাছিল। সেই সূত্ৰেই চালেহাৰ প্ৰসংগ উঠিল। চালেহা চেনেহীৰ খুৱাকৰ ছোৱালী। খুৱাক খেতিয়ক মানুহ। পেটে-ভাতে খোৱা মানুহ। কিন্তু চালেহা ঘৰধৰা চালাক ছোৱালী। দুচেনীমান ইংৰাজী স্কুলতো পঢ়িছিল। খেতিয়ক ববাকে বিচাৰে যেন বায়েকৰ দৰে ভনীয়েকৰো নগৰতে বিয়া হয়। তেওঁ ধনী মানুহ, সম্ভ্ৰান্ত মানুহ বিচৰা নাই। খাব-খুটিব পৰা হলেই হয়। মাত্ৰ চহৰত এখন ঘৰ হলে অহা-যোৱা কৰিবলৈ ভাল হয়। (আগলৈ)






# সমসাময়িক জাপানী চিত্ৰকলা

সমুদ্ৰ গুপ্ত কাশ্যপ

"জাপানৰ সৌন্দৰ্য কি? ভাৰত কি? অতিশয় জটিল প্ৰশ্ন। অতি গভীৰ বিষয়। (জাপানী) কবিয়ে কৈ গৈছে, পৃথিৱীখন আছুকা নদীৰ জলৰাশিৰ দৰে চিৰ প্ৰবাহমান। কালি এটা জলপ্ৰপাত পাৰ হৈ আজি অগভীৰভাৱে বৈছে এই উপত্যকাত। অখ্যাত কবিয়ে 'কিবা এক সাধাৰণ' অথবা 'অনিশ্চয়তা'ৰ কথাই কৈছিল চাগৈ। প্ৰশ্নবোৰৰ মোৰো 'সাধাৰণ'-ভাৱে অথচ 'অনিশ্চয়তা'পূৰ্ণ ভাষাৰে উত্তৰ দিবৰ মন যায়। বতাহত যেন ৰংবিৰঙৰ সুগন্ধি ফুল উটি-ভাঁহি ফুৰিছে আছুকাৰ জলধাৰাই যেন মানুহক অনিশ্চিত ভৱিষ্যতলৈ লৈ গৈছে। যেন এয়া এটা সাধাৰণ ঘটনা।"

জাপানৰ সমসাময়িক চিত্ৰকলাৰ প্ৰদৰ্শনীখনত * প্ৰদৰ্শিত এখন ছবিৰ শিল্পী কিয়ছুকে ছিনাইৰ এয়া মনৰ কথা। কিন্তু প্ৰদৰ্শিত ৮৪খন ছবিৰ বেছিভাগেই 'সাধাৰণ' নহয়। 'অনিশ্চয়তা'ৰ আভাস কিন্তু সকলোতেই বিদ্যমান।

সমসাময়িক জাপান বুলিলে পোনতেই মনলৈ আহে ভূমিকম্পত ধ্বংস হ'ব নোৱাৰাকৈ সজা অট্টালিকা, ছিৰি নোছোৱাকৈ চলা দ্ৰুতগামী ৰেলখনৰ কথা, কম্পিউটাৰ আৰু কেমেৰাৰ কথা, ছেৰিফুল আৰু সূৰ্যোদয়ৰ কথা। মাছায়ছি আইগাছা নামৰ শিল্পীগৰাকীৰ অভিযোগ— টকিঅ'ৰ দৰে অত্যাধুনিক মহানগৰীবোৰে সৰ্বসাধাৰণক মানবীয় অনুভূতিবোৰৰপৰা বঞ্চিত কৰিছে। তথাপি আধুনিক জীৱন ধাৰা জাপানী শিল্পীৰ বাবে অনুপ্ৰেৰণা। প্ৰদৰ্শিত কমেও বিছখন



টকিঅ'ত দৈনন্দিন জীৱনঃ মাছায়শি আইগাছা। কেনভাছত তৈলচিত্ৰ ৯০×১৩৫ ছে. মি.

চিত্ৰই আধুনিক জাপানী জীৱনধাৰাৰ প্ৰতি শিল্পীসকলৰ মনোভাৱ প্ৰতিফলিত কৰিছে।

জাপানৰ সংস্কৃতি মূলতঃ চীনা সংস্কৃতিৰ আহিত গঢ় লোৱা বুলি বিশ্বাস কৰা হয়। ভৌগোলিকভাৱে জাপান অন্তিম-পুবত অৱস্থিত বাবেই সংস্কৃতিৰ পুবমুৱা গতি সেই দ্বীপপুঞ্জত

দৃষ্টি-১ঃ শিগেও ফুকুডা অফছেট প্ৰিন্টিং ১০৯×৭৯ ছে. মি.




'ৰৈ গৈছিল। সেয়ে, জাপানীসকলৰ মতে, এয়া 'সীমা-মূৰীয়া সংস্কৃতি'। কোনো কোনোৰ মতে 'culture accumulated'.

মূল এছীয় ভূখণ্ডত পুৰণিক আঁতৰাই নতুনৰ সূচনা কৰা হৈছিল জাপানত পুৰণিক 'digest' কৰিবলগীয়া হৈছিল; সেইটো এটা কঠিন পৰ্যায়। উনৈছ শতিকাৰ দ্বিতীয় ভাগতহে জাপানে বহিৰ্জগতৰ বাবে দুৱাৰ মুকলি কৰিছিল। অন্যান্য পছিমীয়া চিন্তাধাৰাৰ সৈতে সমানে-সমানে আমদানি হয় কলা-সম্পৰ্কীয় চৰ্চা। চিত্ৰকলাৰ পছিমীয়া ধাৰা ইয়াৰে অন্যতম।

পূৰ্বতে পৰম্পৰা আছিল কাগজ বা পাট-কাপোৰত ৰাটাৰ-কালাৰ ছবি অঁকা। কেনভাছত তৈল-মাধ্যমৰ ব্যৱহাৰৰ ইতিহাস জাপানত এশ বছৰো পুৰণি হোৱা নাই। তেওঁলোকৰ ভাষাত পৰম্পৰাগত চিত্ৰ-কলাৰ পদ্ধতিৰ নাম 'নিহংগা'; পছিমীয়া পদ্ধতিক বোলা হৈছে 'য়গা'। ৰিয়েলিজমৰ ভিত্তিত 'য়গা' পদ্ধতিৰ জৰিয়তে ইম্প্ৰেছ'নিজম, ফ'ভিজম, কিউবিজম, ছুৰিয়েলিজম আৰু এবষ্ট্ৰেক্ট কৌশলসমূহ আয়ত্ত কৰোঁতে জাপানী চিত্ৰকৰসকলে যথেষ্ট সময় লৈছিল।

* নৱেম্বৰ ১৯৮৫। নেশ্যনেল গেলেৰি অৱ মডাৰ্ন আৰ্ট, নতুন দিল্লী।



সময়ৰ বাহিৰত : কুছুকে কিমুৰা ছিল্কক্ৰিন, লিথ'গ্ৰাফ ৭০ × ১০০ ছে. মি.

পেৰিছৰ কলা-ধাৰাই আন আন দেশৰ দৰে জাপানতো প্ৰচণ্ড প্ৰভাৱ পেলায়। ক্ৰমে নিউয়ৰ্ক, লণ্ডন আৰু ৰোমত গঢ়ি উঠা নতুন পছিমীয়া কলা-চৰ্চাৰ, বিশেষভাৱে চিত্ৰকলাৰ বা জাপানলৈকো ব'বলৈ ধৰে। কিন্তু 'নিহংগা' আৰু 'য়গা'— দুয়োবিধ চৰ্চা এতিয়াও সমান্তৰালভাৱে জাপানত জনপ্ৰিয়, আৰু সেই দেশৰ পণ্ডিত-সকলৰ মতে এই দুই ধাৰা অদূৰ ভৱিষ্যতে এক হৈ যোৱাৰ সম্ভাৱনা ক্ষীণ।


পছিমীয়া ধাৰাৰ প্ৰথম হোতা বোলা হৈছে হিৰাগা জেন্নাইক (১৭২৬-৭৯)। এওঁৱেই প্ৰথমে পাট-কাপোৰত পছিমীয়া আহিত লেণ্ডস্কেপ আঁকে। ১৭২০ চনলৈকে সেইদেশৰ চৰকাৰে যিকোনো অনা-জাপানী সাহিত্য বা কলা-চৰ্চাৰ সামগ্ৰী অনা নিষিদ্ধ কৰি ৰাখিছিল। সম্ৰাট মেইজিৰো (ৰাজত্বকাল: ১৮৬৮-১৯১১) ধাৰণা আছিল— এনে সাহিত্যই থলুৱা সংস্কৃতি আৰু ধৰ্মত আঘাত হানিব। জেন্নাইৰ এজন ছাত্ৰ ছাটাকা শ্বজেনৰ (১৭৪৮-৮৫) নেতৃত্বত এদল শিল্পীয়ে এটা সময়ত পৰম্পৰাগত চিত্ৰকলাৰ বিৰুদ্ধে মুকলি জেহাদ ঘোষণা কৰা পৰিস্থিতিও জাপানৰ কলা-ইতিহাসৰ এটা লেখত লবলগীয়া অধ্যায়।

১৮৫৫ চনত জাপানত জাপানী ভাষালৈ পছিমীয়া গ্ৰন্থৰ অনুবাদৰ বাবে এটা প্ৰতিষ্ঠান খোলা হয়। কেইবছৰমানৰ পাছতেই বিখ্যাত চিত্ৰকৰ কাৱাকামি ট'গাইৰ তত্বাৱধানত এই প্ৰতিষ্ঠানতে চিত্ৰকলা বিভাগ এটাও আৰম্ভ কৰা হয়। ট'গাইয়েই প্ৰথমে অনুষ্ঠানিকভাৱে পছিমীয়া চিত্ৰকলাৰ পাঠদান আৰম্ভ কৰে। এওঁৰ ছাত্ৰসকলৰ ভিতৰৰ অন্যতম টাকাহাছি য়ুইছি (১৮২৮-৯৪)। য়ুইছিয়ে তেওঁৰ সমসাময়িক আৰু উদীয়মান শিল্পী-সকলক পছিমৰ চিত্ৰকৰসকলৰ 'accuracy' লক্ষ্য কৰিবলৈ আবেদন জনায়।

১৮৭৬ চনত দুজন ইটালীয় শিল্পীক (এণ্টনিঅ' ফণ্টানছি আৰু ভিনছেনজ' ৰাগুছা) চৰকাৰীভাৱে চিত্ৰকলা প্ৰশিক্ষক পদত নিযুক্ত কৰা হয়। এওঁলোকৰ অধীনত ক'য়ামা শ্ব'টাৰো, মাটছুৰকা হিছাছি, নাকামাৰু ছেইজুৰ', আছাই ছু, য়ামামটো হছুই, গ'ছেডা য়ছিমাটছু আদি ভালেমান লেখত ল'বলগীয়া শিল্পী প্ৰতিষ্ঠিত হয়। এইসকলৰ প্ৰচেষ্টাত ১৮৮৯ চনত স্থাপিত হয় মেইজি আৰ্ট ছছাইটি। আছাই ছুৰ নেতৃত্বত একাধিক চিত্ৰকৰে ফৰাছী ইম্প্ৰেছনিষ্ট কৌশল আয়ত্ত কৰে।

১৮৯০ চনত প্ৰথম "পছিমীয়া চিত্ৰ-কৌশলৰ জাপানীকৰণ" শীৰ্ষক উত্তেজনা-পূৰ্ণ বিতৰ্কৰ সূচনা হয়। জাপানী চিত্ৰৰ পৰম্পৰাগত বিষয়সমূহ পছিমীয়া ৰিয়েলিষ্টিক আহিত উপস্থাপনৰ সমালোচনা আৰু আলোচনাই ইতিমধ্যে সমকালীন চিত্ৰকৰসকলক বিভিন্ন ধৰণে অনুপ্ৰাণিত কৰিবলৈ ধৰে। ইতিমধ্যে হায়ামি গিয়ছু, হিছিডা

কিবা এক সাধাৰণ : কিয়'ছুকে ছিনাই কেনভাছত এক্ৰাইল ১১২ × ১৮৮ ছে. মি.



শ্বুনছ' আদি কেইজনমান শিল্পীয়ে জাপানী পৰম্পৰাগত মূল্যবোধ ৰক্ষাৰ্থেও এটা মোটামুটি আলোড়নৰ গুৰি ধৰে।

পেৰিছত ৰাফেল কলিনৰ অধীনত ৯ বছৰ শিক্ষালাভ কৰি ১৮৯৩ চনত কুৰ'ডা ছেইকি নামে এজন চিত্ৰকৰে পেৰিছীয় ধাৰাত এটা আৰ্ট একাডেমি স্থাপন কৰে। তিনিবছৰৰ পাছত কুৰ'ডা টকিঅ' স্কুল অব্ আৰ্টৰ পছিমীয়া পেইণ্টিং বিভাগৰ মুৰব্বী নিযুক্ত হয়। প্ৰধানকৈ এওঁৰ নেতৃত্বতেই জাপানে সামগ্ৰিকভাৱে পছিমীয়া কলাক আকোৱালি লয়; ফৰ্ম (form) আৰু পোহৰৰ (light) প্ৰচলিত পৰিধি ভাঙি চিত্ৰকৰসকলে ৰঙৰ পৃথিৱীত প্ৰৱেশ কৰিলে। ৰং প্ৰয়োগৰ বাধা আঁতৰাই কুৰ'ডাৰ ছাত্ৰসকলে মুকলিমূৰীয়াকৈ visual expression দিব পৰা হ'ল। ৰং প্ৰয়োগৰ ইম্প্ৰেশ্যনিষ্ট পদ্ধতি অৱলম্বন কৰি এচাম নতুন শিল্পীয়ে জাপানৰ কলা-চৰ্চাৰ জনপ্ৰিয়তাও বঢ়ালে।



ছেৰি ফুল নিশা ফুলে : কেই হিৰাগা কেনভাছত এক্ৰাইল ১৩০ × ১৬২ ছে. মি.

ইতিমধ্যে পৰম্পৰাৰ 'গোড়ামী' আৰু পছিমীয়া ধাৰাৰ 'সৰ্বগ্ৰাসী' জনপ্ৰিয়তা—এই দুয়োটাৰ বিৰুদ্ধে ওকালতি কৰি এচাম লোক আগবাঢ়িল। এওঁলোকৰ নেতা আছিল অ'কাকুৰা টেনশ্বিন (১৮৬১-১৯১৩)। জাপান আৰ্ট একাডেমিৰ প্ৰতিষ্ঠাতা তথা টকিঅ' আৰ্ট স্কুলৰ প্ৰথম অধ্যক্ষ টেনশ্বিনে ভৱিষ্যতৰ বাবে এছিয়াত এক নতুন ধাৰা লাগে বুলি মত প্ৰকাশ কৰে। "Freedom is the greatest privilege of an artist, but freedom always in the sense of evolutional self development. Art is neither the ideal nor the real, Imitation, whether of nature, of the old masters, or above all of self is suicidal to the realisation of individuality, which rejoices always to play an original part, be it of tragedy or comedy, in the grand drama of life, of man and of nature."

শতিকাই মোৰ লোৱালৈ জাপানী পৰম্পৰা আৰু পাশ্চাত্যৰ ধ্যান-ধাৰণাৰ সংমিশ্ৰণৰ আধুনিক জাপানী চিত্ৰকলাৰ প্ৰথম অধ্যায় লিখা হ'ল। বিশ্বৰ কলা-বিশেষজ্ঞসকলে ইয়াক 'জাপানী নিঅ'-ক্লাছিছিজম' আখ্যা দিয়ে। ছিম'মুৰা কানজান, য়ক'য়ামা টাইকান, হিছিডা শ্বুনছ', য়ুকি ছ'মেই, কিক্কাৱা ৰেইকা, হিৰাফুকু হিয়াকুছুই, কাৱাই গিয়কুডা আদি এই ধাৰাৰ আগৰণুৱাসকলৰ অন্যতম।

টেনশ্বিনৰ মৃত্যুৰ পাছতে জাপানৰ কলা-সমালোচকসকলে নব্য-ধাৰাৰ বিৰুদ্ধে কিছু টান কথা ক'বলৈ ধৰে। এওঁলোকৰ কৰ্মৰাজিক 'অস্পষ্ট', 'লাগবান্ধ নোহোৱা' আদি বিশেষণ পিন্ধোৱা হয় আৰু এওঁলোকে জাপানী থলুৱা কলাৰ ধ্বংস আনিব বুলি আশংকা প্ৰকাশ হবলৈ ধৰে। এই আক্ৰমণ অৱশ্যে ক্ষণস্থায়ী আছিল।

১৯১০ অৰ পৰা ১৯২৫ চনলৈকে এই কালছোৱাত মুছানক'জি ছানেটছু, নাগায়' য়'ছিঅ, ছেট'মি টন আদিৰ প্ৰচেষ্টাত ছিজ়া, ৰ'ড়া আদি সমকালীন ফৰাছী শিল্পীসকলৰ নতুন ইউৰোপীয় আন্দোলনৰ বতাহ জাপানলৈ বোৱাই অনা হয়। একাধিক কলা-সম্পৰ্কীয় আলোচনীও প্ৰথম এই সময়ছোৱাতে প্ৰকাশ হবলৈ ধৰে।

ইতিমধ্যে ১৯২৬ চনৰ পাছত বিভিন্ন গোষ্ঠী হিচাপে চিত্ৰকৰসকলে এক্সপ্ৰেশ্যনিজম আৰু ফ'ভিজমৰ সংমিশ্ৰিত আন্দোলন গঢ়ি তোলে। পৰৱৰ্তীকালত ফ'ভিজমে অধিক জনপ্ৰিয়তা লভে; এই ধাৰাত শিল্পীসকলে সৰ্বাধিক স্বাধীনতা পায় বুলি সমসাময়িক জাপানী সমালোচকসকলে মন্তব্য প্ৰকাশ কৰিছে।

যুদ্ধোত্তৰ কালত এবষ্ট্ৰেক্ট-এক্সপ্ৰেশ্যনিজম আৰু এবষ্ট্ৰেক্ট আৰ্ট পূৰ্ণগতিত প্ৰস্ফুতিত হোৱা পৰিলক্ষিত হয়। পঞ্চাছৰ দশকত ই শ্ৰেষ্ঠতাৰ শিখৰ ছোৱে। ষাঠীৰ দশকত পাশ্চাত্যৰ সৈতে খোজ মিলাই 'পপ আৰ্ট' আৰু 'মিনিমেল আৰ্ট' সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষাও চলে। কিন্তু চহকী পৰম্পৰাৰ ভিত্তিত গঢ় লোৱা আধুনিক জাপানী চিত্ৰকলাই নিজস্ব বৈশিষ্ট্য বিচাৰি উলিওৱাই নহয়, ইয়াক পশ্চিমৰ সৈতে ফেৰ মাৰিব পৰা পৰ্যায়লৈ উন্নীত কৰিবলৈও সক্ষম হৈছে।

# হকি টেষ্ট ছিৰিজত ভাৰতৰ জয়

সম্প্ৰতি ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত টেষ্ট-ছিৰিজৰ ৭ খন টেষ্টমেচৰ ভিতৰত ভাৰতে তিনিখনত আৰু পাকিস্তানে তুখনত জয়লাভ কৰে। তুখন মেচ অমীমাংসিতভাৱে শেষ হয়। ফলত ভাৰতে ছিৰিজ লাভ কৰে। সাতখন টেষ্ট মেচৰ তিনিখন ভাৰতত আৰু চাৰিখন পাকিস্তানত অনুষ্ঠিত হৈছিল। ভাৰতত অনুষ্ঠিত তিনিখন টেষ্টৰ ভিতৰত পাকিস্তানে কলিকতাত ৩-১ গ'লত জয়লাভ কৰে আৰু কোলাপুৰত ২-১ গ'লত। আৰু হায়দৰাবাদত ৬-৩ গ'লত পৰাজয় বৰণ কৰে।

পাকিস্তানত অনুষ্ঠিত ৪ খন টেষ্ট মেচৰ ভিতৰত ভাৰত শিয়ালকোটত ৩-২ গ'লত পৰাজিত হয়। ছাৰগোদা আৰু ইছলামাবাদত যথাক্ৰমে ২-২ আৰু ৩-৩ গ'লত খেল অমীমাংসিত ভাৱে শেষ হয়। কৰাচীত অনুষ্ঠিত শেষখন টেষ্টমেচত ভাৰতে ২-১ গ'লত জয়লাভ কৰে। এষ্ট্ৰোটাৰ্ফত অনুষ্ঠিত এইখন টেষ্টত খেলৰ প্ৰথমাৰ্ধৰ ৯ মিনিটতে হাছান ছৰ্দাৰৰ গ'লেৰে পাকিস্তান আগবাঢ়ি গৈছিল ; কিন্তু খেলৰ ১২ মিনিটত ভাৰতৰ নিৰ্ভৰ-যোগ্য বেক দৰপান সিঙে পেনাল্টি-কৰ্ণাৰৰ সহায়ত গ'ল দি সমতা স্থাপন কৰে: আৰু ১৪ মিনিটত বিজয়সূচক গ'লটো কাৰভেলোই দিয়ে পেনাল্টি ষ্ট্ৰ'কৰ দ্বাৰা। এতিয়ালৈকে বিভিন্ন প্ৰতিযোগিতাত ভাৰত আৰু পাকিস্তানৰ মাজত ৫৫ খন খেল অনুষ্ঠিত হৈছে তাৰে পাকিস্তান ২৫ খন আৰু ভাৰত ১৮ খনত বিজয়ী হৈছে।

## কপিল আকৌ অধিনায়ক

এইমাহৰ ৩০ তাৰিখৰপৰা শ্ৰীলংকাত অনুষ্ঠিত হ'বলগীয়া এছীয়কাপ, এপ্ৰিলৰ ১০ তাৰিখৰপৰা ছাৰজাত অনুষ্ঠিত হবলগীয়া অষ্ট্ৰেলিছিয়া কাপ আৰু মে' মাহত ইংলণ্ড ভ্ৰমণলৈ ওলোৱা ভাৰতীয় দলৰ অধিনায়ক নিৰ্বাচিত হৈছে কপিলদেব। কপিলক কিয় আকৌ অধিনায়ক কৰা হ'ল—সাংবাদিকৰ এই প্ৰশ্নৰ উত্তৰত ব'ৰ্ডৰ সচিব ৰণবীৰ সিঙে তুটা কাৰণ দেখুৱাইছে :

(১) ইংলণ্ড ভ্ৰমণ যি কোনো অধিনায়কৰ বাবেই এটা ডাঙৰ প্ৰত্যাহ্বান। নিৰ্বাচক মণ্ডলীৰ মতে, ৰবি শাস্ত্ৰীৰ দৰে অনভিজ্ঞ অধিনায়কক ইংলণ্ডত নেতা কৰাটো এটা ডাঙৰ 'ৰিস্ক' লোৱা হ'ব। যদিও কপিলৰ অধিনায়ক ৰূপে প্ৰজ্ঞাৰ অভাৱ আছে. তথাপি 'অনভিজ্ঞ' এজনক অধিনায়ক কৰাটো দলৰ বাবে 'বিপদজনক' হ'ব।

(২) ভাৰতীয় দলে মে' মাহত ইংলণ্ড ভ্ৰমণ কৰিব,—অৰ্থাৎ গ্ৰীষ্মকালৰ প্ৰথমাৰ্ধত ; এইটো সময় ভ্ৰমনকাৰী দলৰ অধিনায়কৰ বাবে এটা চৰম পৰীক্ষাৰ সময়। কাৰণ এই সময়ত ইংলণ্ডৰ বতৰত বল ভীষণভাৱে 'ছুইং' কৰে। ১৯৭৪ চনত অজিত ৱাডেকাৰৰ দল বিপৰ্যয়ৰ সন্মুখীন হৈছিল গ্ৰীষ্মকালৰ প্ৰথম ভাগতে। এইবোৰ কাৰণ বিবেচনা কৰি কপিলকে অধিনায়ক কৰা হৈছে।

৩৭ খন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলত ভাৰতক নেতৃত্ব দিয়া কপিলৰ উল্লেখযোগ্য সাফল্য হ'ল ১৯৮৩ চনৰ প্ৰুডেনশ্বিয়েল কাপ জয়। ২০ খন টেষ্টত নেতৃত্ব দিয়া কপিলে এতিয়াও অধিনায়ক হিচাপে ভাৰতক এখনো টেষ্টত বিজয়ী কৰিব পৰা নাই। ভাৰতৰ হৈ কপিলে ৭৭ খন এদিনীয়া খেল খেলিছে। এদিনীয়া খেলত তেওঁ ২৩১০ ৰান দি ১০১ টা উইকেট লাভ কৰিছে আৰু ১৫৭৮ ৰান সংগ্ৰহ কৰিছে। ভাৰতীয়দলে ইংলণ্ড ভ্ৰমণ কৰিব ১ মে'ৰ পৰা ১৭ জুলাইলৈকে।

অহা জুন মাহত অ'ভেলত অনুষ্ঠিত হবলগীয়া ভাৰত বনাম ইংলণ্ডৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেলৰ আগতীয়া টিকট বিক্ৰিৰ ক্ষেত্ৰত ৰেকৰ্ড প্ৰতিষ্ঠিত হৈছে। বাতৰিত প্ৰকাশ এই খেলৰ বাবে ১০ লাখ ৮০ হাজাৰ টকা মূল্যৰ টিকট ইতিমধ্যেই বিক্ৰি হৈ গৈছে।

## জাহাংগীৰ খাঁৰ কৃতিত্ব

স্কোৱাছ খেলত বিশ্বচেম্পিয়ন পাকিস্তানৰ জাহাংগীৰ খাঁই আই. ছি. আই অ'পেন খেলৰ ফাইনেলত নিউজিলেণ্ডৰ ৰছ নৰমেনক পৰাজিত কৰি আৰু এটা খিতাপ লাভ কৰিছে।

## ১৯৯২ চনৰ অলিম্পিক ভাৰতত নহয়

দিল্লীত ১৯৯২ অলিম্পিক গেমছ অনুষ্ঠানৰ বাবে দাবী উত্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সন্মতি নিদিলে। ভাৰতীয় অলিম্পিক সন্থাই চৰকাৰৰ সন্মতি পত্ৰসহ লুছানত থকা আই. অ. ছিৰ প্ৰধান দপ্তৰত নিৰ্দিষ্ট সময়-সীমা ২৮ ফেব্ৰুৱাৰীৰ আবেলি ৫ বজাৰ ভিতৰত আবেদন পত্ৰ জমা দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু ২৭ ফেব্ৰুৱাৰীত মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে যে, অলিম্পিকৰ দৰে ব্যয় বহুল অনুষ্ঠানৰ দায়িত্ব লোৱাটো ভাৰতৰ পক্ষে সম্ভৱপৰ নহয়। ইমান দিনে বিভিন্ন মহলত ১৯৯২ চনৰ অলিম্পিক ভাৰতত হ'বনে নহব এই বিষয়ে যি আলোচনা চলিছিল মন্ত্ৰীসভাৰ এই সিদ্ধান্তৰ ফলত তাৰ ওৰ পৰিল।

## অল ইংলণ্ডৰ ৰেংকিঙত প্ৰকাশ যুটীয়াভাৱে তৃতীয় স্থানত

এই মাহতে আৰম্ভ হ'ব অল ইংলণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপ। পুৰুষ আৰু মহিলা বিভাগত শীৰ্ষ ৰেংকিং পাইছে ডেনমাৰ্কৰ মৰ্টেনফ্ৰষ্ট আৰু কিৰষ্টেন লাৰছেনে। ভাৰতৰ প্ৰকাশ পাড়ুকনে ডেনমাৰ্কৰ ফ্ৰেডাৰিকছনৰ লগত যুটীয়াভাৱে তৃতীয় স্থান পাইছে। পুৰুষ বিভাগৰ ৰেংকিং এনে ধৰণৰ : (১) মৰ্টেনফ্ৰষ্ট (ডেনমাৰ্ক), (২) চে. ইউ (৩) ফ্ৰেডাৰিকছন আৰু প্ৰকাশ পাড়ুকন (৫) ষ্টিভবেডেলি (ইংলণ্ড), টৰবেন কাৰ্লছন (ডেনমাৰ্ক) মিছবুন ছিদেক (মালয়েছিয়া), মিখাইল ডেল্সেছেন (ডেনমাৰ্ক)।

## ৱেষ্টইণ্ডিজৰ ফাষ্ট বলিঙত ইংলণ্ড বিপৰ্যস্ত

ৱেষ্টইণ্ডিজৰ তুৰন্ত ফাষ্ট ব'লিঙৰ সন্মুখত ইংলণ্ড দলে প্ৰথম টেষ্টত শোচনীয় বিপৰ্যয়ৰ সন্মুখীন হয়। প্ৰথম ইনিংছত মাত্ৰ ১৫৯ ৰাণত তেওঁলোকে ইনিংছ শেষ কৰে। 'নতুন তাৰকা' পেট্ৰিৰ পেটাৰছনে ২৯ ৰাণত ৪টা আৰু আন তিনিগৰাকী অভিজ্ঞ ব'লাৰ মাৰ্শ্বাল, গাৰ্নাৰ আৰু হ'ল্ডিঙে তুটাকৈ উইকেট লাভ কৰে। ইংলণ্ড দলৰ সৰ্বোচ্চ ৫১ ৰান কৰে গ্ৰাহাম গুচে আৰু লেম্পে কৰে ৪৯ ৰান। ৱেষ্টইণ্ডিজ দলে. প্ৰথম ইনিংছত কৰে ৩০৭ ৰান। উইকেটকিপাৰ-বেটছমেন ডুজোই সৰ্বোচ্চ ৰান কৰে (৫৪)। ইংলণ্ডৰ হৈ ৰিচাৰ্ড এলিছনে লাভ কৰে ৭৮ ৰানত ৫টা উইকেট। ১৪৮ ৰানত পিছ পৰি থকা ইংলণ্ড দলৰ দ্বিতীয় ইনিংছ শেষ হয় মাত্ৰ ১৫২ ৰানত। মাৰ্শ্বাল, গাৰ্নাৰ, হল্ডিং আৰু পেটাৰছনৰ ফাষ্ট ব'লিঙৰ সন্মুখীন হ'বলৈ ইংলণ্ড দলৰ বেটছমেনসকল সম্পূৰ্ণভাৱে ব্যৰ্থ হয়। একমাত্ৰ উইলিয়ে সাহসেৰে খেলি ৭১ ৰান কৰে। জয়ৰ বাবে প্ৰয়োজনীয় ৫ ৰান ৱেষ্টইণ্ডিজ দলে বিনা উইকেটত কৰি ১০ উইকেটত ইংলণ্ড দলক পৰাজিত কৰে।

## গেটিঙৰ আশংকা

ইংলণ্ড দলৰ সহ অধিনায়ক মাইক গেটিং ৱেষ্ট-ইণ্ডিজৰ পৰা লণ্ডনলৈ উভতি আহে নাকৰ অপাৰেশ্যনৰ বাবে। অপাৰেশ্যন হৈ যোৱাৰ পাছত তেওঁ আকৌ ৱেষ্টইণ্ডিজলৈ উভতি যাব। ৱেষ্টইণ্ডিজ বনাম ইংলণ্ডৰ প্ৰথম এদিনীয়া আন্তঃৰাষ্টীয় মেচত মেলকম মাৰ্শ্বালৰ বাউন্সাৰত গেটিঙৰ নাক ভাগি যায়। গেটিঙে কৈছে, "মোৰ ভাগ্য ভাল যে, বলটো আৰু একইঞ্চিমান ওপৰত নপৰিল। পৰাহেঁতেন আজি আৰু মই ইয়াতে সশৰীৰে উপস্থিত থাকিব নোৱাৰিলোহেঁতেন। মোৰ ধাৰণা অতি শীঘ্ৰেই কোনোবা এজনে ক্ৰিকেট খেলিবলৈ গৈ প্ৰাণ হেৰুৱাব।"

## হেডলিৰ তিনিশ টেষ্ট উইকেট

নিউজিলেণ্ডৰ ক্ৰিকেট ইতিহাসৰ ১৭৪ তম ষ্টেটখন চিৰস্মৰণীয় হৈ ৰ'ব। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৱেলিংটনত বৰ্তমান ছিৰিজৰ প্ৰথম টেষ্টত এলান ব'ৰ্ডাৰক আউটকৰি ৰিচাৰ্ড হেডলিয়ে টেষ্ট ক্ৰিকেটত নিজৰ ৩০০ উইকেট পূৰ্ণ কৰিছে। এতিয়ালৈকে আৰু মাত্ৰ ৫ গৰাকী খেলুৱৈয়ে এই কৃতিত্ব অৰ্জন কৰিছে। তেওঁলোক হৈছে : ডেনিছ লিলি (৩৫৫ উইকেট), ইয়ান বথাম (৩৪৩ উইকেট), ববউইলিছ (৩২৫ উইকেট), লেন্স গিবছ (৩০৯ উইকেট) আৰু ফ্ৰেডি ট্ৰুমেন (৩০৭ উইকেট)।

হেডলিয়ে তেওঁৰ ৬১ তম টেষ্টত এই কৃতিত্ব অৰ্জন কৰে। তেওঁ নিউজিলেণ্ড বনাম অষ্ট্ৰেলিয়াৰ বৰ্তমান ছিৰিজৰ দ্বিতীয় টেষ্টলৈকে ৬২ খন টেষ্টত লাভ কৰিছে ৩১১টা উইকেট। তেওঁ অষ্ট্ৰেলিয়াৰ বিপক্ষে মুঠতে লাভ কৰিছে ১০১ টা উইকেট। টেষ্টত তুহাজাৰ ৰান আৰু তিনিশ উইকেট লাভৰ কৃতিত্ব হেডলিৰ বাহিৰে আৰু আছে মাত্ৰ ইয়ান বথামৰ।

## এলান ব'ৰ্ডাৰৰ কৃতিত্ব

ক্ৰাইষ্টচাৰ্চত নিউজিলেণ্ডৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ অধিনায়ক এলান বৰ্ডাৰে উভয় ইনিংছতে চেঞ্চুৰি কৰিছে। প্ৰথম ইনিংছত তেওঁ কৰে ১৪০ আৰু দ্বিতীয় ইনিংছত কৰে ১১৪ ৰান (নট আউট) ইয়াৰ আগতে ১৯৭৯-৮০ চনত পাকিস্তানৰ বিৰুদ্ধে তেওঁ এনে কৃতিত্ব অৰ্জন কৰিছিল। তুবাৰ এনে কৃতিত্ব অৰ্জন কৰা আন কেইজন খেলুৱৈ হৈছে ৱালকট, জৰ্জ হেডলি, ইংলণ্ডৰ হাৰ্বাট ছাটক্লিফ আৰু গ্ৰেগ চেপেল। এই ক্ষেত্ৰত বিশ্বৰেকৰ্ডৰ কধিকাৰী সুনীল গাভাছকাৰ ; তেওঁ তিনিবাৰ টেষ্টমেচৰ উভয় ইনিংছতে চেঞ্চুৰি কৰিছে ; —ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে তুবাৰ আৰু পাকিস্তানৰ বিৰুদ্ধে এবাৰ।

## পাকিস্তানৰ হাতত শ্ৰীলংকাৰ ইনিংছ পৰাজয়

তিনিখন টেষ্ট মেচৰ ছিৰিজৰ প্ৰথম খন টেষ্টত পাকিস্তানে শ্ৰীলংকাদলক এক ইনিংছ আৰু ২০ ৰানত পৰাজিত কৰিছে। খেলৰ চতুৰ্থ দিনাৰ লাঞ্চৰ অলপ পাছতে খেলখনৰ ফলাফল নিৰ্ণীত হৈ যায়। শ্ৰীলংকাদলে তেওঁলোকৰ দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে মাত্ৰ ১০১ ৰান। পাকিস্তান দলৰ অফ-স্পিনাৰ তৌছিফ আহমদে দ্বিতীয় ইনিংছত মাৰাত্মক বলকৰি মাত্ৰ ৪০ ৰানত লাভ কৰে ৬টা উইকেট। খেলৰ স্ক'ৰ এনে ধৰণৰ : শ্ৰীলংকা প্ৰথম ইনিংছে ১০৯ ; পাকিস্তান প্ৰথম ইনিংছ ২৩০ ; শ্ৰীলংকা দ্বিতীয় ইনিংছ ১০১ ৰান।

## জফৰ ইকবালৰ অৱসৰ গ্ৰহণ

ভাৰতৰ প্ৰাক্তন অধিনায়ক জফৰ ইকবালে আন্তঃৰাষ্ট্ৰীয় হকিৰ পৰা অৱসৰ গ্ৰহণৰ সিদ্ধান্ত লৈছে। স্বাস্থ্যৰ অৱনতি ঘটাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰিবলৈ তেওঁ বাধ্য হৈছে।

—পুলক লাহিড়ী

ANNEXURE - VI

Statement about ownership and other particulars about newspaper PRANTIK
FORM IV

1. Place of publication :- Guwahati
2. Periodicity of its publication :- Fortnightly
3. Printer's Name :- Pradip Baruah
   (Whether a citizen of India) :- Yes
   Address :- Navagiri Road, Guwahati- 3
4. Publisher's Name :- Pradip Baruah
   (Whether a citizen of India) :- Yes
   Address :- Navagiri Road, Guwahati- 3
5. Editor's Name :- Pradip Baruah
   (Whether a citizen of India) :- Yes
   Address :- Navagiri Road, Guwahati - 3
6. Names and addresses of individuals who own the newspaper and partners or share-holders holding more than one per cent of the total capital :- Pradip Baruah

I Pradip Baruah hereby declare that the particulars given above are true to the best of my knowledge and belief.

Dated 1st March 1986

Sd/- Publisher

OKDISCO

# নেতৃত্বৰ আদিপাঠ

এইযে সৰু সৰু ল'ৰা-ছোৱালীহঁতে ঠায়ে-ঠায়ে, ক'ৰবাত চুবুৰীয়ে-চুবুৰীয়ে ঝুলন যাত্ৰা, সৰস্বতী পুজা, পিকনিক আদি পাতে, সেইবোৰৰ প্ৰতি বহুতৰে ভাব ভাল; বহুতৰে বেয়া। ল'ৰা-ছোৱালীহঁতে আনন্দ কৰিছে, চুবুৰীটোও অলপ সজীৱ হৈছে,— হওক দিয়া। বহুতৰে ভাব হ'ল এইটো। অইন বহুতৰে ভাবটো হ'ল— কামৰ কামত নাই, খালী হৈ চৈ কৰাৰ সুবিধা এটা ওলালেই হ'ল!

সৰু হ'লেও এইবোৰ কথাৰ বিষয়ে বহুতো আলোচনা কৰিবলগীয়া আছে। দুটা কথা নিঃসন্দেহে কব পাৰি; —প্ৰথমতে, আমাৰ দেশত এনে ধৰণৰ উৎসৱ-অনুষ্ঠানৰ সংখ্যা আৰু সেইবোৰৰ প্ৰতি প্ৰৱণতা প্ৰয়োজন আৰু, বৈজ্ঞানিক আৰু অৰ্থনৈতিক বিচাৰত বহুত বেছি; দ্বিতীয়তে পাতল কথা আৰু কামত উদ্বাউল হোৱা লোকৰ সংখ্যাও আমাৰ মাজত বহুত বেছি। কেৱল সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰতে নহয়, ডাঙৰৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। ডাঙৰ সভা এখনৰ সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান আৰু পুৱা দহ বজাৰ আলোচনা চক্ৰত উপস্থিত থকা দৰ্শক-শ্ৰোতাৰ সংখ্যাতে এই সত্যটো প্ৰতিফলিত হয়। কামৰ কামত বৰ বিফল বুলি বদনাম থকা অফিছ একোটাৰ পিকনিক, বিশ্বকৰ্মা পূজা, পাৰ্টি আদি সিমান বিফল নহয়। গতিকে কথাটো ডাঙৰৰ ক্ষেত্ৰতো প্ৰযোজ্য।

কিন্তু আকৌ ল'ৰা-ছোৱালীৰ কথালৈ আহোঁ। সময়, টকা-পইচা, যুক্তি-যুক্ততা, স্বভাৱ আদি দিশৰ প্ৰশ্নবোৰ কিছু ঢিলাই দি কব পাৰি— ল'ৰা-ছোৱালীহঁতে এই উৎসৱ-অনুষ্ঠান আদি পতাৰ মাজত দুটামান ভাল কামৰ সম্ভাৱনা আছে, যেনে— সংগঠন আৰু ব্যৱস্থাপনাৰ শিক্ষা আৰু অভিজ্ঞতা লাভ কৰা, এক ধৰণৰ নেতৃত্বৰ আদিপাঠ লোৱা ইত্যাদি। (আনন্দ, একতা, বন্ধুত্ব আদিৰ কথাও আছে, কিন্তু কাজিয়া-পেচাল, তিক্ততা আদিৰ কথাও আছে কাৰণে এই দিশটো সদ্যহতে বাদ দি থলো।) এই নেতৃত্বৰ আদিপাঠৰ প্ৰশ্নটো জড়িত আছে কাৰণেই, ল'ৰা-ছোৱালীহঁতৰ এই কামবোৰৰ সময়ত, সেইবোৰ ভাল পোৱা— বেয়া পোৱা সকলো বয়সস্থ লোকৰে, সকলো অভিভাৱকৰে কিছুমান দায়িত্বও আছে। পইচাৰ কথাটোকে প্ৰথম গুৰুত্বপূৰ্ণ কথা বুলি ধৰা যাওক। আনন্দেৰে, নিৰ্বিকাৰভাৱে, অনিচ্ছাসত্ত্বেও, লাজ-মান ৰাখিবলৈ, অপ্ৰিয় নহবলৈ,— বিভিন্ন কাৰণত আমি ডাঙৰসকলেই ল'ৰা-ছোৱালীহঁতক বৰঙণি দিওঁ। কিন্তু এই পইচাখিনি খৰচ কৰা হয় কেনেকৈ? খৰচৰ হিচাপ ৰখাটো বিশেষকৈ ৰাইজৰপৰা সকলোকে জনাই দিয়াটো যে এটা অতি প্ৰয়োজনীয় কাম, সেই কথাটো ল'ৰা-ছোৱালীৰ মনত সুমুৱাই দিব লাগে; চুবুৰী বা অঞ্চলটোৰ অন্ততঃ এজন অভিভাৱকে অন্ততঃ এই কামটোৰ দায়িত্বয়েই ল'ব লাগে। চান্দা তুলি আহোঁতে ৰাটত ল'ৰাহঁতে হোটেলত চাহেই খাওক বা ৰিক্সাতেই উঠক বা ক'ৰবাত টকা এটা হেৰুৱাৱকেই,— সেইটো অন্ততঃ তেওঁলোকে কাগজত লিখি ৰাখক,— সকলোৱে কথাটো জানক। এই সাধাৰণ অভ্যাস বা ব্যৱস্থাটোৱে এটা বৰ ডাঙৰ শৃংখলা, আনন্দ আৰু সততাৰ পৰিবেশ সৃষ্টি কৰিব। এই পৰিবেশ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ একতা সভালৈকে বিয়পিব; দেশৰ নেতৃত্বলৈকে বিয়পিব, সমগ্ৰ সমাজলৈকে বিয়পিব।

কথাটো ডাঙৰৰ ক্ষেত্ৰতো বিচাৰ্য। অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশনৰ জমা-খৰচৰ হিচাপ কামপুৰ অধিবেশনৰ আগে-আগে গোটেই ৰাজ্যখনে পালে। ই বৰঙণি দিওঁতাসকলৰ বাবে স্বস্তিৰ বিষয়। মই দিয়া টকা দহটাৰ কি হ'ল, সেই খবৰটো পোৱাটো মোৰ বাবে আনন্দৰ কথা। সেই দহটা টকাৰ এপইচাও মোক ওভোতাই নালাগে, কিন্তু তাৰ ব্যৱহাৰ সম্পৰ্কে মই নিৰ্বিকাৰ হোৱা অনুচিত। সেই দহ টকাৰ অন্ততঃ সাতটা টকা ঠিক কামত লাগিছে বুলি জানিলে, অন্ততঃ বৰ্তমানৰ পৰিবেশত, মই সন্তুষ্ট। বৰঙণি দিওঁতা ৰাইজক এইকণ সন্তুষ্টি দিয়াটো প্ৰতিটো বৰঙণি সংগ্ৰহ কৰা অনুষ্ঠান-প্ৰতিষ্ঠানৰ অৱশ্য কৰ্তব্য। আজি যে এই বিভিন্ন সাহায্য পুঁজি, বিভিন্ন প্ৰতিষ্ঠান স্থাপন আদিৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰা হয়, ভ্ৰাম্যমান থিয়েটাৰ আমন্ত্ৰণ কৰা হয়, লটাৰিৰ ব্যৱস্থা কৰা হয়, সাংস্কৃতিক অনুষ্ঠান পাতি প্ৰবেশ-পত্ৰ বিক্ৰি কৰা হয়, সেইবোৰৰপৰা মুল উদ্দেশ্যলৈ কিমান ধন যায়, তাৰ হিচাপ বৰঙণি দিওঁতা ৰাইজে বা সমগ্ৰ ৰাইজে পাব লাগে। পাঁচশ এটকা মুল উদ্দেশ্যৰ বাবে দান দিয়া হ'ল বুলি বাতৰি-কাকতত খবৰ ওলালেই ৰাইজ সন্তুষ্ট হ'ব নে? ত্ৰিছ হাজাৰ এটকা যে সংগৃহীত হোৱা নাছিল, ব্যয়-অপব্যয় মিলি পঁচিছ হাজাৰ টকা যে খৰচ হোৱা নাছিল, সেই খবৰবোৰো প্ৰয়োজনীয়। চৰকাৰে একোখন আঁচনি অনুমোদন কৰিলে, বহুসময়ত এটা সীমা বান্ধি দিয়ে— আয়োজন, ব্যৱস্থাপনা আদিৰ বাবে খৰচ কৰিব পাৰিব শতকৰা দহ বা পোন্ধৰ টকা, বাকী নব্বৈ বা পঁচাশী টকাৰ কাম হ'ব লাগিব। আমাৰ বোধেৰে ৰাজহুৱা পুঁজি সংগ্ৰহৰ ক্ষেত্ৰতো তেনে ধৰণৰ একোটা সীমা থকা উচিত। যি উদ্দেশ্যে পুঁজি সংগ্ৰহৰ ব্যৱস্থা কৰা হয়, সেই উদ্দেশ্যৰ বাবে সংগৃহীত ধনৰ অন্ততঃ শতকৰা সত্তৰ ভাগ আগবঢ়োৱা হ'বই— এনে এটা বান্ধৰ কথা চৰকাৰী বেচৰকাৰী সকলো মহলে চিন্তা কৰিব লাগে। এনে এটা বান্ধ থকা বুলি জানিলে দান-বৰঙণিৰ প্ৰতি ৰাইজৰ শ্ৰদ্ধা জন্মে।

১২।৩।৮৬





OKDISC